
গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত



# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ২৯২ ■ গুৱাহাটী ■ বুধবাৰ, ১ জুন, ২০২২, ১৭ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 292 Dainandin Barta ■ Guwahati, Wednesday ■ 1 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only

■ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো সৌৰ প্ৰকল্প ■

# ৭০ মেগাৱাট সৌৰশক্তি প্ৰকল্পৰ উদ্বোধন



**বিদ্যুতৰ চাহিদা পূৰণৰ বাবে ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে ঃ মুখ্যমন্ত্ৰী শৰ্মা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ৩১ মে' ঃ** বহু প্ৰতীক্ষাৰ অন্তত ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে শুভ উদ্বোধন কৰিলে আমগুৰিৰ ৭০ মেগাৱাট শক্তিসম্পন্ন 'সৌৰশক্তি প্ৰকল্প'ৰ। উল্লেখ্য, ছয় বছৰ জোৰা অসম আন্দোলনৰ ফচল অসম চুক্তি অনুসৰি ১৯৯০ চনতে অসম গণ পৰিষদ চৰকাৰৰ আমোলত ৬০০ কোটি টকা ব্যয় সাপেক্ষে আমগুৰিৰ লালিম চাপৰি অঞ্চলত ৩৬০ মেগাৱাট শক্তিসম্পন্ন গেছভিত্তিক এক শক্তি প্ৰকল্প স্থাপনৰ ■ ৮ পৃষ্ঠাত



**শিৱসাগৰত অনুষ্ঠিত গৰীব কল্যাণ সন্মিলনত মুখ্যমন্ত্ৰী ড° শৰ্মা**

## চৰকাৰী আঁচনিৰ সুবিধাবোৰ গ্ৰহণ কৰিবলৈ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গৰীব কল্যাণ সন্মিলন উপলক্ষে আজি শিৱসাগৰ জিলাৰ গড়গাঁৱত আয়োজিত এক কাৰ্যসূচীত প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ হিতাধিকাৰীসকলৰ মাজত অনুমোদন পত্ৰ বিতৰণ কৰে। উল্লেখ্য যে ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰীয়া ■ ৮ পৃষ্ঠাত



*শিল্পা খনিকৰক আছুৰ প্ৰতিনিধিৰ সম্বৰ্ধনা*

## ২ জুনত গুজৰাটত বিজেপিত যোগদান কৰিব হাৰ্দিক পেটেলে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ৩১ মে' ঃ** ২ জুনত কংগ্ৰেছৰ পৰা পদত্যাগ কৰা হাৰ্দিক পেটেলে বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰিব। এক বিশেষ সূত্ৰই এই তথ্য প্ৰকাশ কৰিছে। উল্লেখ্য, গুজৰাট কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি হাৰ্দিক পেটেলে ১৮ মে'ত দলৰ ■ ৮ পৃষ্ঠাত

■ ভালৰ দিশে অৰ্থনীতি ■

## দেশত ৪.১ শতাংশলৈ বৃদ্ধি মুঠ ঘৰুৱা উৎপাদন

**দেশত বৃদ্ধি পাইছে মুঠ ঘৰুৱা উৎপাদনৰ পৰিমাণ**

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ৩১ মে' ঃ** জানুৱাৰী মাহৰ পৰা মাৰ্চ মাহলৈ তিনি মাহত মুঠ ঘৰুৱা উৎপাদন ৪.১ শতাংশ বৃদ্ধি পাইছে বুলি চৰকাৰীভাৱে প্ৰকাশ কৰা হৈছে। জিডিপিৰ এনে বৃদ্ধিয়ে দেশৰ অৰ্থনীতি যে ক্ৰমাৎ উত্তৰণৰ দিশলৈ ■ ৮ পৃষ্ঠাত

## লখিমপুৰৰ সোৱণশিৰি চাপৰিত ভূ-মাফিয়াৰ দপ্‌দপনি

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৩১ মে' ঃ** লখিমপুৰ জিলাৰ সোৱণশিৰি নদীৰ চাপৰিত ভূ-মাফিয়া, শিলবালি মাফিয়া, ৰাজনৈতিক নেতা আৰু কোটিপতি ব্যৱসায়ীৰ দপ্‌দপনিয়ে স্থানীয় ৰাইজৰ টোপনি বাৰুকৈয়ে হৰণ কৰিছে। একাংশ ভূ-মাফিয়া, শিল-মাফিয়া আৰু কোটিপতি বেপাৰীক সুৰক্ষা দিবৰ বাবে সোৱণশিৰি চাপৰিত পূৰ্বে জৰীপ কৰা প্ৰকৃত ভূমিত বেটেলিয়ন কেম্প নিৰ্মাণ নকৰি সোৱণশিৰি নদীৰ এটা সুঁতি ভেটি বেটেলিয়ন কেম্প নিৰ্মাণৰ আজব কাণ্ড চলাইছে অসম চৰকাৰে। ■ ৮ পৃষ্ঠাত

## 'দালালে এই চৰকাৰৰ দিনত আঁচনি দিব নোৱাৰে'

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩১ মে' ঃ** 'কোনো দালালক এক টকাও নিদিব। আমাৰ চৰকাৰৰ দিনত দালালে আঁচনি দিব নোৱাৰে'। —শিৱসাগৰ জিলাৰ নাজিৰা গড়গাঁও মহাবিদ্যালয়ৰ খেলপথাৰত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত অনুষ্ঠিত গৰীব কল্যাণ সন্মিলনত অংশ লৈ এইদৰে ৰাজ্যৰ বিভিন্ন চৰকাৰী আঁচনিৰ নামত দালালৰাজ চলাই অহাসকলৰ বিৰুদ্ধে সৰৱ হৈ পৰে। পুৱা ১০ বজাতে নাজিৰাত উপস্থিত ■ ৮ পৃষ্ঠাত

## নগাঁৱৰ ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ধঁপাতমুক্ত বিদ্যালয় ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩১ মে' ঃ** নগাঁৱৰ নগাঁও ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ক প্ৰথমখন ধঁপাতমুক্ত বিদ্যালয় হিচাপে ঘোষণা কৰা হয়। নগাঁও জিলা প্ৰশাসনে আজি ■ ৮ পৃষ্ঠাত

মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম

## সমষ্টিৰ বছৰেকীয়া উন্নয়নমূলক কাম-কাজৰ খতিয়ান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৩১ মে' ঃ** ২০২১ চনৰ ২ মে'ত ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ ভূমি সংৰক্ষণ, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বাক্সা ■ ৮ পৃষ্ঠাত

## ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চললৈ নতুন নিৰ্দেশনা কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ

**মংকীপক্স**

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্চ, ৩১ মে' ঃ** বিশ্বৰ কুৰিখনতকৈও অধিক দেশত ত্ৰাসৰ সৃষ্টি কৰা মংকীপক্সক লৈ চিন্তিত হৈ পৰিছে ভাৰত চৰকাৰো। আজি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে দেশখনত মংকীপক্সৰ প্ৰাদুৰ্ভাৱ প্ৰতিৰোধৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ বিশেষ নিৰ্দেশনা জাৰি কৰিছে। যদিও এতিয়ালৈকে ভাৰতত কোনো এই ৰোগ ধৰা পৰা নাই, স্বাস্থ্য মন্ত্ৰালয়ে ৰোগটোৰ ব্যৱস্থাপনা সম্পৰ্কে বিতং নিৰ্দেশনা জাৰি কৰি সকলোকে সতৰ্ক হৈ থাকিবলৈ কৈছে। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ জাৰি কৰা মংকীপক্স ৰোগৰ ব্যৱস্থাপনা সম্পৰ্কীয় নিৰ্দেশনাত স্বাস্থ্য মন্ত্ৰালয়ে প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে এনে ■ ৮ পৃষ্ঠাত






# লখিমপুৰ কেঞ্চাৰ কেয়াৰ কেন্দ্ৰ আৰু চিকিৎসা মহাবিদ্যালয় নিৰ্মাণত বিসংগতি

## আছুৰ প্ৰতিক্ৰিয়া ঃ তদন্তৰ দাবীত স্মাৰকপত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ৩১ মে' ঃ** লখিমপুৰ কেঞ্চাৰ কেয়াৰ কেন্দ্ৰ, আৰু লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মানৰ অনিয়ম সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আছুৰ অভিযোগ— ৰাষ্ট্ৰীয় আয়ুবিজ্ঞান আয়োগৰ স্বীকৃতিপ্ৰাপ্ত অসমৰ অষ্টমখন চিকিৎসা মহাবিদ্যালয় ৰূপত কিছুমাহ পূৰ্বে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়খন উদ্বোধন কৰা হয়। সমান্তৰালভাৱে বিগত মাহত লখিমপুৰ আৰু উত্তৰ অসমৰ বাইজৰ বাবে স্বাস্থ্য ক্ষেত্ৰত আশাৰ বেঙনি কঢ়িয়াই টাটা কেঞ্চাৰ হস্পিতালসমূহ লখিমপুৰবাসীয়ে লাভ কৰে। নিশ্চিতভাৱে এইয়া আমাৰ বাবে ইতিবাচক দিশ আৰু সদৌ লক্ষীমপুৰ জিলা ছাত্ৰ সন্থাই অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ আৰু অসম চিকিৎসা সঞ্চালকালয়ক কৃতজ্ঞতা জ্ঞাপন কৰিছিল। কিন্তু পৰিতাপৰ বিষয় এয়াই যে নিৰ্মাণৰ এটা বৰ্ষ অতিক্ৰম নহওঁতেই দুয়োখন স্বাস্থ্য প্ৰতিষ্ঠানৰ আন্তঃগাঁথনিত ফাট মেলা কাৰ্য অতি দুৰ্ভাগ্যজনক আৰু গৰ্হিতনীয়। এইক্ষেত্ৰত চিকিৎসা প্ৰতিষ্ঠান দুটাৰ নিৰ্মাণৰ লগত জড়িত নিৰ্মাণকাৰী সংস্থাৰ কামৰ বিশ্বাসযোগ্যতা আৰু দুৰ্নীতিৰ ওপৰত সন্দেহ ঘনিভূত হৈছে। কিয়নো নিম্নমানৰ নিৰ্মাণ সামগ্ৰীৰ ব্যৱহাৰ আৰু গাফিলতিৰ পৰিণামৰ ফল বিগত সময়ত আমি প্ৰত্যক্ষ কৰিছো আৰু এই সম্পৰ্কত অসমৰ সংবাদ মাধ্যম সমূহত ইতিমধ্যে কেইবাবাৰো ব্যাপক প্ৰচাৰো হৈছে। সেয়েহে এই সমগ্ৰ বিষয়টোৰ তদন্তৰ দাবী জনাইছে সদৌ লক্ষীমপুৰ জিলা ছাত্ৰ সন্থাই সেহাই লখিমপুৰ জিলা উপায়ুক্ত ক এক স্মাৰক পত্ৰ প্ৰদান কৰি অসমৰ মুখ্যমন্ত্ৰী, স্বাস্থ্য মন্ত্ৰী লৈ প্ৰতিলিপি প্ৰেৰণ কৰা বুলি এক প্ৰেছ বিবৃতিত জনাইছে আছুৰ সভাপতি সীমান্ত নেওগ সাধাৰণ সম্পাদক স্বৰাজ শংকৰ গগৈয়ে।

# জলেশ্বৰত অঙ্গনৱাড়ী কৰ্মীৰ প্ৰতিবাদী সমদল



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ৩১ মে' ঃ** জলেশ্বৰ শিশু উন্নয়ন প্ৰকল্পত ধৰ্ণা-প্ৰতিবাদী সমদল। জলেশ্বৰৰ শ শ অংগনবাদী কৰ্মীয়ে হাতে হাতে প্লেকাৰ্ড ফেষ্টুন লৈ ওলাই আহিল ৰাজপথলৈ। বিভিন্ন ধৰণৰ শ্লোগান দি অংগনবাদী কৰ্মীয়ে উত্তাল কৰিলে জলেশ্বৰৰ ৰাজপথ। হয়, ঠিকেই শুনিছে, পিছে এই প্ৰতিবাদ কাৰ্যালয়ৰ কোনো বিষয়াৰ দুৰ্নীতিৰ বিৰুদ্ধে নহয় এটা পৰ্টেল চেনেলৰ বাতৰিৰ বিৰুদ্ধে হয়, গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা পৰ্টেল চেনেল এটাত এগৰাকী স্থানীয় সাংবাদিকে জলেশ্বৰ শিশু উন্নয়ন সেৱা প্ৰকল্পৰ পৰিসংখ্যা সহায়ক (এচ এ ) ছোলেমান আলীৰ বিৰুদ্ধে এটা বাতৰি পৰিবেশন কৰিছিল। বাতৰি টোত ছোলেমান আলীয়ে দুৰ্নীতি কৰা বুলি অভিযোগ উত্থাপন কৰিছিল কিন্তু আজি কাৰ্যালয়টোৰ অধিনস্থ শ শ অঙ্গনবাদী কৰ্মীয়ে এচ এ ছোলেমান আলীৰ বিৰুদ্ধে কৰা সকলো অভিযোগ খণ্ডন কৰে। তেওঁলোকৰ মতে ছোলেমান আলীয়ে কাৰ্যালয়ত কেতিয়াও দুৰ্নীতিৰ লগত জড়িত নহয়। জলেশ্বৰ শিশু উন্নয়ন প্ৰকল্প বিষয়াই কয় যে ইয়াত অন্য এক বিষয়াই ষড়যন্ত্ৰ কৰি আছে যি গৰাকী বিষয়াই এতিয়ালৈকে আলমাৰীৰ চাবি দিয়া নাই স্থানীয় একাংশ সচেতন ব্যক্তিয়েও ছোলেমান আলী দুৰ্নীতিৰ লগত জড়িত নহয় বুলি সহমত প্ৰকাশ কৰে।

# বকোৰ দিলিঙাত সুৱৰী পথাৰত মঞ্চ নিৰ্মাণৰ আধাৰশিলা স্থাপন

### স্থায়ী মঞ্চ এখন সামাজিক সম্পদ - নগৰমল স্বৰ্গীয়াৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৩১ মে' ঃ** সমাজ আৰু সামাজিক কাৰ্য্যসূচী ৰূপায়ণ কৰিবলৈ অসম চৰকাৰৰ দ্বাৰা গঠিত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ অনুমোদিত ধনেৰে নিৰ্মাণ কৰা হয় বৃহৎ আকাৰৰ মঞ্চ। ঠিক তেনে অভিলাষী আঁচনিৰ আজি আধাৰশিলা স্থাপন কৰে কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত দিলিঙাত। দিলিঙা গাঁওৰ ৰাইজৰ সমন্বয় স্থলী সুৱৰী পথাৰত আজি আনুষ্ঠানিক ভাৱে আধাৰশিলা স্থাপন কৰে স্থায়ী মঞ্চৰ। ইফালে ১ নং আৰু ২ নং দিলিঙা আঞ্চলিক সুৱৰী উৎসৱ উদযাপন সমিতিৰ সভাপতি মাধৱ চন্দ্ৰ দাস আৰু সম্পাদক মুনিন্দ্ৰ দাসে জনোৱা মতে ; ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ দ্বাৰা অনুমোদিত ২০২০য২১ বিত্তীয় বৰ্ষৰ পুজিৰে নিৰ্মাণ কৰিব লোৱা প্ৰায় ছয় লাখ টকীয়া মঞ্চৰ আজি আধাৰশিলা স্থাপন কৰে। ১ নং আৰু ২ নং দিলিঙা আঞ্চলিক ৰাইজৰ বহু সংখ্যক গঞাৰ উপস্থিতিত আজি মঞ্চ নিৰ্মাণৰ আধাৰশিলা আনুষ্ঠানিক ভাৱে স্থাপন কৰে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ নগৰমল স্বৰ্গীয়াৰীয়ে। সুৱৰী পথাৰত স্থায়ী মঞ্চ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰি ৰাভা হাছংৰ পাৰিষদ নগৰমল স্বৰ্গীয়াৰীয়ে কয় যে ; সমাজ আৰু সামাজিক অনুষ্ঠান ৰূপায়ণৰ বাবে মঞ্চ এখন অতি দৰকাৰী। ই সমাজৰ সম্পদ হৈ পৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত জ্যেষ্ঠ সমাজ কৰ্মী তাৰা নাথ কলিতা, নাৰায়ণ মেধি, দণ্ডি ৰাম দাস, পবিত্ৰ কুমাৰ দাস, বিশ্বজিৎ ৰাভা আদিকে ধৰি বহু লোক উপস্থিত থাকে।

**Name Change**

I have changed my name from Tutan Chakraborty to Priyanshu Chakraborty by an affidavit in the Court of Noraty, Kamrup (M), Guwahati, Assam. Dated- 31th May, 2022.

# ধুবুৰীত বৃহৎ পৰিমাণৰ কফ ছিৰাপ, কেইবা হাজাৰ নিচাজাতীয় টেবলেটসহ গ্ৰেপ্তাৰ ড্ৰাগ্ছ ব্যৱসায়ী

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩১ মে' ঃ** ধুবুৰীৰ আৰক্ষীৰ বৃহৎ সফলতা। নিচাজাতীয় ড্ৰাগছ টেবলেট আৰু কফছিৰাপৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে ধুবুৰীৰ আৰক্ষীয়ে। বৃহৎ পৰিমাণৰ কফ চিৰাফ , কেইবা হেজাৰ নিচা জাতীয় টেবলেট সহ গ্ৰেপ্তাৰ এজন ড্ৰাগছ ব্যৱসায়িক । প্ৰশ্চিম বংগৰ পৰা ৰেল যোগে ধুবুৰী লৈ আনিছিল কফ চিৰাফ সহ বৃহৎ পৰিমাণৰ নিছাজাতীয় টেবলেট । ধুবুৰী জিলা আৰক্ষী অধীক্ষক অভিজিৎ দীলিপ গৌৰৱে এক গোপন তথা লাভ কৰে । উক্ত তথ্যৰ ভিত্তিত আৰক্ষী অধীক্ষক গৰাকীৰ নেতৃত্বত ধুবুৰী সদৰ থানাৰ আৰক্ষী বাহিনীৰ এটি বৃহৎ দলে আজি দুপৰীয়াৰ ভাগত ধুবুৰী চহৰৰ ৰেল ষ্টেচনৰ সন্মুখৰ পৰা এই সমূহ নিচাজাতীয় টেবলেট কফছিৰাপ খিনি জব্দ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰে ৰাতুল হুছেইন নামৰ ড্ৰাগছ ব্যৱসায়ী জনক । দিৰ্ঘ দিনৰ ধৰি ড্ৰাগছ মাফিয়া ৰাতুল হুছেইন ধুবুৰী চহৰ খনত নিচাজাতীয় দ্ৰব্য ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় গঢ়ি তুলি উঠি অহা নৱ প্ৰজন্মক মৃত্যুৰ মুখলৈ ঠেলি দি ৰমৰমীয়া ব্যবসায় চলাই গৈছিল



ড্ৰাগছ ব্যৱসায়ী জনে । বৰ্তমানে ড্ৰাগছ ব্যৱসায়ী জনক ধুবুৰী সদৰ থানাত এই সন্দৰ্ভত মাৰাথন জেৰা অব্যাহত ৰাখিছে।

# ধুবুৰী জিলাৰ ফকিৰগঞ্জ আৰক্ষীৰ সাফল্য ঃ ভুৱা অধিবক্তাক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩১ মে' ঃ** ধুবুৰী জিলাৰ ফকিৰগঞ্জ আৰক্ষীয়ে আজি অভিযান চলাই ডিংডিঙা শিমলাপাৰা গাৱৰ পৰা এজন ভূৱা অধিবক্তাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাত আঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে । আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি গাৱখনত অভিযান চলাই উক্ত গাৱৰ বাসিন্দা আমজাদ হোছেনৰ লৰা আফছাৰুল ইছলামক সোধপোচ কৰাত তেওঁ নিজকে কানপুৰৰ UNIVERSITY ছাত্ৰ বুলি পৰিচয় দিয়ে । কিন্তু পৰিচয় পত্ৰ বিচৰাত দিবলৈ অক্ষম হয়। যুৱকজনৰ পৰা তেজপুৰ ল কলেজৰ এখন ভূৱা অধিবক্তাৰ পৰিচয় পত্ৰ আৰক্ষীয়ে জব্দ কৰে । আৰক্ষীয়ে জনোৱামতে উক্ত ঘৰখনত বৰপেটা জিলাৰ এজন সন্দেহজনক যুৱকে দীৰ্ঘদিন ধৰি বাহৰ পাতি আছিল । ধৃত যুৱকজনৰ ভাষ্যমতে, দুষ্টচক্ৰৰ প্ৰৰোচনাত পৰিছিল যুৱকজনে । চক্ৰটোৱে দিছিল অধিবক্তাৰ ভূৱা পৰিচয় পত্ৰ । ইয়াৰ আৰঁত বৃহৎ চক্ৰ জড়িত থকা বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে । আৰক্ষীয়ে ফকিৰগঞ্জ থানাত এখন গোচৰ পঞ্জীয়ণ কৰি ধৃত ভূৱা অধিবক্তাজনক আজি ধুবুৰী আদালতলৈ চালান কৰি দিয়ে।

# কাকপথাৰৰ ধৰণীকা মৰাণৰ খিতাপ




**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ৩১ মে' ঃ** কাকপথাৰ অন্য এগৰাকী শিশুৰ সাফল্যই কাকপথাৰ অঞ্চলটোত আনন্দৰ বন্যাৰ জোৱাৰ তুলিছে। ৩ নং কাকপথাৰ নিবাসী প্ৰয়াত শিক্ষক তথা সাংবাদিক সোমেশ্বৰ মৰাণ আৰু বিউটি বৰুৱাৰ কন্যা ধৰণীকা মৰাণক কালি তিনিচুকীয়াত আয়োজন কৰা 'ছুপাৰ মডেল অফ আচাম ২০২২'ৰ অনুষ্ঠানটোৱে 'ছুপাৰ মডেল অফ দা ইয়াৰ এৱাৰ্ড ২০২২' উপাধি প্ৰদান কৰে। ধৰণীকা মৰাণৰ এই সাফল্যই কাকপথাৰৰ লগতে তিনিচুকীয়া জিলালৈ শুভবাৰ্তা কঢ়িয়াই আনিছে।


# আজাৰাত বিশিষ্ট সমাজকৰ্মী অমৃত চৌধুৰীৰ প্ৰথম মৃত্যুবাৰ্ষিকী পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৩১ মে' ঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ আজাৰা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী , অমৃত চৌধুৰীৰ প্ৰথম মৃত্যু বাৰ্ষিকী ৩০ মেত তেওঁৰ যোগীপাৰাস্থিত বাসগৃহ চৌহদত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। পুৰা নাম কীৰ্তন আৰু ভাগৱত পাঠেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। বিয়লি মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰয়াত সমাজকৰ্মী অমৃত চৌধুৰীৰ জীৱনাদৰ্শৰ ওপৰত প্ৰকাশ কৰা "অমৃত মন্থন" নামৰ গ্ৰন্থখন উন্মোচন কৰা হয় । গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰে শংকৰদেৱ সংঘৰ জিলাৰ শৰণ সদস্য তথা মুলৰ মণিকাঞ্চনৰ প্ৰাক্তন উপদেষ্টা জ্যোতিময় তালুকদাৰে । অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ দাস, সমাজসেবক প্ৰভাত দলৈ, শংকৰদেৱ সংঘৰ পলাশবাৰী জিলাৰ শাখা সভাপতি ধীৰেশ্বৰ দাস, অসমৰ নাট্যকাৰ অভিনেতা পৰিচালক অমূল্য দাস, ৰামচাৰাণি জিলা পৰিষদৰ সদস্য শিখা নাথ চৌধুৰী , কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকৰীয়া, অগপৰ পশ্চিম গুৱাহাটী বিধান পৰিষদৰ সাধাৰণ সম্পাদক ৰবীন দৈমাৰী , বিজেপিৰ ৰাণী মণ্ডলৰ সভাপতি হৰকান্ত নাথ , বিজেপিৰ কাৰ্যনিৰ্বাহ সদস্য প্ৰশান্ত মহন্ত, লোকনিৰ্মাণ বিভাগৰ প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ অনিল দাসকে ধৰি কেবাজনো বিশিষ্ট ব্যক্তি, প্ৰয়াত অমৃত চৌধুৰীৰ সহধৰ্মিনী ক্ষীৰোদা চৌধুৰী, পুত্ৰদ্বয় পংকজ চৌধুৰী আৰু কংকণ চৌধুৰীকে ধৰি পৰিয়ালৰ সদস্য সকল উপস্থিত থাকে । বিয়লি স্থানীয় আয়তী সকলে দিহা নাম পৰিবেশন কৰে । আনহাতে সন্ধিয়া এল চি ডি প্ৰজেক্টৰৰ সহায়ত পৰ্দাত প্ৰয়াত অমৃত চৌধুৰীৰ অভিনিত নাট "বালি ঘৰত এদিন এৰাতি" প্ৰদৰ্শন কৰা হয় । আনহাতে নিশা অসমৰ বিখ্যাত বৈজয়ন্তী নাথ তালুকদাৰ আৰু তেওঁৰ সংগীবৃন্দই নাম পৰিবেশন কৰি উপস্থিত তিনি শতাধিক লোকক আপ্লুত কৰে । ,উল্লেখযোগ্য যে বিগত ২০২১ বৰ্ষৰ ৩০ মেত ৮৬ বছৰ বয়সত সমাজ সংগঠক অমৃত চৌধুৰীৰ মৃত্যু হৈছিল।

## ৰাশিফলত আজিৰ দিনটো

১ জুন, ২০২২ চন, ১৭ জেঠ, বুধবাৰ, ১৪২৯ ভাস্কৰাব্দ, তিথি ঃ শুক্লা দ্বিতীয়া, নক্ষত্ৰ ঃ মৃগশিৰা, জন্ম ৰাশি ঃ মিথুন

সূৰ্যোদয়- ৪-৩৫-৪৬ সূৰ্যাস্ত- ৬-৫-১১



■ **মেষ** ঃ মনঃপীড়া ■ **বৃষ** ঃ প্ৰেমত শুভ ■ **মিথুন** ঃ উৎসাহ বৃদ্ধি ■ **কৰ্কট** ঃ অৰ্থপ্ৰাপ্তি ■ **সিংহ** ঃ আশা পূৰণ ■ **কন্যা** ঃ দাম্পত্য সুখ ■ **তুলা** ঃ আশা পূৰণ ■ **বৃশ্চিক** ঃ গৃহ সুখ ■ **ধনু** ঃ আত্মীয়ৰ আগমন ■ **মকৰ** ঃ উত্তম ভোজন ■ **কুম্ভ** ঃ কৰ্ম সাফল্য ■ **মীন** ঃ খৰচ বৃদ্ধি।

**No. FG.16/Aranya Bhawan/AMC (AC)/2019**

**NOTICE INVITING QUOTATION**

Sealed quotation affixing Court fee of Rs. 8.25 (Rupees Eight and twenty five paisa) only in two bid system i.e. Technical Bid and Financial Bid are invited from local and experienced Firms for **Annual Maintenance Contract (AMC) for total of 118 Nos. Air Conditioner Maintenance (including 8 Nos. Central AC) installed at Aranya Bhawan, Panjabari, Guwahati-37.** The firm should have a valid trade license & valid GST No. issued by the competent authority.

The quotation must reach the undersigned by **1.00 PM of 20th June, 2022.** Quotation received thereafter will not be accepted. All quotations received after the due time and date shall be returned to the respective bidder without opening the same. Intending bidder(s) shall submit quotations in the quotation box kept in Aranya Bhawan, Panjabari, Guwahati-37.

The quotation box will be opened on the same day i.e. **20th June, 2022 at 2.00 PM** in presence of bidders or their authorized representatives present at that time only for Technical Bid. The opening date and time of the **Financial Bid** will be intimated later to the technically qualified bidders.

Intending bidder(s) may collect Quotation Papers/Documents by providing a written application preferably with letter head with seal, signature and address of the concerned reputed firm on any working day during office hours till 18-06-2022. Quotation papers/Documents are non-transferable.

Sd/-
Deputy Conservator of Forests (IT)
O/o the Principal Chief Conservator of Forests & Head of Forest Force, Assam

*Janasanyog/C/3493/22*

# ধুবুৰীত গৰ্ভৱতী মহিলাক ৰক্তহীনতাৰ পৰা ৰক্ষা কৰাৰ বিশেষ পদক্ষেপ জিলা প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩১ মে' ঃ** গৰ্ভৱতী মহিলাসকলক এনিমিয়া অৰ্থাৎ ৰক্তহীনতাৰ পৰা ৰক্ষা কৰাৰ উদেশ্যেৰে প্ৰতিৰোধমূলক পদক্ষেপ হিচাপে ধুবুৰী জিলা প্ৰশাসনে বিশেষ উদ্যোগ লৈছে। জিলাখনৰ প্ৰতিটো স্বাস্থ্যকেন্দ্ৰ আৰু প্ৰতিখন চৰকাৰী চিকিৎসালয়ত গৰ্ভৱতী মহিলাৰ তৎক্ষণাত হিম'গ'বিন জোখাৰ বাবে একোটাকৈ ডিজিটেল হিম'গ'বিন মিটাৰ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক অনুষ্ঠানত উপায়ুক্ত অন্বামুথন এম পিয়ে কেবাটাও স্বাস্থ্যকেন্দ্ৰক আনুষ্ঠানিকভাৱে এই মিটাৰ বিতৰণ কৰে। মুঠ ২৫০ টা এনে মিটাৰ ধুবুৰীৰ সকলো স্বাস্থ্য কেন্দ্ৰ আৰু চৰকাৰী চিকিৎসালয়ত বিতৰণ কৰা হ'ব। আকাংক্ষিত জিলা কাৰ্যসূচীৰ অধীনত ৰূপান্তৰ আৰু উন্নয়ণ বিভাগে ২০২১-২২ বৰ্ষৰ ৰাজ্যৰ নিজা অগ্ৰাধিকাৰ উন্নয়ণ পূজিৰ অধীনত যোগান ধৰা ধনেৰে এনিমিয়া পৰীক্ষাৰ বাবে ২৫০ টা ডিজিটেল হিম'গবিন মিটাৰ আৰু ৭৭৫ পেকেট ষ্ট্ৰীপ ক্ৰয় কৰিছে জিলা প্ৰশাসনে। একেটা শিতানতে জিলাখনৰ বিভিন্ন চিকিৎসালয়ৰ বাবে ৩০ খন প্ৰসৱৰ সময়ত ব্যৱহৃত লেবাৰ টেবল ক্ৰয় কৰা হৈছে। আজি লেবাৰ টেবলবোৰো আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। কাৰ্যসূচীত ভাষণ প্ৰদান কৰি জিলা উপায়ুক্ত অন্বামুথন এম পিয়ে কয়,'গৰ্ভৱতী মহিলাৰ প্ৰসৱপূৰ্বৰ পৰীক্ষাৰ সময়ত এ এন এম সকলে ডিজিটেল হিম'গ'বিন মিটাৰ ব্যৱহাৰ কৰিব। ইয়াৰ জৰিয়তে আমি আগতীয়াকৈ ৰক্তহীনতাত ভোগা গৰ্ভৱতী মহিলা চিনাক্ত কৰি প্ৰসূতিৰ মৃত্যৰ হাৰ কমাব পাৰিম।' আজিৰ অনুষ্ঠানত জিলা উন্নয়ণ আয়ুক্ত কান্তা দাস, সহকাৰী আয়ুক্ত অমৃতা দত্ত, জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক প্ৰমুখ্যে স্বাস্থ্য বিভাগৰ কেবাজনো বিষয়া আৰু স্বাস্থ্য কৰ্মী উপস্থিত থাকে।

# গোলাঘাটত গৰ্ভৱতী মহিলাৰ বাবে প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষাৰ বিশেষ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, গোলাঘাট, ৩১ মে' ঃ** স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱ উদযাপনৰ সৈতে সংগতি ৰাখি অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে যোৱা ৩০ জুনৰ পৰা ৫ মে'পৰ্যন্ত ৰাজ্যজুৰি বিশেষ প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষাৰ কাৰ্যসূচী হাতত লৈছে । গোলাঘাট জিলাটো এই কাৰ্যসূচীৰ অধীনত প্ৰতিটো স্বাস্থ্য কেন্দ্ৰত প্ৰতিগৰাকী গৰ্ভৱতী মহিলাৰ বাবে এই বিশেষ প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষা আৰম্ভ হৈছে । এই কাৰ্যসূচীৰ অধীনত আশা কৰ্মীসকলে নিজ-নিজ এলেকাৰ গৰ্ভৱতী মহিলাসকলৰ তালিকা প্ৰস্তুত কৰি তেওঁলোকক সমূহীয়া স্বাস্থ্য বিষয়া বা চিকিৎসা বিষয়াৰ দ্বাৰা পৰীক্ষা কৰোৱাবলৈ স্বাস্থ্যকেন্দ্ৰলৈ অনাৰ ব্যৱস্থা কৰে । এই বিশেষ কাৰ্যসূচীৰ অধীনত গৰ্ভৱতী মহিলাৰ স্বাস্থ্য পৰীক্ষা আৰু ৰোগ নিৰ্ণয় কৰাৰ লগতে তেওঁলোকক পুষ্টিকৰ আহাৰ, স্বাস্থ্যবিধি, মানসিক স্বাস্থ্য বৰ্তাই ৰখা, উপযোগী টিকাকৰণ, পৰিয়াল পৰিকল্পনা আদিৰ দৰে বিষয়ৰ ওপৰতো পৰামৰ্শ প্ৰদান কৰা হয় । প্ৰসূতি স্বাস্থ্যৰ গুণগত মান সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই বিশেষ এ.এন. চি. অভিযান মুকলি কৰা হৈছে যাতে গৰ্ভাৱস্থা সুস্থ আৰু নিৰাপদ হয় ।

# আউনীআটীৰ কৃতধী পুৰুষ, শিক্ষাবিদ বদন দোলাকাষৰীয়াক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৩১ মে' ঃ** শিক্ষকতাৰ বৃত্তিৰে মানৱ সম্পদ গঢ়াত আত্মনিয়োগ কৰা মাজুলীৰ জুগুণীধাৰী গাঁৱৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বদন দোলাকাষৰীয়াক আজি তেখেতৰ বাসগৃহত আউনীআটী অঞ্চলৰ ৰাইজৰ লগতে আউনীআটী সত্ৰৰ পৰা প্ৰকাশিত ত্ৰিমাসিক আলোচনী 'সংস্কৃতি পল্লৱ' গোষ্ঠীৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। বিভিন্ন কাকত-আলোচনীত বিভিন্ন লেখাৰে নিজৰ সাহিত্যৰ প্ৰতিভা দাঙি ধৰা অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীয়ে আউনীআটী উচ্চ বুনিয়াদী বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। অঞ্চলটোৰ বিভিন্ন সামাজিক কামত জড়িত হৈ পৰি দীৰ্ঘদিনে আউনীআটী সত্ৰৰ পৰা প্ৰকাশিত ত্ৰিমাসিক আলোচনী 'সংস্কৃতি পল্লৱ'ৰ প্ৰধান সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি সম্পাদকীয় পৃষ্ঠা সমৃদ্ধ কৰি আলোচনীখনক অসমৰ ভাৰতীয় সমাজ আৰু বৌদ্ধিক মহলত জনপ্ৰিয় কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি অহাৰ বাবে আজি তেখেতক 'সংস্কৃতি পল্লৱ'ৰ সভাপতি তথা আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামী আৰু কাৰ্যকৰী সম্পাদক তুলসী ৰাজখোৱাৰ স্বাক্ষৰিত সম্বৰ্ধনা পত্ৰ, অংগ বস্ত্ৰ আদি প্ৰদান কৰে। লগতে আউনীআটী অঞ্চলটোলৈ আগবঢ়াই অহা সেৱাৰ স্বীকৃতি স্বৰূপে অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীক অঞ্চলটোৰ গুণমুগ্ধই সম্বৰ্ধনা পত্ৰ, চেলেং চাদৰ গামোচাই সম্বৰ্ধনা জনায়। শাৰীৰিক অসুস্থতাৰ বাবে নিজৰ গৃহতেই চিকিৎসা গ্ৰহণ কৰি থকা অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীক আজি বিয়লি ৪ বজাত তেওঁৰ জুগুণীধাৰী বাসগৃহতে আয়োজন কৰা সম্বৰ্ধন অনুষ্ঠানটিৰ আঁত ধৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক তথা আউনীআটী সত্ৰৰ পৰা প্ৰকাশিত 'সংস্কৃতি পল্লৱ'ৰ কাৰ্যকৰী সম্পাদক তুলসী ৰাজখোৱাই। অনুষ্ঠানটোত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই উদ্বোধনী ভাষণ আগবঢ়াই অৱসৰপ্ৰাপ্ত শিক্ষক দোলাকাষৰীয়াই সাহিত্য-সংস্কৃতিৰ লগতে সমাজ জীৱনলৈ আগবঢ়োৱা বৰঙনিৰ কথা বিতংভাবে উল্লেখ কৰে। সমাজকৰ্মী ললিত শইকীয়াই অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীয়ে মানৱ সম্পদ গঢ়াৰ বাবে কৰি অহা প্ৰচেষ্টাৰ বিষয়ে অৱগত কৰে। সভাতেই আউনীআটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰশান্ত দোলাকাষৰীয়া, জগত হাজৰিকা, ধীৰেন বৰা, যুগল ভূঞা, দেবেন শইকীয়া, মাজুলী মহাবিদ্যালয়ৰ ভালেকেইগৰাকী অধ্যাপক-কৰ্মচাৰীয়ে বিশিষ্ট শিক্ষাবিদগৰাকীৰ কৰ্মদক্ষতা আৰু অধ্যয়নপিপাসা সম্পৰ্কে বক্তব্য দাঙি ধৰে। উল্লেখযোগ্য যে শিক্ষাবিদগৰাকীৰ জীৱন-কীৰ্তি সামৰি এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিবলৈ ইতিমধ্যে আউনীআটী সত্ৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীক সভাপতি আৰু তুলসী ৰাজখোৱাক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰি কাম আৰম্ভ কৰিছে।

# আহত নাহৰফুটুকীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ৩১ মে' ঃ** কেইদিনৰ পূৰ্বে গাড়ীৰ খুন্দাত আহত এটা প্ৰাপ্তবয়স্ক নাহৰফুটুকী আজি কাজিৰঙাৰ পাণবাৰীত অৱস্থিত বন্য প্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰত মৃত্যু হোৱা বুলি জানিব পৰা যায়। পানবাৰীস্থিত বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰৰ পশু চিকিৎসক চামচুল আলীয়ে জানিবলৈ দিয়া মতে, যোৱা ১৯ মে'ত তিনিচুকীয়াৰ বজালতলী চাহ বাগিচাত গাড়ীৰ খুন্দাত এটা প্ৰাপ্তবয়স্ক মতা নাহৰফুটুকী গুৰুতৰভাৱে আহত হৈছিল। আহত নাহৰফুটুকীটোক পিছদিনা অৰ্থাৎ ২০ মে'ত বন বিভাগৰ লোকে উদ্ধাৰ কৰি কাজিৰঙাৰ পাণবাৰীত অৱস্থিত বন্য প্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰলৈ চিকিৎসাৰ বাবে গতাই গৈছিল। পিছ ঠেঙত গুৰুতৰভাৱে আঘাত পোৱা নাহৰফুটুকীটোক উক্ত কেন্দ্ৰৰ পশু চিকিৎসকে অস্ত্ৰোপচাৰ কৰিছিল যদিও সুস্থ হোৱা নাছিল। ক্ৰমান্বয়ে নাহৰফুটুকীটোৰ পিছ অংশ অৱশ হৈ পৰিছিল । বিগত দহটা দিন উক্ত কেন্দ্ৰৰ পশু চিকিৎসক চামচুল আলীৰ নেতৃত্বত আন কৰ্মচাৰীসকলে নাহৰফুটুকীটোক সুস্থ কৰাৰ বাবে বহু চেষ্টা কৰিছিল যদিও অসাৱধানে গাড়ী চলোৱা চালকৰ বাবে আহত নাহৰফুটুকীটোৱে আজি নিয়তিৰ ওচৰত হাৰ মানিবলৈ বাধ্য হয়। আজি দিনৰ প্ৰায় ১১-৩০ বজাত উক্ত কেন্দ্ৰত মৃত্যু হয় আহত নাহৰফুটুকীটোৰ। ইফালে আজি ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ প্ৰাধিকৰণৰ নীতি-নিৰ্দেশনা মতে মৰণোত্তৰ পৰীক্ষা কৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মদাজুৰি বন শিবিৰৰ কাষত বন বিষয়াৰ উপস্থিতিত দাহ কৰা হয়।

# কাকপথাৰ চেলেংগুৰীত শিক্ষকৰ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ৩১ মে' ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত ১নং চেলেংগুৰীত আজি দিনৰ ভাগত এজন শিক্ষকে আত্মহত্যা কৰাৰ ঘটনা সংঘটিত হৈছে । আত্মহত্যা কৰা শিক্ষকজন কাকপথাৰ ১নং চেলেংগুৰীৰ ফিৰোজ সোনোৱাল(49) বুলি জানিব পৰা গৈছে। ঘৰত কোনো নথকা অৱস্থাত ঘৰৰ পিছ ফালে ডিঙিত ৰচি লগাই আত্মহত্যা কৰে শিক্ষকজনে ।কাকপথাৰ বৰমাইথং প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি থকা ফিৰোজ সোনোৱালে কিয় আত্নহত্যাৰ দৰে পথ বাচি লবলগীয়া হ'ল সেইয়া বৰ্তমানলৈকে জানিব পৰা হোৱা নাই । ইতিমধ্যে কাকপথাৰ আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুীয়ালৈ প্ৰেৰণ কৰিছে।

# সদৌ ৰাংছালী আৰ্থ-সামাজিক উন্নয়ন সমিতিৰ সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৩১ মে' ঃ** আজি সদৌ ৰাংছালী আৰ্থ সামাজিক উন্নয়ন সমিতিৰ তৰফৰ পৰা ৩৩ বছৰীয়া এগৰাকী নাৰ্চক বিদায় দিনটোত ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। ৰাংছালী দলনীস্থিত ৰজনী বৰাৰ পত্নী কমলা দেৱী বৰাই বিগত ৩৩ বছৰ ধৰি ৰাংছালীৰ উপ স্বাস্থ্য কেন্দ্ৰত নাৰ্চ হিচাপে থাকি সেৱা আগবঢ়াই আহিছে । আজি চৰকাৰী নিৰ্দেশ মৰ্মে কমলা দেৱীয়ে অৱসৰ গ্ৰহণ কৰে ।সেই সন্দৰ্ভত আজি সদৌ ৰাংছালী আৰ্থ সামাজিক উন্নয়ন সমিতিৰ সভাপতি চিৰাজ হাজৰিকা কাৰ্যকৰী সভাপতি সঞ্জীৱ কুমাৰ দাস উপ স্বাস্থ্য কেন্দ্ৰত উপস্থিত হৈ এই বিদায় বেলাত কমলা দেৱীক আনুষ্ঠানিক ভাৱে বিদায় জনাই বাইদেউৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

### বোকাখাতৰ প্ৰয়াস অধ্যয়ন চক্ৰৰ ৰূপালী জয়ন্তী

# বোকাখাত জাতীয় বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান, কলা, বাণিজ্য ক্ষেত্ৰ মুকলি



**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ৩১ মে' ঃ** গৌৰৱোজ্বল ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলে বোকাখাতৰ বৌদ্ধিক ,সাংস্কৃতিক, সামাজিক অনুষ্ঠান "প্ৰয়াস অধ্যয়ন চক্ৰ"ই। ১৯৯৬ চনতে প্ৰতিষ্ঠা হোৱা এই অধ্যয়ন চক্ৰৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভনিৰ দিনটোত যোৱা ২৯ মে'ত এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভণি কৰে ৰূপালী জয়ন্তী বৰ্ষৰ। সম্প্ৰতি বোকাখাতৰ প্ৰয়াসৰ আছে বহুমাত্ৰিক শাখা। ইয়াৰে প্ৰধান শাখা সমূহৰ বোকাখাত জাতীয় বিদ্যালয়, দিচৈপৰীয়া জাতীয় বিদ্যালয়, মহুৰামুখ জাতীয় বিদ্যালয়, ব্ৰহ্মপুত্ৰ জাতীয় বিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰী, শিক্ষক, অভিভাৱক আৰু প্ৰয়াস অধ্যয়ন চক্ৰৰ ১৭ টাকৈ শাখাৰ সাংস্কৃতিক কাৰ্যসূচীৰে সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে বিশিষ্ট কবি, নাট্যকাৰ, পৰিচালক জ্যোতিপ্ৰসাদ ভুঞাই। লগত উপস্থিত থাকে প্ৰয়াসৰ সভাপতি নিজৰা বৰঠাকুৰ, বিশিষ্ট নাগৰিক বিকুল শইকীয়া, অমৰ কাকতি আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। সাংস্কৃতিক শোভাযাত্ৰাত বিভিন্ন অনুষ্ঠানৰ লগতে বোকাখাত জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিবেশন কৰে দুখনকৈ বাটৰ নাট। দেওবাৰৰ প্ৰয়াস অধ্যয়ন চক্ৰৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভ আৰম্ভণি কাৰ্যসূচীৰ লগত সংগতি ৰাখি প্ৰয়াস অধ্যয়ন চক্ৰৰ অন্যতম নিবেদন বোকাখাত জাতীয় বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শাখাৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ নৱনিৰ্মিত ভৱন উন্মোচন কৰা হয়। এই তিনিটা শাখাৰ দ্বাৰ উন্মোচন কৰে বিশিষ্ট কবি, নাট্যকাৰ-পৰিচালক ৰফিকুল হোছেইনে। সহযোগ কৰে ভাৰতীয় গণনাট্য সংঘৰ যোৰহাট জিলাৰ সভাপতি কমল শৰ্মা আৰু প্ৰয়াসৰ কৰ্ণধাৰ অমৰ কাকতিয়ে। নৱনিৰ্মিত ভৱন উদ্বোধনৰ লগে লগে বোকাখাত জাতীয় বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে পৰিবেশন কৰে পাঁচটি জনগোষ্ঠীয় ভাষাত 'অ মোৰ আপোনাৰ দেশ'। উচ্চতৰ মাধ্যমিক ক্ষেত্ৰ খণি বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰে অসম জাতীয় বিদ্যালয়ৰ সক্ৰিয় সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই। লোকসংগীত পৰিবেশনেৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে লোক সংগীতৰ সাধক, গবেষক ৰুমী শইকীয়াই। বনাৰ্য্য ৰূপালী জয়ন্তী অনুষ্ঠানত উপস্থিত থাকি শুভেচ্ছা মূলক ভাষণ প্ৰদান কৰে । ৰতীশ দেৱ, নৰকান্ত শইকীয়া, সদৌ অসম সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, প্ৰয়াসৰ পল্লৱ হাজৰিকা, সভাপতি নিজৰা বৰঠাকুৰে। কাৰ্যসূচীত উপস্থিত থাকে সুবৰ্ণ শইকীয়া বৰদলৈ, গিতাঞ্জলী কলিতা, বুবুল দত্ত, ভৱানন্দ কলিতা, মানসী ফুকন, তিলক শৰ্মা, নৰপতি শৰ্মা, হেম ফুকন, চিন্তামনি দত্ত, দেৱশীষ বৰুৱা,নীলু আচাৰ্য। উদ্বোধনী অনুষ্ঠানত বক্তব্য ৰাখি প্ৰয়াস অধ্যয়ন চক্ৰৰ প্ৰধান সম্পাদক সোনেশ্বৰ নৰহে কয় যে, "প্ৰয়াসে কেৱল ফাংছন পাতি ৰূপালী জয়ন্তী পতাত বিশ্বাসী নহয়, স্থায়ী কৰ্মসূচীৰে জাতিৰ ভেটি সুদৃঢ় কৰাত বিশ্বাসী। সেয়ে ৰাইজলৈ আজি উচ্চতৰ মাধ্যমিক শাখা উচৰ্গা কৰিছোঁ"। দেওবাৰৰ উদ্বোধনী অনুষ্ঠানত প্ৰয়াসৰ সক্ৰিয় কৰ্মী সুব্ৰত পুৰকায়স্থ আৰু মনালিছা শইকীয়ায়ে আঁতধৰা অনুষ্ঠানত আদৰণি ভাষণ ৰাখে বোকাখাত জাতীয় বিদ্যালয়ৰ অধ্যক্ষা ইনজু আহমেদে আৰু প্ৰয়াসৰ পতাকা উত্তোলন কৰে সভাপতি নিজৰা বৰঠাকুৰে।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১ জুন, ২০২২ ■ বুধবাৰ ■ গুৱাহাটী ■ ১৭ জেঠ, ১৯৪৪ শক




## পি এম কিষাণৰ ২১ হেজাৰ কোটি টকা মুকলি কাৰ্যসূচীৰ ৰাজহুৱা প্ৰদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ মে' ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পি এম কিষণ সন্মান নিধি যোজনাৰ কিস্তি হিচাপে হিতাধিকাৰীৰ মাজত ২১ হেজাৰ কোটি টকা মুকলি কৰি দিয়া কাৰ্যসূচী ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশ আৰু কৃষক মৰ্চাৰ উদ্যোগত ৰাজহুৱা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। নৰেন্দ্ৰ মোদী চৰকাৰৰ আঠ বছৰীয়া বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি এই অনুষ্ঠানৰ আয়োজন কৰা হয়। সেই অনুসৰি কৃষক মৰ্চাৰ অসম প্ৰদেশৰ সভাপতি দেৱজিৎ বৰাৰ নিৰ্দেশ ক্ৰমে ৰাজ্যখনৰ প্ৰতিখন জিলা, মণ্ডল পৰ্যায়ত এই কাৰ্যসূচী পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। আজি হিমাচল প্ৰদেশৰ ছিমলাত পুৱা ১০.৩০ বজাৰ পৰা প্ৰধান মন্ত্ৰী মোদীৰ গৰীৱ কল্যাণ সন্মিলন' কাৰ্যসূচী প্ৰচাৰ মাধ্যমৰ জড়িয়তে সম্প্ৰচাৰ কৰা হয়। দেশৰ কৃষকৰ কল্যাণৰ বাবে গ্ৰহণ কৰা এই আঁচনিৰ অধীনত প্ৰধান মন্ত্ৰী মোদীয়ে 'পি এম কিষণ সন্মান নিধি'ৰ একাদশ কিস্তিৰ ধন দেশৰ ১০ কোটিৰো অধিক হিতাধিকাৰীৰ বাবে মুকলি কৰি দিয়ে। প্ৰধান মন্ত্ৰী গৰাকীয়ে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ সম্পৰ্কত হিতাধিকাৰীৰ সৈতে 'ভাৰ্চুৱেল'বাৰ্তালাপ কৰে। বিশাল জনসভাত ভাষণ দি প্ৰধান মন্ত্ৰী গৰাকীয়ে দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি অৱলম্বন কৰা, দেশক সম্পূৰ্ণৰূপে ডিজিটেলাইজ কৰা, বুনিয়াদী সুবিধাৰ উন্নয়ন, স্বাস্থ্যখণ্ডত অধিক সুবিধা আৰু দৰিদ্ৰলাঞ্জকৰ বাবে স্বাস্থ্য বীমাৰ ব্যৱস্থা কৰা আদি বিষয়ত গুৰুত্ব আৰোপ কৰে। সমাজৰ বিভিন্ন খণ্ডত 'ষ্টাৰ্টআপ' আৰম্ভ কৰি ইয়াৰ উৎপাদিত সামগ্ৰী বিশ্ব বজাৰলৈ ৰপ্তানি কৰা বিষয়ত গুৰুত্ব দিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁৰ মতে এই মৌলিক কামখিনি সম্পন্ন হ'লেহে ভাৰত বিশ্বৰ অগ্ৰণী দেশত পৰিণত হোৱাটো নিশ্চিত হ'ব। চৰকাৰীভাৱে এই কাৰ্যসূচী সম্প্ৰচাৰ কৰা হয় যদিও কৃষক মৰ্চা, অসম প্ৰদেশে মণ্ডল পৰ্যায়ত প্ৰজেক্টৰ নাইবা টিভিৰ যোগেদি এই কাৰ্যসূচী পোনপটীয়াকৈ সম্প্ৰচাৰৰ ব্যৱস্থা কৰে। প্ৰধানমন্ত্ৰীৰ ভাষণৰ পূৰ্বে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সহযোগত কৃষক মৰ্চাৰ উদ্যোগত আয়োজিত চমু সভাত কৃষক সমাজৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই সভাবোৰত ৰাজ্যিক, জিলা, মণ্ডল পৰ্যায়ৰ কৃষক মৰ্চাৰ সমূহ কাৰ্যকৰ্তা, কৃষক ৰাইজৰ লগতে কৃষি বিভাগৰ চৰকাৰী বিষয়াসকল উপস্থিত থাকে। ৰাজ্যখনৰ মুঠ ৪০খন সাংগঠনিক জিলাৰ ভিতৰত ৩৩ খন জিলা আৰু মুঠ ৪০০ মণ্ডলৰ ভিতৰত ২৪৭টা মণ্ডলৰ প্ৰায় ১,০৪,৬৭৭ গৰাকী ব্যক্তিয়ে এই কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। এই ব্যক্তিসকলৰ ভিতৰত ৪৭,৭৬৫ গৰাকী পি এম কিষাণ আঁচনিৰ হিতাধিকাৰী। বানপানী আৰু নিৰ্বাচনৰ বাবে কিছু জিলাত এই কাৰ্যসূচী ৰূপায়ন কৰা নহ'ল।

## গোলাঘাটত ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰধানমন্ত্ৰীৰ মত বিনিময় অনুষ্ঠানত অংশ ল'লে চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলে
## চৰকাৰী পুঁজি আৰু আঁচনিৰ ধনৰ সদ্ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ বিত্তমন্ত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৩১ মে' ঃ** স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ সৈতে সংগতি ৰাখি আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিমলাৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ সুবিধা লাভ কৰা দেশৰ বিভিন্ন স্থানৰ হিতাধিকাৰীৰ সৈতে কৰা মত বিনিময় অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাটৰ বীৰাংগনা সাধনী কলাক্ষেত্ৰ প্ৰেক্ষাগৃহত ভালেসংখ্যক হিতাধিকাৰীয়ে অংশগ্ৰহণ কৰে । গোলাঘাট জিলা প্ৰশাসন আৰু জিলা গ্ৰামোন্নয়ন অভিকৰণৰ উদ্যোগত প্ৰধানমন্ত্ৰীৰ মত বিনিময় অনুষ্ঠান আৰু তেওঁৰ ভাষণৰ অনলাইন যোগে পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। প্ৰধানমন্ত্ৰী আৱাস যোজনা, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা, প্ৰধানমন্ত্ৰী মাত্ৰু বন্দনা যোজনা, জলজীৱন মিছন, প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আদি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰীয়ে অনুষ্ঠানত অংশ লয় । অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিত্ত আৰু সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগে কয় যে চৰকাৰখনে সকলো প্ৰত্যাহ্বান নেওচি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিশ্বৰ আগত ভাৰতক নতুন ৰূপত দেখুৱাবলৈ সক্ষম হৈছে । তেওঁ কয় যে চৰকাৰী আঁচনিসমূহ কেৱল সাময়িক সকাহহে, সেয়ে আঁচনিৰ ওপৰত নিৰ্ভৰশীল নহৈ ইয়াৰ সুবিধা লাভ কৰি নিজকে আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ চেষ্টা কৰা দৰকাৰ । চৰকাৰৰ বিভিন্ন আঁচনি সন্দৰ্ভত এক চমু আলোকপাত আগবঢ়াই তেওঁ প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ আৰু নগৰাঞ্চল ৰূপায়ণৰ ক্ষেত্ৰত সতৰ্ক হ'বলৈ বিষয়াসকলৰ প্ৰতি আহ্বান জনায় । পুঁজিৰ সদ্ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে দৰিদ্ৰ জনসাধাৰণৰ কাৰণে চৰকাৰখনে বৃহৎ পৰিমাণৰ পুঁজি নিৰ্ধাৰণ কৰিছে । কিন্তু এই আঁচনিৰ ধনৰ অপপ্ৰয়োগ হ'ব নালাগে । মানুহৰ বিপদত চৰকাৰ সদায় ৰাইজৰ কাষত থিয় দিছে বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰতিটো বিভাগে নিজৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিব লাগিব । তেওঁ সমাজ কল্যাণ বিভাগৰ দ্বাৰা ইউ ডি আই ডি কাৰ্ড প্ৰস্তুতকৰণৰ ক্ষেত্ৰত দিব্যাংগ লোকসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ বিষয়া-কৰ্মচাৰী আৰু ৰাইজৰ প্ৰতি আহ্বান জনায় । তেওঁ কয় যে বহু আঁচনিৰ বিষয়ে ৰাইজে গমেই নাপায় আৰু ই আঁচনিৰ সফল ৰূপায়ণত বৃহৎ প্ৰত্যাহ্বান । তেওঁ কয় যে পঞ্চায়তৰ ৱাৰ্ড কমিছনাৰৰ পৰা আশা-অংগনৱাড়ী কৰ্মীলৈকে জনপ্ৰতিনিধি, চৰকাৰী বিষয়া-কৰ্মচাৰী সকলোৱে একত্ৰিতভাৱে কাম কৰিলেহে এনে প্ৰত্যাহ্বান গ্ৰহণ কৰি এটা বিপ্লৱৰ সূচনা কৰিব পৰা যাব, যি বিপ্লৱেৰে আমি উন্নয়নৰ দিশে আগবাঢ়িব পাৰিম । তেওঁ পুনৰ কয় যে সমাজত সুস্থ-সবল শিশু যাতে জন্ম হয়

### উৎকোচ নোলোৱাকৈ, সমদৃষ্টিৰে সহায় বিচাৰি অহা লোকসকলৰ সমস্যা আৰু মৰ্মবেদনা উপলব্ধি কৰিবলৈ বিষয়াসকলৰ প্ৰতি আহ্বান উপায়ুক্তৰ

এয়া সকলোৰে সামাজিক দায়িত্ব। সকলোৱে নিজৰ এই দায়িত্ব পূৰণ কৰিব পাৰিলে মুখ্যমন্ত্ৰীৰ সপোন পূৰণ কৰি অসমক আমি দেশৰ শীৰ্ষৰ ৫খন ৰাজ্যৰ ভিতৰত অন্যতম হিচাপে গঢ় দিবলৈ সক্ষম হ'ম বুলি তেওঁ মত প্ৰকাশ কৰে । তেওঁ পোষণ অভিযান, জল জীৱন অভিযান আদি বিভিন্ন আঁচনিৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত ভাগ লৈ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই কয় যে ক'ভিডৰ পিছত বিশ্ব অৰ্থনীতিয়ে সাংঘাতিক প্ৰত্যাহ্বানৰ মুখামুখি হৈছিল । কিন্তু সকলো প্ৰত্যাহ্বান আৰু দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ মুখামুখি হৈ আমাৰ দেশে বিশ্বমঞ্চত শক্তিশালীভাৱে থিয় দিবলৈ সক্ষম হয়। তেওঁ কয় যে দেশ পৰিচালনাৰ মূলমন্ত্ৰ সেৱা, সু-শাসন আৰু গৰীব কল্যাণ । তেওঁ প্ৰতিজন বিষয়াক উৎকোচ নোলোৱাকৈ সমদৃষ্টিৰে সহায় বিচাৰি অহা লোকসকলৰ সমস্যা আৰু মৰ্মবেদনা উপলব্ধি কৰিবলৈ আহ্বান জনায় । তেওঁ কয় যে সমাজৰ প্ৰতিজন লোকৰ কল্যাণ সুনিশ্চিত কৰাৰ বাবে আমি প্ৰয়াস চলাব লাগিব, তেতিয়াহে ভাৰতবৰ্ষ পৃথিৱীত বিশ্বগুৰু হ'ব পাৰিব । তেওঁ লগতে ৰাইজক সচেতন হ'বলৈ আহ্বান জনায়, যাতে কোনেও আঁচনিৰ নামত আভুৱা-ভাঁৰিব নোৱাৰে । তেওঁ বিভিন্ন আঁচনিৰ বিষয়ে অংশগ্ৰহণকাৰীসকলক বিতংভাৱে অৱগত কৰে। উপায়ুক্তগৰাকীয়ে অযোগ্য হিতাধিকাৰীসকলক আঁচনিৰ সুবিধা স্বেচ্ছাই ত্যাগ কৰিবলৈও আহ্বান জনায়। অনুষ্ঠানত ভাষণ দি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাসে কয় যে আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বিষয়াগৰাকীৰ লগতে হিতাধিকাৰীসকলৰো দায়িত্ব আছে। কোনো আঁচনি বেয়া নহয়, আঁচনিৰ অপব্যৱহাৰহে বেয়া বুলি তেওঁ কয়। অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত চুলতানা আখতাৰা আহমেদ, কুলদীপ হাজৰিকা, জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক অবিনাশ শইকীয়া, এল ডি এম সজীৱ কুমাৰ বৰা আৰু বিভিন্ন বিভাগৰ জিলা মুৰব্বী, জিলা প্ৰশাসনৰ বিষয়ববীয়া আৰু বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকল উপস্থিত আছিল।

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ জনকল্যাণমূলক আঁচনিয়ে দুখীয়া জনসাধাৰণৰ আৰ্থ-সামাজিক দিশত আমূল পৰিৱৰ্তন আনিছে ঃ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস
# দেশৰ কোটি কোটি দুখীয়া-দৰিদ্ৰ জনসাধাৰণ উপকৃত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩১ মে' ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বিগত ৮ বছৰত ৰূপায়ণ কৰা জনকল্যাণ আঁচনিসমূহে দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত আমূল পৰিৱৰ্তন আনিছে আৰু ইয়াৰ জৰিয়তে দেশৰ কোটি কোটি দুখীয়া-দৰিদ্ৰ জনসাধাৰণ উপকৃত হৈছে। কোনো যোগ্য হিতাধিকাৰীয়ে যাতে জনকল্যাণমূলক আঁচনিৰ সুফল লাভৰ পৰা বঞ্চিত নহয় সেয়া নিশ্চিত কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। —আজি বঙাইগাঁৱত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা, সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে এই মন্তব্য কৰে। উল্লেখ্য, আজি হিমাচল প্ৰদেশৰ ছিমলাত অনুষ্ঠিত 'গৰীব কল্যাণ সন্মিলন'ৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশব্যাপী জনকল্যাণমূলক আঁচনিসমূহৰ হিতাধিকাৰীসকলৰ সৈতে ভাৰ্চুৱেলী মত বিনিময় কৰিছিল। প্ৰধানমন্ত্ৰীৰ এই কাৰ্যসূচীৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে সংযোগ কৰি দেশ তথা ৰাজ্যৰ অন্যান্য জিলাৰ লগতে বঙাইগাঁৱতো অনুষ্ঠিত হোৱা 'গৰীব কল্যাণ সন্মিলন'ত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে জনকল্যাণমূলক আঁচনি ৰূপায়ণৰ জৰিয়তে দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত কেনেদৰে আমূল পৰিৱৰ্তন সাধন কৰিছে তাৰ আভাস দাঙি ধৰে। মন্ত্ৰী দাসে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰৰ সফলতাৰ কেইটামান উদাহৰণ দাঙি ধৰি কয় যে দেশৰ ৯.৫ কোটিৰো অধিক পৰিয়ালক টেপৰ যোগেৰে বিশুদ্ধ খোৱাপানীৰ সংযোগ দিয়া হৈছে, পিএম কিষাণ সন্মান নিধি আঁচনিৰ অধীনত ১১.৭৮ কোটি কৃষকে বছৰি ৬ হেজাৰ টকাকৈ লাভ কৰিছে, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩ কোটিৰো অধিক পৰিয়ালে আৱাস লাভ কৰিছে, মহিলা হিতাধিকাৰীলৈ ৯.১৭ কোটি ৰন্ধন গেছৰ সংযোগ, কৰোনা মহামাৰীৰ সময়ত ২০ কোটিৰো অধিক মহিলালৈ আৰ্থিক সাহায্য আৰু ৮০ কোটি লোকলৈ বিনামূলীয়া ৰেচন আগবঢ়োৱা হৈছে। মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, মুদ্ৰা যোজনা, উজ্জ্বলা যোজনা, আয়ুষ্মান ভাৰত, পিএম স্বনিধি আদি আঁচনিসমূহৰ জৰিয়তে দেশৰ কোটি কোটি হিতাধিকাৰী উপকৃত হোৱা বুলি সভাত কয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী দাসে অসমত প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ কাম-কাজৰ এক আভাস দাঙি ধৰি কয় যে বিগত ২০২১-২২ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনক ১২ লাখ দুই হেজাৰ গৃহৰ অনুমোদন দিছিল। এনে গৃহৰ নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ৫ লাখৰো অধিক হিতাধিকাৰীক প্ৰথম কিস্তিৰ পুঁজি প্ৰদান কৰা হৈছে। পিএমএৱাই-জিৰ বাবে এতিয়ালৈকে ১২,৬৭৩ কোটি টকা পোৱা গৈছে বুলি মন্ত্ৰীগৰাকীয়ে সভাত কয় । প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ পুৰণি লক্ষ্যৰ ৭,৬৭,২২২টা গৃহৰ ভিতৰত প্ৰায় ৫,৫০,০০০ টা গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা বুলি উল্লেখ কৰি মন্ত্ৰী দাসে কয় যে অহা আগষ্ট মাহৰ ভিতৰত বাকী অসম্পূৰ্ণ গৃহসমূহ সম্পূৰ্ণ কৰি তোলা হ'ব। বঙাইগাঁও জিলাৰ প্ৰসংগ উল্লেখ কৰি মন্ত্ৰী দাসে কয় যে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত বঙাইগাঁও জিলাত পূৰ্বতে অনুমোদন পোৱা ১৫,০৪৮ টা গৃহৰ ইতিমধ্যে ১০,৭৮৯ টা গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। তদুপৰি জিলাখনে নতুনকৈ ৪৫,৯৫৫ টা প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ গৃহৰ অনুমোদন পাইছে আৰু পৰ্যায়ক্ৰমে নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। তেওঁ লগতে কয় যে বঙাইগাঁৱত পিএমএৱাই-জিৰ ৬৬১গৰাকী ভূমিহীন হিতাধিকাৰী আছে আৰু সম্প্ৰতি ইয়াৰে ৩১৮টা এনে গৃহহীন পৰিয়ালক ৬ টা ক্লাষ্টাৰেৰে সামৰি লোৱা হৈছে। ইয়াৰ গৃহ নিৰ্মাণৰ কামো শীঘ্ৰে আৰম্ভ হ'ব বুলি তেওঁ কয়। অসমৰ এনে ২৩ টা ক্লাষ্টাৰৰ ভিতৰত বঙাইগাঁৱতে সৰ্বাধিক ক্লাষ্টাৰ ৰূপায়ণ কৰা হ'ব বুলি মন্ত্ৰী দাসে সভাত উল্লেখ কৰে। উল্লেখ্য যে আজিৰ অনুষ্ঠানত মন্ত্ৰী দাসে জিলাখনৰ কেইবাগৰাকী পিএমএৱাই-জিৰ হিতাধিকাৰীক আনুষ্ঠানিকভাৱে গৃহৰ অনুমোদনপত্ৰ প্ৰদান কৰে। হিমাচল প্ৰদেশৰ ছিমলাৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰদান কৰা ভাষণ ভাৰ্চুৱেল মাধ্যম যোগে আজিৰ সভাত উপস্থিত সকলোৱে চোৱা আৰু শুনাৰ সুযোগ পায়। আনহাতে, শিৱসাগৰ জিলাত অনুষ্ঠিত গৰীব কল্যাণ সন্মিলনত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দিয়া ভাষণো উপস্থিত ৰাইজে ভাৰ্চুৱেল মাধ্যমৰ জৰিয়তে চোৱা আৰু শুনাৰ সুবিধা পায়। বঙাইগাঁও মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত আজিৰ এই অনুষ্ঠানৰ আৰম্ভণিতে বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠকে আদৰণী ভাষণ দিয়াৰ লগতে জিলাখনত ৰূপায়ণ কৰি থকা বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ অধীনত দুখীয়া জনসাধাৰণে লাভ কৰা সুবিধাসমূহৰ এক চমু খতিয়ান দাঙি ধৰে। অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী তথা বঙাইগাঁৱৰ বিধায়ক ফণীভূষণ চৌধুৰী, উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্ত বিক্ৰম কৈৰী, কৃষি বিভাগৰ আয়ুক্ত সচিব ওম প্ৰকাশ, বঙাইগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া নাদিৰা জেছমিন, বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, বঙাইগাঁও জিলা পৰিষদৰ সভাপতি বিজয় সিংহ, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ গকুল বৰ্মন, বঙাইগাঁও জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী, বঙাইগাঁও পৌৰসভাৰ পৌৰপতি সুবোধ চন্দ্ৰ দাস, অভয়াপুৰী পৌৰসভাৰ পৌৰপতি ৰমেন্দ্ৰ নাৰায়ণ বণিক্য, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত আয়ুক্ত ৰাতুল পাঠক আৰু প্ৰাক্তন বিধায়ক ভূপেন ৰয়কে ধৰি বিশিষ্ট নাগৰিক, জিলা প্ৰশাসনৰ বিষয়াসকল আৰু অন্যান্য লোক উপস্থিত থাকে। ইপিনে অনুষ্ঠানৰ শেষত সংবাদ মাধ্যমৰ আগত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয় যে দেশৰ প্ৰধানমন্ত্ৰী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ আজি দ্বিতীয় কাৰ্যকালৰ তৃতীয় বৰ্ষপূৰ্তি । তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত দেশৰ দুখীয়া লোকসকলৰ কাৰণে যি কল্যাণময় আঁচনিৰ কাম কৰিলে সেই কাৰণে তেওঁ আজি গৰীব কল্যাণ সন্মিলনীৰ আয়োজন কৰিছিল । এই সন্মিলন দেশৰ প্ৰতিখন জিলাৰ লগতে অসমৰো প্ৰতিখন জিলাত আমি এই অনুষ্ঠান আয়োজন কৰি যিসকল হিতাধিকাৰী আছে অথবা গৰীব লোক আছে তেওঁলোকক মাতি আনি তেওঁলোকৰ মনৰ কথা শুনিলো আৰু লগতে আমি প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ লগতো পোনপটীয়া সংযোগ স্থাপন কৰিছো । ইতিমধ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশত প্ৰধানমন্ত্ৰী আৱাস যোজনা, জল জীৱন আঁচনি, মুদ্ৰা লোনকে আদি কৰি বিভিন্ন আঁচনিৰ জৰিয়তে যিখিনি সফলতা লাভ কৰিলে, ইয়াৰ ফলস্বৰূপে ভাৰতবৰ্ষত পূৰ্বে দুখীয়া লোকৰ সংখ্যা যি ২২ শতাংশ আছিল সেয়া বিভিন্ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ কৰাৰ বাবে বৰ্তমান কমি ১২ শতাংশ হৈছে । এই দহ শতাংশ কমি যোৱাৰ মূল কাৰণ হ'ল সেই লোকসকল ৰাজ্য চৰকাৰ অথবা কেন্দ্ৰীয় চৰকাৰৰ পৰা উপকৃত হৈছে । এইটো আমি আগন্তুক দিনত নিৰলসভাৱে কৰি যাব লাগিব। কিয়নো ভাৰতবৰ্ষত আমি এখন বৈষম্যহীন সমাজ, ধনী-দুখীয়াক এক কৰি এখন বৈষম্যহীন সমাজ গঢ়ি তুলিব লাগিব । তেতিয়াহে আমি আগন্তুক দিনত ভাৰতবৰ্ষক ৰাষ্ট্ৰগুৰু হিচাপে বা বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰিব পাৰিম। তেনেকুৱা কৰিব লাগিলে ৰাজ্যৰ লগতে জিলাসমূহো আগুৱাই নিব লাগিব । আমাৰ বঙাইগাঁও জিলাতো ইতিমধ্যে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ১৫ হাজাৰ ঘৰ আবণ্টন দিছিলো আৰু তাৰ ভিতৰত প্ৰায় ১১ হাজাৰ ঘৰ সম্পূৰ্ণ হৈছে আৰু চাৰি হাজাৰ ঘৰৰ কাম চলি আছে । ইয়াৰ উপৰি বঙাইগাঁও জিলাত পুনৰ নতুনকৈ ৪৫,৯৫৫ টা ঘৰৰ অনুমোদন দিছো আৰু ইয়াৰ ভিতৰত ৬,৭০০ হিতাধিকাৰীক এই অনুষ্ঠানৰ জৰিয়তে প্ৰথম কিস্তিৰ ধন মোকলাই দিছো । আমি আশা ৰাখিছো যে আগন্তুক দিনত বঙাইগাঁও জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনা, জল জীৱন মিছনকে আদি কৰি ভাৰত চৰকাৰৰ যিসমূহ আঁচনি আছে সেই আঁচনিৰ জৰিয়তে ৰাইজ উপকৃত হ'ব । এই ক্ষেত্ৰত জনপ্ৰতিনিধিসকলে সহায়-সহযোগ কৰি আহিছে। বঙাইগাঁৱৰ ক্ষেত্ৰত বিধায়ক ফণীভূষণ চৌধুৰী আৰু সমাজসেৱক আদিয়ে সহায়-সহযোগ কৰি আছিল । আগন্তুক দিনত বঙাইগাঁওখনত যাতে আগুৱাই নিব পাৰো তাৰ কাৰণে প্ৰয়াস ৰাখিছো আৰু সোমবাৰে বঙাইগাঁও পৌৰসভাৰ ৱাৰ্ড কমিছনাৰসকলৰ সৈতে বিধায়ক ফণীভূষণ চৌধুৰী আৰু জিলা উপায়ুক্তৰ উপস্থিতিত বৈঠকত মিলিত লৈ বঙাইগাঁৱৰ কাৰণে এখন নতুন মাষ্টাৰপ্লেন প্ৰস্তুত কৰাৰ কথা ভাবিছো। পূৰ্বৰ যি মাষ্টাৰপ্লেন আছিল সেয়া প্ৰায় ২৫ বছৰ পুৰণি। সেয়ে আমি নতুনকৈ মাষ্টাৰপ্লেন প্ৰস্তুত কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছো।



## মৰিয়নি সমষ্টিত ১৭নং পূব নকছাৰি গাঁও পঞ্চায়তত উন্নয়নমূলক কামৰ নমুনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ৩১ মে' ঃ** মৰিয়নি সমষ্টিৰ বহু ভিতৰুৱা গ্ৰাম্য অঞ্চলক আজিও ঢুকি পোৱা নাই বিজেপি চৰকাৰৰ উন্নয়নমূলক আঁচনিয়ে। পূব যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৭নং পূব নকছাৰি গাঁও পঞ্চায়তৰ নপাম-মৰাণ গাঁও সংযোগী জৰাজীৰ্ণ পথটোৱেই উদঙাই দিছে সমষ্টিটোৰ গ্ৰাম্য অঞ্চলৰ উন্নয়ৰ ফোঁপোলা স্বৰূপটো। ধোদৰ আলিৰ লগত সংযোগ হোৱা নপাম-মৰাণগাঁৱৰ বিধ্বস্ত গ্ৰাম্য পথটোৱে গাঁও দুখনৰ প্ৰায় চাৰিশ পৰিয়ালক জীয়াতু ভোগাই আহিছে। প্ৰায় চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো নিৰ্মাণৰ বাবে গাঁওবাসীয়ে বহুবাৰ স্থানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মীক কাকূতি-মিনতি কৰি অহাৰ পিছতো বিধায়কগৰাকীয়ে পথটো নিৰ্মাণ কৰাৰ বাবে কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ ৰাইজৰ। সামান্য এজাক বৰষুণ দিলে বোকাময় হৈ পৰা পথটোৰে যাতায়াত কৰাতো অসম্ভৱ হৈ পৰে। গাঁও দুখনৰ ৰোগীক ঠেলাত উঠাই পকা ৰাস্তালৈ আনিহে এম্বুলেঞ্চত উঠাই চিকিৎসালয়লৈ নিব লগা হয়। সকলোতকৈ ভুক্তভোগী হৈছে ছাত্ৰ-ছাত্ৰীসকল । ঘৰৰ পৰা বিদ্যালয়লৈ ওলাই আহোঁতে বোকা গচকি আহি পকী পথৰ কাষৰ নলাৰ পানীৰে ভৰি ধুই জোতা পিন্ধি বিদ্যালয়লৈ যাব লগা হয়। আনহাতে মৰাণগাঁও আৰু নপাম এই দুখন গাঁৱৰ মাজেৰে বৈ যোৱা চতাই জানৰ ওপৰত বাঁহৰ সাঁকোৰে অহা-যোৱা কৰা ৰাইজৰ বাবে ২০২০/২১ বৰ্ষত চতুৰ্দশ বিত্তীয় বৰ্ষৰ ৪ লাখ ৭০ হাজাৰ টকাৰে নিৰ্মাণ কৰে এখন কাঠৰ দলং। ১৭ নং পূব নকছাৰি গাঁও পঞ্চায়তৰ ১নং ৱাৰ্ডৰ মৰাণ- নপাম গাঁও সংযোগী পথৰ চতাই জানৰ ওপৰত ৪,৭০,০০০ টকাৰে নিৰ্মাণ কৰা দলঙৰ ওপৰেদি নহয়, দলঙৰ তলেৰে বোকা-পানী গচকি অহা-যোৱা কৰে স্থানীয় ৰাইজে। কিয়নো দলংখনৰ দুয়োটা মূৰ পথৰ লগত সংযোগ নকৰাত লাওচাঙৰ দৰে ওলমি থকা দলংখনৰ নিৰ্মাণত সংঘটিত হোৱা দুৰ্নীতিৰ এক জীৱন্ত প্ৰতিচ্ছবি।


### ADDRESS CHANGE

Shri Diganta borah, son of late manik ch Borah, Do hereby declared my Residential Address as follows:-
Old Address- vill:-Hatbor,
P.o:-Hatbor(Jakhalabandha)
Ps:- Kaliabor,
dist:- Nagaon(Assam)
Pin code:- 782136,
NEW Address:- Vill:- Datkata,
P.o:- Hatbor,
P.s:-Jakhalabandha,
Dist:-Nagaon (Assam)
Pin Code:- 782136



### জেমছ ৱাৰেন টি লিমিটেড

ক'ৰ্পৰেট আইডেনটিফিকেচন নম্বৰ (চিআইএন) ঃ এল১৫৪৯১এএছ২০০৯পিএলচি০০৯৩৪৫
পঞ্জীয়ন কাৰ্যালয় ঃ ঢেউদাম টি ইষ্টেট, ডাক ঃ বৰাহাপজান, জিলা ঃ তিনিচুকীয়া, অসম-৭৮৬১৫০, ফোন ঃ ০৩৭৫৯-২৪৭৯২২
ক'ৰ্পৰেট কাৰ্যালয় ঃ এছপাইৰেচনচ ভিণ্টেজ, ১২, প্ৰিট'ৰিয়া ষ্ট্ৰীট, কলকাতা-৭০০০৭১, ফোন ঃ ৯১-৩৩-৪০৩৪১০০০
ফেক্স ঃ ৯১-৩৩-৪০৩৪১০১৫, ই-মেইল ঃ sec@jwtl.in; ৱেবছাইট ঃ www.jameswarrentea.com

**৩১ মাৰ্চ ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক অডিটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ**

(লাখৰ হিচাপত)

| ক্ৰ নং | বিষয়-বস্তু | ৩ মাহৰ সমাপ্তি ৩১-০৩-২০২২ | ৩ মাহৰ সমাপ্তি ৩১-০৩-২০২১ | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২২ | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২১ |
|---|---|---|---|---|---|
| | | অডিটেড | অডিটেড | অডিটেড | অডিটেড |
| ১ | লেনদেনৰ পৰা মুঠ আয় | ১,০৬০.৩৭ | ২,০০৫.২২ | ১১,৬৪৩.৬৮ | ১৩,৩৯৭.৬৪ |
| ২ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান) (কৰৰ পূৰ্বে, এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ#) | (৬০৩.০৮) | (২,০৫৬.৪৬) | ৯৪০.১০ | ১,৬০৯.৬২ |
| ৩ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান), কৰৰ পূৰ্বে (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ #) | (৬০৩.০৮) | (২,০৫৬.৪৬) | ৯৪০.১০ | ৩,০৬৫.৬৫ |
| ৪ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান), কৰৰ পিছত (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ#) | (৬০৫.১৫) | (১,৯৬৩.৩৬) | ৮২৫.২০ | ২,৮৯৬.০০ |
| ৫ | উক্ত সময়ৰ মুঠ সামগ্ৰীক আয় (সামগ্ৰীক লাভ)/(লোকচান) উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰীক আয় (কৰৰ পিছত)) | (৩৬০.৬৯) | (৫৪৯.৩৯) | ১,২৫৯.৭১ | ৪৬৬৭.৫৪ |
| ৬ | ইকুইটি শ্বেয়াৰ কেপিটেল | ৪৪০.০০ | ৫২৪.২৭ | ৪৪০.০০ | ৫২৪.২৭ |
| ৭ | অন্যান্য ইকুইটি (পুনৰ মূল্যায়ন সংৰক্ষণৰ বাহিৰে) | - | - | - | - |
| ৮ | প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (১০ টকা মূল্যত/প্ৰতিটো) (ধাৰাবাহিক আৰু অধাৰাবাহিক লেনদেনৰ কাৰণে) বেছিক ঃ | (১১.৬৩) | (৩৭.৪৫) | ১৫.৭৭ | ৪৫.৩৯ |
| | ডাইলোটেড ঃ | (১১.৬৩) | (৩৭.৪৫) | ১৫.৭৭ | ৪৫.৩৯ |

টোকা ঃ
১) ৩১ মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক নিৰিখ আৰু ৩১ মাৰ্চ, ২০২১ত সমাপ্ত ত্ৰৈমাসিক নিৰিখসমূহৰ সামঞ্জস্য আছে ৩১ মাৰ্চ,২০২২ত সমাপ্ত বাৰ্ষিক নিৰিখ আৰু ৩১ মাৰ্চ, ২০২১ত সমাপ্ত বাৰ্ষিক নিৰিখৰ সৈতে, ইতিমধ্যে তৃতীয় ত্ৰৈমাসিকৰ নিৰিখসমূহ প্ৰকাশ কৰা হৈছে।
২) উক্ত বিৱৰণসমূহ ৩১মাৰ্চ, ২০২২ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক অডিটেড বিত্তীয় ফলাফলৰ বিৱৰণ, ষ্টক এক্সচেঞ্জত দাখিল কৰা ধৰণে, ছেবি (লিষ্টিং অব্লিগেছ্নছ এণ্ড ডিছক্লজাৰ ৰিকুৱাৰমেনছ) বিধি- ২০১৫ ৰ ভিত্তিত আৰু বিধি-৩৩ ৰ অধীনত। বিত্তীয় বিৱৰণৰ সম্পূৰ্ণ তথ্য উপলব্ধ আছে বিএছই ৱেবছাইট (www.bseindia.com), চিএছই ৱেবছাইট (www.cse-india.com) আৰু কোম্পানীৰ ৱেবছাইট (www.jameswarrentea.com) ত।
৩) উপৰোক্ত বিত্তীয় ফলাফলসমূহ অডিট কমিটীয়ে পুনৰীক্ষণ কৰাৰ পিছত কোম্পানীৰ সঞ্চালক মণ্ডলীৰ যোৱা ৩০মে', ২০২২ত অনুষ্ঠিত বৈঠকত অনুমোদন জনোৱা হৈছে।

সঞ্চালক মণ্ডলীৰ আদেশানুক্ৰমে
জেমছ ৱাৰেন টি লিমিটেডৰ হৈ
স্বা/-
স্থান ঃ কলকাতা
তাৰিখ ঃ ৩০ মে', ২০২২
সন্দীপ দাস (পূৰ্ণকালীন সঞ্চালক) ডিআইএন ঃ ০৭৯৭৯৭৯১




## তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ আৰ্ট এড্‌ভাইজাৰ তৰেন্দ্ৰ বসুমতাৰীৰ অৱসৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ মে' ঃ** তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ তৰেন্দ্ৰ বসুমতাৰীয়ে সুদীৰ্ঘ ৩২ বছৰীয়া চাকৰিৰ কাৰ্যকাল সামৰি আজি অৱসৰ গ্ৰহণ কৰে। তেওঁ ১৯৯০ চনৰ ২৭ আগষ্টত কাৰু শিল্পী (মডেলাৰ) হিচাপে কৰ্মজীৱন আৰম্ভ কৰি চলিত বৰ্ষত আৰ্ট এড্‌ভাইজাৰ পদলৈ পদোন্নতি লাভ কৰিছিল। অতিৰিক্ত সঞ্চালক প্ৰদীপ ব্ৰহ্মৰ সভাপতিত্বত জনসংযোগ সঞ্চালকালয়ৰ সভাগৃহত আয়োজিত এক অনুষ্ঠানত শ্ৰীবসুমতাৰীক আজি আনুষ্ঠানিকভাৱে বিদায় সম্ভাষন জনোৱা হয়। দীৰ্ঘকাল সততা, নিষ্ঠা আৰু দায়বদ্ধতাৰে কৰ্মজীৱনৰ সামৰণি মৰাৰ সময়ত সঞ্চালকালয়ৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে একেমুখে তেখেতৰ শলাগ লয় লগতে তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। সভাত বসুমতাৰীয়ে দীৰ্ঘদিনীয়া কৰ্মজীৱনৰ অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰি সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত যুটীয়া সঞ্চালক জ্যোতিৰ্ময় চক্ৰৱৰ্তী, উপসঞ্চালক প্ৰাণজিৎ হাজৰিকা প্ৰমুখ্যে সঞ্চালকালয়ৰ সমূহ বিষয়া কৰ্মচাৰী উপস্থিত থাকে।


No. MHRB/21/ID/2019/1295

**NOTIFICATION**

With reference to the advertisement No. MHRB/21/ID/2019/307 dated 20/11/2019 and notice No. MHRB/21/ID/2019/1155 dated 09/03/2022, Medical and Health Recruitment Board, Assam, has declared the result of the written test held on 03/04/2022 for recruitment to the post of Inspector of Drugs under Commissioner of Food Safety and Drug Administration, Health & Family Welfare Department, Government of Assam. The candidates having the following roll numbers have cleared the written test and qualified to appear in the interview as per the schedule below-

| Roll No. | Time | Date |
|---|---|---|
| 22009, 22055, 22066, 22070, 22100, 22118, 22150, 22160, 22165, 22176, 22204, 22215, 22218, 22220, 22234 | 10.00 AM | 14/06/2022 |
| 22239, 22240, 22252, 22258, 22266, 22279, 22327, 22328, 22337, 22339, 22345, 22360, 22366, 22375, 22376 | 1.00 PM | |
| 22383, 22414, 22431, 22436, 22439, 22462, 22465, 22473, 22489, 22504, 22532, 22549, 22560, 22566, 22580 | 10.00 AM | 15/06/2022 |
| 22600, 22606, 22624, 22664, 22677, 22679, 22704, 22714, 22724, 22760, 22784, 22805, 22812, 22818, 22842 | 1.00 PM | |
| 22865, 22898, 22938, 22953, 22962, 22978, 22993, 23000, 23008, 23022, 23030, 23043, 23050, 23067, 23073 | 10.00 AM | 16/06/2022 |
| 23081, 23100, 23122, 23168, 23190, 23202, 23209, 23232, 23234, 23245, 23254, 23264, 23265, 23266, 23271, 23285, 23295 | 1.00 PM | |

**Venue:** Assam Administrative Staff College, Khanapara, Guwahati-781022

The candidates may visit the website **https://nhm.assam.gov.in** for details.

No TA/DA will be paid for attending the interview.

Sd/-
Chairman,
Medical and Health Recruitment Board, Assam,

Janasanyog /D/4525/22



Affordable Health Mission
GNRC
Quality•Value•Trust

জিএনআৰচি টেলিমেডিচিন সেৱা
ঘৰতে বহি এতিয়া আপুনি পাব পাৰে
জিএনআৰচিৰ বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা পৰামৰ্শ
আজিয়েই ডাউনল'ড কৰক
GNRC Telehealth App
(Google Play storeত উপলব্ধ)
যোগাযোগ ঃ 1800-345-0022
info@gnrchospitals.com www.gnrchospitals.com

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১ জুন ■ ২০২২ ■ ১৭ জেঠ ■ গুৱাহাটী

## ন' টবেকো ডে' আৰু ধঁপাতৰ ভাবুকি

আজি, অৰ্থাৎ ৩১ মে'ৰ দিনটো সমগ্ৰ বিশ্বই ন' টবেকো ডে' অথবা ধঁপাতবিহীন দিৱস পালনৰ বাবে প্ৰস্তুতি চলাইছে। ধঁপাত উৎপাদন, মজুত, বিক্ৰী, ধঁপাত সেৱন আদিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত আমাৰ ৰাজ্যখনেও লৈ আহিছে। কিন্তু আজিও ৰাজ্যত পূৰ্বৰ দৰেই ধঁপাতৰ বিক্ৰী, মজুত বা সেৱন কমা নাই। বৰং অসম তথা উত্তৰ-পূবত ধঁপাতৰ ব্যৱহাৰ দেশৰ অন্যান্য অঞ্চলতকৈ বেছিহে দেখা যায়। ধঁপাত বা চিগাৰেটৰ ব্যৱসায় বন্ধ কৰিব নোৱাৰাটো চৰকাৰৰ দুৰ্বলতা। সেয়েহে সকলোবোৰৰ বিৰুদ্ধে এই দিৱসৰ যোগেৰে বিশ্বৰ দেশবোৰে এক কাৰ্যসূচীৰে সজাগতা সৃষ্টিৰ বাবে সংশ্লিষ্ট জনসাধাৰণে বিভিন্ন ধৰণেৰে বিভিন্ন প্ৰচেষ্টা হাতত লৈ ধঁপাতৰ ভাবুকিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি অহা পৰিলক্ষিত হৈ আহিছে। এইবাৰৰ মূল বিষয় ৰূপে পৰিগণিত হৈছে পৰিৱেশ সুৰক্ষিত কৰক। কাৰণ ধঁপাতৰ ব্যাপক প্ৰচলন আৰু সেৱনৰ বাবে সমাজত যি সমস্যাৰ সৃষ্টি হৈছে আৰু ই জনগণৰ স্বাস্থ্যৰ বাবে ভয়ংকৰ ভাবুকি হৈ পৰিছে। এইবোৰৰ কাৰণ মূলতঃ ধঁপাতৰ খেতি আৰু তাৰ পৰাই উৎপাদন হোৱা চিগাৰেট, চিগাৰ আদি প্ৰস্তুত হৈ সেইবোৰৰ নিচাসক্তি বৃদ্ধি কৰি মানুহৰ স্বাস্থ্যলৈ অশনি সংকেত আনে। এই খেতি ভাৰতকে প্ৰমুখ্য কৰি চীন, আমেৰিকা, ব্ৰাজিল, পাকিস্তানকে ধৰি বিশ্বৰ বহুকেইখন দেশত উৎপাদন হয় আৰু লাখ লাখ লোক জড়িত হৈ থাকে জীৱিকাৰ বাবে। চৰকাৰে ইয়াক বন্ধ কৰিব নোৱাৰাৰ কাৰণটোৱেই হৈছে উপাৰ্জনৰ কথা। ধঁপাত সেৱন কৰিবলৈ চিগাৰেট, চিগাৰ আদিৰ আৱশ্যক, যিটো মুখত লৈ সেৱন কৰে। কিন্তু ইয়েই মহাকাল বুলি স্বাস্থ্য বিজ্ঞানে প্ৰকাশ কৰি আহিছে আৰু সেৱনকাৰীজনৰ লগতে ধূমপান কৰি এৰি দিয়া ধোঁৱাই ওচৰতে থকা বা সমীপত থকা লোকসকলৰ শ্বাস-প্ৰশ্বাসৰ জৰিয়তে শৰীৰত বা হাওঁফাওঁত সোমাই সেই লোককেইজনকো ধঁপাতৰ ধোঁৱাই অধিক বিপজ্জনক ৰূপত আক্ৰমণ কৰে। এজন ধূমপানকাৰীয়ে এনেদৰেই কাষত নাইবা ঘৰৰ আন সদস্যসকলৰো স্বাস্থ্যৰ ক্ষতি কৰিব পাৰে বুলি স্বাস্থ্য বিজ্ঞানীসকলে মত প্ৰকাশ কৰি আহিছে। উল্লেখযোগ্য যে বিশ্ব স্বাস্থ্য সংস্থাই মত প্ৰকাশ কৰি আহিছে যে ধঁপাতৰ সেৱন আৰু অতিপাত ব্যৱহাৰে জনসাধাৰণলৈ ভীষণ প্ৰত্যাহ্বানৰ ভাবুকি কঢ়িয়াই আনিছে। যাৰ বাবে বিশ্বৰ ধঁপাত সেৱন আৰু ব্যৱহাৰে মানুহৰ জীৱনলৈ কঢ়িয়াই আনিছে ভীষণ বিপজ্জনক ৰূপ লোৱাৰ আশংকাই অধিক হৈ পৰিছে। মন কৰিবলগীয়া কথাটো হৈছে ভাৰততো এনে ধৰণৰ বিপজ্জনক আশংকাই অধিক ৰূপত গ্ৰাস হৈ অহাৰ কথা স্বাস্থ্য সংস্থাই সকীয়নি প্ৰকাশ কৰি আহিছে। তথ্য মতে ভাৰতত তেৰ লাখৰো অধিক লোকৰ মৃত্যু হোৱাৰ কথা প্ৰকাশ পাইছে আৰু কাৰণ একমাত্ৰ ধঁপাত সেৱনেই বুলি সকীয়াই দিছে। বিশ্বত ইয়াৰ বাবে ৭০ লাখৰো অধিক লোকৰ মৃত্যু হোৱাৰ কথা তথ্যত প্ৰকাশ পাইছে। ভাৰততেই হৈছে তেৰ লাখ বুলিও বিশ্ব স্বাস্থ্য সংস্থাই তথ্যত প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত স্বাস্থ্য বিজ্ঞানীৰ মতে মৃত্যুমুখত পৰা লোকৰ সংখ্যাই চিন্তান্বিত কৰাই নহয়, ধঁপাত সেৱনৰ ফলত মানুহৰ শৰীৰত বিভিন্ন ৰোগৰ উৎপন্ন হয় বুলিও তথ্যত প্ৰকাশ। এই ক্ষেত্ৰত চৰকাৰৰ গুৰুত্ব অধিক। চৰকাৰেই সেইবোৰৰ ব্যৱহাৰ আৰু প্ৰসাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ উৎপাদন, বিক্ৰী আদিৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। জনসাধাৰণেও ইয়াক সহযোগ কৰিলেহে ইয়াৰ সমস্যা সমাধান হ'ব বুলি আশা কৰিব পাৰি। নহ'লে ইয়াৰ ব্যৱহাৰ অব্যাহত থাকিব আৰু ইয়াৰ ফল ভোগ কৰিব লাগিব ৰাজ্যবাসীয়ে।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### এক লাখ চাকৰি হওক প্ৰকৃত এক লাখ নিবনুৱাৰ বাবে

আমি হয়তো সকলোৱে জ্ঞাত যে বৰ্তমান সময়ত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চৰকাৰী চাকৰিৰ বাবে অনলাইন মাধ্যমেৰে আবেদন চলি আছে। এই চাকৰি বিজ্ঞাপনৰ আবেদনৰ চৰ্ত অনুসৰি স্নাতক উত্তীৰ্ণ প্ৰাৰ্থীসকলে চতুৰ্থ বৰ্গৰ চাকৰিসমূহত আবেদন কৰিব নোৱাৰিব। তাৰ বিপৰীতে এই চতুৰ্থ বৰ্গৰ চাকৰিসমূহত আবেদন কৰিবলৈ প্ৰাৰ্থীজনৰ যোগ্যতা মাত্ৰ অষ্টম শ্ৰেণী আৰু মেট্ৰিক পাছ হ'লেই যথেষ্ট। কিন্তু এতিয়া বহুতো ডিগ্ৰীধাৰী প্ৰাৰ্থীয়ে নিজকে চতুৰ্থ বৰ্গৰ চৰকাৰী চাকৰিত আবেদন কৰিব পৰাকৈ নিম্ন পৰ্যায়ৰ যোগ্যতা থকা বুলি পৰিচয় দি অনলাইন মাধ্যমেৰে employment exchangeত নাম পঞ্জীয়নভুক্ত কৰি সেই চতুৰ্থ বৰ্গৰ পদসমূহত আবেদন কৰি প্ৰকৃত নিম্ন পৰ্যায়ৰ শিক্ষা আহৰণ কৰা প্ৰাৰ্থীসমূহক পেটে-ভাতে মৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে। আকৌ আমি বিভিন্ন উৎসৰ পৰা জানিব পৰা মতে একেইজন ডিগ্ৰীধাৰী প্ৰাৰ্থীয়েই নিজকে দুটা বেলেগ বেলেগ শিক্ষাৰ যোগ্যতা দেখুৱাই দুবাৰকৈ অনলাইন মাধ্যমেৰে employment exchange ত নাম পঞ্জীয়নভুক্ত কৰি এই চৰকাৰী চাকৰিৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ প্ৰায় প্ৰতিটো পদতে আবেদন কৰিছে। এনেকুৱা দুই-এটা উদাহৰণ আমাৰ হাততো আছে যেতিয়া অন্য লোকসকলৰ হাততো নিশ্চিতভাৱে থাকিব। গতিকে এনেকুৱা ধৰণৰ কামবোৰো এটা এটা অপৰাধ। সেয়েহে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে এনেকুৱা ধৰণৰ প্ৰাৰ্থীসকলৰ ওপৰত চোকা দৃষ্টি নিক্ষেপ কৰি উচিত ব্যৱস্থা গ্ৰহণ কৰি প্ৰকৃত উপযুক্ত প্ৰাৰ্থীক উপযুক্ত পদত নিযুক্তিৰে অসমৰ নিবনুৱা সমস্যা হ্ৰাস কৰে যেন।

■ পিংকু ডেকা

ফোন ঃ ৬০০১৯৩৫৩২৮

### দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানত বন ধ্বংস

যোৱা কেইবাদিনো ধৰি অসমৰ সকলো বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰকৈ প্ৰকাশ হৈ থকা 'দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত বন ধ্বংস'ৰ বাতৰি আমাৰ দৃষ্টিগোচৰ হৈছে। বিষয়টো অতি গুৰুত্বপূৰ্ণ বুলি আমাৰ চিন্তাই বিচাৰ কৰিছে। ইয়াৰ বাবে প্ৰকৃতিপ্ৰেমী সংগঠনসমূহ, অসমৰ সকলো দল-সংগঠন, জিলা উপায়ুক্ত, আৰক্ষী, স্থানীয় বিধায়ক আৰু স্থানীয় লোকসকলৰ সহযোগত অসম চৰকাৰে অতি সোনকালে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বাতৰিত উল্লেখ কৰা অনুসৰি যদিহে স্মাৰক-পত্ৰ দিয়াৰ পিছতো জিলা উপায়ুক্তই বিষয়টো গুৰুত্ব সহকাৰে লোৱা নাই, তেন্তে এজন উপায়ুক্তৰ বাবে ইয়াতকৈ দুখৰ কথা একো হ'ব নোৱাৰে। এই বন ধ্বংসৰ লগত জড়িত সকলোকে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিব লাগে। আমাৰ ভাব হৈছে যে এই কাৰ্যৰ লগত নিশ্চিতভাৱে বন বিভাগৰ লোক জড়িত হৈ আছে। সেয়েহে ধ্বংসকাৰীসকলে মুক্ত মনেৰে উদ্যানখনৰ ভিতৰত প্ৰৱেশ কৰি বিনা দ্বিধাই মূল্যৱান গছসমূহ কাটি তহিলং কৰিছে। সেইসকলকো চিনাক্ত কৰি উচিত শাস্তি প্ৰদান কৰিবলৈ অসম চৰকাৰলৈ আমাৰ অনুৰোধ। এই ক্ষেত্ৰত সবল আৰু শক্তিশালী ভূমিকা ল'বলৈ স্থানীয় যুৱ বিধায়ক তৰংগ গগৈদেৱক অনুৰোধ জনালোঁ। আপোনাৰ ঘৰৰ কাষৰেই ৰাষ্ট্ৰীয় উদ্যানখনৰ এই অৱস্থা দেখি অকণো বেয়া লগা নাইনে? বিশেষকৈ আমাক নিজকে বিশ্বৰ সন্মুখত লজ্জাবোধ নালাগেনে যিহেতু আপোনাৰ হাতত চৰকাৰখন আছে। সেয়েহে আমি আশা কৰিম যে অতি সোনকালে ৰাষ্ট্ৰীয় উদ্যানখনৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে চৰকাৰৰ সৈতে আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰক। আমি সকলোৱে মনত ৰখা ভাল যে প্ৰকৃতি আছে বাবেহে আমি জীয়াই আছো আৰু গছ থকালৈকেহে আমাৰ জীৱন। যেতিয়ালৈকে এই দস্যুবোৰক ধৰি কঠোৰতকৈও কঠোৰ শাস্তি প্ৰদান কৰা নহ'ব, তেতিয়ালৈকে এনেদৰেই চৰকাৰৰ চকুত ধূলি দি প্ৰকৃতি ধ্বংস চলি থাকিব।

■ সত্যজিত গগৈ

ফোন ঃ ৭৩৯৯৬৬২৮৬৭

# এনকাউন্টাৰলৈ কিহৰ ভয়?



■ অমল চন্দ্ৰ কোঁৱৰ

২০২১ত নতুন চৰকাৰ অহাৰ লগে লগে অপৰাধীলৈ কৰা গুলীচালনাত একাংশৰ ভয় হৈ গৈছে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ পৰা আদি কৰি কেইজনমান বিধায়কে এই এনকাউন্টৰৰ বিৰোধ কৰা দেখা গৈছে। এই বিধায়ককেইজনে বিধান সভাৰ বাহিৰে-ভিতৰে এনেদৰে প্ৰতিবাদ কৰিব ধৰিলে যে অসম পুলিচৰ এই এনকাউন্টাৰত যেনিবা কোনোবা দেশপ্ৰেমিকহে মৰিছে। এতিয়া আমি যদি পুলিচৰ এই এনকাউন্টাৰবিলাকলৈ চাওঁ তেতিয়া দেখিবলৈ পাম কোন কোন মানুহ এই এনকাউন্টাৰত আহত আৰু কোন কোন মানুহ এই এনকাউন্টাৰত মৰিছে। (মই আচলতে এনকাউন্টৰত মৰিছে বুলি ক'বলৈ বেয়া পাওঁ, যিহেতু কোনো অপৰাধী পুলিচৰ গুলীত মৰে তেতিয়া মই সেই অপৰাধীজন পুলিচৰ গুলীত মৰিছে বুলি নকৈ নিধন হৈছে বুলি ক'বলৈহে বেছি ভাল পাওঁ। কাৰণ অপৰাধী মই কেতিয়াও জীয়াই থকাটোৱেই নিবিচাৰো। আমি যদি চাওঁ তেতিয়া দেখিম যে নতুন চৰকাৰ অহাৰ পাছত পুলিচৰ লগত এনকাউন্টাৰ হোৱা সকলোৱেই কুখ্যাত অপৰাধী। এই এনকাউন্টাৰত নিধন হোৱা বা আহত হোৱা সকলো কোনোবা কুখ্যাত ডকাইত বা ডকাইতি ঘটনাৰ লগত জড়িত লোক বা আন কোনোবা ধৰ্ষণকাৰী বা আন কোনোবা ড্ৰাগছ বেপাৰী বা আন কোনোবা নৰহত্যাকাৰী। পুলিচৰ গুলী খাইছে, যাৰ ভয়ত আপুনি আপোনাৰ ছোৱালীজনী ক'তো অকলে পঠাব নোৱাৰে বা আপোনাৰ নিজা ঘৰত আপুনি অকলে এৰি ক'লৈকো যাব নোৱাৰে। পুলিচৰ গুলী লাগিছে নিশা আপুনি ক'ৰবালৈ গাড়ী লৈ গৈ থাকোতে বাটতে আপোনাক আগচি ধৰি বন্দুক দেখুৱাই আপোনাৰ লগত থকা সকলো ধন কাঢ়ি লৈ গৈছে। পুলিচৰ গুলীত মৰিছে বা আধা মৰা হৈছে আপোনাৰ গোহালিৰ গৰুকেইটা লৈ যোৱা চোৰকেইটা। পুলিচৰ গুলীত মৰিছে বা ভৰিত গুলী লাগিছে আমাৰ যুৱ প্ৰজন্মক ধ্বংস কৰা মাৰাত্মক ড্ৰাগছ বেপাৰীকেইটা। পুলিচৰ গুলী লাগিছে আমাৰ মানুহৰ তেজৰ ফাকু খেলা সেই নৰহত্যাকাৰীকেইটাৰ গাত আৰু পুলিচৰ গুলী লাগিছে আপোনাৰ গাড়ীখনৰ ড্ৰাইভাৰক হত্যা কৰি আপোনাৰ মৰমৰ গাড়ীখন লৈ যোৱা সেই গাড়ী চোৰকেইটাৰ গাত। অসম পুলিচৰ গুলী এতিয়ালৈকে লগা নাই নামঘৰ, মন্দিৰ, গীৰ্জা, মছজিদৰ পৰা ধৰ্মানুষ্ঠানত গৈ ঘৰলৈ ঘূৰি অহা কোনো লোকৰ গাত। অসম পুলিচৰ গুলী লগা নাই খেতি কৰি ঘৰলৈ ঘূৰি অহা বা ঘৰৰ পৰা নিজৰ খেতি পথাৰলৈ যোৱা কোনো খেতিয়কৰ গাত। পুলিচৰ গুলী লগা নাই কোলো থলুৱা ব্যৱসায়ীৰ গাত। পুলিচৰ গুলী কোনো সৰ্বসাধাৰণ লোকৰ গাত এতিয়ালৈকে লগা নাই। পুলিচৰ গুলী লগা নাই বজাৰত দোকান দি সন্ধ্যা ঘৰলৈ ঘূৰি অহা কোনো লোকৰ গাত। তেন্তে আপোনাৰ আপত্তি কিহৰ? পুলিচে এনকাউন্টাৰ কৰক বা বিনা এনকাউন্টাৰত অপৰাধী ধৰে তাত আপোনাৰ আপত্তি কিহৰ? এতিয়া এনেদৰে যদি পুলিচৰ অভিযান চলি থাকে তেতিয়া হয়তো আৰু কিছুদিনৰ পাছত আপোনাৰ ছোৱালীজনী অকলেই ক'ৰবালৈ যাবলৈ দিবলৈ আপুনি ভয় কৰিব লগা একো নাথাকিব। কাৰণ পুলিচৰ গুলীৰ ভয়ত ইহঁত পলাইছে। এতিয়াৰ পৰা হয়তো আৰু কিছু দিনৰ পাছত আপোনাৰ গোহালিৰ গৰুকেইটা বান্ধি আপুনি নিশাটো ভালদৰে শুব পাৰিব। এতিয়াৰ পৰা হয়তো আপুনি আপোনাৰ ল'ৰাটোৱে ক'ৰবাত ড্ৰাগছ খাইছে নেকি সেই কথা চিন্তা কৰিব নালাগে। কাৰণ পুলিচৰ গুলীৰ ভয়ত ইহঁতে সেইবোৰ কাম কৰিবলৈ এৰিলে। তেন্তে কিহৰ ভয় পুলিচৰ এনকাউন্টাৰলৈ? এনেকুৱা এনকাউন্টাৰ আমাক হাজাৰটা লাগে। আমাক অপৰাধী নালাগে। আমাক ড্ৰাগছ নালাগে যুৱ প্ৰজন্মক ধ্বংস কৰিবলৈ। আমাক লাগে এখন শান্তিৰ অসম। তেন্তে কিহৰ ভয় পুলিচৰ এনকাউন্টাৰলৈ?

আমাক এনেকুৱা পুলিচ অফিচাৰ লাগে, যি কোনো অপৰাধীৰ বিৰুদ্ধে কঠোৰ হ'ব পাৰে। আমাক এনে ৰাজনৈতিক নেতা নালাগে, যি অপৰাধীৰ পক্ষত থাকে। অসম এখন শুদ্ধ আৰু পৰিপাটি হ'বলৈ হ'লে সমাজৰ সকলো শ্ৰেণীৰ লোকেই শুদ্ধ আৰু পৰিপাটি হ'ব লাগিব। আমি দেখিছো অসম পুলিচে কুখ্যাত অপৰাধী কেইটামানৰ ওপৰত গুলী চালনা কৰাৰ পাছত কিছুমান লোকে অসম পুলিচক এনেদৰে সমালোচনা কৰিব ধৰিলে যে পুলিচে নিৰীহ লোককহে যেন গুলীচালনা কৰিছে। পুলিচে সাংবিধানিকভাৱে কেনেকৈ অভিযান চলায় তাক স্বাধীনভাৱে চলাবলৈ পুলিচক সুবিধা দিয়ক। যদি ক'ৰবাত পুলিচৰ কিবা ভুল হয় তেতিয়া প্ৰতিবাদ কৰক, আপত্তি নাই। কিন্তু কুখ্যাত অপৰাধীক পুলিচে ধৰিবলৈ যাওঁতে যদি অপৰাধীয়ে পিষ্টল উলিয়াই ওলোটাই পুলিচকে গুলীয়াবলৈ ধৰে তেতিয়াতো পুলিচে গুলীয়াবই লাগিব। নতুন চৰকাৰখন হোৱাৰ পৰা যিমানবিলাক অপৰাধীক গ্ৰেপ্তাৰ কৰিলে এই সকলোবোৰেই একো একোটা কুখ্যাত ড্ৰাগছ মাফিয়া, নৰহত্যাকাৰী, ধৰ্ষণকাৰী, ডকাইত ইত্যাদি ইত্যাদি। কোনো সভ্য সমাজে কোনো সমাজত ডকাইত থাকক, ড্ৰাগছ মাফিয়া থাকক, ধৰ্ষণকাৰী থাকক এইধৰণৰ কথা চিন্তা কৰিব নোৱাৰে। কিন্তু আমাৰ জনপ্ৰতিনিধি অখিল গগৈ, আমিনুল ইছলাম, আশ্ৰাফুল হুছেইন আদিবিলাকক দেখিছো সম্পূৰ্ণ অপৰাধীৰ পক্ষত। আমি সঁচাকৈ যদি এখন অপৰাধমুক্ত অসম বিচাৰো তেতিয়া এনেধৰণৰ জনপ্ৰতিনিধিবোৰকো আইনৰ গণ্ডীৰে আওতালৈ আনিব লাগে। নহ'লে এনেধৰণৰ জনপ্ৰতিনিধিবিলাকৰ উচটনিত অপৰাধীয়ে আৰু অপৰাধ কৰিবলৈ সুবিধা পাব। আমাৰ জনপ্ৰতিনিধি অখিল গগৈৰ মতে একাধিক গোচৰত অভিযুক্ত কুখ্যাত অপৰাধী জয়নাল আবেদিন নিৰপৰাধী আৰু সমাজত বহু গুৰুত্বপূৰ্ণ ভূমিকা থকা এজন সৎ পুলিচ বিষয়া জ্যোতিষ ফুকন এজন বেয়া পুলিচ বিষয়া। কি যে কাণ্ড! এইকেইজন জনপ্ৰতিনিধিৰ বাৰু পুলিচৰ এনকাউন্টাৰলৈ কিয় ইমান ভয়? বিধায়ক জয়ন্ত মল্ল বৰুৱাই ক'বৰ দৰে— অপৰাধীৰ লগত এওঁলোকৰ কিবা সম্পৰ্ক থাকিবও পাৰে বুলি কোৱা কথাটো একেবাৰে নুই কৰিব নোৱাৰি। ইমান দিনে এই কুখ্যাত অপৰাধীবিলাক আইনৰ সুৰুঙাৰে সৰকি গৈ থকাৰ মূল কাৰণটো হ'ল হয় এই অপৰাধীবিলাকৰ বিৰুদ্ধে পুলিচে ভালকৈ তদন্ত নকৰিলে, নহয় তদন্তকাৰী বিষয়াবোৰে অপৰাধীৰ লগত বুজাবুজি কৰে। নহ'লেনো এই কুখ্যাত কুখ্যাত অপৰাধীবোৰে ইমান দিনে নানানটা অপৰাধ কৰি সমাজত টিঘিলঘিলাই থাকিব পাৰেনে? অৱশ্যে আমাৰ সংবিধানৰ নানানটা সুৰুঙাৰ বাবেও এই কুখ্যাত অপৰাধীবোৰে শাস্তি পোৱাত পলম হয়। যাৰ বাবে তেওঁলোকে কাৰাগাৰৰ পৰা ঘূৰি আহি পুনৰবাৰ অপৰাধ কৰিবলৈ ভয় নকৰে। গতিকে এনেবিলাক কুখ্যাত অপৰাধীবোৰ গুলীয়েই খোৱাটো উত্তম নহয়নে বাৰু? মই কিন্তু এই লেখাত পুলিচক উচটনি দিয়া নাই কাৰোবাক গুলীয়াই দিবলৈ। কিন্তু কোনোবাই অপৰাধ কৰি সমাজখনত অসামাজিক কাম-কাজ কৰি জীয়াই থকাতকৈ এখন ভাল সমাজৰ বাবে তেনে লোক হয়তো নথকাই উত্তম। গতিকে পুলিচৰ গুলীলৈ আমাৰ ভয় কিহৰ? আমাৰ জনপ্ৰতিনিধিকেইজনৰ পুলিচৰ এনকাউন্টাৰলৈ ইমান ভয় কিয়? অপৰাধীলৈ আপোনালোকৰ ইমান দৰদ কিয়? অসমক আপোনালোকে শান্তিত থকাটো নিবিচাৰে নেকি? আমি ভাবো এনেধৰণৰ জনপ্ৰতিনিধিবোৰৰ অহা নিৰ্বাচনত ৰাইজে বিচাৰ কৰিব। কোন ভাল, কোন বেয়া সেই কথা সময়ে ক'ব। ন বছৰীয়া কণমানি শিশুৰো য'ত কোনো নিৰাপত্তা নাই তেনে লোক সমাজত জীয়াই কি কাম আছে? সেই ন বছৰীয়া কণমানি শিশুটিকো ধৰ্ষণ কৰি হত্যা কৰা পাষণ্ড বৃদ্ধটোৰ ডিএনএ পৰীক্ষাত ধৰা পৰিল কণমানি শিশুটোৰ ডিএনএত বৃদ্ধ পাঠানৰ বীৰ্য আছে। ইয়ে প্ৰমাণ কৰে যে সেই ষাঠি বছৰীয়া পাষণ্ডটোৱেই শিশুটিক ধৰ্ষণ কৰি হত্যা কৰিছিল। কণমানি এটি শিশুকো যেতিয়া কোনোবাই ধৰ্ষণ কৰি হত্যা কৰিব পাৰে তেন্তে তেওঁলোকৰ মানসিকতা কেনেকুৱা হ'ব পাৰে চিন্তা কৰক। পুলিচে তেনেধৰণৰ লোকক ধৰি নিওঁতে যদি পুলিচৰ হাতৰ পৰা পলাবলৈ চেষ্টা কৰে তেন্তে গুলীয়াবই লাগিব। তাৰ বাবে পুলিচক সমালোচনা কৰিলে কি হ'ব! এনে ধৰণৰ মানসিকতাৰ মানুহ যদি সমাজত থাকে তেন্তে আমাৰ সমাজ কেতিয়াও সংস্কাৰ নহ'ব। সেই বিলাক মানুহেহে আজি ভয় খাইছে পুলিচৰ এনকাউন্টাৰলৈ। আমি কেতিয়াও এতিয়া পুলিচৰ এনকাউন্টাৰলৈ ভয় নাখাওঁ। কাৰণ আমি কোনো অপৰাধ কৰা নাই আৰু কোনো অপৰাধ নকৰো।

অসমত এটা বিশেষ সম্প্ৰদায়ৰ লোক এই অপৰাধীসকলৰ পক্ষত আছে। যাক আমি বাংলাদেশী মিঞা বুলি কওঁ। নগাঁৱৰ কুখ্যাত অপৰাধী জয়নাল আবেদিন নিধনৰ পাছত এতিয়া এটা এটাকৈ গুলী কৰা অপৰাধবোৰৰ সাক্ষী দিবলৈ মানুহ ওলাইছে। ইমান দিনে জয়নালৰ বিৰুদ্ধে কোনেও মুখ খোলা নাছিল, কাৰণ জয়নালৰ বিৰুদ্ধে কথা ক'লেই সি হত্যা কৰিব, মাৰিব। জয়নালৰ নিধনৰ পাছত জয়নালৰ গাঁৱৰ মানুহে কেনেদৰে প্ৰতিবাদ কৰিছিল তাৰ পৰাই অনুমান হয় এই মানুহবোৰ কিমান নিষ্ঠুৰ। সাংবাদিকক পুলিচৰ সন্মুখতে মাৰিবলৈ খেদি যায়, এই বাংলাদেশী মূলৰ মিঞাবিলাক কিমান নিষ্ঠুৰ, কিমান অপৰাধ কৰিব পৰা মানসিকতাৰ মানুহ এবাৰ ভাবি চাওক। তাতে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি নামৰ বাঁও, মাও, লেনিন চিন্তাপন্থী সংগঠনটো মিঞা লীডাৰ এটাই কেনেদৰে আক্ৰমণাত্মকভাৱে প্ৰতিবাদৰ নামত ক'ভিড প্ৰট'কল ভংগ কৰি অপ্ৰীতিকৰ ঘটনাৰ সৃষ্টি কৰিলে সেই কথা আমি সকলোৱেই দেখিলো। এই মানুহবোৰ কিমান নিষ্ঠুৰ, কিমান অত্যাচাৰী হ'ব পাৰে অনুমান কৰক। এই মানুহবোৰেই আজি আমাৰ সমাজত থকাৰ বাবেই আমাৰ সমাজত আতংকৰ সৃষ্টি হৈছে। এই মানুহবোৰ যেতিয়ালৈকে আমাৰ সমাজত দপদপাই থাকিব তেতিয়ালৈকে সমাজত চোৰ, ডকাইত, ধৰ্ষণ, লুণ্ঠন, হত্যা আদি চলিয়েই থাকিব। গতিকে আমি ভাবো সমাজৰ পৰা স্থায়ীভাৱে শান্তি আনিবলৈ হ'লে এই মানুহবোৰক যিকোনো উপায়েৰে পুলিচে দমন কৰিবই লাগিব। নহ'লে কেতিয়াও শান্তিৰ অসম প্ৰতিষ্ঠা কৰিব পৰা নাযাব। আহক আমি অসম পুলিচৰ এই অভিযানত সহযোগ কৰি অসমৰ পৰা চিৰদিনৰ বাবে অপৰাধী নাইকিয়া কৰো। ইয়াত কোনো বাঁও, মাও, লেনিনৰ আদৰ্শ প্ৰতিষ্ঠা কৰিব পৰা লোকৰ কথা নচলিব। অসমক কেতিয়াও অপৰাধীৰ অধীনত থাকিবলৈ দিব নোৱাৰি।

ফোন নং - ৭০০২৯২৬০৭০

# হাতীগাঁৱৰ নৃশংস হত্যাকাণ্ড আৰু আমাৰ অনুভৱ

■ ফখৰুদ্দিন আহমেদ

বিগত ২৪ মে', ২০২২ তাৰিখ সোমবাৰে ৰাতি গুৱাহাটীৰ অন্তৰ্গত হাতীগাঁৱৰ ফ্ৰেণ্ডছ্ পথত থকা ৩২ নং আৱাসত সংঘটিত এক লোমহৰ্ষক হত্যাকাণ্ডৰ বলি হৈছিল মৌলানা জয়নুদ্দিন আহমেদ কাছিমী। আনুমানিক বয়স ৪৩-৪৪ বছৰ মান হ'ব। তেখেতৰ জন্মভূমি আছিল দৰং জিলাৰ ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ সানোৱা অঞ্চল। সানোৱা হৈছে খিলঞ্জীয়া অসমীয়া মুছলমানেৰে পৰিপূৰ্ণ এখনি ঐতিহাসিক গাঁও। এইখন গাঁৱৰ ইতিহাসৰ সৈতে জড়িত হৈ আছে সুদূৰ বাগদাদৰ পৰা ইছলাম ধৰ্মৰ শান্তি আৰু সম্প্ৰীতিৰ বাণী লৈ অসমৰ পবিত্ৰ ভূমিক চিৰদিনৰ বাবে আপোন কৰি লোৱা মজনুদিল পীৰ আজান ফকিৰ চাহেবৰ সহোদৰ ভাতৃ শ্বাহ নোৱাজ চাহেবৰ নাম। সানোৱা হৈছে লুইতৰ উত্তৰ পাৰত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে চহকী এখন গাঁও। এই গাঁওখনিতেই শৈশৱ আৰু কৈশোৰ অতিক্ৰমি ডাঙৰ-দীঘল হৈছিল মৌলানাগৰাকী।

প্ৰায় ১৫-১৬ বছৰ পূৰ্বে মৌলানা জয়নুদ্দিন আহমেদ কাছিমীয়ে জীৱিকা বিচাৰি থিতাপি লৈছিলগৈ হাতীগাঁৱৰ সেই ফ্ৰেণ্ডছ্ পথৰ এটি বাসগৃহত ভাড়াতীয়া হিচাপে। তাৰ পূৰ্বে মৌলানা চাহেবে সানোৱা গাঁৱত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ সফলতাৰে সমাপ্তি ঘটাই উত্তৰ প্ৰদেশৰ দেউবন্দ চহৰত থকা মাদ্ৰাছাৰ পৰা মৌলানা আৰু ক্বাৰীয়ানা শিক্ষাও আহৰণ কৰিবলৈ সমৰ্থ হৈছিল। তাৰ পিছতেই গুৱাহাটীৰ হাতীগাঁৱত আৰম্ভ কৰিছিল জীৱন আৰু যৌৱনৰ সংগ্ৰাম। প্ৰায় ডেৰ দশকৰ সফলতা ভৰা পৰিক্ৰমাত তেখেতে স্থানীয় মছজিদত ইমামতি, তাৰ পিছত হজৰত মোহাম্মদ (ছঃ)ৰ কৰ্মজীৱনৰ অবিচ্ছেদ্য অংগ ব্যৱসায়ত মনোনিৱেশ কৰিছিল। সুমিষ্ট ব্যৱহাৰ, আদৰ্শনীয় ব্যক্তিত্বৰে সেই ফ্ৰেণ্ডছ্ পথ তথা তাৰ আশে-পাশে থকা হিন্দু, মুছলমান সকলো লোকৰে সহায়ৰ সাৰথি হৈ পৰাৰ লগে লগে অজানিতভাৱে ৰূপান্তৰিত হৈ পৰিছিল সকলোৰে চিনাকি 'জোনাব' উপাধিৰ মানুহটোলৈ। সকলোৰে মৰমৰ, আদৰৰ আৰু সন্মানৰ 'জোনাব'লৈ পৰিৱৰ্তন হোৱা মৌলানা জয়নুদ্দিন আহমেদ কাছিমীৰ পৰিয়ালত মাক, পৰিবাৰৰ লগতে দুটি পুত্ৰ-পুত্ৰীৰে ভৰা আছিল। ক'বলৈ গ'লে এক সৰ্বাংগসুন্দৰ সুখী পৰিয়াল। নৃশংস হত্যাকাণ্ডৰ বলি হোৱা মৌলানা চাহেবক দফন কৰিবলৈ সানোৱাস্থিত বাসগৃহৰ পৰা শোকাকুল ৰাইজে জানাজাৰ স্থানলৈ উলিয়াই লৈ যাবলৈ ওলোৱাৰ মুহূৰ্তত শেষবাৰৰ বাবে অভাগা পুত্ৰৰ মুখখন চাই মাকে কান্দিছিল— 'তোক মৌলানা পঢ়াইছিলো মোৰ জানাজা পঢ়াবলৈ, কিন্তু তই মোক থৈ আগতেই গুচি গ'লি'। এক মৰ্মন্তুদ, হৃদয় বিদাৰক দৃশ্য।

মৌলানা চাহেবৰ মৃত্যু অনাকাংক্ষিত আৰু অস্বাভাৱিক আছিল। তেখেতৰ ওচৰত থকা অভিযন্তা আব্দুল হকৰ ঘৰৰখীয়া হ'বলৈ গৈ ডকাইত চুবুৰ আলী আৰু তাৰ লগৰীয়াৰ হাতত প্ৰাণ দিব লগা হৈছিল। বিভিন্ন সংবাদ গোষ্ঠীয়ে পৰিৱেশন কৰা বাতৰি মৰ্মে ইতিমধ্যে হাতীগাঁও থানাৰ আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা দুৰ্ধৰ্ষ ডকাইত চুবুৰ আলীৰ পূৰ্বৰ চিনাকি মৌলানা চাহেবক পিছলৈ ধৰা পৰাৰ পৰা হাত সাৰিবলৈ হাতত থকা চাবুলেৰে মূৰত মাৰি বগৰাই দিয়া, লগৰজনে পিছফালৰ পৰা মৌলানাৰ ডিঙিত আঘাত কৰা আৰু মৰিয়াই মৰিয়াই হত্যা কৰা বুলি দিয়া স্বীকাৰোক্তি নিশ্চয় সকলোৰেই অসহনীয় হৈ পৰিছে। মন কৰিব লগা বিষয় এই যে প্ৰায় ডেৰ বছৰ পূৰ্বেও এইজন চুবুৰ আলীয়ে আন এক হত্যাকাণ্ডৰ গোচৰত হাতীগাঁও থানা আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হৈ জে'ল-হাজোতলৈ যাব লগা হৈছিল। উপযুক্ত শাস্তিৰ সলনি আইনী মেৰপাকৰ আশীৰ্বাদত হত্যাকাৰীজন মুকলি আকাশৰ তললৈ ওলাই আহিছিল। ফলশ্ৰুতিত পুনৰ আন এক হৃদয় বিদাৰক হত্যাকাণ্ড সংঘটিত কৰাৰ সুবিধা পালে। বাতৰি প্ৰকাশ পোৱা মতে ধৃত হত্যাকাৰী চুবুৰ আলীৰ ঘৰ বকো ছয়গাঁৱৰ জোৰশিমুলীৰ চৰাঞ্চলত। অৰ্থাৎ হত্যাকাৰী মিঞা মুছলমান সম্প্ৰদায়ৰ। সততে অসমত সংঘটিত হৈ থকা চুৰি, ডকাইতি, হত্যা, ধৰ্ষণ, লুণ্ঠনৰ দৰে ঘটনাত জড়িতসকলৰ সিংহভাগ কিন্তু এই মিঞা জনগোষ্ঠীৰ। কুখ্যাত হত্যাকাৰী চুবুৰ আলী আৰু তাৰ ঘৈণীয়েক আন্না খাতুনক গ্ৰেপ্তাৰৰ প্ৰায় দুদিন পাৰ হৈ গ'ল। বিভিন্ন ক্ষেত্ৰত ইমান দিনে দৃষ্টিগোচৰ হৈ অহা অসমৰ মিঞা জনগোষ্ঠীৰ চেতনাসৰ্বস্ব দল-সংগঠনবোৰ কিন্তু এই পৰ্যন্ত নিমাত হৈ আছে। অসম মিঞা পৰিষদ, সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা আৰু সদৌ অসম সংখ্যালঘু গণ সংগ্ৰাম পৰিষদকে ধৰি সকলোবোৰ মিঞা মুছলমানক লৈ গঠিত দল-সংগঠনবোৰে শোক প্ৰকাশ কৰি হত্যাকাৰীক উপযুক্ত শাস্তি বিহাৰ দাবী উত্থাপন কৰা দূৰৰে কথা, শোকসন্তপ্ত পৰিয়ালবৰ্গ আৰু আঞ্চলিক ৰাইজক সমবেদনা জনাবলৈও সেই দল-সংগঠনৰ নেতৃত্বই আহৰি পোৱা নাই। এয়া সঁচাকৈয়ে নিন্দনীয় আৰু গৰিহণাৰ যোগ্য। অসমত বসবাস কৰা মুছলমানসকল জনগোষ্ঠীয় হিচাপত দুটা ভাগত বিভক্ত। তাৰে এটি হৈছে ত্ৰয়োদশ শতিকাৰ প্ৰায় অষ্টম দশকৰ পৰা অসমত বসবাস কৰি অহা খিলঞ্জীয়া মুছলমানসকল। এইসকলৰ প্ৰায়ভাগে ধৰ্মান্তৰিত। আনটো ভাগ হৈছে ঊনবিংশ শতিকাৰ চল্লিছৰ দশকত অসমত কৃষিকৰ্মত নিয়োগ কৰিবলৈ আমদানি কৰা বাংলাদেশ মূলীয় মিঞা মুছলমানসকল। সেই সময়ৰ পৰা সাম্প্ৰতিক সময়লৈ বাংলাদেশৰ পৰা অসমলৈ প্ৰব্ৰজন ঘটি থকা কাৰ্যই অসমত সৃষ্টি কৰিছে বিদেশী সমস্যাৰ। সেয়া আন এক অধ্যায়। দুয়ো শ্ৰেণী ধৰ্মগতভাৱে একে হ'লেও সভ্যতা আৰু সংস্কৃতিৰ ভিন্নতাৰ বাবে কোনোকালেই এক হ'ব নোৱাৰে। মৌলানা জয়নুদ্দিন আহমেদ কাছিমীৰ হত্যাকাণ্ডই অসমৰ খিলঞ্জীয়া মুছলমানসকলৰ উপৰি আন ধৰ্মাৱলম্বীসকলৰো অন্তৰাত্মাক সাংঘাতিকভাৱে জোকাৰি গৈছে। সততে অপৰাধপ্ৰৱণ এই মিঞা জনগোষ্ঠীৰ প্ৰায়সংখ্যক লোকৰ বাবে সমগ্ৰ মিঞা জনগোষ্ঠীটোৱেই অসমৰ খিলঞ্জীয়াসকলৰ মনত অবিশ্বাসৰ পাত্ৰ হৈ পৰিছে। ওপৰোক্ত দিশবোৰৰ পৰ্যালোচনাৰ অন্তত পুনৰ খিলঞ্জীয়া হিন্দু, মুছলমান আৰু খ্ৰীষ্টান আদি সকলোৱে নিজৰ অস্তিত্ব বৰ্তাই ৰাখিবলৈ এই মিঞা জনগোষ্ঠীৰ ওপৰত কেনে ধৰণৰ মানসিকতা গ্ৰহণ কৰিব লগা হয় সেয়া সময়ে নিশ্চয় দিশ নিৰ্ণয় কৰিব।

মোবাইল নং:-৮৬৩৮৩১২৭০৭

# সাংবাদিকতাৰ নামত বেহায়াপন

■ আনিছুৰ ৰহমান

২০১৪ত নৰেন্দ্ৰ মোদী ক্ষমতাত অহাৰ পিছত তেওঁৰ দল বিজেপি তথা ভাৰতবৰ্ষৰ কেইবাটাও ধনাঢ্য পৰিয়াল, যিসকলে ডাঙৰ ডাঙৰ মিডিয়া হাউছ চলাই আছে, সিহঁতৰ মাজত এক সন্তোষজনক বুজাপৰা তৈয়াৰ হৈছে। তেতিয়াৰ পৰা বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ দেশত সংবাদ মাধ্যমসমূহৰ স্বাধীনতা বিপন্ন হৈছে।

অসমত ২০২১ ত হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈয়ে তেখেতক সদায় কঠোৰ ভাষাৰে সমালোচনা কৰি অহা অসমৰ আগশাৰীৰ মিডিয়া হাউছত উপস্থিত হৈ সেই মিডিয়া গোষ্ঠীৰ স'তে বন্ধুত্বৰ হাত আগুৱাই দিয়ে। যি মিডিয়া গোষ্ঠীৰ মালিকক কংগ্ৰেছত থকা সময়ত এইজন হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যসভাৰ নিৰ্বাচনত পৰাজয় কৰাৰ ক্ষেত্ৰত আগভাগ লৈছিল। তেতিয়াৰ পৰা শৰ্মাৰ লগত এই মিডিয়া হাউছৰ অহি-নকুলৰ দৰে সম্পৰ্ক হৈ পৰিছিল। চতুৰ তথা অধ্যয়নশীল হিমন্ত বিশ্ব শৰ্মাই জানে চৰকাৰ এখন গঢ়া আৰু ভঙাৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকা অতুলনীয়। অসমত বৰ্তমান বিৰোধীৰ ভূমিকা তেনেই দুৰ্বল, তেনেক্ষেত্ৰত সেই দায়িত্ব পালন কৰাৰ কথা আছিল সংবাদ মাধ্যমৰ। গতিকে তেওঁ প্ৰথমে সেই সংবাদগোষ্ঠীক নিজৰ কৰি ল'লে। কাৰণ সিহঁতৰ প্ৰিন্ট আৰু ইলেকট্ৰনিক দুয়োটা হাউছ আছে। লক্ষ্য কৰিলে দেখিব আজিকালি সেই সংবাদগোষ্ঠীয়ে চৰকাৰ তথা মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে আগৰ দৰে সৰৱ হৈ সমালোচনা নকৰে।

অসমৰ আগশাৰীৰ টেলিভিছন চেনেল নিউজ লাইভৰ মালিক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী। যিটো চেনেলে বৰ্তমান বিজেপি দল তথা চৰকাৰৰ অঘোষিত মুখপাত্ৰ হিচাপে কাম কৰি আহিছে। এই চেনেলৰ কিছুমান সাংবাদিকৰ ভূমিকাই সাংবাদিকৰ মান লাঘৱ কৰিছে। যোৱা ত্ৰিশ মে'ত দৌলাশালত নিউজ লাইভৰ সাংবাদিক নন্দন প্ৰতিম শৰ্মা বৰদলৈয়ে এটা লাইভ অনুষ্ঠান কৰে। নন্দনৰ নামটো মনত অহাৰ লগে লগে মোৰ বাংলাদেশৰ লেখক বুদ্ধিজীৱী হুমায়ূন আজাদৰ কথা এষাৰলৈ মনত পৰিল। তেখেতে কৈছিল— 'আগতে ধনী মানুহে আভিজাত্যৰ নিদৰ্শন হিচাপে কুকুৰ পুহিছিল, এতিয়াৰ ধনী মানুহে আভিজাত্যৰ নিদৰ্শন স্বৰূপে দুই-এজন সাংবাদিক পোহে।' কথাষাৰৰ ক'ৰবাত যেন মিল আছে নন্দন প্ৰতিমৰ স'তে। দৌলাশালত আহি যি নাটকীয় ভংগীৰে মানুহক আৱেগিক কৰি সংঘৰ্ষ লগোৱাৰ উচটনি দি গ'ল সেয়া কোনো স্বাধীনচিতীয়া ভাল মনৰ সাংবাদিকে কৰিব নোৱাৰে। পাৰে গোলাম টাইপৰ সাংবাদিকেহে। চৰকাৰী মাটি হওক, সত্ৰ, মন্দিৰ বা মছজিদৰ মাটি দখলকাৰীক কোনোপধ্যেই সমৰ্থন কৰিব নোৱাৰি। চৰকাৰে ইয়াক উচ্ছেদ কৰা কাৰ্যক সদায় সমৰ্থন কৰি আহিছো আৰু সমৰ্থন কৰি যাম। কিন্তু এটা নিউজ চেনেল আহি একপক্ষীয়ভাৱে কিছুমান মানুহক মাতি আনি অন্য এটা সম্প্ৰদায়ক বাংলাদেশী বুলি তুচ্ছ-তাচ্ছিল্য কৰাটো কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। মাজদিয়া-গাদেশালীপাম-গৰৈমাৰী-দৌলাশাল আদি অঞ্চলৰ চৰকাৰী মাটি দখল কৰা মানুহক উচ্ছেদ কৰক চৰকাৰে, তাত কাৰো আপত্তি থাকিব নোৱাৰে। কিন্তু এজন সাংবাদিক হৈ অবৈধ বাংলাদেশীৰ বিৰুদ্ধে আমি জয়ী হৈ হ'ম— এনেধৰণৰ কথা কোৱাটো শোভা নাপায়। নন্দনে পাৰিবনে তাত এজন বাংলাদেশী উলিয়াই দিবলৈ? দম আছিল যদি সেইসকলকো নন্দনে সেই অনুষ্ঠানত মাতি আনি সোধা-পোছা কৰিব লাগিছিল। কথা কোৱাৰ সুযোগ দিব লাগিছিল। সেয়া নকৰি একপক্ষীয়ভাৱে প্ৰলাপ বকি গ'ল।

নন্দনে সাংবাদিকৰ নাম লৈ বিজেপিৰ পক্ষে দালালি কৰি আছে। বিজেপিৰ দৰে তেওঁৰ মূল লক্ষ্য এতিয়া মুছলমান-মুছলমানৰ মাজত সংঘাত লগোৱা। সেয়াও কৰিছে ২০২৪ লোকসভাৰ নিৰ্বাচনৰ পিনে লক্ষ্য ৰাখি। বৰপেটা লোকসভা সমষ্টিৰ পৰা ২০২৪ত বিজেপিৰ নেতা তথা নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা প্ৰাৰ্থী হোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে। আৰু জয়ন্তক জয়ী কৰোৱাৰ বাবে মুছলমানৰ ভোট বিভাজনৰ কাৰণে এইধৰণৰ মুছলমানৰ ভিতৰত সংঘাত সৃষ্টি কৰাৰ কৌশল ৰচিছে। যদি জয়ন্ত মল্ল সঁচাকৈয়ে ২০২৪ত বৰপেটা লোকসভাৰ প্ৰাৰ্থী হয় তেন্তে বিজেপিৰ অঘোষিত মিত্ৰ এআইইউডিএফৰ পৰা সততে বিতৰ্কত থকা এজন কংগ্ৰেছৰ নিলম্বিত বিধায়ক প্ৰাৰ্থী হ'ব। আৰু তেওঁ বিজেপিৰ ধনেৰে নিৰ্বাচনত অৱতীৰ্ণ হ'ব কেৱল মুছলমান ভোট বিভাজন কৰি জয়ন্ত মল্লক সহায় কৰিবলৈ। যিহেতু জয়ন্ত মল্ল হিমন্ত বিশ্ব শৰ্মাৰ খুব ঘনিষ্ঠ সেয়ে নন্দন প্ৰতিমে এতিয়াৰ পৰাই সাংবাদিকৰ ভাও লৈ এতিয়াৰ পৰা কাম আৰম্ভ কৰি দিছে।

ফোন ঃ ৭০০২৯৯৭৩৮

## গভীৰ অধ্যয়ন, কষ্ট আৰু আনন্দৰ মাজতেই আছে সুখৰ সংজ্ঞা

■ ৰিজু খাউণ্ড

বৰ্তমান প্ৰতিযোগিতাৰ যুগ। প্ৰতিটো ক্ষেত্ৰতেই প্ৰতিযোগিতাই ঠাই পায়। গতিকে প্ৰতিযোগিতাৰ লগত দৌৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে শাৰীৰিক-মানসিকভাৱে নিজকে প্ৰস্তুত কৰিব লাগিব। অকল সপোন দেখিলেই নহ'ব। সপোন বাস্তৱত পৰিণত হ'বৰ বাবে চেষ্টা আৰু কষ্ট কৰিব লাগিব। সস্তীয়া মনোভাববিলাক ত্যাগ কৰি সঁচা অৰ্থত মন আত্মনিয়োগ কৰিব পাৰিব লাগিব। সময়ক বিনা কামত অপচয় কৰিলে নহ'ব। সময় গুচি গ'লে কেতিয়াও ঘূৰাই পোৱা নাযায়। দৃষ্টিভংগীবিলাক সদায় ধনাত্মক হোৱাটো ভাল। আত্মগৌৰৱ থাকিব লাগিব। মই কিবা জানো, মই যিকোনো কৰিব পাৰিম বুলি সৎ কামত সদায় আগুৱাই যাব লাগিব। পিছ হুঁহকি আহিলে নহ'ব। সাধাৰণ জীৱন-যাপন আৰু উচ্চ চিন্তাধাৰাক সন্মান জনাব লাগিব। সকলো ছাত্ৰ-ছাত্ৰীৰ মাজতেই যিকোনো প্ৰতিভা এটা লুকাই থাকেই। এই লুকাই থকা প্ৰতিভাবিলাক উলিয়াই অনাৰ দায়িত্ব প্ৰথমে নিজেই ল'ব লাগিব। প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নত গুৰুত্ব দিব লাগিব। ছাত্ৰ-ছাত্ৰী বুলি ক'লে প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয়ৰ লৈকে আৰু যদি তাতোকৈও ওপৰত আছে। কিয়নো শিক্ষাৰ অবিহনে বৰ্তমান সকলোতেই অন্ধকাৰ। আজিৰ যুগত শিক্ষা থাকিবই লাগিব। যদি ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাক গুৰুত্ব নিদি অকল ক্ৰীড়া-সাংস্কৃতিক আদি দিশত অধিক মনোনিৱেশ কৰে তেন্তে সকলো অথলে যাব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে মনত ৰখা ভাল যে অন্যান্য দিশত যিমানেই আগুৱাই গ'লেও কিন্তু যদি শিক্ষা নাথাকে তেন্তে এটা সময়ত থমকি ৰ'বলৈ বাধ্য হ'ব লাগিব। বৰ্তমান সময়ত মেধাৱী ছাত্ৰ-ছাত্ৰীৰ মৰণ নাই। সেই কাৰণে শিক্ষাত সৰ্বাধিক গুৰুত্ব দিলে লাভৱান হোৱা দেখা যায়। অভিভাৱকসকলৰো ছাত্ৰ-ছাত্ৰী আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত যথেষ্ট কৰণীয় আছে। ছাত্ৰ-ছাত্ৰীসকলক অকল মই সকলো যোগাৰ কৰি দিছো বুলি কৈয়েই শান্তি লভিলে নহ'ব। ছাত্ৰ-ছাত্ৰী বা নিজৰ পুত্ৰ-কন্যাৰ গতি-বিধি প্ৰতিটো ক্ষেত্ৰতেই বৰ্তমান লক্ষ্য ৰখাটো দৰকাৰ। বৰ্তমান যন্ত্ৰৰ যুগ। এই যান্ত্ৰিক যুগত ছাত্ৰ-ছাত্ৰীসকলে নিজকে যন্ত্ৰৰ লগত মিলাবলগীয়া হৈছে। যন্ত্ৰৰ ভাল-বেয়া দুয়োটা দিশেই আছে। সেইবাবেই অভিভাৱকসকলে নিজ পুত্ৰ-কন্যাৰ ওপৰত চকু দিয়াটো গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিলে বিপদৰ আশংকাত থাকিব নালাগিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে মনত ৰখা ভাল হ'ব যে আমি সকলোৱে ভাতৰ লগত চবজি, দাইল আদি খাওঁ। এইবিলাকৰ উপৰি কেতিয়াবা আচাৰ আদি খাওঁ। ভাততকৈ চবজি, দাইল, আচাৰ বেছিকৈ খাওঁনে? কেতিয়াও নাখাওঁ। ভাত যিদৰে বেছি খাওঁ ঠিক সেইদৰে পঢ়াখিনিও ভাতৰ দৰে বেছি হ'ব লাগিব। আচাৰ আদি যিদৰে কমকৈ খাওঁ ঠিক সেই ধৰণে খেলা-ধূলাবিলাকো আচাৰৰ দৰে কম হ'ব লাগিব। শাৰীৰিক বিকাশৰ বাবে খেলৰ যিদৰে প্ৰয়োজন আছে, মানসিক বিকাশৰ বাবেও সাংস্কৃতিক দিশটোত গুৰুত্ব দিয়া প্ৰয়োজন আছে। এইদৰে আগবাঢ়ি গ'লে পিছৰ সময়খিনিত দুয়োটা দিশ আগুৱাই নিয়াত সহজ হ'ব। বৰ্তমান দেখা গৈছে যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমে পঢ়াত সৰ্বাধিক গুৰুত্ব দি সাংস্কৃতিক আৰু ক্ৰীড়া ক্ষেত্ৰতো কষ্ট কৰিব পাৰিছে সেইসকলে নিজৰ প্ৰতিভা দেখুৱাবলৈ সক্ষম হোৱাৰ উপৰি নিজৰ ওপৰত থিয় হৈ দেশখনৰ বা ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। যাৰ বাবে সেইসকলে উপযুক্ত সন্মানো লাভ কৰিছে। আমি সকলোৱে জানো, মানৱ জীৱনটো এবাৰেই পোৱা যায়। ঠিক ছাত্ৰ জীৱনটোও এবাৰেই পোৱা যায়। ছাত্ৰ জীৱনটোৱেই হ'ল কষ্ট আৰু আনন্দ কৰাৰ সময়। কষ্ট কৰিলেহে ৰত্ন পায় বুলি এষাৰ কথা আছে। মনত ৰখা ভাল, গভীৰ অধ্যয়ন, সাধনা, কষ্ট আৰু আনন্দৰ মাজতেই সুখৰ সংজ্ঞা বিচাৰি পোৱা যাব।

ম'বাইল ঃ ৭৮৯৬৫৮৯১৯২

# ওৰাঙৰ দুই শিক্ষানুষ্ঠানৰ স্মাৰ্ট ফেন্সিং বাউণ্ডাৰী উদ্বোধন

## ই এম ডঃ নীলুট স্বৰ্গীয়াৰীৰ শিক্ষক-শিক্ষাৰ্থীৰে অন্তৰংগ আলাপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৩১ মে’ ঃ** বিটিএডিৰ ওদালগুৰি জিলাৰ ৪০ নং ৰৌতা পৰিষদীয় সমষ্টিৰ অধীনস্থ গেলাবিল ভিচিডিচিৰ অন্তৰ্গত গেলাবিলত (আওনাজুলিত) ৩০ মে’ ২০২২ তাৰিখে দুই চৰকাৰী শিক্ষানুষ্ঠানৰ নৱ নিৰ্মিত স্মাৰ্ট ফেন্সিং বাউণ্ডাৰী উদ্বোধন কৰি বিদ্যালয় কৰ্তৃপক্ষক অৰ্পণ কৰা হয়। এছঅ’পিডি G(২০২১-২২ বৰ্ষ) আঁচনিৰ অধীনত নিৰ্মিত বিষ্ণু ৰাভা বড়ো মধ্য ইংৰাজী বিদ্যালয়ৰ ২০০ মিটাৰ আৰু গেলাবিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ ২৪৪ মিটাৰ দৈৰ্ঘ্যৰ স্মাৰ্ট ফেন্সিং বাউণ্ডাৰীৰ নামফলকৰ পৰ্দা মুকলি আৰু বিদ্যালয়ৰ পদূলি-দ্বাৰৰ ফিতা কাটি স্মাৰ্ট ফেন্সিং বাউণ্ডাৰী বিদ্যালয় পৰিয়ালক অৰ্পণ কৰে বিটিচিৰ সক্ৰিয় ই এম ডঃ নীলুট স্বৰ্গীয়াৰীয়ে । বিষ্ণু ৰাভা বড়ো মধ্য ইংৰাজী বিদ্যালয়ত এইভাগ কাৰ্য সমাপন কৰি গেলাবিল উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হয়গৈ ই এম গৰাকী । বিদ্যালয়ৰ সমূহ শিক্ষাগুৰু-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, বিদ্যালয় পৰিচালনা উন্নয়ন সমিতি, মাতৃ গোট, সচেতন ৰাইজৰ উৎসাহজনক উপস্থিতিত আয়তীসকলৰ মংগল উৰুলিৰ মাজত ই এম গৰাকীয়ে নামফলকৰ পৰ্দা উন্মোচন কৰাৰ লগতে মুখ্য দ্বাৰৰ ফিতা কাটে । এই অনুষ্ঠানত ই এম ডঃ নীলুট স্বৰ্গীয়াৰীয়ে শৈক্ষিক ক্ষেত্ৰৰ প্ৰতি প্ৰেৰণা ভৰা বক্তব্য ৰাখি কয় যে প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচি চৰকাৰে লক্ষ্যত লোৱা ‘মিছন ৫০’ আঁচনিৰ হেতু প্ৰতি বছৰে বিটিএডি অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ মেডিকেল-ইঞ্জিনিয়াৰিং এণ্ট্ৰেঞ্চ, লাষ্ট চিভিল চাৰ্ভিচ (সম্পূৰ্ণকৰণ) বাবে বিনামূলীয়া ক’চিঙৰ ব্যৱস্থা কৰিছে । ৰাস্তা-ঘাট আমাৰ বাবে গুৰুত্বপূৰ্ণ কিন্তু বিটিএডিত শিক্ষাৰ উন্নতি হোৱাটো অতি বেছি গুৰুত্বপূৰ্ণ । তেওঁ লগতে কয়- পূৰ্বৰ পৰিষদীয় চৰকাৰৰ দৰে প্ৰমোদ বড়ো পৰিষদীয় চৰকাৰে আঁঠুৱা, কম্বলৰ ওপৰত গুৰুত্ব নিদি শিক্ষাৰ ওপৰতহে অধিক গুৰুত্ব দিছে । ডঃ স্বৰ্গীয়াৰীয়ে উপস্থিত সমস্তজনক গুণগত শিক্ষাৰ প্ৰতি বেছি মনোনিৱেশ কৰিবলৈও আহ্বান জনায় । এই মাংগলিক অনুষ্ঠানৰ আপাহতে বিদ্যালয় পৰিয়ালৰ হৈ প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ দেই ফুলাম গামোচা, সহ প্ৰধান শিক্ষক নৱ কুমাৰ নাথে ফুলাম জাপি আৰু বিদ্যালয় পৰিচালনা উন্নয়ন সমিতিৰ সভাপতি গণেশ চন্দ্ৰ শৰ্মাই প্ৰশস্তি পত্ৰৰে ই এম গৰাকীক স্বাগত সম্বৰ্ধনা যাচে । অনুষ্ঠান পৰিচালক শিক্ষক অতুল চন্দ্ৰ নাথে পাঠ কৰে প্ৰশস্তি পত্ৰখনি । অনুষ্ঠানত উপস্থিত থকা গেলাবিল ভিচিডিচিৰ সভাপতি চুৰান দৈমাৰী, ৰৌতা ব্লক ইউ পি পি এলৰ সাধাৰণ সম্পাদক হৰেণ বসুমতাৰী, টি এল চি চিৰ সদস্য নমিতা বৈশ্যকো ফুলাম গামোচাৰে সন্মান যাচে বিদ্যালয় পৰিয়ালৰ হৈ মাতৃগোটৰ সভাপতি বিভা হাজৰিকা, শিক্ষয়িত্ৰীদ্বয় ৰিপামণি শৰ্মা, ৰঞ্জিতা দেৱীয়ে । ইয়াৰ পিছতে ই এম ডঃ নীলুট স্বৰ্গীয়াৰীয়ে ষষ্ঠৰ পৰা দশমলৈ প্ৰতিটো শ্ৰেণীকোঠাতে প্ৰৱেশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মূল্যৱান শৈক্ষিক বিষয়ৰ অন্তৰংগ ভাব বিনিময় কৰাৰ লগতে বহুমূলীয়া উপদেশ আগবঢ়ায়।





## আলোপতিৰ শান্তিপুৰত বিধ্বংসী অগ্নিকাণ্ড

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩১ মে’ ঃ** বাঘবৰ সমষ্টিৰ আলোপতি চৰ থানাৰ অন্তৰ্গত শান্তিপুৰ গাঁৱত সোমবাৰৰ আবেলি এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। জানিব পৰা মতে আলোপতিৰ শান্তিপুৰ গাঁৱৰ অতি দৰিদ্ৰ পৰিয়াল মুছা আলীৰ ঘৰত সংঘটিত হয় এই ভয়ংকৰ অগ্নিকাণ্ড। অগ্নিকাণ্ডৰ ফলত পৰিয়ালটোৰ দুটাকৈ বাসগৃহৰ লগতে গুৰুত্বপূৰ্ণ নথিপত্ৰ, বিভিন্ন সা-সামগ্ৰী, ধান চাউলকে আদি কৰি প্ৰায় লক্ষাধিক টকাৰ সা-সম্পত্তি নিমিষতে জুইত জাহ যায়। ৰন্ধা ঘৰৰ চৌকাৰ পৰাই এই ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হোৱা বুলি পৰিয়ালৰ লোকে জনায়। পিছে ৰাইজে জুইকুৰা নিৰ্বাপণ কৰে যদিও দৰিদ্ৰ পৰিয়ালটোৰ প্ৰায় লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যায়, যাৰ ফলত পৰিয়ালটোৰ মাজত হাহাকাৰৰ সৃষ্টি হয়। শীঘ্ৰে দৰিদ্ৰ পৰিয়ালটিক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ বাবে চৰকাৰ তথা স্থানীয় বিধায়কক আহ্বান জনায় ভুক্তভোগী পৰিয়ালৰ লগতে স্থানীয় ৰাইজে।

## যোগীঘোপাত ভয়ংকৰ অগ্নিকাণ্ডত জাহ গ’ল তিনিটা বাসগৃহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৩১ মে’ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত খেৰপুঁজিত নিশা এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডত লক্ষাধিক টকাৰ ক্ষতিসাধন হোৱাৰ লগতে তিনিটাকৈ বাসগৃহ সম্পূৰ্ণৰূপে জাহ যায়। জানিব পৰা মতে, খেৰপুঁজি গাঁৱৰ ইউছুফ আলীৰ ঘৰ এটাত নিশা প্ৰায় ১০.৩০ বজাত অগ্নিকাণ্ডৰ সূত্ৰপাত হৈ জুয়ে নিমিষতে কাষতে থকা জোচমত আলীৰ বাসগৃহলৈ বিয়পি পৰে। এই জুই ইমানে ভয়াৱহ আছিল যে মুহূৰ্তৰ ভিতৰত জোচমত আলীৰ বাসগৃহ তিনিটা সম্পূৰ্ণৰূপে জ্বলি ভস্মীভূত হয়। লগে লগে পৰিয়ালটোৰ লগতে স্থানীয় লোকৰ মাজত হুৱাদুৱা লাগে। স্থানীয় লোকে জুই নুমুৱাবলৈ অশেষ চেষ্টা কৰে যদিও দাওদাওকৈ জ্বলি থকা জুইত জোচমত আলীৰ তিনিটা বাসগৃহ সম্পূৰ্ণৰূপে জ্বলি ছাই হয় । খবৰ পোৱা মাত্ৰে ঘটনাস্থলীত যোগীঘোপা আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ দুখন বাহন উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডত ধান, দাইল, হাঁহ-কুকুৰা, প্ৰয়োজনীয় নথিপত্ৰ, আচবাবৰ লগতে প্ৰায় ১০ লক্ষাধিক টকাৰ ক্ষতি হয় বুলি জনা গৈছে।

# নলবাৰীত বিশ্ব ধঁপাতবিৰোধী দিৱস পালন




**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৩১ মে’ ঃ** সমগ্ৰ দেশজুৰি ৩১ মে’ৰ দিনটো বিশ্ব ধপাঁত বিৰোধী দিৱস হিচাপে উদ্‌যাপন কৰা হয়। নলবাৰী জিলাও ইয়াৰ ব্যতিক্ৰম নহয় । সেইমৰ্মে আজি নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ চৌহদত উদ্‌যাপন কৰা হয় বিশ্ব ধপাঁত বিৰোধী দিৱস। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ১০ বজাত নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ প্ৰাংগনৰ পৰা ই-ৰিক্সাৰে এক সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। নলবাৰী চহৰত পৰিভ্ৰমণ কৰি এই সজাগতা মূলক শোভাযাত্ৰাটোৰে ধপাঁত সেৱনৰ কাৰণে এজন লোকৰ কি কি বেমাৰ হব পাৰে সেই সন্দৰ্ভত ৰাইজক জনোৱা হয়। আনহাতে এই শোভাযাত্ৰাটো পুনৰ নলবাৰী অসামৰিক চিকিৎসালয় উপস্থিত হোৱাৰ পিছত এখন ৰাজহুৱা সজাগত সভা অনুষ্ঠিত কৰা হয় ।এই ৰাজহুৱা সজাগতা সভাত আমন্ত্ৰিত অতিথি সভাত উপস্থিত ৰাইজক ধপাঁত যে এক মাৰাত্মক ব্যাধি সেই বিষয় সন্দৰ্ভত আলোকপাত কৰে । সজাগতা সভাৰ আগত এক সম্বৰ্ধনা অনুষ্ঠান ও অনুষ্ঠিত কৰা হয় । নলবাৰী ধপাঁত নিয়ন্ত্ৰণ কোষৰ জিলা আচনি বিষয়া তথা মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়া ডা: কৈলাশ ডেকাই আঁত ধৰা অনুষ্ঠানটোত নলবাৰী যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডা: উমেশ ফাংচু, ডা: অৰুণ বৰ্মন, ডা: কামেশ্বৰ লহকৰ সহ ভালেকেইগৰাকী চিকিৎসক, নাৰ্ছ, আশাকৰ্মী, নাৰ্চিং প্ৰশিক্ষণ গ্ৰহণ কৰি থকা শিক্ষাৰ্থীৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। ধপাঁত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত অনুষ্ঠিত আজিৰ এই সজাগতামূলক কাৰ্যসূচীক সচেতন মহলে ভূয়সী প্ৰশংসা কৰে।

## মাজবাটৰ ঐতিহাসিক মহামুনি থানৰ বাৰ্ষিক উৎসৱ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৩১ মে’ ঃ** ওদালগুৰি জিলাৰ মাজবাটৰ মহামুনি থানৰ তিনি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীশ্ৰী মহামুনি থানৰ বাৰ্ষিক উৎসৱটি উদ্‌যাপন সমিতিয়ে ১৩ জুনৰ পৰা ১৫ জুনলৈ বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হব বুলি উদ্‌যাপন সমিতিৰ সভাপতি বিষ্ণু মোছাহাৰীয়ে সাংবাদিকক জানিবলৈ দিয়ে। তিনি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ লগত সংগতি ৰাখি ১৩ জুন ৰাতিপুৱা ১০ বজাত ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰিব নন্দী বৰাই। ভাগৱত শোভাযাত্ৰাত লা-বাৰী, জিংগাবিল, দেৱালখণ্ড, বটাবাৰী, নাৰেংকাটী, খুচুৱাবাৰী, মহলীয়াপাৰা আদি গাঁৱৰ পৰা অহা দিহানামৰ দলে অংশগ্ৰহণ কৰিব। আবেলি ১ বজাত অতিথিশালা উন্মোচন কৰিব ৭০ নং মাজবাট বিধান সভা সমষ্টিৰ বিধায়ক চৰণ বড়োৱে। আমন্ত্ৰিত অতিথি হিচাবে উপস্থিত থাকিব মাজবাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া উৎপল কুমাৰ ডেকা। আবেলি ১:৩০ বজাত নেপালপাৰা গাঁৱৰ নাম প্ৰদৰ্শন। সন্ধিয়া ৫ বজাত গোন্ধ, মাঙ্গলিক সূচনা। নিশা ৮ বজাত ভাওনা প্ৰদৰ্শন কৰিব লা-বাৰী গাঁৱৰ পৰা অহা শিল্পীসকলৰ দ্বাৰা। ১৪ জুন ৰাতিপুৱা ৫ বজাত শ্ৰীমদ্ভাগবত গীতাপাঠ। পাঠ কৰিব ধনেশ্বৰ কলিতাই । ৰাতিপুৱা ৮ বজাত নাম-প্ৰসঙ্গ। দুপৰীয়া ১২ বজাত শ্ৰীশ্ৰী বংশী গোপাল নাগাৰা নাম ৰঙিয়া। আবেলি ৪ বজাত প্ৰসাদ বিতৰণ। সন্ধিয়া ৫ বজাত নাম। নিশা ৮ বজাত লা-বাৰী গাঁৱৰ ভাওনা প্ৰদৰ্শন। ১৫ জুন ৰাতিপুৱা ৫ বজাত ঊষা কীৰ্তন। ৰাতিপুৱা ৯ বজাত ভাগৱত পাঠ। ১১:৩০ বজাত ৰৌতা আঞ্চলিক সমন্বয় মহিলা সকলৰ নাগাৰা নাম প্ৰদৰ্শন কৰা হ’ব বুলি উদ্‌যাপন সমিতিৰ সম্পাদক মঞ্জন বসুমতাৰীয়ে জানিবলৈ দিয়ে।

## কৈঠালকুছিৰ ভাগৱতীপাৰাত অসম দৰ্শন আঁচনিৰ জগন্নাথ মন্দিৰৰ শুভ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩১ মে’ ঃ** পশ্চিম নলবাৰী অঞ্চলৰ কৈঠালকুছিৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নলবাৰীৰ কৈঠালকুছিৰ ভাগৱতী পাৰাত কালি নৱ-নিৰ্মিত জগন্নাথ মন্দিৰৰ শুভ উদ্বোধনী সভা অনুষ্ঠিত হয়। সমাজকৰ্মী যোগেশ চন্দ্ৰ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে তথ্য আৰু জনসংযোগ বিভাগৰ অৱসৰ প্ৰাপ্ত কৰ্মচাৰী শৈলেন ভাগৱতীয়ে। পৱিত্ৰ হৰিদেৱ তিথিৰ লগত সংগতি ৰাখি অনুষ্ঠিত সভাত ৩৫ নং পশ্চিম গাওঁ পঞ্চায়তৰ সভাপতি সুভাষ বৰ্মনে সাৰুৱা ভাষন ৰাখে। সভাত মন্দিৰ শুভ উদ্বোধন কৰি উত্তৰ ধৰ্মপুৰ নতুন দেহৰ জিলা পৰিষদৰ সদস্য ভাস্কৰ শৰ্মাই আধ্যাত্মিক ভাষণ ৰাখে। ৩৫ নং পশ্চিম ধৰ্মপুৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা ৰূপশ্ৰী মিশ্ৰ দাসে নৱ-নিৰ্মিত মন্দিৰ সম্পৰ্কে বক্তব্য আগবঢ়োৱা সভাত উক্ত পঞ্চায়তৰ সদস্য মদন বৰ্মনকে ধৰি বহু লোক উপস্থিত থাকে।



## নৱগঠিত ছিপাঝাৰ পৌৰসভাৰ অস্থায়ী কাৰ্যালয় ভৱনৰ শুভ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৩১ মে’ ঃ** দৰঙৰ নৱ গঠিত ছিপাঝাৰ পৌৰসভাৰ অস্থায়ী কাৰ্যালয় গৃহৰ কাইলৈ ১ জুনত ১০ নং ৱাৰ্ডৰ ঐতিহ্যমণ্ডিত বলদেৱ পুখুৰীৰ দক্ষিণ পাৰত থকা অধুনালুপ্ত নায়কপাৰা মধ্য ইংৰাজী বিদ্যালয় ভৱনতে অস্থায়ী ভাৱে আনুষ্ঠানিক ভাবে মুকলি কৰা হ’ব। পুৱা ৯ বজাত প্ৰৱেশ দ্বাৰ উন্মোচন কৰিব ছিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী, ৯-৩০ বজাত মাংগলিক কাৰ্য সম্পাদন কৰিব দণ্ড শৰ্মাই, ১০ বজাত বন্তি প্ৰজ্বলন কৰিব ছিপাঝাৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নীলকান্ত চহৰীয়াই, ১০-১৫ বজাত গছপুলি ৰোপণ। ছিপাঝাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কমলজিৎ শৰ্মা মুখ্য ৰোপক হিচাপে উপস্থিত থাকিব লগীয়া অনুষ্ঠানত ৰোপক হিচাপে কে’বাগৰাকী বিশিষ্ট ব্যক্তিয়ে ৰোপণ কৰিব। ১১ বজাত কাৰ্যালয়ৰ দ্বাৰ উন্মোচন কৰিব মঙলদৈৰ সাংসদ দিলীপ কুমাৰ শইকীয়াই। ১২ -৩০ বজাত মুকলি সভা। অৱসৰ প্ৰাপ্ত অধ্যক্ষ ৰজনীকান্ত নাথৰ সভাপতিত্বত অনুষ্ঠিত হ’বলগীয়া সভাত আমন্ত্ৰিত অতিথি হিচাপে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী,ৰাজ্য সভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য,দৰঙৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, দৰং জিলা বিজেপিৰ সভাপতি অমৰেন্দ্ৰ শৰ্মা দৰং জিলা অগপৰ সভাপতি কমলেশ্বৰ বৰুৱা উপস্থিত থাকিব। অনুষ্ঠানে ছিপাঝাৰ পৌৰসভাৰ প্ৰতীক চিহ্ন উন্মোচন কৰিব শিল্পী অতুল কলিতাই।

# টীয়কত সংস্থাপন-কেৰিয়াৰ পৰামৰ্শদান কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩১ মে’ ঃ** চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ কেৰিয়াৰ পৰামৰ্শদান কোষ আৰু ব্যক্তিত্ব বিকাশ আৰু সংস্থাপন কোষৰ যৌথ উদ্যোগত আৰু বিদ্যায়তনিক দক্ষতা বিকাশ প্ৰতিষ্ঠান আই চি এ এডু স্কিল প্ৰাইভেট লিমিটেডৰ যোৰহাট কেন্দ্ৰৰ সহযোগত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী ভৱনত এখন ‘সংস্থাপন আৰু কেৰিয়াৰ পৰামৰ্শদান কৰ্মশালা’ অনুষ্ঠিত হয়। কেৰিয়াৰ পৰামৰ্শদান কোষৰ সঞ্চালক ডঃ দীপক কুমাৰ শৰ্মাই আঁত ধৰা কৰ্মশালাখন উদ্বোধন কৰে আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ডঃ বিনয়ব্ৰত ৰাজখোৱাই। শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত সম্পন্ন হোৱা কৰ্মশালাখনৰ সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে আই চি এ এডু স্কিল প্ৰাইভেট লিমিটেডৰ যোৰহাট কেন্দ্ৰৰ সঞ্চালক তথা জনপ্ৰিয় মটিভেশ্যনেল বক্তা অৰূপ ভট্টাচাৰ্যই। দৃশ্য-শ্ৰব্য মাধ্যমেৰে অৰূপ ভট্টাচাৰ্যই ছাত্ৰ-ছাত্ৰীসকলক সাম্প্ৰতিক সময়ৰ সম্ভাৱনাময় কেৰিয়াৰ তথা সংস্থাপনৰ ক্ষেত্ৰখন সম্পৰ্কে মাৰ্গদৰ্শন কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষণীয়ভাৱে কেৰিয়াৰ জগতখনত সফলতা অৰ্জনৰ প্ৰায়োগিক তথা ব্যৱহাৰিক কৌশলৰ জ্ঞান প্ৰদান কৰে। দক্ষতা অবিহনে যে সাম্প্ৰতিক সময়ত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰি সেই বিষয়েও ভট্টাচাৰ্যই বিভিন্ন উদাহৰণসহ বক্তব্য আগবঢ়ায়। তেওঁ কয় যে যিজন দক্ষ সেইজনে সংস্থাপন লাভ কৰাটো নিশ্চিত। সেয়ে নিজ নিজ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে দক্ষতা আয়ত্ত কৰা উচিত। বক্তাগৰাকীয়ে আই চি এছ প্ৰতিষ্ঠানে বিগত তেইশ বছৰে ভাৰতৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন পাঠ্যক্ৰমৰ জৰিয়তে দক্ষতা বিকাশ আৰু সংস্থাপন প্ৰদান কৰি অহাৰ বিষয়েও খতিয়ান দাঙি ধৰে। সংস্থাপন দিয়াৰ ক্ষেত্ৰত আই চি এ ভাৰতৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান বুলি ভট্টাচাৰ্যই উল্লেখ কৰে। কৰ্মশালাখনত অৰ্থনীতি বিভাগৰ মুৰব্বী ৰবীন শইকীয়া, বাণিজ্য বিভাগৰ সহকাৰী অধ্যাপক গীতা শৰ্মা, ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ডঃ জোনটি বৰুৱা, ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক তথা ব্যক্তিত্ব বিকাশ আৰু সংস্থাপন কোষৰ যুটীয়া সমন্বয়ক ডঃ গৌতম দাস, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক তথা ব্যক্তিত্ব বিকাশ আৰু সংস্থাপন কোষৰ যুটীয়া সমন্বয়ক ডঃ জয়ন্ত পাঠক আৰু ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক মাৰ্টিন ইয়ুৱা উপস্থিত থাকে।




## নলবাৰীত কবি প্ৰণৱ কুমাৰ বৰ্মনৰ জন্মদিন পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩১ মে’ ঃ** ‘মানুহক ভাল পায় বাবেই কবিয়ে মানুহৰ জীৱনক নীৰৱে উপলব্ধি কৰে’ -এই মন্তব্য লেখক ডঃ সুশান্ত কুমাৰ কাশ্যপৰ ।নলবাৰীৰ পোৱাকুছিস্থিত চিফুং দ্যা আৰ্টিষ্টৰ বাকৰিত দেওবাৰে সন্ধিয়া উদ্‌যাপন কৰা জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনৰ ৪৪ সংখ্যক জন্মদিনত উপস্থিত থাকি লেখক তথা কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয় আৰু পুৰাতন অধ্যয়নৰ পৰীক্ষা নিয়ন্ত্ৰক ডঃ কাশ্যপে কয়- কবি সকলৰ হৃদয় শিশুৰ দৰে কোমল । সমাজত কবিৰ শত্ৰু নাই । কবি সকলক সমাজৰ সকলো মানুহে ভাল পায় । কবিয়ে সমাজ তথা মানুহৰ কথাই চিন্তা কৰি থাকে বুলি কৈ নৱ-প্ৰজন্মৰ জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনক জন্ম দিনৰ শুভেচ্ছা জ্ঞাপন কৰে । পূব নলবাৰী যুৱ সমাজৰ উদ্যোগত অনুষ্ঠিত কৰা আৰু সাংস্কৃতিক কৰ্মী ভবেশ কলিতাই আঁঞ্জত ধৰা অনুষ্ঠানটিত ভাস্কৰ্য শিল্পী ৰাতুল দাসে নিজ হাতেৰে কাঠত কবিগৰাকীৰ প্ৰতিকৃতি নিৰ্মান কৰি কবি প্ৰণৱ কুমাৰ বৰ্মনৰ হাতত আনুষ্ঠানিক ভাৱে প্ৰদান কৰি শুভেচ্ছা জনায় । সন্ধা গাঁৱৰ ( কমাৰতোলা) খগেন দাস আৰু প্ৰমীলা দাসৰ পুত্ৰ তথা পাইকাৰকুছি চ’কত শাক-পাচলীৰ ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰি থকা ভাস্কৰ্য শিল্পী ৰাতুল দাসক কবিগৰাকীয়ে ধন্যবাদ জ্ঞাপন কৰে । কণ্ঠ শিল্পী নন্দকিশোৰ ভূঞাই গীত পৰিৱেশন কৰাৰ লগতে কেবাটাও কবিতা পাঠ কৰি পৰিৱেশ জীপাল কৰি তোলে । এই অনুষ্ঠানটিতে লোকশিল্পী পংকজ কুমাৰ কলিতাই কবি প্ৰণৱ কুমাৰ বৰ্মনৰ কবিতা আৰু জনপ্ৰিয়তাৰ ওপৰত বক্তব্য প্ৰদান কৰে । যুৱকৰ্মী মালঞ্চ কলিতাই জন্ম দিনৰ শুভেচ্ছা জ্ঞাপন কৰি কবি গৰাকী আৰু নতুন নতুন কবিতা সৃষ্টি কৰিবলৈ আহ্বান জনায় । সমাজকৰ্মী যোগেন কলিতা, ডিম্বেশ্বৰ বেজবেৰুৱা আৰু ভাস্কৰ তালুকদাৰেও ওপজা দিনৰ ওলগ জনায় আৰু আগন্তুক দিনত কবি প্ৰণৱ কুমাৰ বৰ্মনৰ পৰা ভাল ভাল কবিতা পাঠক সমাজে লাভ কৰিব বুলি আশা কৰে । যুৱকৰ্মী হিতেশ ডেকা, ৰমেন ডেকা, ধৰ্মেন্দ্ৰ ৰয়, হিতেশ বৰ্মন, সাংবাদিক শ্বাহ আলম আহমেদ, কবি প্ৰণৱ কুমাৰ বৰ্মনৰ পত্নী পৰী শৰণীয়াকে ধৰি ভালেমান শুভাকাংক্ষীয়ে কবিগৰাকীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে।



## পাকাবেতবাৰীত পানীত পৰি ২ বছৰীয়া শিশুৰ মৃত্যু


**দৈনন্দিন বাৰ্তাৰ সেৱা, পাকাবেতবাৰী, ভক্তৰডোবা, ৩১ মে’ ঃ** বৰপেটা জিলাৰ ৪৬ নং সৰুক্ষেত্ৰী বিধানসভা সমষ্টি তথা বৰপেটা আৰক্ষী থানাৰ অন্তৰ্গত পাকাবেতবাৰী গাঁও নিবাসী জেহেৰুল ইছলামৰ ২ বছৰীয়া শিশু কন্যা ছুমাইয়া পাৰবিন কালি আবেলি ঘৰৰ কাষত থকা এখন দ পুখুৰীত পৰি সলিল সমাধি ঘটে। জানিব পৰা মতে দৰিদ্ৰ পৰিয়ালটোৱে আবেলি পৰলৈকে শিশু কন্যাটোক ঘৰত বিচাৰ-খোঁচাৰ কৰি অৱশেষত ঘৰৰ কাষতে থকা পুখুৰীত ওপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰে। পিছে পৰিয়ালৰ লোকে ততাতৈয়াকৈ বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ল-চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে শিশুটিৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে । উল্লেখ্য যে, শিশুটোৱে খেলি থকা সময়ত পৰিয়ালটোৰ অজ্ঞাতে পুখুৰীত পৰি মৃত্যু হয় বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে। সম্প্ৰতি এই ঘটনাই বৃহত্তৰ পাকাবেতবাৰী অঞ্চলত এক শোকৰ ছাঁ বিৰাজ কৰা পৰিলক্ষিত হয়।

## চৰাইবাহী মহাবিদ্যালয়ত ৰক্তদান শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩১ মে’ ঃ** ৰক্তদান জীৱন দান । এই মহান উদ্দেশ্য আগত ৰাখি আজি মৰিগাঁও জিলাৰ বৃহত্তৰ চৰাইবাহী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান চৰাইবাহী মহাবিদ্যালয়ত এটি ৰক্তদান শিবিৰ অনুষ্ঠিত হয় । মহাবিদ্যালৰ National Service Scheme Cell ৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষ আৰু মৰিগাঁও জিলা শ্বহীদ তিলক, হেমৰাম, গুণাভিৰাম অসামৰিক চিকিৎসালয়ৰ সহযোগত চৰাইবাহী মহাবিদ্যালয়ৰ প্ৰাঙ্গণত অনুষ্ঠিত হোৱা ৰক্তদান শিবিৰটি শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমল চন্দ্ৰ নাথে । মৰিগাঁও শ্বহীদ তিলক, হেমৰাম, গুণাভিৰাম অসামৰিক চিকিৎসালয়ত ৫ গৰাকী চিকিৎসা কৰ্মীৰ উপস্থিতিত অনুষ্ঠিত হোৱা ৰক্তদান শিবিৰটিত চৰাইবাহী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু অঞ্চলটোৰ ১৪ গৰাকী ব্যক্তিয়ে ৰক্ত দান কৰে।




# ১২ জুনত নিৰঞ্জন বৰাৰ কাব্যগ্ৰন্থ ‘তেজস্বী অনুৰাগ’ উন্মোচনী সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৩১ মে’ ঃ** অহা ১২ জুন, ২০২২ তাৰিখ ৰবিবাৰে দিনৰ ১০-০০ বজাত ওদালগুৰি জিলাৰ ৰৌতা চাৰিআলিৰ ৰৌতা স্পোৰ্টচ ক্লাবত নিৰঞ্জন বৰাৰ এখনি স্বৰচিত তৃতীয়খন কাব্যগ্ৰন্থ ‘তেজস্বী অনুৰাগ’ উন্মোচন কৰা হ’ব। কবিতা কেৱল শব্দৰ সমাহাৰেই নহয়, কবিতাৰ প্ৰাণ আছে। কবিতা কবিৰ হৃদয় নিহিত ভাবৰ ছন্দোবদ্ধ শিল্প, ধ্বনি সুষমাৰ সৈতে ভাবৰ সমন্বিত, জীৱনৰ বৈচিত্ৰ্যময় জটিলতা, হৃদয় ভাবানুভূতিৰ কল্পনা মণ্ডিত ছন্দ লহৰৰ অভিব্যক্তি, কলাত্মক আৱেগ অনুভূতি উপলব্ধ চিন্তাৰ সংক্ষিপ্ত ৰূপ। কবিতা কবিৰ উপমা চিত্ৰকল্পৰ আন্দোলিত স্পন্দন, কবি হৃদয়ৰ ভাবৰ বহিৰ্প্ৰকাশ, আপোনা-আপুনি উপচি পাৰ বাগৰি যোৱা আৱেগৰ ধল, নীলাত সোঁৱৰা হিয়াৰ আৱেগ। এনে এক সন্ধিক্ষণৰ মাজেৰেই কবি নিৰঞ্জন বৰাৰ প্ৰথম কাব্যগ্ৰন্থ ‘সুগ্ৰাহিতা’, দ্বিতীয় কাব্যগ্ৰন্থ ‘শতেক ফুলৰ সুবাস’ ইতিমধ্যে প্ৰকাশ পাই সাহিত্যানুৰাগী পাঠক সমাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। সাহিত্য সাধনা মঞ্চ অসমৰ উদ্যোগত প্ৰকাশ কৰি উলিওৱা এই খন নিৰঞ্জন বৰাৰ তৃতীয় খন কাব্যগ্ৰন্থ। আনহাতে ‘সদৌ অসম কেওট সন্মিলন’ৰ উদ্যোগত তেখেতৰ চতুৰ্থ খন কাব্যগ্ৰন্থ প্ৰকাশৰ পথত আগবাঢ়ি আছে। ইয়াৰ লগতে নিৰঞ্জন বৰাৰ ‘প্ৰবন্ধ সংকলন’, ‘গল্প সংকলন’ আৰু কেইবাখনো গ্ৰন্থৰ প্ৰকাশনৰ কাম চলি আছে। আনহাতে তেওঁৰ লিখনি গল্প কবিতা প্ৰবন্ধ আদি বহু দিন আগৰে পৰাই বিভিন্ন আলোচনীত প্ৰকাশ পাই আহিছে আৰু বৰ্তমানেও প্ৰকাশ হৈ আছে। শিক্ষকতাৰ দৰে এক পবিত্ৰ বৃত্তিত জড়িত হোৱাৰ লগতে নিৰঞ্জন বৰা সাহিত্য সংস্কৃতিৰ সেউজ পথাৰ খনিৰ উত্তৰণত ওতপ্ৰোত ভাবে জড়িত ।অসম সাহিত্য সভা পাঠকপুৰ শতদল সাহিত্য সভা, সাহিত্য সংস্কৃতি সাধনা মঞ্চ অসম, সাংস্কৃতিক মহাসভা অসম - মাজবাট আঞ্চলিক সমিতিৰ সম্পাদক, অসম বিহু সুৰক্ষা সমিতি - ওদালগুৰি জিলাৰ সাংগঠনিক সম্পাদক, অসম বিহু সুৰক্ষা সমিতি - ওদালগুৰি জিলা বিদ্যায়তনিক সহঃনিৰীক্ষক, সাহিত্য সাধনা মঞ্চ অসমৰ সহকাৰী সম্পাদক, সদৌ অসম কেওট সন্মিলনৰ ৰাজ্যিক সমিতিৰ উপ সভাপতি হিচাপে বহু দিন ধৰি বৰ্তমানলৈ কাৰ্যনিৰ্বাহ কৰি থকাৰ লগতে ওদালগুৰি জিলা সাহিত্য সভাৰ সৈতে জড়িত হৈ সাহিত্যৰ কামত ব্যস্ত হৈ আছে । দলিতজনৰ বন্ধু তথা মানৱ দৰদী, জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলোকে আপোন কৰিব পৰা বৰাই লামাবাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্ব সুন্দৰভাৱে পালন কৰাৰ উপৰি বন্ধ দিন আৰু আহৰি সময় অপচয় নকৰি সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ প্ৰচেষ্টাত সময়ৰ স’তে ফেৰ মাৰি মনোনিৱেশ কৰি আহিছে। বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান, সাহিত্য, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান, সভা-সমিতি আদিৰ সৈতে সৰুৰে পৰাই তেওঁ জড়িত হৈ আপোন গাঁওখনৰ লগতে বিভিন্ন প্ৰান্তত বৰঙনি যোগাই আহিছে। নিৰঞ্জন বৰাৰ তৃতীয়খন কাব্যগ্ৰন্থ ‘তেজস্বী অনুৰাগ’ উন্মোচনীত সাহিত্য অনুৰাগী পাঠক ৰাইজৰ পৰা তেওঁ শুভাশীষ বিচাৰিছে। তেখেতৰ সাহিত্য-সংস্কৃতি জীৱনৰ সেউজ ভৱিষ্যত আমাৰ সকলোৰে কাম্য।

# ধুবুৰীত ভাৰ্চুৱেল মাধ্যমেৰে ‘গৰীব কল্যাণ সন্মিলন’ত অংশগ্ৰহণ হিতাধিকাৰীৰ

## ■প্ৰধানমন্ত্ৰীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ ধুবুৰীৰ হিতাধিকাৰীৰ

## ■ উপস্থিত থাকে সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩১ মে’ ঃ** আজাদী কা অমৃত মহোৎসৱ উপলক্ষে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিমলাৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ সুবিধা লাভ কৰা দেশৰ বিভিন্ন স্থানৰ হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰা, তেওঁলোকক উদ্দেশ্যি ভাষণ প্ৰদান আৰু আনুষ্ঠানিকভাৱে কৃষক সন্মান নিধিৰ একাদশ কিস্তি মোকলাই দিয়াৰ অনুষ্ঠান ‘গৰীব কল্যাণ সন্মিলন’ত ভাৰ্চুৱেল মাধ্যমেৰে ধুবুৰী জিলা পুথিভঁড়াল প্ৰেক্ষাগৃহত পাঁচ শতাধিক হিতাধিকাৰীয়ে অংশগ্ৰহণ কৰে। ধুবুৰী জিলা প্ৰশাসনে দেশৰ আন জিলা সমূহৰ দৰে প্ৰধানমন্ত্ৰীৰ মত বিনিময় অনুষ্ঠান অনলাইনযোগে পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰে। প্ৰধান মন্ত্ৰী আৱাস যোজনা, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, জলজীৱন মিছন, প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আদি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ হিতাধিকাৰী ৰাইজে প্ৰধানমন্ত্ৰীৰ ভাষণ মনোযোগেৰে শুনে আৰু অনায়াসে আঁচনিসমূহৰ সুবিধা পোৱা বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণ আৰম্ভ হোৱাৰ পূৰ্বে পুৱা ৯.৩০ বজাত ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, ধুবুৰী জিলা উপায়ুক্ত অন্বামুথন এম পি, ধুবুৰী পৌৰসভাৰ সভাপতি ডাঃ দেৱময় সান্যাল, প্ৰাক্তন বিধায়ক অশোক কুমাৰ সিংহী, জিলা উন্নয়ণ আয়ুক্ত কান্তা দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিশ্বজিৎ গোস্বামী প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এক চমু অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাই কয় যে পূৰ্বতে আৱাস যোজনা, বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন সকলোতে মধ্যভোগী আছিল আৰু হিতাধিকাৰীৰ অধিকাংশ ধন হৰলুকী হৈছিল। কিন্তু কেন্দ্ৰত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰ গঠন হোৱাৰ পিছৰে পৰা পৰিস্থিতিৰ সলনি হ’ল। এতিয়া হিতাধিকাৰীৰ একাউন্টত পোনপটীয়াকৈ ধন সোমায়, কোনো মধ্যভোগী নাথাকে। তেওঁ কোভিড সংকটৰ সময়ত ৰাইজক সকাহ দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে লোৱা বলিষ্ঠ পদক্ষেপৰ প্ৰসংগ উল্লেখ কৰে। তেওঁ কয়,‘কোভিড আৰম্ভ হোৱাৰ সময়ত আমাৰ পিপিই কিটৰ অভাৱ হৈছিল। কিন্তু সময়ৰ লগে লগে মোদী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্ব আৰু দূৰদৰ্শিতাৰ বাবে আজি ভাৰত পিপিই কিট উৎপাদনত বিশ্বৰ আগশাৰীৰ দেশ হৈ পৰিল। আজি বিশ্বৰ বহু দেশ কোভিড ভেকচিনৰ বাবে ভাৰতৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে।’ যোগ দিৱসৰ জৰিয়তে ভাৰতীয় সংস্কৃতিৰ বৈভৱ যোগক বিশ্বৰ দেশে দেশে জনপ্ৰিয় কৰি তোলাকে ধৰি বিশ্বত ভাৰতৰ বৃদ্ধি পোৱা প্ৰভাৱৰ কথাও সাংসদগৰাকীয়ে উল্লেখ কৰে। জিলা উপায়ুক্তই আদৰণি ভাষণ দিয়া অনুষ্ঠান অন্ত পৰাৰ লগে লগে আৰু প্ৰধানমন্ত্ৰীৰ মত বিনিময় অনুষ্ঠান আৰম্ভ হোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকা অনুষ্ঠান আৰু তেখেতৰ ভাষণ জিলা পুথিভঁড়াল প্ৰেক্ষাগৃহত উপস্থিত থকা ৰাইজক পোনপটীয়াকৈ দেখুওৱা হয়।



# ভেৰগাঁৱত শিল্পী বিপুল ৰাভাৰ সংবাদমেল সম্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা,খৈৰাবাৰী, ৩১ মে’ঃ** মহে তেজ শুহিলে অনুমান পোৱা যায়, কিন্তু জোকে মানুহক ধৰিলে তেতিয়ালৈ গম পোৱা নাযায় যেতিয়ালৈ তেজ খোৱা সম্পূৰ্ণ নহয়।! অনুগ্ৰহ কৰি মোক বোকা ছটিয়া ৰাজনৈতিক লৈ টানি নানিব, মই এজন শিল্পী। মোক শিল্পী হিচাপে থাকিবলৈ দিয়ক আৰু মোক গোৱালপাৰাৰ পৰা বিটিচিত ভাৰা কৰি অনা নাই, মই বিটিচিৰে নিৱাসী, মোৰ ঘৰ ওদালগুৰি জিলাৰ ভেৰগাঁৱত। —অভিনেতা ৰাভাই আজি ভেৰগাঁৱত সংবাদ মেল যোগে বিটিচি Em ৰঞ্জীত বসুমতাৰীক প্ৰতুত্তৰ দিয়ে। উল্লেখ্য যে বিটিচি কল্লাবাৰী পৰিষদীয় সমষ্টিৰ উপনিৰ্বাচনত বিপিএফৰ নিৰ্বাচনী প্ৰচাৰত আমন্ত্ৰণ মৰ্মে কৌতুক অভিনয় কৰিবলৈ যোৱাৰ পিছতে শিল্পীগৰাকীৰ লাগিল কেণা। যাৰ বাবে শিল্পী গৰাকীক তীব্ৰ সমালোচনা কৰে ইউপিপিএলৰ নেতা বিটিচি কাৰ্যবাহী সদস্য ৰঞ্জীত বসুমতাৰীয়ে। লগতে শিল্পীগৰাকীক বিটিচি গৰাকীয়ে ম’হৰ লগত তুলনা কৰি বিপিএফৰ তেজ শুহি খাই শেষ কৰিলে বুলি কোৱাৰ লগতে বিপুল ৰাভাক গোৱালপাৰাৰ পৰা ভাৰা কৰি আনিছে, বিটিচিৰ বাসিন্দা নহয়। লগতে অভিনেতা ৰাভাই বিপিএফ শেষ কৰি এতিয়া ইউপিপিএলৰ নেতা বিটিচি প্ৰধান প্ৰমোদ বড়োৰ ওচৰত আত্মসমৰ্পণ কৰিব খুজিছে বুলি সংবাদ মাধ্যমত সমালোচনা কৰা কথাত আজি শিল্পীগৰাকীয়ে সংবাদমেল যোগে দুখ প্ৰকাশ কৰি উক্ত ভাষ্য সংবাদ মাধ্যমৰ আগত ৰাখে। আৰু কয় যে কোনে কাক ভোট দিব লগে সেয়া ৰাইজে জানিব, নিজৰ বিবেক আছে। মই কল্লাবাৰীত বিপিএফক ভোট দিব লাগে বুলি ক’ব যোৱা নাছিলো। মই কোনো এটা ৰাজনৈতিক দলত জড়িত নাই, মোক শিল্পী হিচাপে যোনে য’তে মাতে মই তাত উপস্থিত হ’ম। মই শিল্পী মই, মোক শিল্পী হিচাপে থাকিবলৈ দিয়ক, মোক ৰাজনৈতিক প্ৰেক্ষাপটত টানি নানিব। —কৌতুক শিল্পী বিপুল ৰাভাই সংবাদ মাধ্যম যোগে আহ্বান জনায়।



# কুমুদ ডেকাৰ তিনিখন গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩১ মে’ ঃ** যোৱা ২৯ মে’ত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, পদ্মশ্ৰী লুইত প্ৰাণ ৰংবং তেৰাঙে এটি সাহিত্য অনুষ্ঠানত লেখক, কবি, সাংবাদিক কুমুদ চন্দ্ৰ ডেকাৰ তিনিখন গ্ৰন্থ উন্মোচন কৰে। গীতৰ পুথি ‘একখনেই আমাৰ চোতাল’, কাব্যগ্ৰন্থ ‘মণিট মণিট আফনলে’ আৰু প্ৰবন্ধ সংকলন ‘বৰাইলৰ পৰা বৰলুইতলৈ’ নামৰ তিনিখন গ্ৰন্থ উন্মোচন কৰাৰ লগতে ডেকাৰ অন্য এখন গ্ৰন্থ দ্বিতীয় সংস্কৰণ ‘ডিমাছা ডিমাফিছা’ উন্মোচন কৰে। উন্মোচন কৰি দিয়া ভাষণ প্ৰসংগত তেৰাঙে কয় যে কুমুদ চন্দ্ৰ ডেকাই ছাত্ৰাৱস্থাৰ পৰাই চাকৰি জীৱন তথা অৱসৰৰ পিছতো সমান্তৰালকৈ সাহিত্য-সংবাদৰো চৰ্চা কৰি আহিছে। গীত আৰু কবিতাও লিখিছে। পাহাৰ-ভৈয়ামৰ জাতি-জনজাতিক একত্ৰিত কৰাৰ একান্ত প্ৰয়াস ডেকাৰ লিখনিত মূৰ্তমান। পাহাৰৰ প্ৰতিটো প্ৰান্ততে নিমজ্জিত হৈ থাকে জুৰিৰ দৰে গীত আৰু কবিতাৰ অনবদ্য সুৰধ্বনি। ডেকাৰ স্বৰচিত ‘পাহাৰে-ভৈয়ামে’ নামৰ সমৱেত সংগীতটি সুন্দৰ হৈছে। চিডিও ওলাইছে আৰু গীতটো মই ৰেডিঅ’ত শুনিছো। একেখন চোতালে আমাৰ সকলোৰে ঘৰ। ইয়াতেই বিভিন্ন জনগোষ্ঠী, ধৰ্মাৱলম্বী মিলি বসবাস কৰি আছো। আগৰ বৰ অসমৰ পিছৰ এই ক্ষুদ্ৰ অসমখন আমি এক কৰি ৰাখিবই লাগিব। ডেকাই ডিফুৰ পৰা ‘আংতং’ নামৰ এখন সমন্বয় সাধন আলোচনী উলিয়াই আছে। ময়ো জড়িত হৈ আছো। ইতিমধ্যে আলোচনীখনে ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। আজি উন্মোচন কৰা তিনিওখন গ্ৰন্থই নিশ্চয় পঢ়ুৱৈ ৰাইজৰ সমাদৰ লাভ কৰিব। এই অনুষ্ঠানত সাংবাদিক নৰেন হাজৰিকা, সাংবাদিক হীৰেন মেধি, কনক বড়ো প্ৰমুখ্যে সাংবাদিকসকলে গ্ৰন্থকেইখনৰ ওপৰত মন্তব্য প্ৰকাশ কৰি কয় যে এই গ্ৰন্থকেইখনে পাহাৰ-ভৈয়াম, জাতি-জনজাতিৰ মাজত যথেষ্ট অৰিহণা যোগাবলৈ সমৰ্থ হ’ব।

## ■ ঘগ্ৰাপাৰত অটল অমৃত অভিযান ■

# দুখীয়া ৰাইজৰ সুবিধাৰ্থে চাৰি স্থানত কেন্দ্ৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩১ মে’ ঃ** নলবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা উদ্যোগত তথা বড়িগোগ বনভাগ মণ্ডলৰ স্বাস্থ্য স্বয়ংসেৱক কোষৰ সৌজন্যত ভাৰতীয় জনতা পাৰ্টী বড়িগোগ বনভাগ মণ্ডলৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাৰ নিৰ্দেশ মৰ্মে কালি ১১ নং দেহাৰকুছি পঞ্চায়ত, ১২নং দতৰা গাঁও পঞ্চায়ত, ১৩ নং ঘগ্ৰাপৰ গাঁও পঞ্চায়ত আৰু ১৪ নং পূৱ-বনভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত যি সকল ব্যক্তিৰ ‘অটল অমৃত কাৰ্ড’ আজি পৰ্যন্ত বনোৱা হোৱা নাই সেইসকলক দুখীয়া ৰাইজৰ বাবে ‘অটল অমৃত কাৰ্ড’ বনোৱাৰ ব্যৱস্থা কৰা হয়। এই উপলক্ষে ঘগ্ৰাপাৰৰ কেন্দ্ৰটোত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই উপস্থিত থাকি ভাষণ প্ৰংসগাত কয় যে এই অটল অমৃত কাৰ্ডখনৰ দ্বাৰা কেইবাটাও বেমাৰৰ চিকিৎসা কৰিব পাৰিব বুলি উল্লেখ কৰি চৰকাৰে দুখীয়া ৰাইজৰ বাবে আৰু কেইবাখনো অভিলাষী আঁচনি গ্ৰহণ কৰাৰ কথা সদৰী কৰে। উক্ত অনুষ্ঠানটোত উপস্থিত থাকে বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক মৃগেন শৰ্মা, শ্যামন্ত শৰ্মা, ১৩ নং ঘগ্ৰাপাৰ পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা ডাঙৰীয়া, কাউঞ্চিলাৰ মনেশ্বৰ ভড়ালী, স্বাস্থ স্বয়ং সেৱকৰ বড়িগোগ বনভাগ মণ্ডলৰ আহ্বায়ক ধৰিত্ৰী ডেকা, বিশ্বজিৎ কলিতা,বাঘমাৰা বুথ বিজেপিৰ সভাপতি পুলেন কলিতা, সম্পাদক কিশোৰ ভৰালীকে ধৰি ভাৰতীয় জনতা পাৰ্টীৰ বিভিন্ন পৰ্যায়ৰ কাৰ্যকৰ্তা আৰু বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। আটাইবোৰ কেন্দ্ৰতে অটল অমৃত কাৰ্ড বনোৱা হিতাধিকাৰীয়ে ভিৰ কৰা পৰিলক্ষিত হোৱাই নহয় অঞ্চলটোৰ প্ৰায় সহস্ৰাধিক পৰিয়ালয়ে আগন্তুক দিনত উপকৃত হব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে যোৱা ২৩ মেত ঘগ্ৰাপাৰৰ জনতাৰ সদন অনুষ্ঠানত অংশগ্ৰহণ কৰি যিসকলে অটল অমৃত কাৰ্ড বনোৱাৰ নাছিল সেই সকলক শীঘ্ৰে এই কাৰ্ড বনাই দিয়া হব বুলি প্ৰতিশ্ৰুতি দিছিল নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই আৰু সেই প্ৰতিশ্ৰুতি আজি বাস্তৱত ৰূপায়িত হয়। বিধায়ক গৰাকীৰ এই কাৰ্যক সচেতন ৰাইজে ধন্যবাদ জ্ঞাপন কৰিছে।

# টংলা ডনবস্ক’ৰ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণা-মূলক প্ৰশিক্ষণ হাতীগড় আৰ্মী কেম্পৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ৩১ মে’ ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত শৈক্ষিক প্ৰতিষ্ঠান হিচাপে খ্যাত টংলা ডনবস্ক’ত পঁয়সত্তৰ সংখ্যক আজাদী কা মহোৎসৱৰ লগত সংগতি হাতীগড় ভাৰতীয় সৈনিক শিবিৰ (ৰেড হৰ্ন ডিভিজন)ৰ পৰা ৩১ মে’ তাৰিখে এক অনুপ্ৰেৰণামূলক প্ৰশিক্ষণ দিয়ে মেজৰ চন্দ্ৰদ্বীপে। প্ৰজেক্টৰৰ জৰিয়তে পিপিটিত সম্পূৰ্ণ তথ্যভিত্তিত প্ৰশিক্ষাৰ্থীসকলক প্ৰশাসনিক দিশৰ ওপৰত বিস্তৃত ভাৱে ব্যাখ্যা কৰি কোৱাৰ লগতে কেনেকৈ প্ৰশাসনিক দিশত আগবাঢ়িব বা ভৰ্তি হব পাৰি, কেনেকৈ অধ্যয়ন কৰিব লাগে, নিজকে কেনেকৈ এজন সুস্থ-সবল নাগৰিক হিচাবে গঢ় দিব পাৰি, দেশ সেৱা কেনেকৈ কৰিব কৰিব পাৰি লগতে প্ৰতিযোগিতামূলক পৰীক্ষাত কেনেকৈ উত্তীৰ্ণ হব পাৰি প্ৰশাসনিক সকলোবোৰ দিশৰ ওপৰত আলোচনা কৰা হয়। উল্লেখযোগ্য যে হাতীগড় আৰ্মী কেম্প ফালৰ পৰা সময়ে সময়ে জনগণৰ হিতাৰ্থে বহুতো সজাগতা মূলক অনুষ্ঠান, প্ৰশিক্ষণৰ লগতে সহায়-সহযোগ কৰি অহা হৈছে বুলি ভাৰতীয় সৈনিক ভি কে মিশ্ৰই জানিবলৈ দিয়ে।




# ওৰাঙৰ ২ নং শইকীয়া চুবুৰি গাঁৱত ঋতুস্ৰাৱ দিৱস-শিশুৰ স্বাস্থ্য পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৩১ মে’ ঃ** এক সুৰক্ষিত আৰু সুখী জীৱনৰ বাবে ঋতুস্ৰাৱজনিত স্বচ্ছতাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। এই লক্ষ্যৰে ২৮ মে’ত ওদালগুৰি জিলাৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ ২নং শইকীয়া চুবুৰি ভিচিডিচিৰ কাৰ্যালয়ত ঋতুস্ৰাৱ-স্বচ্ছতা দিৱস অনুষ্ঠিত হৈ যায়। ঋতুস্ৰাৱৰ দিনা কমেও দুবাৰ নেপকিন ব্যৱহাৰ আৰু নেপকিন ব্যৱহাৰ, প্ৰয়োগৰ, হ’ব পৰা ৰোগৰ সম্পৰ্কত সজাগ আৰু সাৱধানতা আদিৰ ব্যাখ্যা আগবঢ়ায় ওৰাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ RBSKৰ ডাঃ সৌৰভ কুমাৰ বৰ্মনে। সভাত মাজবাট শিশু সংহত প্ৰকল্প বিষয়া অঞ্জনা ব্ৰহ্মই নেপকিনৰ সম্পৰ্কত আমি আজিকালি পুৰণিকলীয়া কিছুমান ৰীতি-নীতি ত্যাগ কৰি স্বাস্থ্যসন্মত ভাৱে নেপকিন ব্যৱহাৰ কৰাৰ সম্পৰ্কত ভাষণ আগবঢ়ায়। ২নং শইকীয়া চুবুৰিৰ স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ প্ৰিয়ংকা দেৱীয়ে নেপকিন ব্যৱহাৰ সম্পৰ্কত বক্তব্য আগবঢ়ায়। এই দিৱসটোৰ লগত সংগতি ওৰাঙৰ RBSKৰ উদ্যোগত ২নং শইকীয়া চুবুৰি ভিচিডিচি কাৰ্যালয়ত ৪টা অংগনৱাড়ী কেন্দ্ৰত স্বাস্থ্য ‘পৰীক্ষা আৰু স্কেনিং’ অনুষ্ঠিত হৈ যায়। ওদালগুৰি জিলাৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ ৰাষ্ট্ৰীয় বাল কাৰ্যক্ৰমৰ অন্তৰ্গত মোবাইল হেলৰ্থ টীম (MHT)ৰ উদ্যোগত মাজবাট শিশু সংহত প্ৰকল্প বিষয়াৰ অধীনস্থ ২নং শইকীয়া চুবুৰি গাঁওৰ ১নং,২নং,৩নং অংগনৱাড়ী কেন্দ্ৰ আৰু পশ্চিম ভোগদল গাঁও অংগনৱাড়ী কেন্দ্ৰত শিশু সকলক স্বাস্থ্য পৰীক্ষা আৰু স্কেনিং কৰা হয়। ২৮ মে’ত এই কাৰ্যক্ৰমত ডাঃ সৌৰভ কুমাৰ বৰ্মন, ফাৰ্মাচিষ্ট তৈয়বুৰ ৰহমানে শিশুসকলক স্বাস্থ্য পৰীক্ষাৰ লগতে স্কেনিং কৰে। ৭০নং মাজবাট বিধান সভা সমষ্টি তথা বিটিআৰৰ ৰৌতা সমষ্টিৰ অন্তৰ্গত কেন্দ্ৰটোৰ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীসকলে স্বাস্থ্য পৰীক্ষা শিবিৰটোত সহায়-সহযোগিতা কৰে।

# নলবাৰী জিলা ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৩১ মে’ ঃ** অসম ৰাজ্যিক যুক্তিযুঁজাৰু সন্মিলনৰ নলবাৰী জিলাৰ যুক্তিযুঁজাৰু আৰু তেওঁলোকৰ উত্তৰাধিকাৰীসকলৰ এক সন্মানজনক স্বীকৃতি তথা পৰিচিতি অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত যোৱা ২৯ মে’ত নলবাৰী আইন মহাবিদ্যালয়ত এখন বিশেষ অধিৱেশন অনুষ্ঠিত হয়। সত্যেন্দ্ৰ নাথ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সন্মিলনৰ সভাত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণকান্ত লহকৰ, সন্মিলনৰ সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মা আৰু অসম ৰাজ্যিক মুক্তি যুঁজাৰু উত্তৰাধিকাৰী সন্মিলনৰ সভাপতি ৰোহিণী মোহন শৰ্মা দলৈ উপস্থিত থাকি ভাষণ প্ৰদান কৰে। শিক্ষাবিদ ডঃ ৰবীন দাসে আদৰণি ভাষণ আগবঢ়োৱা সভাত খগেন তালুকদাৰক সভাপতি, মুকুল গোস্বামীক কাৰ্যকৰী সভাপতি আৰু নৃপাল বৰ্মনক সম্পাদক হিচাপে লৈ নলবাৰী জিলা মুক্তি যুঁজাৰু সন্মিলনৰ কাৰ্যনিৰ্বাহক সমিতি খন গঠন কৰা হয়। আনহাতে উক্ত সভাতে সত্যেন্দ্ৰ নাথ শৰ্মাক সভাপতি, ডঃ ৰবীন দাসক কাৰ্যকৰী সভাপতি আৰু ৰমেন মল্ল বুজৰবৰুৱাক সম্পাদক হিচাপে লৈ মুক্তি যুঁজাৰু উত্তৰাধিকাৰী সন্মিলনৰ নলবাৰী জিলা সমিতিখন গঠন কৰা হয়। সভাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ শতাধিক মুক্তি যুঁজাৰু পৰিয়ালৰ প্ৰতিনিধি উপস্থিত থাকি তেওঁলোকৰ মুক্তিযোদ্ধা পিতৃসকলৰ স্মৃতি ৰোমন্থন কৰে। উল্লেখ্য, দেশৰ স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰা মুক্তি সেনানীসকলৰ পৰিয়ালসমূহ অৱজ্ঞা-অৱহেলিত হৈ থকাত সভাই আক্ষেপ প্ৰকাশ কৰে আৰু পৰিয়ালবোৰক সহায়-সাহায্য কৰিবলৈ চৰকাৰক অনুৰোধ জনায়।

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা-ৰাজ্যৰ শিক্ষা বিভাগৰ প্ৰয়াস

# শিৱসাগৰত দুৰ্নীতিমুক্ত-স্বচ্ছভাৱে নিযুক্ত হ’ল ৮৭৫ শিক্ষক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩১ মে’ ঃ** ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰ তথা ৰাজ্যৰ শিক্ষা বিভাগৰ প্ৰয়াসত ৰাজ্য চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগৰ লগতে শিক্ষা বিভাগত ১১,০৬৩জনে স্বচ্ছ আৰু নিকাভাৱে শিক্ষা হিচাপে নিযুক্তি লাভ কৰে। উল্লেখ্য যে ৰাজ্যৰ মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়াটো স্বচ্ছ,নিকা আৰু দুৰ্নীতিমুক্ত কৰাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিবলৈ সতীৰ্থ মন্ত্ৰীসকলৰ লগতে বিষয়াসকলক আহ্বান জনাইছিল। ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীৰ এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই শিৱসাগৰ জিলা শিক্ষা বিভাগে দুৰ্নীতিমুক্ত আৰু স্বচ্ছভাৱে জিলাখনত ৮৭৫জন শিক্ষক নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰে। এক সূত্ৰৰ পৰা জানিব পৰা মতে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া কমলজ্যোতি গগৈৰ বিশেষ প্ৰচেষ্টাত অবিভক্ত শিৱসাগৰ জিলাৰ উচ্চতৰ মাধ্যমিকৰ পৰা প্ৰাথমিক বিদ্যালয়লৈকে বিভিন্ন শিক্ষানুষ্ঠানত দুৰ্নীতিমুক্তভাৱে এই ৮৭৫জন শিক্ষকে নিযুক্তি লাভ কৰিবলৈ সক্ষম হয়। শিক্ষা বিষয়াগৰাকীয়ে বিশেষ উদ্যোগ লৈ স্বচ্ছ আৰু নিকাভাৱে অবিভক্ত শিৱসাগৰ জিলাৰ বিভিন্ন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৮৫জন বিষয় শিক্ষক, ২৭৭জন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক, ১৮১জন মধ্য ইংৰাজী বিদ্যালয় শিক্ষক আৰু প্ৰায় ৩ শতাধিক প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰে। আনহাতে বিদ্যালয় পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া কমল জ্যোতি গগৈয়ে জানিবলৈ দিয়া মতে২৮ মে’ত কাউঞ্চেলিং সম্পন্ন কৰা নৱ-নিযুক্ত শিক্ষক-শিক্ষয়িত্ৰীসকলে ৩০ মে’ত নিযুক্তিপ্ৰাপ্ত বিদ্যালয়ত যোগদান কৰে। প্ৰথমবাৰৰ বাবে শিৱসাগৰ জিলা শিক্ষা বিভাগত স্বচ্ছ আৰু দুৰ্নীতিমুক্ত শিক্ষক নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন হোৱাত শিক্ষকসকলৰ লগতে সচেতন মহলে সন্তুষ্টি প্ৰকাশ কৰিছে।

# ৰঙিয়াৰ ৰণ্‌দিয়া শতদল সাহিত্য সভাৰ মাহটোৰ বিশিষ্ট অতিথি পদ্মশ্ৰী ডঃ সূৰ্য হাজৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৩১ মে’ ঃ** ৰঙিয়াৰ ৰণ্‌দিয়া শতদল সাহিত্য সভাই প্ৰতি মাহে অনুষ্ঠিত কৰি অহা ‘মাহটোৰ বিশিষ্ট অতিথিৰ লগত অন্তৰঙ্গ অনুষ্ঠান’ সোমবাৰে ৰঙিয়াৰ ঐতিহাসিক ৰঙিয়া ৰাইজমেল কৃষক ভৱনত অনুষ্ঠিত কৰে। প্ৰতিষ্ঠা বৰ্ষতে অসম সাহিত্য সভাৰ দ্বাৰা ক্ৰমে স্বৰ্ণ শাখা আৰু শতদল শাখাৰ মৰ্যাদাপ্ৰাপ্ত ‘ৰণ্‌দিয়া সাহিত্য সভা’ই প্ৰতি মাহতে বিশিষ্ট অতিথিৰ লগত অন্তৰঙ্গ অনুষ্ঠান পাতি আহিছে। এই মাহৰ বিশিষ্ট অতিথি আছিল জ্যেষ্ঠ সাহিত্যিক, গৱেষক, গীতিকাৰ তথা সংগঠক পদ্মশ্ৰী ডঃ সূৰ্য হাজৰিকা। ৰণ্‌দিয়া শতদল সাহিত্য সভাৰ সম্পাদক হেমন্ত কলিতাই আঁত ধৰা অন্তৰঙ্গ অনুষ্ঠানটিত ডঃ হাজৰিকাক ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্দ্ধনা জনোৱা হয়। লগতে অনুষ্ঠানটিত অতিথি হিচাবে অংশগ্ৰহণ কৰা সাংস্কৃতিক মহাসভা, অসমৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মা, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা আৰু সাহিত্যকৰ্মী হৰেশ্বৰ ডেকাকো ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। এইবেলি আয়োজিত অনুষ্ঠানটিৰ আৰম্ভণিতে ডঃ সূৰ্য হাজৰিকাৰ দ্বাৰা নিৰ্মিত তথ্যচিত্ৰ ‘চিৰ চেনেহী মোৰ ভাষা জননী’ প্ৰদৰ্শন কৰা হয়। তথ্যচিত্ৰখনিত অসমীয়া ভাষা-সংস্কৃতিৰ উত্থান-পতনৰ ঘটনাৱলীৰ লগতে ১৮ শতিকাৰ পৰা যোৱা সময়চোৱালৈ ভাষা সাহিত্য তথা সাহিত্য সভাৰ অধিৱেশনবোৰৰ সম্যক ধাৰণা হাতী মাৰি ভুৰুকাত ভৰোৱাৰ লেখিয়াকৈ উপস্থাপন কৰা হৈছে। অনুষ্ঠানটিত পদ্মশ্ৰী ডঃ হাজৰিকাই তেখেতৰ পিতৃ পুৰুষৰ পৰা আৰম্ভ কৰা নিজা প্ৰকাশন থকা হেতু কিতাপৰ মাজতেই নিজৰ জীৱনৰ আদিপাঠ আৰম্ভ হৈ আজিকোপতি তেখেতৰ লেখা মেলা,সম্পাদনা তথা প্ৰকাশন আদিৰ কথাৰে আৰম্ভ কৰি কৰ্মজীৱনৰ লগতে নিজৰ বিভিন্ন অভিজ্ঞতাৰ কথা অৱগত কৰে। ভাব বিনিময়ৰ অনুষ্ঠানটিত উপস্থিত ব্যক্তিসকলৰ লগত অতি আন্তৰিকতাৰে মনৰ ভাব বিনিময় কৰি সভ্যসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰত ডঃ হাজৰিকাই কয় যে সুপৰিকল্পিতভাৱে এটি উদ্যমী আৰু উৎসাহী কৰ্মীৰ জৰিয়তে দলগত প্ৰচেষ্টাতহে সাহিত্য সভাৰ বিগত সময়ছোৱাত হৃত গৌৰৱ আকৌ ওভতাই আনিব পৰা যাব।সমাজ জীৱনৰ যিকোনো ক্ষেত্ৰৰ ব্যক্তিয়ে অসমীয়া ভাষা সাহিত্যৰ উন্নতিত অৰিহণা যোগাব পাৰে আৰু যোগাই আহিছেও। কথা প্ৰসংগত ডাঃ হাজৰিকাই ৰণ্‌দিয়া সাহিত্য সভা ৰঙিয়াই প্ৰতিষ্ঠা বৰ্ষতে সাহিত্য সভাৰ দ্বাৰা ক্ৰমে ‘স্বৰ্ণশাখা’ আৰু ‘শতদল’ শাখা হিচাবে স্বীকৃতি পোৱাটো এক অভিলেখৰ লগতে আদৰ্শনীয় কাম আৰু নৱ প্ৰজন্মক আগবঢ়াই আনি ভাষা-সাহিত্য আৰু সংস্কৃতিৰ চৰ্চা কৰাৰ সুযোগ দি ৰণ্‌দিয়া শতদল সাহিত্য সভাই অসম সাহিত্য সভাৰ মজিয়াত এক সুকীয়া আসন দখল কৰা বাবে শাখাটিৰ সমূহ কৰ্মকৰ্তাৰ শলাগ লৈ অভিনন্দন জ্ঞাপন কৰে। লগতে ৰণ্‌দিয়া শতদল সাহিত্য সভাৰ বিগত সময়চোৱাৰ কাম কাজ আন আন শাখাসমূহৰ বাবে অনুকৰণীয় হৈ ৰ’ব বুলি মন্তব্য প্ৰকাশ কৰে। ডঃ ভূপেন হাজৰিকাদেৱৰ লগত কটোৱা প্ৰায় ৪০ বছৰীয়া সান্নিধ্যৰ কথা দোহাৰি হাজৰিকাই কয় যে ভূপেন হাজৰিকাৰ জীৱন সাধনা সম্পূৰ্ণৰূপে সম্পাদনা কৰা কাৰো বাবেই সম্ভৱ নহয়। তথাপি যিমানখিনি পাৰি কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। অনুষ্ঠানটিত উপস্থিত থকা আন এগৰাকী অতিথি সাংস্কৃতিক মহাসভা, অসমৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মাই নিজৰ মনোভাব প্ৰকাশ কৰি কয় যে বিগত কেইবছৰমানৰ পৰা সাহিত্য সভাৰ কাম কাজত কিছু স্থবিৰতা আহিছিল। লক্‌ডাউনৰ সময়ছোৱাত ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছিল। কিন্তু সেই স্থবিৰতাৰ মাজতে প্ৰতিষ্ঠা বৰ্ষতে স্বৰ্ণ আৰু শতদল শাখাৰ মৰ্যাদা লাভ কৰা ৰণ্‌দিয়া সাহিত্য সভাই সমগ্ৰ সাহিত্যানুৰাগীসকলৰ মনত আশাৰ সঞ্চাৰ কৰিছে আৰু সাহিত্য সভাক গণমুখীকৰণৰ বিৰল দৃষ্টান্ত দাঙি ধৰিছে। ভৱিষ্যতেও ৰণ্‌দিয়া শাখাৰ কাৰ্যসূচীসমূহতো তেখেতৰ সহযোগ থাকিব বুলি ঘোষণা কৰে। প্ৰায় তিনিঘণ্টাজোৱা অনুষ্ঠানটিত উদীয়মান কণ্ঠশিল্পী বনশ্ৰী দেৱীয়ে ডঃ সূৰ্য হাজৰিকা ৰচিত গীত এটি পৰিৱেশন কৰি অনুষ্ঠানটি অধিক প্ৰাণৱন্ত কৰি তোলে। ৰণ্‌দিয়া সাহিত্য সভাৰ আজীৱন সভ্যসকলৰ উপৰি অনুষ্ঠানটিত উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক মুকুল কলিতা, ৰঙিয়াৰ ৰীতা শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ ৰুণুমী দত্ত ডেকা, দক্ষিণ পাণ্ডুৰী সাহিত্য সভাৰ সম্পাদক চৰিফুল হুছেইন, অনিল চন্দ্ৰ দাস, কৈলাস বেজবৰুৱা, তামুলপুৰৰ সাহিত্য-সাংস্কৃতিক কৰ্মী অভিজিত দাস, কামিনী বৈশ্য, মৃগেন লহকৰ, লোহিত চন্দ্ৰ কলিতা, ধ্ৰুৱজ্যোতি কাশ্যপ, নয়নমণি ডেকা, মনোজ কুমাৰ নাথ আৰু বহুকেইজন সাহিত্যানুৰাগীয়ে। অনুষ্ঠানৰ মাজতে কেইগৰাকীমান সভ্যক অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। শেষত সভাপতি প্ৰতুল ভূঞাই আটাইলৈ শলাগৰ শৰাই আগবঢ়াই অসম সাহিত্য সভাৰ প্ৰতি সকলোৰে আগ্ৰহ আৰু আন্তৰিকতা আহ্বান কৰি অনুষ্ঠানটিৰ সফল সমাপন ঘোষণা কৰে।



## ৰঘুনাথ

### গায়ত্ৰী দেৱী বৰঠাকুৰ

(শ্ৰদ্ধাৰ গল্পকাৰ অতনু ভট্টাচাৰ্য ছাৰৰ হাতত)

নিদানপুৰৰ ৰঘুনাথক
লগ নাপালেও

আপুনি কিবা অলপ হ'লেও
জানিব পাৰিছে নিশ্চয়
ৰঘুনাথৰ বিষয়ে

সম্প্ৰতি ৰঘুনাথ
আড্ডাৰ মূল আকৰ্ষণ

আপুনি জানি হয়তো আচৰিত হ'ব যে
ৰঘুনাথে গান গাবলৈ
লোৱা দিন ধৰি
বাঢ়ি গৈ আছে উচ্চতা
অস্বাভাৱিক ভাৱে

তদুপৰি ৰঘুনাথৰ গাত
ধৰা পৰিছে
এক আচৰিত ৰোগ

ৰঘুনাথৰ গাত কাপোৰ নাথাকে
চামচাবোৰৰ দৃষ্টিত 'ৰঘুনাথ ইজ গ্ৰেট'

ৰঘুনাথে কাপোৰ খোলে আৰু খোলে
ৰঘুনাথে আৰু খুলি গৈ থাকে নিজকে
খান্দি থাকে
নিজকে
খুঁচৰি থাকে
নিজকে

ৰঘুনাথক সিজাই থাকে
ফেন-ফল'ৰাৰছে

ৰঘুনাথ সিজি থাকে

সিজি থাকে
আৰু সিজি থাকে
নিজৰ অজানিতে

চুলিৰ আগৰ পৰা ভৰিৰ আঙুলিলৈকে
কিন্তু হঠাতে এদিন
ক্ৰমে চাপৰ হৈ আহিল ৰঘুনাথ

সমজুৱা দুই-এক আকুল কণ্ঠই
ৰঘুনাথক
কাপোৰ পিন্ধাৰ কথা ক'লে
টাইমিং চাওক তেৰা সৰৰ

আপুনিও বুজক শিকক অলপ

এসময়ত
পাঁচ ফুট চাৰি ইঞ্চিৰ পৰা
এঁকেশ ফুটীয়া হোৱা

ৰঘুনাথৰ দুচকুত পানী
কিয়
জানিবৰ বাবে আপুনি
লগ কৰিব লাগিব
ৰঘুনাথৰ অতনু পিতৃক

তেওঁহে জানিব ৰঘুনাথক
ৰঘুনাথৰ আদ্যোপান্ত

মই পাঠক
পাঠকৰ ভূমিকা
সদায় নমনীয় হোৱা উচিত

নহয় জানোঁ

বুঢ়াৰ চকুত জ্ঞানৰ তিৰবিৰণি
ডেকাই বোলে
সেইবোৰ কি ফাল্টু অ'

ৰ'ব
কাহিনীটো ইমানতে
শেষ হোৱা নাই

বৰষুণৰ আবেলি এটাত
'সত্য যে কেতিয়াবা গল্পতকৈও বেছি আচহুৱা'
এই কথাটো জানিবলৈ থাকি গ'ল
শ্ৰদ্ধাৰ অনুৰাধা বাইদেউৰ

আনহাতে
গল্পকাৰে বঢ়াই থাকিল
ৰঘুনাথৰ উচ্চতা
গল্পটোৰ এটা ওপৰঞ্চি অংশত.....

ফোন ঃ ৮৮২২৯৪৩০৬৪

## ইণ্টাৰভিউ

■ জোনা কোঁৱৰ



পুৱা ঠিক ৫ মান বজাতে ৰিমঝিমৰ ফোনটো বাজি উঠিল। চকা-মকাকৈ কেঁচা টোপনিৰ আমেজ আঁতৰাই ৰিমঝিম বিছনাৰ পৰা উঠি আহিল। কাৰ ফোন হ'ব পাৰে ইমান ৰাতিপুৱাই! কথা এযাৰ আছে নহয় মাছৰ চিকুন মোৱা, টোপনিৰ চিকুন পুৱা। বিছনাৰ হেড বক্সৰ ওপৰৰ পৰা ফোনটো লাহেকৈ চাই দেখিলে ভানুমতীৰ ফোন। ৰিমঝিমে ফোনটো ৰিচিভ কৰিলে আৰু সুধিলে, 'কি হ'ল? ৰাতিপুৱাই যে ফোন কৰিলি।' ভানুমতীয়ে ক'লে, 'বাইদেউ মই আজি কামলৈ যাব নোৱাৰিম। মোৰ বেটাৰ আজি জন্মদিন। সেয়েহে আপুনি অফিচলৈ যোৱাৰ আগতে কথাষাৰ জনাই থৈছোঁ।' ৰিমঝিমে ফোনতে কথাষাৰ শুনি ধৰিব পাৰিছে ভানুৰ মনত যে কিমান আনন্দ! ভানুৰ কথাৰ সুৰত যিমানেই আনন্দ ভাঁহি আহিছে ৰিমঝিমৰ মন সিমানেই দুখেৰে ভৰি পৰিছে।

গিৰিয়েক ৰবিয়ে তেতিয়াও নিচিন্তমনে শুয়েই আছে। কাষত জীয়েক বুলবুলি। ৰাতি জীয়েকৰ অলপ অলপ জ্বৰো উঠিছিল। ৰিমঝিমে এতিয়া কি কৰিব উৱাদিহ পোৱা নাই। আজিৰ বিশেষ দিনটোতহে এনেকুৱা হ'বলৈ পালে বুলি মুখৰ ভিতৰতে কিবাকিবি ভোৰভোৰালে। গোটেই দিনটোৰ কাৰণে গিৰিয়েক, জীয়েক আৰু শাহুৰেকৰ বাবে যে সকলোখিনি যোগাৰ কৰি থৈ যাব লাগিব। নহ'লে যে শাহুৰেকে পুতেকক কিমান কি কথা লগাব ঠিক নাই। অফিচ পাবগৈ লাগিব আঠ বজাত। বাটত গাড়ীৰ ভিৰৰ কথা আছেই। আজিৰ বিশেষ দিনটোতে আছিল তাইৰ বাবে ভাগ্য পৰীক্ষা। যদিহে তাই ইণ্টাৰভিউটো সময়মতে দিব নোৱাৰে তেতিয়া তিনিবছৰে কৰি থকা চাকৰিটো হেৰুৱাব লগীয়াও হ'ব পাৰে। ৰিমঝিমে এটা প্ৰাইভেট কোম্পানীত চাকৰি কৰে। তাই খৰখেদাকৈ কামবোৰ কৰিবলৈ ধৰিলে। নিৰ্দিষ্ট ঠাইত প্ৰত্যেকলৈকে খোৱা বস্তুবিলাক থ'লে।

অন্যদিনা ভানু আহে যদিও বাহিৰা কামখিনিহে কৰে আৰু ৰিমঝিমৰ জীয়েকক চোৱাচিতা কৰে। বাকী পাকঘৰৰ কাম বিলাক ৰিমঝিমেই কৰে। আজি গোটেইখিনি কৰিবলৈ পাই বাচন-বৰ্তন বিলাক ধোওঁতে-থওঁতে শব্দ হ'বলৈ ধৰিছে। বাচনৰ শব্দ শুনি শোৱাপাটিৰ পৰা গিৰিয়েকে মাত লগালে 'আন ঘৰৰ তিৰোতাইও সকলো বিলাক কাম নিজেই কৰি থাকে। তুমি আজিহে কৰিবলৈ পাইছা।' কথাষাৰ শুনি ৰিমঝিমৰ আৰু বেছিকৈহে খং উঠিল। যেন জ্বলা জুইত ঘিউহে ঢালিলে। তেতিয়া ৰিমঝিমে ক'লে, 'আনৰ ঘৰৰ গিৰিয়েকে যে মানুহ গৰাকীক সকলো কামতে সহায় কৰি দিয়ে। তুমিতো মোক কোনো এটা কামতে আজিলৈকে সহায় কৰি পোৱা নাই।' ৰবি আৰু ৰিমঝিমৰ কথা-বতৰা বিলাক শাহুৰেকেও বিচনাৰ পৰা শুনি আছিল। তেওঁ লাহেকৈ উঠি বহিল। বোৱাৰীয়েকৰ এনেবোৰ কেটেৰা-জেঙেৰা মৰা কথাৰ কাৰণে পুতেকৰ লগত থাকিবলৈ ইচ্ছা কৰা নাছিল। পুতেকক বেয়াকৈ ক'লে মাকে মনত বৰ দুখ পায়। মানুহজন থকালৈকে দুয়োজন গাঁৱৰ ঘৰতে আছিল। এতিয়া উপায়ো নাই। বয়স বাঢ়ি আহিছে আৰু মানুহজন ঢুকুৱাৰ পিছতহে পুতেকৰ ঘৰলৈ আহিছে। মানুহজন থকালৈকে কোনোদিন পুতেকৰ ঘৰত থাকিয়েই নাপালে।

ৰিমঝিমেও অফিচলৈ যোৱাৰ আগতে এনেবোৰ অসুবিধা হোৱাৰ বাবে শাহুৰেক গাঁৱৰ ঘৰৰ পৰা অহাৰ আগতে এগৰাকী ৰান্ধনীও ৰাখিছিল। কিন্তু এতিয়া শাহুৰেক আহি থকাৰ পৰা তাইকো এৰি দিব লগীয়া হ'ল। শাহুৰেক পুৰণি দিনৰ মানুহ। বহুত নীতি-নিয়মৰ মাজত চলে। বাহিৰা মানুহে মূল পাকঘৰত সোমোৱাটো পচন্দ নকৰে। আনে কৰা কামো তেওঁ সিমান ভাল নাপায়।

বোৱাৰীয়েকৰ কথা-বতৰাবিলাক শুনি শাহুৰেকে মাত লগালে। 'মই থকাৰে পৰা চোন বুলবুলিৰ লগত অকণমানো সময় কটোৱা দেখা নাই। সকলোবোৰ চোন ভানুৰেই আলপৈচান ধৰে। নাতিনীজনীৰ ওচৰত সময় কটাবলৈ তোমালোকৰ সদায়েই সময় নোলায়।' শাহুৰেকৰ কথাবোৰে তাইক হুলে বিন্ধাদি বিন্ধিবলৈ ধৰিলে। এইবোৰ কথা-বতৰাত লাগি থাকোতে সময় যে বহুত হ'ল। ৰিমঝিমে ঘড়ীটোলৈ চাই সময় দেখিলে আৰু তাইৰ গাটো কঁপিবলৈ ধৰিলে।

ৰিমঝিমৰ খোজ ক'ত পৰিছে তাই গম পোৱা নাই। আগদিনা অফিচাৰজনে কোৱা কথাবোৰ তাইৰ মনলৈ বাৰে বাৰে আহিল। ইফালে বুলবুলিৰো জ্বৰ বাঢ়িবলৈ ধৰিলে। সৰু ৰুমাল এখনকে তিয়াই লৈ বুলবুলিৰ কপালত লগাই দিলে। সেই সময়তে শাহুৰেকে মাত লগালে, 'আজি তোমাৰ অফিচলৈ নগ'লে নহয়নে? ইমান জ্বৰ উঠি থকা ছোৱালীজনীক এৰি থৈ অফিচলৈ যাবলৈ মন গৈছেনে?' সিটো কোঠাৰ পৰা গিৰিয়েকেও মাত লগালে, 'তুমিতো ছোৱালীজনীক কোনো কাৰণতে সময় দিব নোৱাৰা, কেৱল মা আৰু ভানুৰ হাততে দিনৰ দিনটো এৰি থৈ অফিচৰ কামত ব্যস্ত থাকা।' কথাষাৰ শুনি ৰিমঝিমে ৰবিক ক'লে, 'ছোৱালীৰ দায়িত্ব কেৱল মাকৰহে নেকি? তুমিওটো তাইৰ দেউতাক। তোমাৰ একো দায়িত্ব নাইনেকি? প্ৰতিটো কথাতে কেৱল যে মোৰ গাততহে দোষ দিয়া। ল'ৰা-ছোৱালীৰ দায়িত্ব মাক-দেউতাক দুয়োৰে সমানে থাকিব লাগে।' কথাকেইষাৰ কৈ ৰিমঝিম আকৌ ছোৱালীজনীৰ ওচৰলৈ গ'ল। তাইক দেখি ৰিমঝিমৰ মনটো বেয়াও লাগিল। এফালে চাকৰিটো পোৱাৰ আশা আৰু আনফালে জ্বৰ উঠি থকা ছোৱালীজনী এৰি যোৱাৰ হতাশা। তথাপিও যাবই লাগিব। শাহুৰেকে পেটে পেটে বৰ ভাল নাপালে। মাকৰ লগতে ৰবিয়েও বৰ ভাল নাপালে। ভাল পাই বিয়া কৰোৱাৰ কাৰণে বৰ বেছি ক'বও নোৱাৰে।

এনেতে শাহুৰেকে বোৱাৰীয়েকক ক'লে, 'মোক চাহ একাপ দিবলৈ তোমাৰ সময় হ'বনে?' শাহুৰেকৰ মাতত তাই চক খাই উঠিল। ইমান সময়ে দিনটোৰ বাবে যা-যোগাৰ কৰি থাকোতে যে শাহুৰেকক চাহ একাপ দিয়া হোৱাই নাই নহয়। তাই ৰ'ব মা আনিছো বুলি আকৌ পাক ঘৰলৈ বেগাই গ'ল। ইফালে ঘড়ীৰ কাটা দ্ৰুতগতিত আগবাঢ়িছে। যিমানে আগবাঢ়িছে সিমানে ৰিমঝিমৰ বুকুৰ ধপধপনি বাঢ়িছে। তেতিয়া জীয়েক বুলবুলি, গিৰিয়েক ৰবি আৰু শাহুৰেক তিনিও কথাত মছগুল হৈ আছিল। সেই সময়ত তাত যে তাইৰ বাবে স্থান নহ'ব সেয়া তাই ভালদৰে জানে। কাৰণ ৰিমঝিমৰ লগত শাহুৰেকে মুকলিমুৰীয়াকৈ এষাৰো কথা পতি পোৱা নাই। ৰবিয়ে তাইক পলুৱাই অনাৰ পাছত জীয়েক বুলবুলি জন্ম হোৱা তিনিবছৰ হ'বৰে হ'ল। কিন্তু তাইক বোৱাৰী হিচাপে আজিও শাহুৰেকে মানি ল'ব পৰা নাই। চাহকাপ দিওঁতে শাহুৰেকে আকৌ ক'লে, 'আজি তোমাৰ অফিচলৈ নগ'লে নহয়নে? মোৰ কাৰণে নহয়, বুলবুলিক কাৰণেহে। কাৰণ ল'ৰা-ছোৱালীৰ গা-মূৰ বেয়া হ'লে মাকক হে বেছিকৈ কাষত বিচাৰে।'

ৰিমঝিম দৌৰি গৈ আকৌ জীয়েকৰ ওচৰ পালেগৈ। ৰিমঝিমে জীয়েকৰ কপালত হাতখন দি চালে। জ্বৰ অলপ পাতল হোৱা যেন অনুমান হ'ল। বুলবুলিয়ে হাতত এটা চকলেট লৈ লাহে লাহে খাই আছে। খাই থকা দেখি ৰিমঝিমৰ মনটো অলপ পাতলিল। তাৰপাছত শাহুৰেকক ক'লে, 'আজিয়ে মই যাবই লাগিব মা। আজিৰ দিনটোতে আছে ভৱিষ্যতৰ চাবি-কাঠি। দেৰি হ'লে যে হ'ব লগীয়া কামটো হাততে হেৰুৱাব লাগিব।' এই বুলি কৈ তাই কোম্পানীৰ ইউনিফৰ্মযোৰ পিন্ধি গাড়ীলৈ বুলি ওলাই গ'ল।

বোৱাৰীয়েক ওলাই যোৱাৰ পাছত মাকে পুতেক ৰবিক ক'লে, 'চা ৰবি তোক মই আগতেই কৈছিলো এইজনী ছোৱালী আনিব নালাগে। তই আমাৰ কথা-বতৰা নুশুনিলি। এতিয়া চা নিজৰ জীয়েকৰ এনে অৱস্থাতো তাই মতা মানুহৰদৰে পেণ্ট-চাৰ্ট পিন্ধি ওলাই গৈছে।' পুতেকে ক'লে 'হ'ব মা, আজিৰ দিনটোৰ কাৰণে মইয়ে ছুটি ল'ম। তুমি ইমান চিন্তা কৰিব নালাগে। সাজ-পোছাক চাই তুমি মানুহৰ অন্তৰ বুজি নোপোৱা। তাইৰ স্বভাৱ-চৰিত্ৰ তুমি ভৱাৰ দৰে নহয়। তাই বহুত ভাল ছোৱালী। তাইৰ অন্তৰখন বৰ কোমল। মই তাইক ভালদৰে জানো। অফিচত কিছুমান কাম কৰোতে অসুবিধা হোৱাৰ বাবেহে এনেধৰণে যাব লগা হৈছে। তুমি কোৱাৰ দৰে তাই পিন্ধা সাঁজযোৰ বেয়া বুলি তাইও জানে তথাপি তাই পিন্ধি যাবই লাগিব। তুমি আমাৰ ঘৰলৈ অহাৰ পৰাই প্ৰত্যেক দিনে যে ৰিমঝিমৰ বদনাম গাই থাকা আৰু মই তুমি কোৱা কথাবোৰ সঁচা বুলি ভাবি তাইক বহুত কষ্ট দিলো। তুমি মনত কষ্ট পোৱা বুলি মই তোমাৰ কোনো কথাতে মাত মতা নাছিলো। আজি কিন্তু মই মাত মাতিবলৈ বাধ্য হৈছো। কাৰণ মোৰো আজি-কালি তোমাৰ এনেবোৰ কথা শুনি শুনি আমনি লগা হৈছে। তোমাকে দেখুৱাই তাইক বহুতো নক'ব লগীয়া কথা ক'লো। তাই কিন্তু তোমাৰ বিৰুদ্ধে কোনো কথা আজিলৈকে একো নক'লে। তাইয়ো বুজি পায়, তুমি অহাৰে পৰা তোমাৰ কিছুমান কথা-বতৰাই যে মোকো সলনি কৰি পেলাইছে। সেয়েহে তাই একো নকয়। তাই কিন্তু নিজৰ দায়িত্বখিনি সদায়ে সুচাৰুৰূপে পালন কৰি আহিছে। তথাপিও তুমি ইমান দুখ খুচৰি থাকা। ক'লে বেয়া পোৱা বুলিহে মইও বহুত কথা তোমাক নকওঁ। ক'লে যে তুমি মোকো বেয়া পাবা। মা, তুমি যদি মনৰ সজীবতা ধৰি ৰাখিব বিচৰা তেন্তে সকলো কথাকে সহজভাৱে গ্ৰহণ কৰিবলৈ শিকা। কাৰণ জটিলতাই কেৱল উদ্বিগ্নতাহে বঢ়াই তোলে।'

ৰিমঝিমে আধাঘণ্টা দেৰিকৈ কোম্পানীৰ অফিচৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰিলে। খৰধৰকৈ ইণ্টাৰভিউ হোৱা কোঠালৈ আগবাঢ়ি গ'ল। দুৱাৰত টোকৰ মাৰিলে। অলপ পিছত বন্ধ দুৱাৰখন খোল খালে। ইতিমধ্যে ইণ্টাৰভিউ শেষ হৈছে। কোম্পানীটো চলাবৰ কাৰণে নতুনকৈ এজনক দায়িত্ব দিয়া হৈছে। নতুন মানুহজন চকীখনত বহি থকা দেখি ৰিমঝিম জ্বৰে ঘমাদি ঘামিবলৈ ধৰিলে। কাৰণ যিখন চকীৰ আশাত তাই ইণ্টাৰভিউ দিবলৈ আহিছিল অকণমান সময় দেৰি হোৱাৰ কাৰণেই সকলোবোৰ ওলট-পালট হৈ গ'ল। তাইতকৈ এজন জুনিয়ৰ ল'ৰাক কোম্পানীটোৰ মালিকে সেই দায়িত্ব অৰ্পন কৰিলে। তাৰমানে তাই ইমান বছৰে নিয়মিত অহা-যোৱা কৰাৰ কোনো ফল নাপালে। আজিৰ এই জটিল পৃথিৱীখনত 'জোৰ যাৰ মুলুক তাৰ' কথাষাৰ সত্য বুলি প্ৰমাণিত হ'ল। তাই সকলোকে সহজভাৱে আপোন কৰি ল'ব পাৰে। কোমলমতীয়া মনটোৰ কাৰণে তাই য'তে ত'তে ঠগ খাবলগীয়া হয়।

তাই সেইদিনাখন অফিচৰ পৰা সোনকালে গুচি আহিল। ঘূৰি আহোঁতে বিভিন্ন কথাবোৰ তাইৰ মনলৈ আহিল। লগতে নিজে নিজে এটা সিদ্ধান্ত ল'লে। তাই এইটো কোম্পানীত আৰু চাকৰি নকৰে। পিছদিনা কেৱল চাকৰিৰ অব্যাহতি পত্ৰখন দিবলৈহে যাব। কিছু সময়ৰ পাছত তাই ঘৰ পালেহি। পোনে পোনে তাই জীয়েক বুলবুলিৰ ওচৰলৈ গ'ল। বুলবুলিয়ে তেতিয়া আইতাকৰ লগত খেলি আছিল। তোমাৰ জ্বৰ কমিছেনে বুলি মাতষাৰ লগাই ৰিমঝিম বাথৰূমত সোমাল। জীয়েকেও মাক অহাৰ গম পাই আনন্দতে জপিয়াবলৈ ধৰিলে। ৰিমঝিমে তাইৰ সেমেকি থকা চকুহাল ভালধৰণে ধুই ওলাই আহিল। বুলবুলিক কোলাত তুলি লৈ ৰিমঝিমে এটা মৰমৰ চুমা খালে। জীয়েকে কিন্তু মাকক খঙেৰে ক'লে 'মই তোমাক বেয়া পাইছো, তুমি মোৰ লগত নাথাকা। সদায় সদায় মোক এৰি গুচি যোৱা। তোমালৈ মোৰ মনত পৰি থাকে।' ৰিমঝিমে জীয়েকৰ মনৰ কথাবোৰ বুজি পালে। লগতে ক'লে 'মই আজিৰ পৰা তোমাৰ লগতে থাকিম। কোনো দিন আৰু অফিচলৈ নাযাওঁ।' এই বুলি কৈ জীয়েকক জোৰেৰে সাবটি ধৰিলে।

ফোন ঃ ৮৮১২০৫৩০৭৫

## কৃত্ৰিম বান অকৃত্ৰিম মানৱৰ দান (!)

■ সুশান্ত দাস



নিতৌ ন ন প্ৰযুক্তিৰ উদ্ভাৱনত প্লাষ্টিক জাতীয় সামগ্ৰী দৈনন্দিনভাৱে দম দম কৰি পেলোৱাৰ ফলত নলা-নৰ্দমাবোৰত জাবৰেৰে ঠাহ খাই পৰিছে। যাৰ ফলস্বৰূপে এজাক ডাঙৰ বৰষুণ দিলেই নলাবোৰত পানী আগবাঢ়ি যাব নোৱাৰা হৈ কৃত্ৰিম বানৰ সৃষ্টি কৰে

বৰ্তমান সমগ্ৰ অসমত বানৰ বিভীষিকা (!) এই বিভীষিকাময় পৰিস্থিতিত মানুহৰ নাজল-নাথল অৱস্থা হৈছে। গাওঁ অঞ্চলত হোৱা বানে সমগ্ৰ অসমকে সন্ত্ৰস্ত কৰিছে। কিন্তু নগৰ অঞ্চলৰ বানৰ ক্ষেত্ৰত কি ক'ম (?) নগৰ অঞ্চলত বান হোৱাটো প্ৰায় শুনি আহিছোঁ। ইয়াৰ আঁৰৰ ৰহস্য বিছাৰিলে আমি আমাৰেই অকৃতকাৰ্যতা দেখিবলৈ পাওঁ। আমি অতৰ্কিতে পেলোৱা জাবৰ-জোথৰৰ কথা ক'ব পাৰি। নিতৌ ন ন প্ৰযুক্তিৰ উদ্ভাৱনত প্লাষ্টিক জাতীয় সামগ্ৰী দৈনন্দিনভাৱে দম দম কৰি পেলোৱাৰ ফলত নলা-নৰ্দমাবোৰত জাবৰেৰে ঠাহ খাই পৰিছে। যাৰ ফলস্বৰূপে এজাক ডাঙৰ বৰষুণ দিলেই নলাবোৰত পানী আগবাঢ়ি যাব নোৱাৰা হৈ কৃত্ৰিম বানৰ সৃষ্টি কৰে। বৰ্তমান সামাজিক মাধ্যমত আকৌ এচামে সেই বানৰ তথ্যচিত্ৰ খুহুতীয়া গানৰ তালত প্ৰচাৰ কৰি অকৃত্ৰিম মানৱৰ যন্ত্ৰৱৎ অৱস্থা আৰু নিজৰ প্ৰমাদবোৰৰ স্বৰূপ দাঙি ধৰিছে।

আই প্ৰকৃতি আজি বৰকৈয়ে ৰুষ্ট (!) নহ'বনো কিয় (?) নিজ পুত্ৰ-পুত্ৰীৰ দ্বাৰাই যেতিয়া ৰুগীয়া হৈ পৰিছে। কেতিয়া বুজিব এই ৰুগ্ন পৃথিৱীৰ হৃদয়বিদাৰক গাঁথা জীৱশ্ৰেষ্ঠ মানৱে। বৰ্তমান প্ৰেক্ষাপটত মহানগৰী গুৱাহাটীত কৃত্ৰিম বানে বিৰূপ প্ৰভাৱ দেখাইছে। বহুতো ৰাইজ সচেতন যদিও বহু দায়িত্বহীন, অসচেতন। যান্ত্ৰিক জীৱনৰ আনন্দ লোৱাত ব্যতিব্যস্ত হোৱাৰ বাবে প্ৰকৃতিৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন নকৰে। লাখ লাখ টন পষ্টিক দিনে দিনে, বছৰে বছৰে ব্যৱহাৰ হৈ আহিছে হ'লেও ৰাইজে বুজিব নুবুজাৰ ভাও কৰি পষ্টিকবোৰৰ ব্যৱহাৰ এৰাই চলা নাই। ই কম দামী বাবে ইয়াক সকলোৱে আদৰি লৈছে কিন্তু এই কম দামী পষ্টিকে মানুহৰ বহুমূলীয়া জীৱন নিমিষতে শেষ কৰি দিবলৈ পাশুপাত অস্ত্ৰ হ'বলৈ গৈ আছে। কৃত্ৰিম বানৰ এটা প্ৰধান কাৰণ এই অনিয়মিতভাৱে পষ্টিক ব্যৱহাৰ। এইবোৰ নলীত জমা হৈ লাগি ধৰে আৰু পানীৰ চলাচলত অসুবিধা প্ৰদান কৰে যাৰ ফলত বৰষুণ দিলেই দুৰ্গন্ধযুক্ত গেলা পানীবোৰ গোটেই মহানগৰীত উপচি পৰে আৰু উপায়হীন হৈ মানুহেও ইয়াৰ ওপৰেদি খোজ কাঢ়ি জীৱন যুঁজৰ বাবে ওলায় যায়। মানৱ সমাজ সচেতন নহ'লে কোন সচেতন হ'ব (?) কোনে জাতিৰ ভৱিষ্যৎ ৰক্ষা কৰিব (?) এতিয়া অদৃষ্টৰ ওপৰত আস্থা ৰাখি হাতত হাতত থৈ বহি থাকিলে নহ'ব, হাতে-কামে সকলো লাগিব লাগিব। আমি যিমান পাৰো পষ্টিক ব্যৱহাৰ কমাব লাগিব। কৃত্ৰিম বানে এতিয়াৰ ৰূপতকৈ আৰু বিৰূপ ক্ৰিয়া প্ৰকাশ কৰিব পাৰে যদিহে সমাজ সচেতন নহয় (!) আমি আমাৰ দেশৰ কংক্ৰীট অৰণ্যত বাস কৰো যদিও আমি মনত পেলাব লাগিব আমি আদিমত এই প্ৰকৃতিৰ ছায়াঁত বাস কৰিছিলোঁ।এই প্ৰকৃতিক আমি আকৌ আগৰ দৰে মনোমোহা কৰি তুলিব লাগিব। কৃত্ৰিম বানে গাঁৱৰ বানৰ দৰে ৰূপ ল'বও পাৰে, ই গোটেই চহৰখনক আধালৈকে ডুব যোৱাব পাৰে। আকৌ এফালে চালে, গেলা মেদযুক্ত পানীবোৰত অনবৰতে থাকিব লগা হ'লে অস্বস্তিকৰ পৰিৱেশ গঢ়ি উঠিব যিয়ে মানৱৰ অস্তিত্ব ম্লান কৰি দিব পাৰে আৰু তেতিয়া আমি হয়তো অনুভৱ কৰিম " কৃত্ৰিম বান আমি অকৃত্ৰিম মানৱৰ দান (!) "। সেইবাবে আমি সজাগ হ'ব লাগিব ; আমিয়েই হ'ব লাগিব ৰাজ্য, দেশ আৰু গোটেই বিশ্বৰ অতন্দ্ৰ প্ৰহৰী।

ফোন ঃ ৯১২৭২৪৭৫১৯

## বুৰঞ্জীবোৰ ক'ত হেৰাল

■ সত্যজিত গগৈ

বুৰঞ্জীয়ে আমাক বহু নজনা কথাৰ সম্ভেদ দিয়ে ।বহু শিকাই যায় নতুনকৈ। বিশেষকৈ বুৰঞ্জী পঢ়িলে সমাজ সচেতনতা বৃদ্ধি পায় ।সমাজত অপৰাধমূলক কামসমূহ নিয়ন্ত্ৰণত থাকে ।কিয়নো বুৰঞ্জীয়ে আমাৰ সকলোৰে অতীতৰ ৰীতি-নীতি,পৰম্পৰা,ভাষা-সংস্কৃতিৰ বিষয়ে উনুকিয়াই দিয়ে ।অৰ্থাৎ আমাৰ ঘাই শিপাডাল বুৰঞ্জীয়ে কঢ়িয়াই লৈ ফুৰে ।সেয়েহে আমি বুৰঞ্জী পঢ়া উচ্চিত ।আগতে অসম বুৰঞ্জী পাঠ্যপুথিৰ অন্তৰ্গত আছিল বাবেই সেই সময়ত অসম ইমান অশান্ত নাছিল ।সকলোৱে নিজৰ শিপাডালৰ বিষয়ে ভালকৈ জানিছিল আৰু বুজিছিল ।কিন্তু আজি কিছু বছৰৰ পৰা অসমৰ বুৰঞ্জী সমূহ লুকুৱাই দিয়া হ'ল ।লুকুৱাই নহয় আচলতে ধ্বংস কৰা হ'ল ।যাতে অসমৰ নৱ প্ৰজন্মই অতীতটোক পাহৰি নতুনত্বক আঁকোৱালী লয় ।ভৱামতেই কামবোৰ হ'ল ।নৱ প্ৰজন্মই নিজৰ অতীত নজনা হ'ল ।অসমৰ যি কেইজন নেতাই বুৰঞ্জী ধ্বংস কৰাৰ পৰিকল্পনা কৰিছিল ।তেওঁলোকৰ নাম উল্লেখ নকৰিলেও হয়তো অসমৰ জেষ্ঠ চিন্তাবিদ সকলে বুজিব পাৰিছেই ।এতিয়া সেই সকলৰ কথামতেই আজিৰ প্ৰজন্মই উঠা-বহা কৰিবলৈ শিকিছে ।যাৰ ফলশ্ৰুতিত আমি লাহে লাহে আমাৰ মাতৃভাষা হেৰুৱাইছো ।মাটি হেৰুৱাইছো ।এপদ-দুপদ কৈ আমাৰ সকলো সম্পদ হেৰুৱাই আহিছোঁ ।আমাৰ অসমৰ মুৰব্বী নিৰ্বাচনতো আমি ভুল কৰিছো ।এতিয়া সকলো ওলোতা হ'ল ।বুৰঞ্জী অনুসৰি ৰাজ্য শাসন কৰিব লাগিছিল কোনোবাই আৰু কৰি আছে কোনোবাই ।এতিয়া ৰাজ্যৰ শাসন কৰ্তাই সৰ্বচ্চ ।তেওঁ যি কয়,সেয়াই সত্য হ'য় ।যদিহে নৱ প্ৰজন্মই বা আমাৰ পিচৰ প্ৰজন্মই বুৰঞ্জী অধ্যয়ন কৰিলেহেঁতেন ।তেতিয়া নিশ্চয় অসম খন এনে অৱস্থালৈ নগলহেঁতেন ।এতিয়াও সময় আছে ।সকলোৱে বুৰঞ্জী পঢ়াৰ আগ্ৰহ কৰো আহক ।আমাৰ অতীতৰ বিষয়ে জানি বুজি লওঁ ।যাতে অন্য লোকে কূটবুদ্ধিৰে অসমখন ধ্বংস কৰিব নোৱাৰে। আমি অসমৰ জনগন সজাগ আৰু সচেতন হ'লেহে অসম বাচি থাকিব ।অন্যথা বুৰঞ্জীৰ দৰে অসমো নোহোৱা হ'ব।

ফোন ঃ ৭৩৯৯৬৬২৮৬৭

অণুগল্প—

■ মানসী বৰদলৈ

## বৰষুণ

প্ৰচণ্ড গতিত অহা বতাহ-বৰষুণজাত নিজৰ অজ্ঞাতে নিদ্ৰামগেন পূজাই উৰি থকা পাতল ব্লেংকেটখন বেছিকৈ গাত মেৰিয়াই ল'লে ।ৰাতিপুৱা তাই যেতিয়া চকু মেলে তেতিয়া ঘড়ীৰ কাঁটাত পুৱা ৯ বাজিছিল । টোপনিৰ নিচাত তাই একেবাৰেই পাহৰি পেলাইছিল- আজি যে বিকাশৰ জন্মদিন ।ৰাতি ১১:৪৫ মিনিটলৈকে তাই ভাবি আছিল ঠিক বাৰ বজাৰ লগে লগে বিকাশক জন্মদিনৰ শুভেচ্ছা জনাব বুলি ।আৰু যে কত কি তাই ভাবি ৰাখিছিল ! কিন্তু কি হ'ব; ভবা কথা ভাবোতেই থাকিল । বৰষুণজাকে সকলো পণ্ড কৰিলে ।ৰাতি ম'বাইল ফোনটো চাইলেন্ট মোডত থোৱাটোৱেও পৰিকল্পনা বাস্তৱ নোহোৱাত অৰিহণা যোগালে । বিকাশে কেইবাবাৰো পূজাক ফোন কৰিছিল ।কিন্তু ফোনটো চাইলেণ্ট মোডত থকাই... ।উঠিয়েই তাই বিকাশলৈ ফোন কৰিলে ।সি ক'লে ফোনটো ৰিচিভ কৰি, "তোমাক কেইবাবাৰো কল কৰিছিলোঁ, বাট নট ৰেচপণ্ডেড ।কালি যে কৈছিলোঁ যোৰহাটত জৰুৰী মিটিং এখন থকা বুলি, এতিয়া তালৈকেই গৈ আছোঁ ।



## সপোনবোৰ জানো পূৰণ হয় ?

■ নন্দেশ্বৰ মিলি

আমাৰ সপোনবোৰ জানো পূৰণ হয় ?আমি সকলোৱে সপোন দেখো ।জীৱনত বহুতো নতুন নতুন সপোন ৰচি আমি ভাল পাওঁ ।সেই সপোনৰ ৰঙীন বোকোচাত উঠি আমি বহুত দূৰ আগুৱাই যাওঁ ।কেতিয়াবা সেই সপোনৰ জখলাত আমি ইমানেই আগৱাঢ়ি যাওঁ যে কোনটো দিঠক কোনটো সপোন একো ধৰিবই নোৱাৰি ।তেতিয়া আমি তাক নিৰ্ণয় কৰাটো এক দূৰূহ কাম হৈ পৰে।

সপোন মানে আমি ৰাতি টোপনিত দেখা সপোনটোৰ কথা ইয়াত কোৱা হোৱা নাই ।সপোন মানে জীৱনত হ'ব খোজা লক্ষ্যৰ বিষয়ে কোৱা হৈছে।

সপোন চাবলৈ আমি সকলোৱে শিকিব লাগে ।অতি সৰু কালৰেপৰাই এনে সপোন চাবলৈ শিশুসকলক উৎসাহিত কৰা দৰকাৰ। কাৰণ এনে সপোনৰ আঁৰতে লুকাই থাকে আমাৰ জীৱনৰ দিশ নিৰ্দেশনাৰ বীজবোৰ ।সেই বীজবোৰ চিনাক্ত কৰি আমি সাৰ-পানী যোগাই ডাঙৰ-দীঘল কৰিব লাগিব ।তেতিয়াহে আমাৰ জীৱনৰ সাৰ্থকতা থাকিব।

অকল সপোন দেখিলেই নহ'ব ।তাক পৰিপূৰণ কৰিবৰ বাবে প্ৰচেষ্টা চলোৱাটো সমানেই জৰুৰী ।তাৰ বাবে আমি হাতে-কামে ধৰিব লাগিব ।এক সঠিক পথ আৰু প্ৰচেষ্টাৰ দ্বাৰা সেইবোৰ পৰিপূৰণ কৰিবলৈ যত্নপৰ হ'ব লাগিব ।কিছুমানৰ সপোন ফলিয়ায়,কিছুমানৰ নহয় ।যিসকলে সপোনবোৰ পাবৰ বাবে দিনে-নিশাই পৰিশ্ৰম কৰে,যিসকলে সপোনবোৰৰ বাবে পৰিকল্পনা কৰি আগৱাঢ়ি যায় তেওঁলোকে নমস্যৰ অধিকাৰী হৈ পৰে।

সপোন দেখা..সপোন পূৰণ নোহোৱা পৰ্যন্ত পৰিশ্ৰম কৰা। সপোনবোৰ আগত ৰাখি নিজৰ পথত আগৱাঢ়ি যোৱা ।কাৰণ সপোনবোৰ দেখিছা যেতিয়া তুমি নিজেই তাক বাস্তৱায়িত কৰাৰ পণ ল'ব লাগিব ।কোনোবাই আহি তোমাৰ সপোন পূৰণৰ বাবে কাম নকৰে ।সেয়ে নিজেই নিজৰ হাতত সপোনৰ দিশবোৰ ফঁহিয়াই চাব লাগিব।

সপোনবোৰ পূৰণৰ বাবে পৰিকল্পনা কৰি লোৱা ।পৰিকল্পনাই কামবোৰ কৰাৰ ক্ষেত্ৰত সহায় কৰিব ।পৰিকল্পনাই এক সঠিক সিদ্ধান্ত আৰু সঠিক পথ দেখুৱাব পাৰিব ।নহ'লে আমাৰ কামবোৰ খেলি-মেলি হোৱাৰ সম্ভাৱনাই অধিক।

সপোন চাবলৈ শিকাটো এক বুদ্ধিমানৰ কাম ।কিয়নো সপোনবোৰে মানুহক জীৱনৰ গতি প্ৰদান কৰে,জীৱন ঊৰ্ধ্বমুখী হোৱাত সহায় কৰে ।সপোন ৰচিব জনা মানুহবোৰক সৃষ্টিশীলতা আৰু গঠনমুখী হ'বলৈ প্ৰেৰণা দিয়ে ।গতিকে



সকলো মহৎ লোকসকলে নিশ্চয় সপোন ৰচিছিল আৰু তাক পূৰ্ণতা দিবৰ বাবে সাহস কৰিছিল।

সেয়ে আমি সময় থাকোতেই সপোনবোৰ চাবলৈ শিকিব লাগিব। আহক সকলোৱে সপোন ৰচোঁ। সপোনবোৰ দিঠকত পৰিণত কৰি আমাৰ জীৱনটোক সাৰ্থকতা প্ৰদান কৰি তাৰ মাদকতা বৃদ্ধি কৰোঁ।

ফোন ঃ ৮৬৩৮৮৮১৯৫৩

## বৰ্ষা

■ ৰিদীপ সোণোৱাল

বৰ্ষা বৰষুণ জাকত জীপাল
বসন্তৰ সেউজীয়া কুটীৰ
কোমল লাহী পাহি কুঁহিপাতত
নাচি বাগি ফুৰে পুৱাই চৰাইজনী।

চোতালৰ দুবৰি বনত
বৰষুণৰ চকু পানীয়ে বোৱাই আনে
বেৰৰ জলঙাইদি বৈ নিগৰি অহা
ৰাতিৰ বিছনাত শুই শুই
আকাশত তৰাৰ হিচাপ কৰা লোকজন।

দিনৰ দিনটোত হাজিৰা কৰিম বুলি
ৰাতিপুৱা বতৰটো চাই
নেৰানেপেৰা বৰষুণত দুখীয়া সপোন ভাগে
তথাপিও মূৰত গামোচা বান্ধি
গোটেই দিন কৰ্মৰ বাবে সাজু হয়।

ফোন ঃ ৯৩৬৫০৫৩৭৭৬



## ৰঘুনাথ

### গায়ত্ৰী দেৱী বৰঠাকুৰ

(শ্ৰদ্ধাৰ গল্পকাৰ অতনু ভট্টাচাৰ্য ছাৰৰ হাতত)

নিদানপুৰৰ ৰঘুনাথক
লগ নাপালেও

আপুনি কিবা অলপ হ'লেও
জানিব পাৰিছে নিশ্চয়
ৰঘুনাথৰ বিষয়ে

সম্প্ৰতি ৰঘুনাথ
আড্ডাৰ মূল আকৰ্ষণ

আপুনি জানি হয়তো আচৰিত হ'ব যে
ৰঘুনাথে গান গাবলৈ
লোৱা দিন ধৰি
বাঢ়ি গৈ আছে উচ্চতা
অস্বাভাৱিক ভাৱে

তদুপৰি ৰঘুনাথৰ গাত
ধৰা পৰিছে
এক আচৰিত ৰোগ

ৰঘুনাথৰ গাত কাপোৰ নাথাকে
চামচাবোৰৰ দৃষ্টিত 'ৰঘুনাথ ইজ গ্ৰেট'

ৰঘুনাথে কাপোৰ খোলে আৰু খোলে
ৰঘুনাথে আৰু খুলি গৈ থাকে নিজকে
খান্দি থাকে
নিজকে
খুঁচৰি থাকে
নিজকে

ৰঘুনাথক সিজাই থাকে
ফেন-ফল'ৱাৰছে

ৰঘুনাথ সিজি থাকে

সিজি থাকে
আৰু সিজি থাকে
নিজৰ অজানিতে

চুলিৰ আগৰ পৰা ভৰিৰ আঙুলিলৈকে
কিন্তু হঠাতে এদিন
ক্ৰমে চাপৰ হৈ আহিল ৰঘুনাথ

সমজুৱা দুই-এক আকুল কণ্ঠই
ৰঘুনাথক
কাপোৰ পিন্ধাৰ কথা ক'লে
টাইমিং চাওক তেৰা সৰৰ

আপুনিও বুজক শিকক অলপ

এসময়ত
পাঁচ ফুট চাৰি ইঞ্চিৰ পৰা
একৈশ ফুটীয়া হোৱা

ৰঘুনাথৰ দুচকুত পানী
কিয়
জানিবৰ বাবে আপুনি
লগ কৰিব লাগিব
ৰঘুনাথৰ অতনু পিতৃক

তেওঁহে জানিব ৰঘুনাথক
ৰঘুনাথৰ আদ্যোপান্ত

মই পাঠক
পাঠকৰ ভূমিকা
সদায় নমনীয় হোৱা উচিত

নহয় জানোঁ

বুঢ়াৰ চকুত জ্ঞানৰ তিৰবিৰণি
ডেকাই বোলে
সেইবোৰ কি ফাল্টু অ'

ৰ'ব
কাহিনীটো ইমানতে
শেষ হোৱা নাই

বৰষুণৰ আবেলি এটাত
'সত্য যে কেতিয়াবা গল্পতকৈও বেছি আচহুৱা'
এই কথাটো জানিবলৈ থাকি গ'ল
শ্ৰদ্ধাৰ অনুৰাধা বাইদেউৰ

আনহাতে
গল্পকাৰে বঢ়াই থাকিল
ৰঘুনাথৰ উচ্চতা
গল্পটোৰ এটা ওপৰঞ্চি অংশত.....

ফোন ঃ ৮৮২২৯৪৩০৬৪

# ইণ্টাৰভিউ

■ জোনা কোঁৱৰ



পুৱা ঠিক ৫ মান বজাতে ৰিমঝিমৰ ফোনটো বাজি উঠিল। চকা-মকাকৈ কেঁচা টোপনিৰ আমেজ আঁতৰাই ৰিমঝিম বিছনাৰ পৰা উঠি আহিল। কাৰ ফোন হ'ব পাৰে ইমান ৰাতিপুৱাই! কথা এষাৰ আছে নহয় মাছৰ চিকুন মোৱা, টোপনিৰ চিকুন পুৱা। বিছনাৰ হেড বক্সৰ ওপৰৰ পৰা ফোনটো লাহেকৈ চাই দেখিলে ভানুমতীৰ ফোন। ৰিমঝিমে ফোনটো ৰিচিভ কৰিলে আৰু সুধিলে, 'কি হ'ল? ৰাতিপুৱাই যে ফোন কৰিলি।' ভানুমতীয়ে ক'লে, 'বাইদেউ মই আজি কামলৈ যাব নোৱাৰিম। মোৰ বেটাৰ আজি জন্মদিন। সেয়েহে আপুনি অফিচলৈ যোৱাৰ আগতে কথাষাৰ জনাই থৈছোঁ।' ৰিমঝিমে ফোনতে কথাষাৰ শুনি ধৰিব পাৰিছে ভানুৰ মনত যে কিমান আনন্দ! ভানুৰ কথাৰ সুৰত যিমানেই আনন্দ ভাঁহি আহিছে ৰিমঝিমৰ মন সিমানেই দুখেৰে ভৰি পৰিছে।

গিৰিয়েক ৰবিয়ে তেতিয়াও নিচিন্তমনে শুয়েই আছে। কাষত জীয়েক বুলবুলি। ৰাতি জীয়েকৰ অলপ অলপ জ্বৰো উঠিছিল। ৰিমঝিমে এতিয়া কি কৰিব উৱাদিহ পোৱা নাই। আজিৰ বিশেষ দিনটোতহে এনেকুৱা হ'বলৈ পালে বুলি মুখৰ ভিতৰতে কিবাকিবি ভোৰভোৰালে। গোটেই দিনটোৰ কাৰণে গিৰিয়েক, জীয়েক আৰু শাহুৱেকৰ বাবে যে সকলোখিনি যোগাৰ কৰি থৈ যাব লাগিব। নহ'লে যে শাহুৱেকে পুতেকক কিমান কি কথা লগাব ঠিক নাই। অফিচ পাবগৈ লাগিব আঠ বজাত। বাটত গাড়ীৰ ভিৰৰ কথা আছেই। আজিৰ বিশেষ দিনটোতে আছিল তাইৰ বাবে ভাগ্য পৰীক্ষা। যদিহে তাই ইণ্টাৰভিউটো সময়মতে দিব নোৱাৰে তেতিয়া তিনিবছৰে কৰি থকা চাকৰিটো হেৰুৱাব লগীয়াও হ'ব পাৰে। ৰিমঝিমে এটা প্ৰাইভেট কোম্পানীত চাকৰি কৰে। তাই খৰখেদাকৈ কামবোৰ কৰিবলৈ ধৰিলে। নিৰ্দিষ্ট ঠাইত প্ৰত্যেকলৈকে খোৱা বস্তুবিলাক থ'লে।

অন্যদিনা ভানু আহে যদিও বাহিৰা কামখিনিহে কৰে আৰু ৰিমঝিমৰ জীয়েকক চোৱাচিতা কৰে। বাকী পাকঘৰৰ কাম বিলাক ৰিমঝিমেই কৰে। আজি গোটেইখিনি কৰিবলৈ পাই বাচন-বৰ্তন বিলাক ধোওঁতে-থওঁতে শব্দ হ'বলৈ ধৰিছে। বাচনৰ শব্দ শুনি শোৱাপাটিৰ পৰা গিৰিয়েকে মাত লগালে 'আন ঘৰৰ তিৰোতাইও সকলো বিলাক কাম নিজেই কৰি থাকে। তুমি আজিহে কৰিবলৈ পাইছা।' কথাষাৰ শুনি ৰিমঝিমৰ আৰু বেছিকৈহে খং উঠিল। যেন জ্বলা জুইত ঘিউহে ঢালিলে। তেতিয়া ৰিমঝিমে ক'লে, 'আনৰ ঘৰৰ গিৰিয়েকে যে মানুহ গৰাকীক সকলো কামতে সহায় কৰি দিয়ে। তুমিতো মোক কোনো এটা কামতে আজিলৈকে সহায় কৰি পোৱা নাই।' ৰবি আৰু ৰিমঝিমৰ কথা-বতৰা বিলাক শাহুৱেকেও বিচনাৰ পৰা শুনি আছিল। তেওঁ লাহেকৈ উঠি বহিল। বোৱাৰীয়েকৰ এনেবোৰ কেটেৰা-জেঙেৰা মৰা কথাৰ কাৰণে পুতেকৰ লগত থাকিবলৈ ইচ্ছা কৰা নাছিল। পুতেকক বেয়াকৈ ক'লে মাকে মনত বৰ দুখ পায়। মানুহজন থকালৈকে দুয়োজন গাঁৱৰ ঘৰতে আছিল। এতিয়া উপায়ো নাই। বয়স বাঢ়ি আহিছে আৰু মানুহজন ঢুকুৱাৰ পিছতহে পুতেকৰ ঘৰলৈ আহিছে। মানুহজন থকালৈকে কোনোদিন পুতেকৰ ঘৰত থাকিয়েই নাপালে।

ৰিমঝিমেও অফিচলৈ যোৱাৰ আগতে এনেবোৰ অসুবিধা হোৱাৰ বাবে শাহুৱেক গাঁৱৰ ঘৰৰ পৰা অহাৰ আগতে এগৰাকী ৰান্ধনীও ৰাখিছিল। কিন্তু এতিয়া শাহুৱেক আহি থকাৰ পৰা তাইকো এৰি দিব লগীয়া হ'ল। শাহুৱেক পুৰণি দিনৰ মানুহ। বহুত নীতি-নিয়মৰ মাজত চলে। বাহিৰা মানুহে মূল পাকঘৰত সোমোৱাটো পচন্দ নকৰে। আনে কৰা কামো তেওঁ সিমান ভাল নাপায়।

বোৱাৰীয়েকৰ কথা-বতৰাবিলাক শুনি শাহুৱেকে মাত লগালে। 'মই থকাৰে পৰা চোন বুলবুলিৰ লগত অকণমানো সময় কটোৱা দেখা নাই। সকলোবোৰ চোন ভানুৱেই আলপৈচান ধৰে। নাতিনীজনীৰ ওচৰত সময় কটাবলৈ তোমালোকৰ সদায়েই সময় নোলায়।' শাহুৱেকৰ কথাবোৰে তাইক হুলে বিন্ধাদি বিন্ধিবলৈ ধৰিলে। এইবোৰ কথা-বতৰাত লাগি থাকোতে সময়যে বহুত হ'ল। ৰিমঝিমে ঘড়ীটোলৈ চাই সময় দেখিলে আৰু তাইৰ গাটো কঁপিবলৈ ধৰিলে।

ৰিমঝিমৰ খোজ ক'ত পৰিছে তাই গম পোৱা নাই। আগদিনা অফিচাৰজনে কোৱা কথাবোৰ তাইৰ মনলৈ বাৰে বাৰে আহিল। ইফালে বুলবুলিৰো জ্বৰ বাঢ়িবলৈ ধৰিলে। সৰু ৰুমাল এখনকে তিয়াই লৈ বুলবুলিৰ কপালত লগাই দিলে। সেই সময়তে শাহুৱেকে মাত লগালে, 'আজি তোমাৰ অফিচলৈ নগ'লে নহয়নে? ইমান জ্বৰ উঠি থকা ছোৱালীজনীক এৰি থৈ অফিচলৈ যাবলৈ মন গৈছেনে?' সিটো কোঠাৰ পৰা গিৰিয়েকেও মাত লগালে, 'তুমিতো ছোৱালীজনীক কোনো কাৰণতে সময় দিব নোৱাৰা, কেৱল মা আৰু ভানুৰ হাততে দিনৰ দিনটো এৰি থৈ অফিচৰ কামত ব্যস্ত থাকা।' কথাষাৰ শুনি ৰিমঝিমে ৰবিক ক'লে, 'ছোৱালীৰ দায়িত্ব কেৱল মাকৰহে নেকি? তুমিওটো তাইৰ দেউতাক। তোমাৰ একো দায়িত্ব নাইনেকি? প্ৰতিটো কথাতে কেৱল যে মোৰ গাতহে দোষ দিয়া। ল'ৰা-ছোৱালীৰ দায়িত্ব মাক-দেউতাক দুয়োৰে সমানে থাকিব লাগে।' কথাকেইষাৰ কৈ ৰিম্‌ঝিম আকৌ ছোৱালীজনীৰ ওচৰলৈ গ'ল। তাইক দেখি ৰিমঝিমৰ মনটো বেয়াও লাগিল। এফালে চাকৰিটো পোৱাৰ আশা আৰু আনফালে জ্বৰ উঠি থকা ছোৱালীজনী এৰি যোৱাৰ হতাশা। তথাপিও যাবই লাগিব। শাহুৱেকে পেটে পেটে বৰ ভাল নাপালে। মাকৰ লগতে ৰবিয়েও বৰ ভাল নাপালে। ভাল পাই বিয়া কৰোৱাৰ কাৰণে বৰ বেছি ক'বও নোৱাৰে।

এনেতে শাহুৱেকে বোৱাৰীয়েকক ক'লে, 'মোক চাহ একাপ দিবলৈ তোমাৰ সময় হ'বনে?' শাহুৱেকৰ মাতত তাই চক খাই উঠিল। ইমান সময়ে দিনটোৰ বাবে যা-যোগাৰ কৰি থাকোতে যে শাহুৱেকক চাহ একাপ দিয়া হোৱাই নাই নহয়। তাই ৰ'ব মা আনিছো বুলি আকৌ পাক ঘৰলৈ বেগাই গ'ল। ইফালে ঘড়ীৰ কাটা দ্ৰুতগতিত আগবাঢ়িছে। যিমানে আগবাঢ়িছে সিমানে ৰিমঝিমৰ বুকুৰ ধপধপনি বাঢ়িছে। তেতিয়া জীয়েক বুলবুলি, গিৰিয়েক ৰবি আৰু শাহুৱেক তিনিও কথাত মছগুল হৈ আছিল। সেই সময়ত তাত যে তাইৰ বাবে স্থান নহ'ব সেয়া তাই ভালদৰে জানে। কাৰণ ৰিমঝিমৰ লগত শাহুৱেকে মুকলিমুৰীয়াকৈ এষাৰো কথা পতি পোৱা নাই। ৰবিয়ে তাইক পলুৱাই অনাৰ পাছত জীয়েক বুলবুলি জন্ম হোৱা তিনিবছৰ হ'বৰে হ'ল। কিন্তু তাইক বোৱাৰী হিচাপে আজিও শাহুৱেকে মানি ল'ব পৰা নাই। চাহকাপ দিওঁতে শাহুৱেকে আকৌ ক'লে, 'আজি তোমাৰ অফিচলৈ নগ'লে নহয়নে? মোৰ কাৰণে নহয়, বুলবুলিক কাৰণেহে। কাৰণ ল'ৰা-ছোৱালীৰ গা-মূৰ বেয়া হ'লে মাকক হে বেছিকৈ কাষত বিচাৰে।'

ৰিমঝিম দৌৰি গৈ আকৌ জীয়েকৰ ওচৰ পালেগৈ। ৰিমঝিমে জীয়েকৰ কপালত হাতখন দি চালে। জ্বৰ অলপ পাতল হোৱা যেন অনুমান হ'ল। বুলবুলিয়ে হাতত এটা চকলেট লৈ লাহে লাহে খাই আছে। খাই থকা দেখি ৰিমঝিমৰ মনটো অলপ পাতলিল। তাৰপাছত শাহুৱেকক ক'লে, 'আজিযে মই যাবই লাগিব মা। আজিৰ দিনটোতে আছে ভৱিষ্যতৰ চাবি-কাঠি। দেৰি হ'লে যে হ'ব লগীয়া কামটো হাততে হেৰুৱাব লাগিব।' এই বুলি কৈ তাই কোম্পানীৰ ইউনিফৰ্মযোৰ পিন্ধি গাড়ীলৈ বুলি ওলাই গ'ল।

বোৱাৰীয়েক ওলাই যোৱাৰ পাছত মাকে পুতেক ৰবিক ক'লে, 'চা ৰবি তোক মই আগতেই কৈছিলো এইজনী ছোৱালী আনিব নালাগে। তই আমাৰ কথা-বতৰা নুশুনিলি। এতিয়া চা নিজৰ জীয়েকৰ এনে অৱস্থাতো তাই মতা মানুহৰদৰে পেণ্ট-চাৰ্ট পিন্ধি ওলাই গৈছে।' পুতেকে ক'লে 'হ'ব মা, আজিৰ দিনটোৰ কাৰণে মইয়ে ছুটি ল'ম। তুমি ইমান চিন্তা কৰিব নালাগে। সাজ-পোছাক চাই তুমি মানুহৰ অন্তৰ বুজি নোপোৱা। তাইৰ স্বভাৱ-চৰিত্ৰ তুমি ভবাৰ দৰে নহয়। তাই বহুত ভাল ছোৱালী। তাইৰ অন্তৰখন বৰ কোমল। মই তাইক ভালদৰে জানো। অফিচত কিছুমান কাম কৰোতে অসুবিধা হোৱাৰ বাবেহে এনেধৰণে যাব লগা হৈছে। তুমি কোৱাৰ দৰে তাই পিন্ধা সাঁজযোৰ বেয়া বুলি তাইও জানে তথাপি তাই পিন্ধি যাবই লাগিব। তুমি আমাৰ ঘৰলৈ অহাৰ পৰাই প্ৰত্যেক দিনে যে ৰিমঝিমৰ বদনাম গাই থাকা আৰু মই তুমি কোৱা কথাবোৰ সঁচা বুলি ভাবি তাইক বহুত কষ্ট দিলো। তুমি মনত কষ্ট পোৱা বুলি মই তোমাৰ কোনো কথাতে মাত মতা নাছিলো। আজি কিন্তু মই মাত মাতিবলৈ বাধ্য হৈছো। কাৰণ মোৰো আজি-কালি তোমাৰ এনেবোৰ কথা শুনি শুনি আমনি লগা হৈছে। তোমাকে দেখুৱাই তাইক বহুতো নক'ব লগীয়া কথা ক'লো। তাই কিন্তু তোমাৰ বিৰুদ্ধে কোনো কথা আজিলৈকে একো নক'লে। তাইয়ো বুজি পায়, তুমি অহাৰে পৰা তোমাৰ কিছুমান কথা-বতৰাই যে মোকো সলনি কৰি পেলাইছে। সেয়েহে তাই একো নকয়। তাই কিন্তু নিজৰ দায়িত্বখিনি সদায়ে সুচাৰুৰূপে পালন কৰি আহিছে। তথাপিও তুমি ইমান দুখ খুচৰি থাকা। ক'লে বেয়া পোৱা বুলিহে মইও বহুত কথা তোমাক নকওঁ। ক'লে যে তুমি মোকো বেয়া পাবা। মা, তুমি যদি মনৰ সজীবতা ধৰি ৰাখিব বিচৰা তেন্তে সকলো কথাকে সহজভাৱে গ্ৰহণ কৰিবলৈ শিকা। কাৰণ জটিলতাই কেৱল উদ্বিগ্নতাহে বঢ়াই তোলে।'

ৰিমঝিমে আধাঘণ্টা দেৰিকৈ কোম্পানীৰ অফিচৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰিলে। খৰধৰকৈ ইণ্টাৰভিউ হোৱা কোঠালৈ আগবাঢ়ি গ'ল। দুৱাৰত টোকৰ মাৰিলে। অলপ পিছত বন্ধ দুৱাৰখন খোল খালে। ইতিমধ্যে ইণ্টাৰভিউ শেষ হৈছে। কোম্পানীটো চলাবৰ কাৰণে নতুনকৈ এজনক দায়িত্ব দিয়া হৈছে। নতুন মানুহজন চকীখনত বহি থকা দেখি ৰিমঝিম জ্বৰে ঘমাদি ঘামিবলৈ ধৰিলে। কাৰণ যিখন চকীৰ আশাত তাই ইণ্টাৰভিউ দিবলৈ আহিছিল অকণমান সময় দেৰি হোৱাৰ কাৰণেই সকলোবোৰ ওলট-পালট হৈ গ'ল। তাইতকৈ এজন জুনিয়ৰ ল'ৰাক কোম্পানীটোৰ মালিকে সেই দায়িত্ব অৰ্পন কৰিলে। তাৰমানে তাই ইমান বছৰে নিয়মিত অহা-যোৱা কৰাৰ কোনো ফল নাপালে। আজিৰ এই জটিল পৃথিৱীখনত 'জোৰ যাৰ মুলুক তাৰ' কথাষাৰ সত্য বুলি প্ৰমাণিত হ'ল। তাই সকলোকে সহজভাৱে আপোন কৰি ল'ব পাৰে। কোমলমতীয়া মনটোৰ কাৰণে তাই য'তে ত'তে ঠগ খাবলগীয়া হয়।

তাই সেইদিনাখন অফিচৰ পৰা সোনকালে গুচি আহিল। ঘুৰি আহোঁতে বিভিন্ন কথাবোৰ তাইৰ মনলৈ আহিল। লগতে নিজে নিজে এটা সিদ্ধান্ত ল'লে। তাই এইটো কোম্পানীত আৰু চাকৰি নকৰে। পিছদিনা কেৱল চাকৰিৰ অব্যাহতি পত্ৰখন দিবলৈহে যাব। কিছু সময়ৰ পাছত তাই ঘৰ পালেহি। পোনে পোনে তাই জীয়েক বুলবুলিৰ ওচৰলৈ গ'ল। বুলবুলিয়ে তেতিয়া আইতাকৰ লগত খেলি আছিল। তোমাৰ জ্বৰ কমিছেনে বুলি মাতষাৰ লগাই ৰিমঝিম বাথৰূমত সোমাল। জীয়েকেও মাক অহাৰ গম পাই আনন্দতে জপিয়াবলৈ ধৰিলে। ৰিমঝিমে তাইৰ সেমেকি থকা চকুহাল ভালধৰণে ধুই ওলাই আহিল। বুলবুলিক কোলাত তুলি লৈ ৰিমঝিমে এটা মৰমৰ চুমা খালে। জীয়েকে কিন্তু মাকক খঙেৰে ক'লে 'মই তোমাক বেয়া পাইছো, তুমি মোৰ লগত নাথাকা। সদায় সদায় মোক এৰি গুচি যোৱা। তোমালৈ মোৰ মনত পৰি থাকে।' ৰিমঝিমে জীয়েকৰ মনৰ কথাবোৰ বুজি পালে। লগতে ক'লে 'মই আজিৰ পৰা তোমাৰ লগতে থাকিম। কোনো দিন আৰু অফিচলৈ নাযাওঁ।' এই বুলি কৈ জীয়েকক জোৰেৰে সাবটি ধৰিলে।

ফোন ঃ ৮৮১২০৫৩০৭৫

# কৃত্ৰিম বান অকৃত্ৰিম মানৱৰ দান ( ! )

■ সুশান্ত দাস



নিতৌ ন ন প্ৰযুক্তিৰ উদ্ভাৱনত প্লাষ্টিক জাতীয় সামগ্ৰী দৈনন্দিনভাৱে দম দম কৰি পেলোৱাৰ ফলত নলা-নৰ্দমাবোৰত জাবৰেৰে ঠাহ খাই পৰিছে। যাৰ ফলস্বৰূপে এজাক ডাঙৰ বৰষুণ দিলেই নলাবোৰত পানী আগবাঢ়ি যাব নোৱাৰা হৈ কৃত্ৰিম বানৰ সৃষ্টি কৰে

বৰ্তমান সমগ্ৰ অসমত বানৰ বিভীষিকা ( ! ) এই বিভীষিকাময় পৰিস্থিতিত মানুহৰ নাজল-নাথল অৱস্থা হৈছে। গাওঁ অঞ্চলত হোৱা বানে সমগ্ৰ অসমকে সন্ত্ৰস্ত কৰিছে। কিন্তু নগৰ অঞ্চলৰ বানৰ ক্ষেত্ৰত কি ক'ম ( ? ) নগৰ অঞ্চলত বান হোৱাটো প্ৰায় শুনি আহিছোঁ। ইয়াৰ আঁৰৰ ৰহস্য বিছাৰিলে আমি আমাৰেই অকৃতকাৰ্যতা দেখিবলৈ পাওঁ। আমি অতৰ্কিতে পেলোৱা জাৱৰ-জোথৰৰ কথা ক'ব পাৰি। নিতৌ ন ন প্ৰযুক্তিৰ উদ্ভাৱনত প্লাষ্টিক জাতীয় সামগ্ৰী দৈনন্দিনভাৱে দম দম কৰি পেলোৱাৰ ফলত নলা-নৰ্দমাবোৰত জাবৰেৰে ঠাহ খাই পৰিছে। যাৰ ফলস্বৰূপে এজাক ডাঙৰ বৰষুণ দিলেই নলাবোৰত পানী আগবাঢ়ি যাব নোৱাৰা হৈ কৃত্ৰিম বানৰ সৃষ্টি কৰে। বৰ্তমান সামাজিক মাধ্যমত আকৌ এচামে সেই বানৰ তথ্যচিত্ৰ খুহুতীয়া গানৰ তালত প্ৰচাৰ কৰি অকৃত্ৰিম মানৱৰ যন্ত্ৰৱৎ অৱস্থা আৰু নিজৰ প্ৰমাদবোৰৰ স্বৰূপ দাঙি ধৰিছে।

আই প্ৰকৃতি আজি বৰকৈয়ে ৰুষ্ট ( ! ) নহ'বনো কিয়( ? ) নিজ পুত্ৰ-পুত্ৰীৰ দ্বাৰাই যেতিয়া ৰুগীয়া হৈ পৰিছে। কেতিয়া বুজিব এই ৰুগ্ন পৃথিৱীৰ হৃদয়বিদাৰক গাঁথা জীৱশ্ৰেষ্ঠ মানৱে। বৰ্তমান প্ৰেক্ষাপটত মহানগৰী গুৱাহাটীত কৃত্ৰিম বানে বিৰূপ প্ৰভাৱ দেখাইছে। বহুতো ৰাইজ সচেতন যদিও বহু দায়িত্বহীন , অসচেতন। যান্ত্ৰিক জীৱনৰ আনন্দ লোৱাত ব্যতিব্যস্ত হোৱাৰ বাবে প্ৰকৃতিৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন নকৰে। লাখ লাখ টন পষ্টিক দিনে দিনে, বছৰে বছৰে ব্যৱহাৰ হৈ আহিছে হ'লেও ৰাইজে বুজিব নুবুজাৰ ভাও কৰি পষ্টিকবোৰৰ ব্যৱহাৰ এৰাই চলা নাই। ই কম দামী বাবে ইয়াক সকলোৱে আদৰি লৈছে কিন্তু এই কম দামী পষ্টিকে মানুহৰ বহুমূলীয়া জীৱন নিমিষতে শেষ কৰি দিবলৈ পাশুপাত অস্ত্ৰ হ'বলৈ গৈ আছে। কৃত্ৰিম বানৰ এটা প্ৰধান কাৰণ এই অনিয়মিতভাৱে পষ্টিক ব্যৱহাৰ। এইবোৰ নলীত জমা হৈ লাগি ধৰে আৰু পানীৰ চলাচলত অসুবিধা প্ৰদান কৰে যাৰ ফলত বৰষুণ দিলেই দুৰ্গন্ধিযুক্ত গেলা পানীবোৰ গোটেই মহানগৰীত উপচি পৰে আৰু উপায়হীন হৈ মানুহেও ইয়াৰ ওপৰেদি খোজ কাঢ়ি জীৱন যুঁজৰ বাবে ওলায় যায়। মানৱ সমাজ সচেতন নহ'লে কোন সচেতন হ'ব ( ? ) কোনে জাতিৰ ভৱিষ্যৎ ৰক্ষা কৰিব ( ? ) এতিয়া অদৃষ্টৰ ওপৰত আস্থা ৰাখি হাতত হাতত থৈ বহি থাকিলে নহ'ব , হাতে-কামে সকলো লাগিব লাগিব। আমি যিমান পাৰো পষ্টিক ব্যৱহাৰ কমাব লাগিব। কৃত্ৰিম বানে এতিয়াৰ ৰূপতকৈ আৰু বিৰূপ ক্ৰিয়া প্ৰকাশ কৰিব পাৰে যদিহে সমাজ সচেতন নহয় ( ! ) আমি আমাৰ দেশৰ কংক্ৰীট অৰণ্যত বাস কৰো যদিও আমি মনত পেলাব লাগিব আমি আদিমত এই প্ৰকৃতিৰ ছায়াঁত বাস কৰিছিলোঁ।এই প্ৰকৃতিক আমি আকৌ আগৰ দৰে মনোমোহা কৰি তুলিব লাগিব। কৃত্ৰিম বানে গাঁৱৰ বানৰ দৰে ৰূপ ল'বও পাৰে, ই গোটেই চহৰখনক আধালৈকে ডুব যোৱাব পাৰে। আকৌ এফালে চালে , গেলা মেদযুক্ত পানীবোৰত অনবৰতে থাকিব লগা হ'লে অস্বস্তিকৰ পৰিৱেশ গঢ়ি উঠিব যিয়ে মানৱৰ অস্তিত্ব ম্লান কৰি দিব পাৰে আৰু তেতিয়া আমি হয়তো অনুভৱ কৰিম " কৃত্ৰিম বান আমি অকৃত্ৰিম মানৱৰ দান ( ! ) "। সেইবাবে আমি সজাগ হ'ব লাগিব ; আমিয়েই হ'ব লাগিব ৰাজ্য, দেশ আৰু গোটেই বিশ্বৰ অতন্দ্ৰ প্ৰহৰী।

ফোন ঃ ৯১২৭২৪৭৫১৯

# বুৰঞ্জীবোৰ ক'ত হেৰাল

■ সত্যজিত গগৈ

বুৰঞ্জীয়ে আমাক বহু নজনা কথাৰ সম্ভেদ দিয়ে ।বহু শিকাই যায় নতুনকৈ। বিশেষকৈ বুৰঞ্জী পঢ়িলে সমাজ সচেতনতা বৃদ্ধি পায় ।সমাজত অপৰাধমূলক কামসমূহ নিয়ন্ত্ৰণত থাকে ।কিয়নো বুৰঞ্জীয়ে আমাৰ সকলোৰে অতীতৰ ৰীতি-নীতি,পৰম্পৰা,ভাষা-সংস্কৃতিৰ বিষয়ে উনুকিয়াই দিয়ে ।অৰ্থাৎ আমাৰ ঘাই শিপাডাল বুৰঞ্জীয়ে কঢ়িয়াই লৈ ফুৰে ।সেয়েহে আমি বুৰঞ্জী পঢ়া উচ্চিত ।আগতে অসম বুৰঞ্জী পাঠ্যপুথিৰ অন্তৰ্গত আছিল বাবেই সেই সময়ত অসম ইমান অশান্ত নাছিল ।সকলোৱে নিজৰ শিপাডালৰ বিষয়ে ভালকৈ জানিছিল আৰু বুজিছিল ।কিন্তু আজি কিছু বছৰৰ পৰা অসমৰ বুৰঞ্জী সমূহ লুকুৱাই দিয়া হ'ল ।লুকুৱাই নহয় আচলতে ধ্বংস কৰা হ'ল ।যাতে অসমৰ নৱ প্ৰজন্মই অতীতটোক পাহৰি নতুনত্বক আঁকোৱালী লয় ।ভৱামতেই কামবোৰ হ'ল ।নৱ প্ৰজন্মই নিজৰ অতীত নজনা হ'ল ।অসমৰ যি কেইজন নেতাই বুৰঞ্জী ধ্বংস কৰাৰ পৰিকল্পনা কৰিছিল ।তেওঁলোকৰ নাম উল্লেখ নকৰিলেও হয়তো অসমৰ জেষ্ঠ চিন্তাবিদ সকলে বুজিব পাৰিছেই ।এতিয়া সেই সকলৰ কথামতেই আজিৰ প্ৰজন্মই উঠা-বহা কৰিবলৈ শিকিছে ।যাৰ ফলশ্ৰুতিত আমি লাহে লাহে আমাৰ মাতৃভাষা হেৰুৱাইছো ।মাটি হেৰুৱাইছো ।এপদ-দুপদ কৈ আমাৰ সকলো সম্পদ হেৰুৱাই আহিছোঁ ।আমাৰ অসমৰ মুৰব্বী নিৰ্বাচনতো আমি ভুল কৰিছো ।এতিয়া সকলো ওলোতা হ'ল ।বুৰঞ্জী অনুসৰি ৰাজ্য শাসন কৰিব লাগিছিল কোনোবাই আৰু কৰি আছে কোনোবাই ।এতিয়া ৰাজ্যৰ শাসন কৰ্তাই সৰ্বচ্চ ।তেওঁ যি কয়,সেয়াই সত্য হ'য় ।যদিহে নৱ প্ৰজন্মই বা আমাৰ পিচৰ প্ৰজন্মই বুৰঞ্জী অধ্যয়ন কৰিলেহেঁতেন ।তেতিয়া নিশ্চয় অসম খন এনে অৱস্থালৈ নগলহেঁতেন ।এতিয়াও সময় আছে ।সকলোৱে বুৰঞ্জী পঢ়াৰ আগ্ৰহ কৰো আহক ।আমাৰ অতীতৰ বিষয়ে জানি বুজি লওঁ ।যাতে অন্য লোকে কূটবুদ্ধিৰে অসমখন ধ্বংস কৰিব নোৱাৰে। আমি অসমৰ জনগন সজাগ আৰু সচেতন হ'লেহে অসম বাচি থাকিব ।অন্যথা বুৰঞ্জীৰ দৰে অসমো নোহোৱা হ'ব।

ফোন ঃ ৭৩৯৯৬৬২৮৬৭

অণুগল্প—

■ মানসী বৰদলৈ

# বৰষুণ

প্ৰচণ্ড গতিত অহা বতাহ-বৰষুণজাত নিজৰ অজ্ঞাতে নিদ্ৰামগেন পূজাই উৰি থকা পাতল ব্লেংকেটখন বেছিকৈ গাত মেৰিয়াই ল'লে । ৰাতিপুৱা তাই যেতিয়া চকু মেলে তেতিয়া ঘড়ীৰ কাঁটাত পুৱা ৯ বাজিছিল । টোপনিৰ নিচাত তাই একেবাৰেই পাহৰি পেলাইছিল- আজি যে বিকাশৰ জন্মদিন । ৰাতি ১১:৪৫ মিনিটলৈকে তাই ভাবি আছিল ঠিক বাৰ বজাৰ লগে লগে বিকাশক জন্মদিনৰ শুভেচ্ছা জনাব বুলি । আৰু যে কত কি তাই ভাবি ৰাখিছিল ! কিন্তু কি হ'ব; ভবা কথা ভাবোতেই থাকিল । বৰষুণজাকে সকলো পণ্ড কৰিলে । ৰাতি ম'বাইল ফোনটো চাইলেন্ট মোডত থোৱাটোৱেও পৰিকল্পনা বাস্তৱ নোহোৱাত অৰিহণা যোগালে । বিকাশে কেইবাবাৰো পূজাক ফোন কৰিছিল । কিন্তু ফোনটো চাইলেণ্ট মোডত থকাই... । উঠিয়েই তাই বিকাশলৈ ফোন কৰিলে । সি ক'লে ফোনটো ৰিচিভ কৰি, "তোমাক কেইবাবাৰো কল কৰিছিলোঁ, বাট নট ৰেচপণ্ডেড । কালি যে কৈছিলোঁ যোৰহাটত জৰুৰী মিটিং এখন থকা বুলি, এতিয়া তালৈকেই গৈ আছোঁ ।



# সপোনবোৰ জানো পূৰণ হয় ?

■ নন্দেশ্বৰ মিলি

আমাৰ সপোনবোৰ জানো পূৰণ হয় ?আমি সকলোৱে সপোন দেখো ।জীৱনত বহুতো নতুন নতুন সপোন ৰচি আমি ভাল পাওঁ ।সেই সপোনৰ ৰঙীন বোকোচাত উঠি আমি বহুত দূৰ আগুৱাই যাওঁ ।কেতিয়াবা সেই সপোনৰ জখলাত আমি ইমানেই আগৰাঢ়ি যাওঁ যে কোনটো দিঠক কোনটো সপোন একো ধৰিবই নোৱাৰি ।তেতিয়া আমি তাক নিৰ্ণয় কৰাটো এক দুৰূহ কাম হৈ পৰে।

সপোন মানে আমি ৰাতি টোপনিত দেখা সপোনটোৰ কথা ইয়াত কোৱা হোৱা নাই ।সপোন মানে জীৱনত হ'ব খোজা লক্ষ্যৰ বিষয়ে কোৱা হৈছে।

সপোন চাবলৈ আমি সকলোৱে শিকিব লাগে ।অতি সৰু কালৰেপৰাই এনে সপোন চাবলৈ শিশুসকলক উৎসাহিত কৰা দৰকাৰ। কাৰণ এনে সপোনৰ আঁৰতে লুকাই থাকে আমাৰ জীৱনৰ দিশ নিৰ্দেশনাৰ বীজবোৰ ।সেই বীজবোৰ চিনাক্ত কৰি আমি সাৰ-পানী যোগাই ডাঙৰ-দীঘল কৰিব লাগিব ।তেতিয়াহে আমাৰ জীৱনৰ সাৰ্থকতা থাকিব।

অকল সপোন দেখিলেই নহ'ব ।তাক পৰিপূৰণ কৰিবৰ বাবে প্ৰচেষ্টা চলোৱাটো সমানেই জৰুৰী ।তাৰ বাবে আমি হাতে-কামে ধৰিব লাগিব ।এক সঠিক পথ আৰু প্ৰচেষ্টাৰ দ্বাৰা সেইবোৰ পৰিপূৰণ কৰিবলৈ যত্নপৰ হ'ব লাগিব ।কিছুমানৰ সপোন ফলিয়ায়,কিছুমানৰ নহয় ।যিসকলে সপোনবোৰ পাবৰ বাবে দিনে-নিশাই পৰিশ্ৰম কৰে,যিসকলে সপোনবোৰৰ বাবে পৰিকল্পনা কৰি আগবাঢ়ি যায় তেওঁলোকে নমস্যৰ অধিকাৰী হৈ পৰে।

সপোন দেখা..সপোন পূৰণ নোহোৱা পৰ্যন্ত পৰিশ্ৰম কৰা। সপোনবোৰ আগত ৰাখি নিজৰ পথত আগবাঢ়ি যোৱা ।কাৰণ সপোনবোৰ দেখিছা যেতিয়া তুমি নিজেই তাক বাস্তৱায়িত কৰাৰ পণ ল'ব লাগিব ।কোনোবাই আহি তোমাৰ সপোন পূৰণৰ বাবে কাম নকৰে ।সেয়ে নিজেই নিজৰ হাতত সপোনৰ দিশবোৰ ফঁহিয়াই চাব লাগিব।

সপোনবোৰ পূৰণৰ বাবে পৰিকল্পনা কৰি লোৱা ।পৰিকল্পনাই কামবোৰ কৰাৰ ক্ষেত্ৰত সহায় কৰিব ।পৰিকল্পনাই এক সঠিক সিদ্ধান্ত আৰু সঠিক পথ দেখুৱাব পাৰিব ।নহ'লে আমাৰ কামবোৰ খেলি-মেলি হোৱাৰ সম্ভাৱনাই অধিক।

সপোন চাবলৈ শিকাটো এক বুদ্ধিমানৰ কাম ।কিয়নো সপোনবোৰে মানুহক জীৱনৰ গতি প্ৰদান কৰে,জীৱন ঊৰ্ধ্বমুখী হোৱাত সহায় কৰে ।সপোন ৰচিব জনা মানুহবোৰক সৃষ্টিশীলতা আৰু গঠনমুখী হ'বলৈ প্ৰেৰণা দিয়ে ।গতিকে সকলো মহৎ লোকসকলে নিশ্চয় সপোন ৰচিছিল আৰু তাক পূৰ্ণতা দিবৰ বাবে সাহস কৰিছিল।



সেয়ে আমি সময় থাকোতেই সপোনবোৰ চাবলৈ শিকিব লাগিব। আহক সকলোৱে সপোন ৰচোঁ। সপোনবোৰ দিঠকত পৰিণত কৰি আমাৰ জীৱনটোক সাৰ্থকতা প্ৰদান কৰি তাৰ মাদকতা বৃদ্ধি কৰোঁ।

ফোন ঃ ৮৬৩৮৮৮১৯৫৩

## বৰ্ষা

■ ৰিদীপ সোণোৱাল

বৰ্ষা বৰষুণ জাকত জীপাল
বসন্তৰ সেউজীয়া কুটীৰ
কোমল লাহী পাহি কুঁহিপাতত
নাচি বাগি ফুৰে পুৱাই চৰাইজনী।

চোতালৰ দূবৰি বনত
বৰষুণৰ চকু পানীয়ে বোৱাই আনে
বেৰৰ জলঙাইদি বৈ নিগৰি অহা
ৰাতিৰ বিছনাত শুই শুই
আকাশত তৰাৰ হিচাপ কৰা লোকজন।

দিনৰ দিনটোত হাজিৰা কৰিম বুলি
ৰাতিপুৱা বতৰটো চাই
নেৰানেপেৰা বৰষুণত দুখীয়া সপোন ভাগে
তথাপিও মূৰত গামোচা বান্ধি
গোটেই দিন কৰ্মৰ বাবে সাজু হয়।

ফোন ঃ ৯৩৬৫০৫৩৭৭৬



## প্ৰথম পৃষ্ঠাৰ পৰা—

## ৭০ মেগাৱাট সৌৰশক্তি

পৰিকল্পনা কৰা হৈছিল আৰু এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই। সেই সময়ত অসম গণ পৰিষদ চৰকাৰৰ শক্তিমন্ত্ৰী আছিল টীয়ক সমষ্টিৰ বিধায়ক প্ৰয়াত ললিত ৰাজখোৱা। বহু ৰাজনৈতিক, অৰ্থনৈতিক, কাৰিকৰী আদি বিভিন্ন অজুহাতত এই প্ৰকল্পৰ কাম আগ নাবাঢ়িল যদিও ২০১৪ চনত কেন্দ্ৰত বিজেপি চৰকাৰে দায়িত্বভাৰ লোৱাৰ পাছত সৌৰশক্তিৰ সহায়ত এই প্ৰকল্পটো আৰম্ভ কৰাৰ বাবে পুনৰ অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত আমগুৰি সমষ্টিৰ বৰ্তমানৰ বিধায়ক প্ৰদীপ হাজৰিকাৰ তৎপৰতাত ২০১৯ চনৰ ২৭ ফেব্ৰুৱাৰী তাৰিখে তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তাৰ পাছৰ তিনিটাকৈ বছৰৰ ভিতৰতে এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাজেৰে নয়ডাৰ 'জেকছন গ্ৰুপ' নামৰ এটা প্ৰতিষ্ঠানে ইতিমধ্যে নিৰ্মাণ কাৰ্য সম্পন্ন কৰা আমগুৰিৰ এই বহু প্ৰত্যাশিত ৭০ মেগাৱাট শক্তিসম্পন্ন সৌৰশক্তি প্ৰকল্পৰ শুভ উদ্বোধন কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। নাজিৰাত এখন জনসভাত অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকী দোপদৰৰ উড়িয়াবস্তি খেলপথাৰত হেলিকপ্টাৰ যোগে উপস্থিত হয়। তাৰ পৰা স্থলপথেৰে মুখ্যমন্ত্ৰীৰ কনভয় আহি উপস্থিত হয় আমগুৰি ছ'লাৰ পাৰাৰ পাৰ্কত। এই সৌৰশক্তি প্ৰকল্পতে আধাৰশিলা স্থাপনৰ ৩২টাকৈ বছৰৰ পাছত ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ছুইচ্ টিপি এই সৌৰশক্তি প্ৰকল্পৰ বিদ্যুৎ যোগান আৰম্ভ কৰি প্ৰকল্পটো ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। ইয়াৰ পাছতে পুনৰ স্থলপথেৰে আমগুৰিৰ জ্ঞান বিকাশ বিদ্যাপীঠৰ খেলপথাৰত এক জনসভাত ভাগ লয় মুখ্যমন্ত্ৰীগৰাকীয়ে। উপযুক্ত পৰিকল্পনা আৰু ৰাইজৰ মাজত সুস্থ পৰিৱেশ নোহোৱাৰ বাবে আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত অসম বহু পিছুৱাই যাব লগা হ'ল। সম্প্ৰতি চৰকাৰখনে ৰাইজৰ সৰ্বাঙ্গীণ উন্নয়নৰ বাবে পৰিকল্পিতভাৱে কাম কৰি যোৱাত ৰাজ্যখনৰ উন্নয়ন ত্বৰান্বিত হৈছে। শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ অন্তৰ্গত লালিম চাপৰিত ৰাজ্যখনৰ প্ৰথমটো বৃহৎ সৌৰশক্তি প্ৰকল্প মুকলি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এনেদৰে মন্তব্য কৰে। ভাষণ প্ৰসংগত তেওঁ আধুনিক বুৰঞ্জীত আজিৰ এই দিনটো সোণালী আখৰেৰে লিপিবদ্ধ হ'ব বুলি উল্লেখ কৰি ২০১২ চনত গুজৰাটত প্ৰথমটো সৌৰশক্তি প্ৰকল্প স্থাপন হোৱাৰ পিছত আমগুৰিত ১০ বছৰৰ পিছত ৰাজ্যখনৰ প্ৰথমটো সৌৰশক্তি প্ৰকল্প স্থাপন হোৱাটো ৰাজ্যখনৰ বাবেই সুখৰ বতৰা বুলি কয়। অসম চৰকাৰে পাৰিপাৰ্শ্বিক দিশৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান বহনক্ষম বিদ্যুৎ শক্তি উৎপাদনৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰাৰ কথা সভাত সদৰী কৰি ৰাজ্যখনৰ বাবে প্ৰয়োজন হোৱা ২,২০০ মেগাৱাট বিদ্যুৎ সৌৰশক্তি আৰু জলবিদ্যুৎ ব্যৱস্থাৰ দ্বাৰা অহা পাঁচ বছৰৰ ভিতৰত উৎপাদন কৰাৰ কথা ৰাইজক অৱগত কৰে। ৰাইজে আন্তৰিক সহযোগিতা আগবঢ়ালে অসম্ভৱকো সম্ভৱ কৰিব পৰা যায় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুত্বপূৰ্ণ মন্তব্য কৰি বছৰ বছৰ ধৰি লোকচানৰ সন্মুখীন হৈ থকা ৰাজ্যখনৰ শক্তিখণ্ডই বৰ্তমান যথেষ্ট লাভ কৰিবলৈ সক্ষম হোৱা বুলি মন্তব্য কৰে। শক্তিখণ্ডই বছৰ বছৰ ধৰি সন্মুখীন হোৱা লোকচানৰ মোকাবিলা কৰিবলৈ বিদ্যুৎ মাচুল বৃদ্ধি কৰাৰ পিছত এতিয়া বিদ্যুৎ মাচুল হ্ৰাস কৰাৰো চিন্তা-চৰ্চা কৰাৰ কথা উল্লেখ কৰি অৰুণোদয় আঁচনিৰ ১,০০০ টকাৰ পৰিৱৰ্তে ১,২৫০ টকালৈ বৃদ্ধি কৰি ইয়াৰে ২৫০ টকা বিদ্যুৎ মাচুল দিবৰ বাবে দুখীয়া লোকক আগবঢ়োৱাৰ বিষয়েও তেওঁ উপস্থিত ৰাইজক অৱগত কৰে। চৰকাৰী চাকৰিত নিয়োগৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰি তেওঁ কোনো লোকে এটকাও উৎকোচ নিদিয়াকৈ ইতিমধ্যে ৩০ হাজাৰ যুৱক-যুৱতীক বিভিন্ন চৰকাৰী বিভাগত নিয়োগৰ ব্যৱস্থা কৰাৰ লগতে অতিশীঘ্ৰেই ২৬ হাজাৰ তৃতীয়, চতুৰ্থ শ্ৰেণীৰ চাকৰি প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণৰ কথাও তেওঁ সভাত সদৰী কৰি অসমক ভাৰতৰ ভিতৰতে আদৰ্শ ৰাজ্য হিচাপে গঢ়ি তোলা হ'ব বুলি দাবী কৰে। সভাতে মুখ্যমন্ত্ৰীগৰাকীয়ে আমগুৰিত ১০০খন বিছনাযুক্ত চিকিৎসালয় নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে আমগুৰি নাট্যমন্দিৰ নিৰ্মাণৰ বাবে ২ কোটি আৰু আমগুৰি পৰিদৰ্শন বঙলা নিৰ্মাণৰ বাবে ৭ কোটি অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে আমগুৰি সৌৰ প্ৰকল্প স্থানত ছুইচ টিপি সৌৰ প্ৰকল্পৰ শুভাৰম্ভণি কৰে। আমগুৰিৰ বিধায়ক প্ৰদীপ হাজৰিকাই আদৰণী ভাষণত এই সৌৰ প্ৰকল্পৰ আৰম্ভণিয়ে আমগুৰিৰ ইতিহাসৰ এটা পৃষ্ঠা সংযোগ ঘটাব বুলি মন্তব্য কৰি এই প্ৰকল্পটো ৰাজ্যখনৰ এক বৃহৎ সম্পদ বুলি কয়। লগতে তেওঁ এই প্ৰকল্পটোৱে ৰাজ্য তথা দেশক আগবঢ়াই নিব বুলি মন্তব্য কৰে। সভাত উপস্থিত থাকি শক্তিমন্ত্ৰী বিমল বৰাই ৰাজ্যখনৰ বৰ্তমান শক্তিখণ্ডই উল্লেখনীয় সফলতা লাভ কৰা বুলি মন্তব্য কৰি বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বাবে এয়া সম্ভৱ হোৱা বুলি কয়। আগন্তুক সময়ত অসমৰ শক্তিখণ্ডই গুণগত আৰু সুলভ বিদ্যুৎ যোগান ব্যৱস্থাৰ ওপৰত অধিক গুৰুত্ব দিয়া হ'ব বুলি কয়। মুখ্য সচিব জিষ্ণু বৰুৱায়ো বক্তব্য দাঙি ধৰা সভাত অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী যোগেন মহন, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘনিধি দাহাল, বিজেপি নেতা ৰূপম গোস্বামী, বিনীতা শইকীয়া দে', বিজেপিৰ শিৱসাগৰ জিলাৰ সভাপতি ময়ূৰ বৰগোহাঁইকে মুখ্য কৰি অসম শক্তি বিতৰণ কোম্পানীৰ বিষয়াসকল উপস্থিত থাকে। স্মৰ্তব্য যে ১৯৯০ চনৰ ২১ নৱেম্বৰত তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ৩৬০ মেগাৱাট তাপবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ পিছত ২০১৯ চনৰ ২৭ ফেব্ৰুৱাৰীত সেই সময়ৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৮০ মেগাৱাট সৌৰশক্তি প্ৰকল্প হিচাপে আধাৰশিলা স্থাপন কৰিছিল। দিল্লীস্থিত জেকছন কোম্পানীয়ে ২৫ বছৰৰ বাবে লীজত লৈ প্ৰকল্পটোৰ কাম সম্পূৰ্ণ কৰি আজি ৭ মেগাৱাট শক্তি উৎপাদন কৰিব লগা প্ৰকল্পটো মুকলি কৰা হয়। তাৎপৰ্যপূৰ্ণ যে আমগুৰিত স্থাপন হ'ব লগা এই প্ৰকল্পটোক লৈ স্থানীয় যুৱক-যুৱতীয়ে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে হ'লেও কৰ্মসংস্থাপন লাভৰ সপোন দেখাৰ লগতে কোনো বিশেষ উদ্যোগ আদি নথকা অঞ্চলটোত বৃহৎ উদ্যোগৰ গঢ় লৈ উঠি অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নতি হ'ব বুলি ৰাইজে আশা কৰিছিল যদিও তেনে নোহোৱাত স্বাভাৱিকতে আশাহত হ'ল বহু ৰাইজ। তথাপি আমগুৰিত স্থাপন হোৱা এই প্ৰকল্পটোৱে অনাগত দিনত ৰাইজক কিদৰে উপকৃত কৰে তালৈ ৰাইজে আগ্ৰহেৰে বাট চাইছে।

## ৰাজ্য, কেন্দ্ৰীয় শাসিত

ৰোগৰ লক্ষণ থকা লোকৰ নিৰীক্ষণ আৰু দ্ৰুত চিনাক্তকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। মানুহৰ পৰা মানুহলৈ সংক্ৰমণৰ বিপদাশংকা হ্ৰাস কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ কথা কোৱা হৈছে। সংক্ৰমণৰ উৎসবোৰ দ্ৰুতগতিত চিনাক্ত কৰাৰ বাবে নিৰীক্ষণৰ ৰণনীতি প্ৰস্তুতৰ প্ৰস্তাৱ দিয়া হৈছে। মংকীপক্সৰ সংক্ৰমণ ঘটা দেশ ভ্ৰমণ কৰা লোকসকলৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিবলৈ পৰামৰ্শ দিছে। ফ্ৰণ্টলাইন স্বাস্থ্যকৰ্মীসকলক সুৰক্ষিত কৰাৰ বাবে আৰু সংক্ৰমণৰ উৎস চিনাক্ত কৰি কাৰ্যকৰী নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কোৱা হৈছে। স্বাস্থ্য মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি তেজৰ নমুনা ইণ্টিগ্ৰেটেড ডিজিজ ছাৰ্ভিলেঞ্চ প্ৰগ্ৰাম নেটৱৰ্কৰ জৰিয়তে এনআইভি পুণে এপেক্স লেবৰেটৰীলৈ প্ৰেৰণ কৰিব লাগিব। মংকীপক্স ভাইৰাছৰ বিষয়ে সজাগতা বৃদ্ধি আৰু লোকসকলক সচেতন কৰাৰ বাবেও নিৰ্দেশনা জাৰি কৰা হৈছে। উল্লেখ্য এক নতুন ধৰণৰ ৰোগে এতিয়া চিন্তিত কৰি তুলিছে ক'ভিডে বিধ্বস্ত কৰা আমেৰিকাৰ চৰকাৰক। ১৯৮০ চনৰে পৰাই আমেৰিকাত যৌন সম্পৰ্কৰ জৰিয়তে বিয়পা এইচআইভিয়ে আতংকৰ সৃষ্টি কৰাৰ পিছত এইবাৰ যৌন সম্পৰ্কৰ ফলত সংক্ৰমিত হোৱা এবিধ নতুন ৰোগে আমেৰিকাত ত্ৰাসৰ সৃষ্টি কৰিছে। 'মংকীপক্স' নামেৰে পৰিচিত এই ৰোগবিধ মূলতঃ যৌন সম্পৰ্কৰ জৰিয়তে বিয়পে যদিও ৰোগীয়ে ব্যৱহাৰ কৰা কাপোৰ-কানিৰ পৰাও ৰোগবিধ বিয়পাৰ আশংকা থকা বুলি স্বাস্থ্যবিজ্ঞানীসকলে প্ৰকাশ কৰিছে। শেহতীয়াকৈ আমেৰিকাত মংকীপক্সত আক্ৰান্ত প্ৰথমগৰাকী ৰোগী চিনাক্ত হৈছে। কানাডাৰ কুইবেক প্ৰদেশতো এক ডজনৰো অধিক সন্দেহজনক মংকীপক্সৰ লক্ষণে দেখা দিয়া লোকক পৰ্যবেক্ষণত ৰখা হৈছে। আমেৰিকাত এজন ব্যক্তিৰ দেহত মংকীপক্সৰ উপস্থিতি নিশ্চিত কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কেন্দ্ৰৰ (চিডিচি) মতে মংকীপক্সৰ লক্ষণসমূহ হ'ল— জ্বৰ, পেশীৰ বিষ আৰু গ্ৰন্থি আদি ফুলা। মংকীপক্সত আক্ৰান্ত লোকৰ মুখ আৰু শৰীৰত চিকেনপক্সৰ দৰে চোকোৰা-চোকৰ গুটি ওলায়। যৌন সংক্ৰমণ আৰু তেজ-বাহিত সংক্ৰমণৰ জৰিয়তে মংকীপক্সৰ বিস্তাৰ ঘটিব পাৰে বুলি বিশেষজ্ঞসকলে মন্তব্য কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেচাচুচেটছত মংকীপক্সৰ প্ৰথমটো ঘটনা ধৰা পৰাৰ পিছতে সতৰ্ক হৈ পৰিছে স্বাস্থ্যকৰ্মীসকল। আক্ৰান্ত ব্যক্তিজনক ইতিমধ্যে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। সংক্ৰমিত ব্যক্তি এজনৰ শৰীৰত দেখা দিয়া গুটিৰ পানী আদি লাগিলেও আন লোকৰ এই ৰোগ হ'ব পাৰে। স্পেইন আৰু পৰ্তুগালতো মংকীপক্সৰ সংক্ৰমণ ঘটাৰ সন্দেহ কৰা হৈছে। সম্প্ৰতি প্ৰচলিত চিকিৎসা পদ্ধতিৰেই ৰোগবিধৰ চিকিৎসা চলাই থকা হৈছে। বিশ্বৰ কুৰি খন দেশত দুই শতাধিক লোক মাংকিপ'ত আক্ৰান্ত হৈছে। এই ৰোগ বিধে মহামাৰীৰো ৰূপ লোৱাৰ আশংকা আছে। এনে আশংকাই ব্যক্ত কৰিছে বিশ্ব স্বাস্থ্য সংস্থাই।

## লখিমপুৰৰ সোৱণশিৰি

প্ৰাপ্ত অভিযোগ মতে, লখিমপুৰ জিলাৰ কদম ৰাজহ চক্ৰৰ ভীমপৰা পঞ্চায়তৰ অন্তৰ্গত সোৱণশিৰি নদীৰ নিচেই কাষৰীয়া কৰকনি চাপৰিত এটা বৃহৎ আকাৰৰ অসম আৰক্ষীৰ বেটেলিয়ন কেম্প নিৰ্মাণৰ বাবে ২০২১ চনত প্ৰায় ৩০০ বিঘা ভূমি কদম ৰাজহ চক্ৰই জৰীপ কৰিছিল। উক্ত জৰীপ কৰা ভূমি আছিল অতি ওখ আৰু সমতল। স্থানীয় ৰাইজে বেটেলিয়ন কেম্পটো নিৰ্মাণ হ'ব বুলি জানি অতি আনন্দিত হোৱাৰ লগতে বেটেলিয়ন কেম্প নিৰ্মাণত চৰকাৰক সকলো ধৰণৰ সহযোগিতা কৰাত সন্মতি প্ৰদান কৰিছিল। কিন্তু উক্ত ভূমিভাগ বেদখল কৰি থকা বহু ভূ-মাফিয়া, শিল-বালি মাফিয়া, ৰাজনৈতিক নেতা আৰু কোটিপতি লোকৰ ভূমি সুৰক্ষা দিবৰ বাবে উক্ত ভূমি এৰি সোৱণশিৰি নদীৰ এটা সুঁতি ভেটি চৰকাৰে বেটেলিয়ন কেম্প নিৰ্মাণ কৰিবলৈ প্ৰস্তুতি চলোৱা কাৰ্যই জনসাধাৰণক উত্তেজিত কৰি তুলিছে। উল্লেখনীয় যে ২০২১ চনত বেটেলিয়ন কেম্পৰ বাবে ড্ৰোন কেমেৰাৰে চৰকাৰে যিটো মাটিৰ জৰীপ কৰিছিল উক্ত ভূমি সোৱণশিৰি নদীয়ে সৃষ্টি কৰা এটি ওখ চাপৰি আছিল। কিন্তু কদম ৰাজহ চক্ৰই বৰ্তমানে পুনৰ জৰীপ কৰা ভূমি এটা অংশ জলাশয় হোৱাৰ লগতে আন এটা অংশইদি বাৰমাহে সোৱণশিৰি নদীৰ এটা সুঁতি অবিৰাম বৈ থাকে আৰু বাৰিষা বোৱঁতী পানীৰে ভৰপূৰ হৈ থাকে। যাৰ বাবে উক্ত বোৱঁতী সুঁতিৰ ওপৰত প্ৰায় ৪০ মিটাৰ দৈৰ্ঘ্যৰ এখন পকী দলঙো চৰকাৰৰ গড়কাপ্তানী বিভাগে নিৰ্মাণ কৰিছে। এইখন বোৱঁতী সুঁতিৰ পাৰে পাৰে স্থানীয় ৰাইজে দীৰ্ঘদিনে বিভিন্ন ধৰণৰ খেতি কৰি আহিছে। কিন্তু ৰাইজৰ পেটত প্ৰচণ্ড গোৰ মাৰি লখিমপুৰ জিলাৰ কদম ৰাজহ চক্ৰৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে নিজৰ লালসা পূৰাইছে আৰু ভূ-মাফিয়াবোৰক সুৰক্ষা দি খেতিয়কৰ ভূমিহে অধিগ্ৰহণ কৰিবলৈ ষড়যন্ত্ৰত লিপ্ত হৈছে। কালি কদম ৰাজহ চক্ৰৰ একাংশ মণ্ডলে পুনৰ ভূমি জৰীপ কৰি বোৱঁতী সোৱণশিৰি নদীৰ উল্লেখিত সুঁতিত খুঁটি পুতিবলৈ আহে আৰু দুটামান খুঁটি পুতিবলৈ সক্ষম হয় যদিও পিছত এই কথা ৰাইজে জানিব পাৰি মণ্ডলকেইজনক পহুখেদা দিয়ে। স্থানীয় ৰাইজৰ অভিযোগ-কদম ৰাজহ চক্ৰৰ ঘোচখোৰ বিষয়া-কৰ্মচাৰীসকলৰ লগত ভূ-মাফিয়া, শিল-বালি মাফিয়া আৰু বেপাৰীৰ গোপন বুজাবুজিৰ বাবে এনে দুষ্কাৰ্য সংঘটিত হৈছে আৰু সাধাৰণ খাটি খোৱা জনসাধাৰণে ভোগ কৰি থকা ভূমি অধিগ্ৰহণ কৰিবলৈ ষড়যন্ত্ৰত লিপ্ত হৈছে। ইপিনে কৰকনি আঞ্চলিক ভূমি তদাৰক কমিটীৰ সভাপতি নৰেন মিলি আৰু সম্পাদক জীৱন চন্দ্ৰ দলেই চৰকাৰী হতকাৰী সিদ্ধান্তক তীব্ৰ গৰিহণা দিছে আৰু ভূ-মাফিয়াৰ বেদখলীকৃত ভূমি উচ্ছেদ কৰি বেটেলিয়ন কেম্প নিৰ্মাণ কৰিবলৈ চৰকাৰক দাবী জনাইছে আৰু কদম ৰাজহ চক্ৰত চলি থকা বিয়াগোম ভূমি কেলেংকাৰীৰ উচিত তদন্তৰ দাবী কৰিছে। আনপিনে আজি কৰকনি আঞ্চলিক ভূমি তদাৰক কমিটীৰ উদ্যোগত কৰকনি সাপ্তাহিক বজাৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাতে কাইলৈ চৰকাৰী হঠকাৰী সিদ্ধান্তৰ প্ৰতিবাদত বগীনদীস্থিত কদম ৰাজহ চক্ৰৰ কাৰ্যালয়ত গণবিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰিব।

## সমষ্টিৰ বছৰেকীয়া

জিলাৰ অন্তৰ্গত ৬৩ নং চাপাগুৰি বিধানসভা সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। বিধায়ক হিচাপে ব্ৰহ্মই তেওঁৰ বিগত এবছৰীয়া কাৰ্যকালত নিজৰ সমষ্টিত কৰা বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান সম্পৰ্কে আজি মুছলপুৰত এক সংবাদমেল সম্বোধন কৰে। সংবাদমেলত স্বাস্থ্য, শিক্ষা আৰু যাতায়াতৰ ক্ষেত্ৰত বিধায়ক ব্ৰহ্মই বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে। স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰত তেওঁ লোৱা পদক্ষেপসমূহৰ ভিতৰত জিলা সদৰ মুছলপুৰস্থ ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত ৰোগীৰ সুবিধাৰ্থে ৩০খন বিছনাযুক্ত অতিৰিক্ত গৃহ নিৰ্মাণ, বেতবাৰী উপ স্বাস্থ্য কেন্দ্ৰক প্ৰায় ডেৰ কোটি টকা ব্যয় সাপেক্ষে বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ হিচাপে নিৰ্মাণৰ কথা ব্যক্ত কৰে। সেইদৰে শিক্ষাৰ ক্ষেত্ৰত সমষ্টিটোৰ মুঠ ২৫ খন শিক্ষানুষ্ঠানক ৫০ লাখকৈ টকাৰ অনুদান দিয়াৰ লগতে জালাহৰ বি বি কিষাণ মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্তন আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে ৫০ লাখ টকা ধাৰ্য কৰাৰ কথা উল্লেখ কৰে। ব্ৰহ্মই লগতে উল্লেখ কৰে যে ৰাজ্য চৰকাৰ আৰু বিটিচি চৰকাৰৰ উদ্যোগত শিমলা বজাৰত আইটিআই স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। আঠিয়াবাৰী বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ক আদৰ্শ বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ বাবে ১০ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ লগতে ডুমুনী চাহ বাগিচাত আদৰ্শ বিদ্যালয় স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। বিধায়কগৰাকীয়ে ডুমুনীত এটা পুথিভঁৰাল নিৰ্মাণৰ বাবে ৫ লাখ টকা, শিমলা বজাৰ কে চি মহাবিদ্যালয়ৰ আন্তঃগাঁথনি আৰু শ্ৰেণীকোঠা উন্নয়নৰ বাবে ১০ লাখ টকা, বড়োবাজাৰস্থিত ইউএন একাডেমীৰ আন্তঃগাঁথনিৰ বাবে ৫ লাখ টকা ধাৰ্য কৰা বুলি উল্লেখ কৰে। মুছলপুৰত জিলাভিত্তিক ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ বাবে ৫০ কোটি টকাৰ লগতে সংহত জিলা উপায়ুক্ত ভৱন নিৰ্মাণৰ বাবে ২৫ কোটি টকা ধাৰ্য কৰিছে। সেইদৰে সমষ্টিটোত ১১টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপনৰ বাবে অনুমোদন দিয়াৰ লগতে নতুন গৃহ নিৰ্মাণৰ বাবে প্ৰতিটোৰ বিপৰীতে ২৫ লাখকৈ টকাৰ অনুদান আগবঢ়োৱা হয় বুলি জনায়। অসম দৰ্শন আঁচনিৰ অধীনত সমষ্টিটোৰ ১০টা ধৰ্মীয় অনুষ্ঠানক আঢ়ৈ লাখকৈ অনুদান আগবঢ়োৱা হয়। আৰআইডিএফ আঁচনিৰ জৰিয়তে ১০ কোটি টকা ব্যয় সাপেক্ষে তিনিখন পকী দলং নিৰ্মাণৰ কামত হাতত লয়। আৰআইডিএফ আঁচনিৰ জৰিয়তেই প্ৰায় চাৰে তিনি কোটি টকা ব্যয়ৰে আন নটা প্ৰকল্প নিৰ্মাণৰ লগতে এছঅ'পিডি আঁচনিৰ জৰিয়তে প্ৰায় ডেৰ কোটি টকা ব্যয় সাপেক্ষে ছয়টা প্ৰকল্পৰ কাম হাতত লোৱা বুলি উল্লেখ কৰে। বিএডিৰ অধীনত ৫টা আঁচনিৰ বাবে ৭ কোটি ৮৩ লাখ টকা ধাৰ্য কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ জৰিয়তে সমষ্টিটোৰ মুঠ ৭১৩ গৰাকী ছাত্ৰ-ছাত্ৰী তথা ৰুগীয়া ব্যক্তিক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। আনহাতে অনাগত দিনত বিধায়ক ব্ৰহ্মই পৰিকল্পনা অনুসৰি সমষ্টিটোৰ শিপিনীসকলক সহায় কৰাৰ অৰ্থে কোকলাবাৰীত হস্ততাঁত আদৰ্শ গাঁও স্থাপনৰ কথা উল্লেখ কৰাৰ লগতে কোকিলাবাৰীৰ সমীপৰ নৰ দিহিৰাত ইতিমধ্যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কৃষি-বন আৰু জৈৱ-বৈচিত্ৰ্য মহাবিদ্যালয়ৰ উপৰি উলুম'ৰা চৰাইৰ সংৰক্ষণ, গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা বুলি জনায়। সমষ্টিটোত এটা উন্নতমানৰ অতিথিশালা নিৰ্মাণৰ বাবে দুই কোটি টকা ধাৰ্য কৰাৰ লগতে মুছলপুৰৰ গৌজৌনপুৰী উদ্যানৰ উন্নয়নৰ বাবে ৫ লাখ টকা ধাৰ্য কৰা বুলি উল্লেখ কৰে। ব্ৰহ্মই বিধায়ক স্থানীয় এলেকা উন্নয়ন পুঁজিৰ অধীনত ১ কোটি টকা ব্যয়ৰে কৰা মুঠ ৪০ টা বিভিন্ন উন্নয়নমূলক কামৰ তালিকাও দাঙি ধৰে। ইপিনে সংবাদমেলত মন্ত্ৰী তথা বিধায়ক ব্ৰহ্মই চাপাগুৰি সমষ্টিৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গঠিত বিজেপি মিত্ৰজোঁট চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ খতিয়ান দাঙি ধৰে। লগতে পৰৱৰ্তী সময়ত অধিক উন্নয়নমূলক কাম কৰি যাব বুলি ভাষণ প্ৰসঙ্গত উল্লেখ কৰে বিধায়ক তথা মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই। আজিৰ এই সংবাদমেলত বিধায়ক তথা মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ লগতে বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, ইউপিপিএলৰ কেন্দ্ৰীয় উপ-সভাপতি দীপক কুমাৰ বসুমতাৰী, বাক্সা জিলা বিজেপিৰ সভাপতি শৰৎ শৰ্মা, মুছলপুৰ জিলা ইউপিপিএলৰ সাধাৰণ সম্পাদক দয়াল শৰণীয়াকে ধৰি কেবাগৰাকীও দলীয় নেতা-কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে বিধায়কগৰাকীয়ে সংবাদ মেলৰ জৰিয়তে বছৰেকীয়া খতিয়ান দাঙি ধৰাৰ পিছতে মুছলপুৰস্থিত সাংস্কৃতিক প্ৰকল্পত দলীয় কাৰ্যকৰ্তাৰেও এক মত বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

## 'দালালে এই চৰকাৰৰ

হোৱা মুখ্যমন্ত্ৰীজনে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীসকলক অনুমোদনপত্ৰ বিতৰণ কৰি এক বিশাল জনসভা সম্বোধন কৰে। ডঃ শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত অসমৰ বাবে মুঠ পাঁচ লাখ গৃহৰ প্ৰথম কৃষ্টি ৩২,৫০০ টকাকৈ মুকলি কৰাৰ কথা সদৰী কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ৫ লাখ হিতাধিকাৰীৰ মাজৰে শিৱসাগৰ জিলাৰ ৯,৪২৪ গৰাকী আৰু চৰাইদেউ জিলাৰ ৪,৫৯৮ জন হিতাধিকাৰীয়ে নিজা বেংক একাউণ্টযোগে লাভ কৰিব এই প্ৰথম কৃষ্টিৰ ধন। গৃহ নিৰ্মাণৰ বাবে লাভ কৰা প্ৰথম কৃষ্টিৰ ধনৰ অপব্যৱহাৰ নকৰিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰীজনে। ইয়াৰোপৰি 'ৱান নেচন ৱান কাৰ্ড'ৰ বাবে ৰেচন কাৰ্ডসমূহ অনলাইন কৰা হ'ব বুলি নিজ ভাষণ প্ৰসংগত সদৰী কৰে ডঃ শৰ্মাই। ইয়াৰ ফলত হিতাধিকাৰীসকলে দেশৰ যিকোনো ঠাইৰ পৰা তেওঁলোকৰ প্ৰাপ্য ৰেচন লাভ কৰিবলৈ সক্ষম হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰীজনে লগতে কয় যে অসমৰ স্বাভিমানৰ প্ৰতীক গামোচাক প্ৰধানমন্ত্ৰীজনে ১৩০ কোটি মানুহৰ ঘৰলৈ লৈ যোৱাত নেতৃত্ব ল'লে। উল্লেখযোগ্য যে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে ছিমলাৰ পৰা দেশৰ ভিন্ন প্ৰান্তৰ হিতাধিকাৰীৰ লগত ভাৰ্চুৱেল মাধ্যমেৰে মত বিনিময় কৰে। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীজনে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ৫জন প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীৰ লগত ভাৰ্চুৱেল মাধ্যমত মন বিনিময় কৰে। ইফালে শিৱসাগৰ জিলাত জিলা শিক্ষা বিষয়া আনোৱাৰ হুছেইনৰ নেতৃত্বত সংঘটিত শিক্ষক নিযুক্তিৰ কেলেংকাৰী সন্দৰ্ভত মুখ্যমন্ত্ৰী জনে কয় যে ইতিমধ্যে যিসকলৰ বিৰুদ্ধে গোচৰ ৰুজু হৈছে সেইসকলে নিশ্চয় শাস্তি পাব। চৰকাৰীভাৱে তদন্ত কৰাৰ ইচ্ছা প্ৰকাশ নকৰা বুলি কয় ডঃ শৰ্মাই। আনহাতে সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত ডঃ শৰ্মাই কয় যে আলফাক ক্ষমা খুজি মন্ত্ৰী সঞ্জয় কিষাণে সাংঘাতিক ভুল কৰিছে। বিজেপিৰ দৰে ৰাষ্ট্ৰীয়তাবাদী দলত এইদৰে কাম কৰাৰ কোনো সুযোগ নাই বুলি ডঃ শৰ্মাই উল্লেখ কৰি লগতে ভৱিষ্যতে এনে কোনো কাম কৰাৰ পৰা বিৰত থাকিবলৈ সঞ্জয় কিষাণক সকীয়নি প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীজনৰ লগতে কেবিনেট মন্ত্ৰী যোগেন মহন, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, সোণাৰি আৰু থাওৰা সমষ্টিৰ বিধায়ক ক্ৰমে ধৰ্মেশ্বৰ কোঁৱৰ আৰু সুশান্ত বৰগোঁওাই, শিৱসাগৰ জিলা পৰিষদৰ সভাপতি ধ্ৰুৱজ্যোতি মাউত, শিৱসাগৰ জিলা উপায়ুক্ত মেঘনিধি দাহাল, চৰাইদেউৰ জিলা উপায়ুক্ত কুল বৰুৱা, শিৱসাগৰ জিলা বিজেপিৰ সভাপতি ময়ূৰ বৰগোঁওাইৰ লগতে আন বহুতো বিশিষ্ট বিষয়া উপস্থিত থাকে। ইয়াৰ পিছতেই মুখ্যমন্ত্ৰীজনে আমগুৰিত এক অনুষ্ঠানত অংশ ল'বৰ বাবে ৰাওনা হয়।

## তেজপুৰ চহৰত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩১ মে'ঃ** তেজপুৰ চহৰৰ ঘৰপৰাচুবুৰীত অতি আকৰ্ষণীয় আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ শুভাৰম্ভ কৰা হয়। উল্লেখ্য যে বিক্ৰমশীলা এডুকেশ্বন ৰিচাৰ্চ চচাইটিৰ দ্বাৰা অসমৰ কামৰূপ মহানগৰ, বাক্সা, গোৱালপাৰা, শোণিতপুৰৰ অঙ্গনবাড়ী কেন্দ্ৰ সমূহত শিশুৰ মনোযোগ আকৰ্ষণ কৰিব পৰাকৈ অনুকুল সংযোগ ব্যৱস্থাৰে এই আদৰ্শ অংগনবাড়ী কেন্দ্ৰটি গঢ়ি তোলা হৈছে। শিশুৱে আদৰ অনুভৱ কৰিব পৰাকৈ চচাইটিৰ দ্বাৰা অংকিত হৈছে ৰং বিৰঙৰ অপূৰ্ব চিত্ৰ শিল্পৰ সমাহাৰ। উল্লেখ্য যে বিক্ৰমশীলা এডুকেশ্বন ৰিচাৰ্চ চচাইটিয়ে ২০২১ চনৰ পৰা বাক্সা, গোৱালপাৰা, শোণিতপুৰ আৰু কামৰূপ মহানগৰত প্ৰাৰম্ভিক শৈশৱকালীন শিক্ষা অৰ্থাৎ (৩-৬ বছৰ) ক্ষেত্ৰত অসমৰ সমাজ কল্যাণ বিভাগক কাৰিকৰী ভাৱে সমৰ্থন কৰি আহিছে। শেহতীয়াকৈ, শিশুৰ সৰ্বাংগীণ বিকাশৰ ওপৰত লক্ষ্য ৰাখি বিক্ৰমশিলাই পাইলত জিলাসমূহত অতি কম খৰচত শিশুৰ অনুকুল এনে আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ গঢ়ি তুলিছে। এই আদৰ্শ কেন্দ্ৰ সমূহ ৰাজ্য চৰকাৰে অংগনবাড়ী কেন্দ্ৰৰ বিদ্যমান আন্তঃগাথনি যেনে দৰ্জা, খিৰিকী, মজিয়া দেৱাল, আদি সমূহ ব্যৱহাৰ কৰি শিশুৰ শিকনৰ উৎস হিচাপে সুন্দৰকৈ সজোৱা হৈছে। তদুপৰি শিশুৰ শিকনৰ বাবে বিভিন্ন কোণ যেনে কিতাপ কোণ, সংগীত নাটকৰ কোণ আদিও স্থাপন কৰা হৈছে। এই ব্যৱস্থাৰ অংশ হিচাপে কালি শোণিতপুৰ জিলাৰ ঘৰপৰাচুবুৰি অংগনবাড়ী কেন্দ্ৰটো শিশু অনুকুল মডেল অংগনবাড়ী কেন্দ্ৰ হিচাপে ফিটা কাটি শুভাৰম্ভ কৰে শোণিতপুৰ জিলাৰ সহকাৰী আয়ুক্ত কবিতা ফাংচুৱে। কালি এই শুভাৰম্ভণি অনুষ্ঠানত তেজপুৰ চহৰৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া অঞ্জু হাজৰিকা, চুপাৰভাইজাৰ বুলুমা দত্ত, চি.আৰ.চি.চি. অনুপ অসমীয়া, অঙ্গনবাড়ী কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি পৰেশ পটঙ্গীয়া, ঘৰপৰা চুবুৰি অঙ্গনবাড়ী কেন্দ্ৰৰ কৰ্মী ৰূপজ্যোতি বৰা, সহায়িকা মৃণালী বৰা, তেজপুৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ ছয় গৰাকী কৰ্মীৰ লগতে বিক্ৰমশীলা এডুকেশ্বন ৰিচাৰ্চ চচাইটিৰ সহকাৰী প্ৰকল্প প্ৰবন্ধক পান্না সৰকাৰ, জিলা সমন্বয়ক জোস্মিতা দাস, প্ৰকল্প সহযোগী মহৰ্ষি মুৰ্মু আদি উপস্থিত থাকে।

## ২ জুনত গুজৰাটত বিজেপিত

সকলো পদৰ পৰা পদত্যাগ কৰিছিল। পেটেলে টুইটাৰত দলৰ সকলো পদ ত্যাগ কৰাৰ কথা এনেদৰে প্ৰকাশ কৰিছিল— 'আজি মই সকলো পদৰ পৰা পদত্যাগ কৰিবলৈ সাহস গোটাইছো। মই কংগ্ৰেছ দলৰ প্ৰাথমিক সদস্যপদ ত্যাগ কৰিছো। মই নিশ্চিত যে মোৰ সিদ্ধান্তক মোৰ সকলো সহকৰ্মী আৰু গুজৰাটৰ ৰাইজে আদৰণি জনাব। মই বিশ্বাস কৰোঁ যে এই পদক্ষেপৰ পিছত মই ভৱিষ্যতে গুজৰাটৰ বাবে সঁচাকৈয়ে কাম কৰিবলৈ সক্ষম হ'ম।' হাৰ্দিক পেটেলৰ পদত্যাগ গুজৰাট বিধানসভা নিৰ্বাচনৰ মাত্ৰ কেইমাহমান আগতে কংগ্ৰেছৰ বাবে এটা ডাঙৰ আঘাত হিচাপে পৰিগণিত হৈছে। গুজৰাটৰ পাটীদাৰ আন্দোলনৰ নেতৃত্ব বহন কৰি দেশৰ ৰাজনৈতিক ক্ষেত্ৰখনত পৰিচিত হৈ পৰা হাৰ্দিক পেটেলে কংগ্ৰেছ ত্যাগ কৰিব বুলি পূৰ্বে ইংগিত দিছিল। উল্লেখ্য, পেটেলে এপ্ৰিল মাহত আহমেদাবাদ ভ্ৰমণৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰিছিল। ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে তেওঁ কংগ্ৰেছত যোগদান কৰিছিল। ইপিনে হাৰ্দিক পেটেলে কংগ্ৰেছ ত্যাগ কৰাৰ পিছতে বহুতৰে মাজত এইবুলি চৰ্চা চলিছে যে তেওঁ হয়তো বিজেপিত যোগদান কৰিব। শেহতীয়াকৈ সংঘ পৰিয়ালৰ সুৰতে সুৰ মিলাই হিন্দুত্ববাদী বক্তব্য আগবঢ়াবলৈ লোৱা গুজৰাট কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি হাৰ্দিক পেটেলে বিজেপিত যোগদান কৰিব বুলি বহুদিনৰে পৰা চৰ্চা চলি আছে। এপ্ৰিল মাহত এনে চৰ্চা চলি থকাৰ মাজতে হাৰ্দিক পেটেলে কৈছিল যে তেওঁ দল ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ খবৰ সঁচা নহয়। তেওঁ লগতে কয় যে শেহতীয়াকৈ গেৰুৱা দলটোৱে গ্ৰহণ কৰা কেতবোৰ ৰাজনৈতিক সিদ্ধান্তক তেওঁ আদৰণিহে জনাইছিল। বিজেপিত যোগদান কৰাৰ কোনো পৰিকল্পনা নাই বুলিও পেটেলে সেই সময়ত জনাইছিল। পেটেলে লগতে কৈছিল যে হিন্দুত্বৰ প্ৰতি তেওঁৰ আনুগত্য আছে। হাজাৰ হাজাৰ বছৰ ধৰি হিন্দুত্বৰ সৈতে জড়িত হৈ আছোঁ বুলিও পেটেলে উল্লেখ কৰিছিল। বিজেপিত যোগদানৰ প্ৰসংগত পেটেলে কৈছিল— 'মই বিজেপিৰ সৈতে কথা পতা নাই। মই বিজেপিৰ ভাল কথাবোৰ গ্ৰহণ কৰো। বিজেপিয়ে জম্মু-কাশ্মীৰৰ পৰা অনুচ্ছেদ-৩৭০ বাতিল কৰিছে, আৰু এতিয়া ৰাম মন্দিৰ নিৰ্মাণৰ দৰে ভাল কামক আমি প্ৰশংসা কৰা উচিত।'

## দেশত ৪.১ শতাংশলৈ বৃদ্ধি

ধাৱমান হৈছে তাকেই প্ৰতীয়মান কৰিছে। চৰকাৰীভাৱে প্ৰকাশ কৰা তথ্য অনুসৰি ২০২১-২২ বৰ্ষৰ চতুৰ্থ তিনি মাহত ভাৰতৰ অৰ্থনীতি ৪.১ শতাংশ বৃদ্ধি পাইছে, যাৰ ফলত বাৰ্ষিক বিকাশৰ হাৰ ৮.৭ শতাংশলৈ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় পৰিসাংখ্যিক কাৰ্যালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ২০২০-২১ বৰ্ষৰ জানুৱাৰী-মাৰ্চৰ সময়ছোৱাত মুঠ ঘৰুৱা উৎপাদন (জিডিপি) ২.৫ শতাংশ বৃদ্ধি পাইছিল। তথ্য অনুসৰি ২০২০-২১ বৰ্ষত ৬.৬ শতাংশ সংকোচনৰ বিপৰীতে ২০২১-২২ বৰ্ষত ভাৰতীয় অৰ্থনীতি ৮.৭ শতাংশ বৃদ্ধি পাইছিল। এনএছঅ'ৱে ইয়াৰ দ্বিতীয় আগতীয়া আকলনত, ২০২১-২২ বৰ্ষত জিডিপিৰ বৃদ্ধি ৮.৯ শতাংশ হ'ব বুলি অনুমান কৰিছিল। আনহাতে চীনে ২০২২ চনৰ প্ৰথম তিনি মাহত ৪.৮ শতাংশ অৰ্থনৈতিক বিকাশৰ হাৰ লাভ কৰিছে। ভাৰতৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰো কিছু বৃদ্ধি পাইছে। ২০ মে'ত সমাপ্ত হোৱা সপ্তাহত ভাৰতৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ ৪.২৩ বিলিয়ন ডলাৰলৈ বৃদ্ধি হৈ ৫৯৭.৫০৯ বিলিয়ন ডলাৰ হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে এই তথ্য প্ৰকাশ কৰিছে। ইয়াৰ আগতে, ১৩ মে'ত সমাপ্ত হোৱা সপ্তাহত বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰ ২.৬৭৬ বিলিয়ন ডলাৰ হ্ৰাস হৈ ৫৯৩.২৭৬ বিলিয়ন ডলাৰ হয়। ৬ মে'ত সমাপ্ত হোৱা সপ্তাহত, ই ১.৭৭৫ বিলিয়ন ডলাৰ হ্ৰাস হৈ ৫৯৫.৯৫৪ বিলিয়ন ডলাৰ হৈছিল। ভাৰতৰ সোণৰ ভাণ্ডাৰৰ মূল্য ২৫৩ নিযুত ডলাৰ বৃদ্ধি হৈ ৪০.৮২৩ বিলিয়ন ডলাৰ হৈছে।

## নগাঁৱৰ ডচন উচ্চতৰ মাধ্যমিক

আনুষ্ঠানিকভাৱে এই শিক্ষানুষ্ঠানখনক ধঁপাতমুক্ত বিদ্যালয় বুলি ঘোষণা কৰে। নগাঁও ধঁপাত নিয়ন্ত্ৰণ কোষৰ ৰঞ্জন কুমাৰ গোস্বামী, যুটীয়া স্বাস্থ্য সঞ্চালক ডঃ অতুল পাটৰ, বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল নাথে বিদ্যালয়খনৰ অধ্যক্ষ তপন কুমাৰ বৈদ্যক আনুষ্ঠানিকভাৱে ধঁপাতমুক্ত বিদ্যালয় হিচাপে স্বীকৃতি প্ৰদান কৰে। ১৯১৬ চনত প্ৰতিষ্ঠা হোৱা বিদ্যালয়খনৰ অধ্যক্ষ তপন কুমাৰ বৈদ্যৰ আন্তৰিক প্ৰচেষ্টাৰ বাবে বিদ্যালয়খনে ধঁপাতমুক্ত বিদ্যালয়ৰ স্বীকৃতি লাভ কৰিছে। আজিৰে পৰা বিদ্যালয়খনত অধ্যয়নৰত ১,৫০০ ছাত্ৰ-ছাত্ৰী সকলো ধৰণৰ ধঁপাতৰ পৰা মুক্ত। অধ্যক্ষকে ধৰি ৪৭ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী কোনেও ধঁপাতৰ দ্বাৰা আসক্ত নহয় বুলিও প্ৰতিশ্ৰুতিবদ্ধ। একেদৰে বিদ্যালয়ত কৰ্মৰত ৫গৰাকী কৰ্মচাৰীয়েও ধঁপাত সেৱন নকৰে। বিদ্যালয়খনৰ ১০০ মিটাৰ দূৰত্বৰ ভিতৰত কোনো ধৰণৰ ধঁপাতযুক্ত সামগ্ৰী বিক্ৰী কৰিব নোৱাৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আজি ধঁপাতবিৰোধী দিৱস উপলক্ষে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ ধঁপাতবিৰোধী এক সজাগতমূলক শোভাযাত্ৰাও নগাঁও চহৰত বাহিৰ কৰা হয়।

## চৰকাৰী আঁচনিৰ সুবিধাবোৰ

স্মৃতি ৰোমন্থন কৰি উদযাপন কৰা 'স্বাধীনতাৰ অমৃত মহোৎসৱ' উপলক্ষে আজি চিমলাত অনুষ্ঠিত এক কাৰ্যসূচীযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হিতাধিকাৰীসকলক সম্বোধন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰী আঁচনি হিতাধিকাৰীসকলৰ সৈতে ভাৰ্চুৱেল বাৰ্তালাপ কৰে। এই কাৰ্যসূচীৰ উদ্দেশ্য আছিল কেনেদৰে এই আঁচনিসমূহে জনসাধাৰণৰ জীৱন-ধাৰণৰ মান সহজ কৰি তুলিছে সেয়া মূল্যায়ন কৰা। হিতাধিকাৰীসকলৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ এই বাৰ্তালাপৰ জৰিয়তে জনসাধাৰণৰ গৃহ, খোৱাপানীৰ উপলব্ধতা, খাদ্য, স্বাস্থ্য আৰু পুষ্টি, জীৱিকা আৰু বিত্তীয় অন্তৰ্ভূক্তি আদি বিষয়ৰ ওপৰত আলোকপাত কৰা হয়। এই বাৰ্তালাপৰ জৰিয়তে আঁচনিসমূহৰ দ্বাৰা জনসাধাৰণৰ জীৱন ধাৰণৰ প্ৰণালী সুচল কৰি তুলিবলৈ জনকেন্দ্ৰিক দৃষ্টিভংগীৰ ওপৰত আলোকপাত কৰাই নহয়, চৰকাৰৰ প্ৰতি মানুহৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰা আৰু ৰাষ্ট্ৰৰ প্ৰগতিৰ ধাৰাৰ পৰা যাতে কোনো এজন ব্যক্তি বাদ পৰি নাযায় তাক নিশ্চিত কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নিৰ্দেশনাত ৰাজ্য চৰকাৰে বিভিন্ন জনমুখী আৰু দৰিদ্ৰ কেন্দ্ৰিক আঁচনিৰ জৰিয়তে ৰাইজৰ কাষ চাপি গৈছে। তেওঁ কয় যে চৰকাৰে সমাজৰ সকলো শ্ৰেণীৰ লোকক পৰ্যাপ্ত সেৱা আগবঢ়াব বিচাৰে, যাতে চৰকাৰৰ কল্যাণকামী ব্যৱস্থাৰ পৰা সমাজৰ শেষৰজন লোকো বাদ পৰি নাযায়। তেওঁ সেয়েহে ৰাজ্যখনৰ সকলো জনসাধাৰণক আগবাঢ়ি আহি চৰকাৰী আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ হিতাধিকাৰীসকলক অনুমোদন পত্ৰ বিতৰণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ সকলো কৃষকক এই আঁচনিৰ সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ধ্বজাবাহী কাৰ্যসূচীৰ পৰিসৰৰ অধীনত অধিক হিতাধিকাৰী সামৰি ল'বলৈ চৰকাৰৰ সমল আৰু সামৰ্থ দুয়োটাই আছে। তেওঁ ৰাজ্যখনৰ কৃষকসকলক এই আঁচনিৰ জৰিয়তে তেওঁলোকৰ কল্যাণৰ বাবে আগবাঢ়ি অহা উচিত বুলি মন্তব্য কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৫ লাখ হিতাধিকাৰীলৈ প্ৰথম কিস্তি বিতৰণ কৰি মুখ্যমন্ত্ৰীয়ে এই ধনৰাশিৰ সদব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে প্ৰথম কিস্তিৰ ধনৰ সঠিক আৰু উপযুক্ত ব্যৱহাৰ কৰিলে দ্বিতীয় কিস্তি আৰু তৃতীয় কিস্তিৰ ধন পাবলৈ সক্ষম হ'ব। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ প্ৰদানৰ নামত কমিছনৰ ধন সৰকোৱাৰ চলনা কৰা কোনো অসাধু চক্ৰৰ চিকাৰ নহ'বলৈ তেওঁ হিতাধিকাৰীসকলক উদ্দেশ্যি কয়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস'ৰ দৃষ্টিভংগীৰে জনসাধাৰণৰ মৰ্যাদা সম্পন্ন জীৱন নিৰ্বাহৰ বাবে আৰ্থ-সামাজিক সৰলীকৰণ আৰু শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। উল্লেখ্য, প্ৰতিগৰাকী হিতাধিকাৰীক ৩২,৫০০ টকাকৈ শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ১৫ হাজাৰ হিতাধিকাৰীক মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰথম কিস্তি হস্তান্তৰ কৰে। ধ্বজাবাহী আঁচনিৰ অধীনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বাবে অসমত ৫ লাখ হিতাধিকাৰীকে ধৰি অতিৰিক্ত ৮ লাখ হিতাধিকাৰী সামৰি লোৱা হ'ব বুলি তেওঁ কয়। অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদ তপন কুমাৰ গগৈ, বিধায়কক্ৰমে সুশান্ত বৰগোহাই, ধৰ্মেশ্বৰ কোঁৱৰ, ডি এন পি এলৰ অধ্যক্ষ ৰূপম গোস্বামী, নগৰ পানী যোগানৰ অধ্যক্ষ কুশল দুঁৱৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব ড০ জে বি এক্কা আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হিতাধিকাৰীসকলৰ সৈতে আজিৰ ভাৰ্চুৱেল বাৰ্তালাপ অনুষ্ঠানটি সম্পূৰ্ণ প্ৰত্যক্ষ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

### বিধ্বস্ত ৰাষ্ট্ৰীয় ঘাইপথ সন্দৰ্ভত যোৰহাট আছুৰ হুংকাৰৰ পাছতেই উপায়ুক্তৰ মধ্যস্থতাত আলোচনা

## এনএইচআইডিচিএল আৰু নিৰ্মাতা প্ৰতিষ্ঠানে আজিৰ পৰা আৰম্ভ কৰিব মেৰামতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৩১ মে'ঃ** যোৰহাটত অজন্তা বাইপাছৰ পৰা জাঁজী পৰ্যন্ত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ নামত চলি অহা প্ৰহসনে ৰাইজক দীৰ্ঘদিন ধৰি দুৰ্ভোগ ভোগাই আহিছে। এই সন্দৰ্ভত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নিতিন গাডকাৰীক লৈ যোৰহাটত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কাৰ্যত এনএইচআইডিচিএলৰ দায়িত্বজ্ঞানহীনতাৰ বিষয়ে অৱগত কৰাৰ লগতে যোৱা ১১ মাৰ্চত মুখ্যমন্ত্ৰী আৰু ১৮ মে'ত জিলা উপায়ুক্তক এই পথছোৱাৰ সুচল যাতায়াত ব্যৱস্থা প্ৰদানৰ লগতে নতুনকৈ কাম লাভ কৰা প্ৰতিষ্ঠানটোৱে যাতে ইতিমধ্যে হোৱা বিসংগতিসমূহ আঁতৰাই অতি খৰতকীয়াকৈ আৰু আসোঁৱাহবিহীনভাৱে ৰাষ্ট্ৰীয় ঘাইপথ উন্নীতকৰণৰ কাম চলায় সেইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে দাবীপত্ৰ প্ৰদান কৰিছিল। ছাত্ৰ সন্থাৰ দাবী সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ নকৰাত ৩১ মে' আৰু ২ জুনত জিলা ছাত্ৰ সন্থাই ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ আৰু এনএইচআইডিচিএলৰ কাৰ্যালয় ঘেৰাও কাৰ্যসূচী গ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্ত:গাঁথনি উন্নয়ন নিগম লিমিটেড, চমুকৈ এনএইচআইডিচিএলৰ তত্ত্বাৱধানত এই ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘইপথলৈ উন্নীতকৰণৰ কাম চলি আছে যদিও পূৰ্বতে যিকেইটা নিৰ্মাণকাৰী প্ৰতিষ্ঠানে নিৰ্মাণকাৰ্য চলাই আছিল সেই প্ৰতিষ্ঠানকেইটাৰ আসোঁৱাহপূৰ্ণ আৰু নিম্নমানৰ কামৰ বাবে উক্ত প্ৰতিষ্ঠানকেইটাই কাম হেৰুৱাইছিল। যোৰহাটৰ অজন্তা বাইপাছৰ পৰা জাঁজীলৈকে পথটো নিৰ্মাণৰ বাবে নতুনকৈ নিবিদা প্ৰক্ৰিয়াৰে বিজেতা প্ৰজেক্টচ এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড এণ্ড চুইটি ইনফ্ৰাষ্ট্ৰাকচাৰ প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোৱে নতুনকৈ কাম লাভ কৰাৰ পাছতো কাম খৰতকীয়া নকৰাৰ বাবে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থা জাঙুৰ খাই উঠিছিল। এই ৰাষ্ট্ৰীয় ঘাইপথটো মেৰামতিৰ সমান্তৰালকৈ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীতকৰণৰ কাম আসোঁৱাহবিহীন আৰু খৰতকীয়াকৈ কৰাৰ বাবে জিলা ছাত্ৰ সন্থাই দাবী উত্থাপন কৰি এলানি ধাৰাবাহিক আন্দোলন ঘোষণা কৰিছিল। আছুৰ হুংকাৰৰ পাছতেই আজি জিলা উপায়ুক্তৰ মধ্যস্থতাত জিলা ছাত্ৰ সন্থা আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ এলানি আলোচনা অনুষ্ঠিত হয়। এক প্ৰেছ বিবৃতিত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি সংকল্প গগৈ আৰু সাধাৰণ সম্পাদক দীপ দত্তই আলোচনা সন্তোষজনক বুলি মন্তব্য কৰাৰ লগতে আজিৰ সভাত এনএইচআইডিচিএলে দিয়া পথটিৰ উপযুক্ত পৰীক্ষণ আৰু তদাৰকৰ প্ৰতিশ্ৰুতি আৰু নিৰ্মাতা প্ৰতিষ্ঠান বিজেতা প্ৰজেক্টছ আৰু ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেডে আলোচনাকালত কাইলৈৰ পৰা অজন্তা বাইপাছৰ পৰা জাঁজী পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথ যাতায়াতৰ সুচল হোৱাকৈ লাহদৈগড়ৰ পৰা মেৰামতিৰ কাম আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ উপৰি ছাত্ৰ সন্থাৰ অন্যান্য দাবী সন্দৰ্ভত শীঘ্ৰে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি দিয়াত সাময়িকভাৱে ছাত্ৰ সন্থাই আন্দোলন স্থগিত ৰখাৰ কথা ব্যক্ত কৰে। বিভিন্ন সময়ত বহুজাতিক প্ৰতিষ্ঠানসমূহে এই চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ নিবিদা লাভ কৰিছে যদিও পথ নিৰ্মাণৰ নামত কেৱল কমিছনৰাজ আৰু নিৰ্মাণৰ নামত ল'ৰা-ধেমালি কৰি আহিছে। যাৰ বাবে উজনিৰ ৰাইজে যাতায়াতৰ বাবে দুৰ্ভোগ ভুগি আহিবলগীয়া হৈছে আৰু অৰ্ধনিৰ্মিত অৱস্থাত থকা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কিছু কিছু অংশ মৰণফান্দত পৰিণত হৈছে, সেই সময়ত নতুনকৈ কাম লাভ কৰা প্ৰতিষ্ঠানটোৱে যাতে ইতিমধ্যে হোৱা বিসংগতিসমূহ আঁতৰাই অতি খৰতকীয়াকৈ আৰু আসোঁৱাহবিহীনভাৱে ৰাষ্ট্ৰীয় ঘাইপথ উন্নীতকৰণৰ কাম চলাই ৰাইজক সকাহ প্ৰদান কৰে সেইক্ষেত্ৰত জিলা ছাত্ৰ সন্থাই বিভিন্ন সময়ত দাবী উত্থাপন কৰি আহিছে বুলি ছাত্ৰনেতাদ্বয়ে ব্যক্ত কৰে। একেটা বিবৃতিতে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য জিতু নেওগে কয়— নিৰ্মাতা প্ৰতিষ্ঠান আৰু তদাৰকী প্ৰতিষ্ঠান এনএইচআইডিচিএলে আজিৰ সভাত দিয়া তেওঁলোকৰ প্ৰতিশ্ৰুতি পালন কৰাত অগ্ৰসৰ হোৱাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথটোৰ উন্নীতকৰণৰ কাম আসোঁৱাহবিহীনভাৱে খৰতকীয়াকৈ আগবঢ়াই নিবলৈ আৰু প্ৰশাসনক আৰু বিভা নিৰ্মাণ কাৰ্যৰ ওপৰত চোকা দৃষ্টি নিক্ষেপ কৰিবলৈ ছাত্ৰনেতাজনে আহ্বান জনায়। তেওঁ লগতে কয় যে সংশ্লিষ্ট সকলো পক্ষৰ কামৰ ওপৰত ছাত্ৰ সন্থাই নজৰ ৰাখিব। জিলা প্ৰশাসনৰ নিমন্ত্ৰণমৰ্মে আজি যোৰহাট জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাগৃহত উপায়ুক্ত অশোক কুমাৰ বৰ্মন মহোদয়ৰ সভাপতিত্বত, অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মন, ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্ত:গাঁথনি উন্নয়ন নিগম লিমিটেডৰ মহাপ্ৰবন্ধক বিজয় কুমাৰ, এনএইচআইডিচিএলৰ মনোজ কুমাৰ সিং, বিজেতা প্ৰজেক্টচ এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড এণ্ড চুইটি ইনফ্ৰাষ্ট্ৰাকচাৰ প্ৰাইভেট লিমিটেডৰ প্ৰজেক্ট মেনেজাৰ জাভেদ খানৰ উপস্থিতিত ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দল আলোচনাত মিলিত হয়। আলোচনাকালত কাইলৈৰ পৰা অজন্তা বাইপাছৰ পৰা জাঁজী পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথ যাতায়াতৰ সুচল হোৱাকৈ লাহদৈগড়ৰ পৰা মেৰামতিৰ কাম আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ উপৰি ছাত্ৰ সন্থাৰ অন্যান্য দাবী সন্দৰ্ভত শীঘ্ৰে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। আজিৰ আলোচনাকালত টীয়ক নাগৰিক সমিতিও উপস্থিত থাকে। সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ৰাজীৱ বৰা, যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিয়াজ হুছেইন, তিতাবৰ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অবিনাশ ফুকন, নাগৰিক সমিতি টীয়কৰ সভাপতি প্ৰদীপ চুতীয়াৰ নেতৃত্বত এটা সঁজাতী দলে অংশগ্ৰহণ কৰে।

## বিজেপিৰ জয়যাত্ৰা

### সংখ্যালঘু অধ্যুষিত পাগলাহাট গাঁও পঞ্চায়তৰ সভাপতি পদৰ উপ-নিৰ্বাচনত বিজেপিৰ জয়লাভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ৩১ মে'ঃ** বিৰোধীয়ে বিজেপি চৰকাৰ তথা দলটোৰ বিৰুদ্ধে সাম্প্ৰদায়িকতাৰ অভিযোগ তুলি বিজেপিৰ জয়যাত্ৰাত যিমানেই ভেটা দিবলৈ চেষ্টা নকৰক কিয় সকলো বাধা নেওচি এটাৰ পিছত আন এটা নিৰ্বাচনত বিজেপি দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিবলৈ সক্ষম হোৱা পৰিলক্ষিত হৈছে। ৭০ নম্বৰ পাগলাহাট গাঁও পঞ্চায়তৰ সভাপতি পদৰ বাবে অনুষ্ঠিত হৈ যোৱা ভোট গ্ৰহণৰ আজি ঘোষিত ফলাফলত বিজেপি দলৰ প্ৰাৰ্থী ৰমেশ চন্দ্ৰ ৰায়ে নিকটতম প্ৰতিদ্বন্দ্বী ইনামুল হকক ৭২৯টা ভোটৰ ব্যৱধানত পৰাজিত কৰি জয়লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য, ধুবুৰী জিলাৰ ৭০ নম্বৰ পাগলাহাট গাঁও পঞ্চায়তৰ সভাপতি পদৰ বাবে যোৱা ২৯ মে'ৰ দিনা অনুষ্ঠিত হৈ যোৱা উপ-নিৰ্বাচনত বিজেপি দলৰ পৰা ৰমেশ চন্দ্ৰ ৰায়, কংগ্ৰেছ দলৰ পৰা ইনামুল হক আৰু এ আই ইউ ডি এফ দলৰ পৰা গোলাম মোস্তাফা বেপাৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। গাঁও পঞ্চায়তখনৰ মুঠ ৯,৭৫৪ গৰাকী ভোটাৰৰ ভিতৰত ৭,৪৬৪ গৰাকী ভোটাৰে ভোট দান কৰিছিল। ইয়াৰ ভিতৰত ২৮৪ টা ভোট নাকচ হয় আৰু ৭,১৮০ টা ভোট বৈধ বুলি বিবেচিত হয়। আজি ঘোষিত ফলাফলত বিজেপি দলৰ প্ৰাৰ্থী ৰমেশ চন্দ্ৰ ৰায়ে লাভ কৰে ৩,৬৭০ টা, কংগ্ৰেছ দলৰ প্ৰাৰ্থী ইনামুল হকে লাভ কৰে ২,৯৪১ টা ভোট আৰু এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থী গোলাম মোস্তাফা বেপাৰীয়ে লাভ কৰে ৫৬৯ টা ভোট। উল্লেখ্য যে অনিয়মৰ অভিযোগত পাগলাহাট গাঁও পঞ্চায়তৰ পূৰ্বৰ সভাপতি ছোহৰাফ আলী শ্বেখ সভাপতি পদৰ পৰা অপসাৰিত হোৱাত উক্ত পদৰ বাবে যোৱা ২৯ মে'ৰ দিনা পঞ্চায়তখনত উপ-নিৰ্বাচন অনুষ্ঠিত হয়।

## হাজাৰ গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য সম্পন্ন সিদ্ধু মোছেৱালাৰ

**চণ্ডীগড়, ৩১ মে'ঃ** সন্ত্ৰাসবাদীৰ গুলীত প্ৰাণ ত্যাগ কৰা পঞ্জাৱৰ জনপ্ৰিয় কণ্ঠশিল্পী তথা কংগ্ৰেছ নেতা সিদ্ধু মোছেৱালাৰ মঙলবাৰে নিজৰ জন্ম গাঁৱত শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁৰ এই শেষ যাত্ৰাত হাজাৰ হাজাৰ গুণমুগ্ধই শোভাযাত্ৰা কৰি সন্ত্ৰাসবাদ নিপাত যাওঁক ধ্বনিৰে আকাশ-বতাহ কঁপাই তোলা দেখা যায়। উল্লেখ্য যে দেওবাৰে দিল্লীৰ পৰা নিজৰ গৃহভূমি মানছা জিলাত প্ৰৱেশ কৰি ঘৰ অভিমুখে যাত্ৰা কৰি থকা সময়তে সন্ত্ৰাসবাদীয়ে গুলীৰে থকাসৰকা কৰে। নিজৰ বাহনত চালকৰ আসনত থকা যুৱ নেতাজনৰ দেহৰক্ষী প্ৰত্যাহাৰ কৰিছিল শনিবাৰে। মঙলবাৰে পুৱাতে মানছা অসামৰিক হাস্পতালৰ পৰা নিজ পিতৃয়ে মোছেৱালাৰ মৃতদেহ চমজি লয়। ইয়াৰ পিছত মানছাৰ নিজ গৃহলৈ মৃতদেহ কঢ়িয়াই নিয়া হয়। মোছেৱালাই পচন্দ কৰা এখন ট্ৰেক্টৰ মৃতদেহ লৈ দীঘলীয়া শোভাযাত্ৰাৰে আগবঢ়াই নিয়া হয়। নিজৰ কৃষিভূমিতে মৃতদেহ সৎকাৰ কৰা হয়। উল্লেখ্য যে শুভদ্বীপ সিং সিদ্ধু নামৰ জনপ্ৰিয় যুৱ গায়কজনক স্থানীয়ভাৱে সিদ্ধু মোছেৱালা হিচাপে বন্ধু মহলে অভিহিত কৰিছিল। তেওঁৰ সম্পৰ্কীয়



ভাতৃ আৰু বন্ধুসকলে শেষকৃত্যৰ কাৰণে আগবাই নিয়াৰ সময়ত হাজাৰ হাজাৰ উপস্থিত ৰাইজে অশ্ৰুসিক্ত নয়নেৰে যুৱ শিল্পীজনলৈ শ্ৰদ্ধা নিবেদন কৰা দেখা গ'ল। কানাডাৰ এক গেংমাষ্টাৰৰ নিৰ্দেশত পাঞ্জাৱৰ লৰেন্স বিষ্ণই নামৰ অন্য এক গেং মাষ্টাৰৰ জৰিয়তে এই হত্যাকাণ্ড সংঘটিত কৰা বুলি প্ৰকাশ পাইছে। পাঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মনে সোমবাৰে ন্যায়িক দণ্ডাধীশৰ জৰিয়তে হত্যাকাণ্ডৰ তদন্ত কৰিবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ পূৰ্বে এই ঘটনাৰ তদন্তৰ বাবে পাঞ্জাৱ আৰক্ষীয়ে এছ আই টি গঠন কৰিছে।




ৰাজস্থানৰ পৰা ৰাজ্যসভালৈ মনোনয়ন দাখিল কৰিছে বিজেপি প্ৰাৰ্থী ডাঃ সুভাষ চন্দ্ৰই, মঙলবাৰে

## কুলগামত শিক্ষয়িত্ৰীক গুলীয়াই হত্যা

### সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱাৰ হুংকাৰ জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্‌হাৰ

**শ্ৰীনগৰ, ৩১ মে'ঃ** জম্মু-কাশ্মীৰৰ কুলগাম জিলাত এগৰাকী হিন্দু মহিলা শিক্ষয়িত্ৰীক ইছলামিক সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰা কাৰ্যক কঠোৰ ভাষাৰে নিন্দা কৰিছে উপ ৰাজ্যপাল মনোজ সিনহাই। এই ঘটনা অক্ষমনীয় বুলি অভিহিত কৰিছে আৰু দোষীৰ বিৰুদ্ধে কঠোৰ অভিযান চলোৱাৰ হুংকাৰ দিছে। এনেধৰণৰ ঘটনাত জড়িত লোকসকলক সহায়-সহযোগ কৰা সকলো সমানেই দোষী বুলি অভিহিত কৰিছে। উল্লেখ্য যে মঙলবাৰে পুৱাৰ ভাগতে ৰজনীবালা নামৰ ৩৬ বছৰীয়া মহিলা শিক্ষয়িত্ৰীগৰাকীক গুলীয়াই হত্যা কৰা হয়। চম্বা জিলাৰ বাসিন্দা ৰজনীয়ে চাকৰি সূত্ৰে কুলগাম জিলাত বসবাস কৰিছিল। গোপালপাৰা অঞ্চলৰ এখন চৰকাৰী বিদ্যালয়ত নিযুক্ত হৈ আছিল। চলিত বৰ্ষৰ মে' মাহত কাশ্মীৰ উপত্যকাত অমুছলমান চৰকাৰী চাকৰিয়ালক কৰা হত্যাৰ এইটো হ'ল দ্বিতীয় ঘটনা। মাহটোত এনেদৰে সাতটা হত্যা কাণ্ডৰ চেষ্টা চলোৱা হৈছিল। তেওঁক লৰালৰিকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও ইতিমধ্যে প্ৰাণবায়ু উৰি গৈছিল। কাশ্মীৰী পণ্ডিতৰ বংশধৰ হোৱা বাবেই মহিলা শিক্ষয়িত্ৰীগৰাকীক হত্যা কৰিলে



ইছলামিক উগ্ৰপন্থীয়ে। যোৱা ১২মে' তাৰিখে বাদগাম জিলাৰ ৰাহুল ভট্ট নামৰ এজন কেৰানীক কাশ্মীৰী পণ্ডিতৰ বংশধৰ হোৱা বাবেই হত্যা কৰা হৈছিল।

### ছিমলাত গৰীব কল্যাণ সন্মিলন সম্বোধন প্ৰধানমন্ত্ৰীৰ

# ফাইলত চহী কৰাৰ সময়ৰ বাহিৰে ৮ বছৰে নিজকে প্ৰধানমন্ত্ৰীৰ দৃষ্টিৰে চোৱা নাইঃ মোদী

**ছিমলা, ৩১ মে'ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কয় যে বিগত আঠ বছৰত কেইটামান মুহূৰ্তৰ বাহিৰে অন্য সময়ত তেওঁ নিজকে প্ৰধানমন্ত্ৰীৰ দৃষ্টিৰে চোৱা নাই। দেশৰ অন্যান্য সাধাৰণ ৰাইজৰ এজন হিচাপেহে নিজকে গণ্য কৰিছে। কিন্তু যেতিয়া চৰকাৰী ফাইল, নথি-পত্ৰ আদিত স্বাক্ষৰ কৰিব লগা হয়, তেতিয়াহে প্ৰধানমন্ত্ৰীৰ ভূমিকা পালন কৰে। অন্য সময়ত সাধাৰণ ৰাইজৰ এজন হিচাপেই দেশবাসীৰ কাষত ঠিয় দি আহিছে। উল্লেখ্য যে ১৩০ কোটি জনতাৰ প্ৰধান সেৱক হিচাপে নিজকে গণ্য কৰিছে আৰু এই লোকসকলেই তেওঁৰ জীৱনৰ সৰ্বোত্তম সাধনাৰ ফল বুলি গ্ৰহণ কৰিছে। কেন্দ্ৰত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দ্বিতীয়খন চৰকাৰৰ তৃতীয় বছৰ সম্পূৰ্ণ হৈছে আৰু মুঠ আঠ বছৰ মোদী নেতৃত্বাধীন চৰকাৰৰ বৰ্ষপূৰ্তিৰ দিনটোত দেশজুৰি এলানি কল্যাণকামী আঁচনিৰ শুভাৰম্ভ কৰা হৈছে। সেই অনুসৰি প্ৰধানমন্ত্ৰী মোদীয়ে হিমাচল প্ৰদেশৰ ছিমলাত অৱস্থিত এক ৰাজহুৱা মঞ্চৰ পৰা দেশবাসীক সম্বোধন কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে ২০১৪ চনৰ তুলনাত বৰ্তমান দেশৰ সীমান্ত অধিক সুৰক্ষিত আৰু নিৰাপদ হৈ আছে। হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰ আৰু অন্যান্যসকলে মোদীৰ সৈতে এই বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। দেশত দৰিদ্ৰতাৰ হাৰ পূৰ্বতকৈ নিম্নগামী হোৱা বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰিছে। আজিৰ দিনটোতে প্ৰথমাৰ্ধত দেশৰ দহ কোটি কৃষকৰ বাবে ২১ হাজাৰ কোটি টকাৰ পুঁজি মোকলাই দিয়া হৈছে। এই ধনৰাশি প্ৰধানমন্ত্ৰী কৃষান সন্মান নিধিৰ জৰিয়তে সংশ্লিষ্ট হিতাধিকাৰী কৃষকে লাভ কৰিব। আনহাতে মঙলবাৰৰ দিনটোতে এই নিধিৰ অধীনত এঘাৰ সংখ্যক কিস্তি কৃষকসকলক বেংকৰ একাউণ্টৰ জৰিয়তে আদায় দিয়া হৈছে। আনহাতে দেশৰ বিভিন্ন স্থানৰ ৰাইজৰ সৈতেও মত বিনিময় কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। সেয়েহে আগন্তুক সময়ত অন্যান্য বহু আঁচনিৰ জৰিয়তে দেশৰ কৃষক, শ্ৰমজীৱি আৰু নিম্ন আয়ৰ লোকসকলে উপকৃত হ'ব বুলিও অষ্টম বৰ্ষপূৰ্তিৰ ক্ষণত প্ৰধানমন্ত্ৰীয়ে নিজ মুখে প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।






সন্ত্ৰাসবাদীৰ গুলীত নিহত সিদ্ধু মোছেৱালাৰ নশ্বৰ দেহৰ কাষত শোকত ভাগি পৰিছে পিতৃ-মাতৃ

## মুখ্যমন্ত্ৰী যোগীক লগত লৈ উত্তৰ প্ৰদেশত ৰাজ্যসভাৰ বাবে ৮ বিজেপি প্ৰাৰ্থীৰ মনোনয়ন

**লক্ষ্ণৌ, ৩১ মে'ঃ** উত্তৰ প্ৰদেশৰ পৰা বিজেপিৰ আঠ প্ৰাৰ্থীয়ে আগন্তুক ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰিছে। আজি বিধানসভাৰ চৌহদত থকা নিৰ্বাচনী বিষয়াৰ হাতত এই মনোনয়ন পত্ৰসমূহ দাখিল কৰা হয়। প্ৰাৰ্থীকেইগৰাকীক সহযোগ কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ আৰু বিজেপি দলৰ অন্যান্য শীৰ্ষ কৰ্মকৰ্তাই। উল্লেখ্য যে আজি অৰ্থাৎ ৩১মে' তাৰিখে মনোনয়ন দাখিলৰ অন্তিম দিন নিৰ্ধাৰণ কৰা হৈছিল। সেয়েহে উত্তৰ প্ৰদেশৰ পৰা মনোনয়ন দাখিল কৰাসকলৰ ভিতৰত আছে বিজেপিৰ অ'বিচি মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি কে লক্ষ্মণ, প্ৰাক্তন ৰাজ্যিক সভাপতি লক্ষ্মীকান্ত বাজপেয়ী, মিথিলেশ কুমাৰ, ৰাধামোহন দাস আগৰৱালা, সুৰেন্দ্ৰ সিং নাগৰ, বাবুৰাম নিশাদ, দৰ্শনা সিং আৰু সংগীতা যাদৱ। মনোনয়ন দাখিলৰ সময়ত মুখ্যমন্ত্ৰী যোগীৰ উপৰিও দুই উপ



মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠক আৰু কেশৱ প্ৰসাদ মৌৰ্য উপস্থিত আছিল। উল্লেখ্য যে বিজেপিয়ে এইবাৰ ৰাজ্যসভাৰ নিৰ্বাচনত কেন্দ্ৰীয় মন্ত্ৰী মুখতাৰ আব্বাছ নাগভি সহ অন্যান্য কেইবাজনো শীৰ্ষ নেতাক দলীয় মনোনয়ন প্ৰদান কৰা নাই। বৰ্তমানলৈকে প্ৰকাশিত তিনিখন তালিকাত ২২ গৰাকী প্ৰাৰ্থীৰ নাম সন্নিৱিষ্ট আছে। তালিকাৰ পৰা বাদ পৰা অন্যান্য সকলৰ মাজত আছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী প্ৰকাশ জাভেদকাৰ, দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক দুষ্মন্ত গৌতম, প্ৰাক্তন ৰাষ্ট্ৰীয় উপ সভাপতি বিজয় শহস্ত্ৰবুদ্ধি, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শিৱপ্ৰতাপ শুক্লা, ৰাষ্ট্ৰীয় মুখপত্ৰ শ্বয়িদ জাফাৰ ইছলাম আদি অন্যতম। ইফালে প্ৰাক্তন কংগ্ৰেছ মন্ত্ৰী আৰ পি এন সিঙে উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে বিজেপিত যোগদান কৰিলেও ৰাজ্যসভাত প্ৰাৰ্থীত্ব আদায়ত সক্ষম নহ'ল। অহা দহ জুন তাৰিখে এই নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৫খন ৰাজ্যৰ বাবে অনুষ্ঠিত হ'ব লগা নিৰ্বাচনত মনোনয়ন দাখিলৰ অন্তিম তাৰিখ আছিল আজি অৰ্থাৎ ৩১মে'।

## ৯ জুনলৈকে এনফ'ৰ্চমেণ্টৰ জিম্মাত থাকিব লাগিব দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দৰ জৈন

**নতুন দিল্লী, ৩১ মে'ঃ** দুৰ্নীতিমুক্ত চৰকাৰ আৰু প্ৰশাসনৰ প্ৰতিশ্ৰুতি দিয়া আম আদমী পাৰ্টিৰ পাঞ্জাৱ আৰু দিল্লী চৰকাৰৰ দুয়োজন স্বাস্থ্য মন্ত্ৰী সম্প্ৰতি ৰঙাঘৰৰ আলহী হৈ আছে। দুয়োজনে ঠিকাদাৰৰ পৰা কমিচনৰ ধন লৈ এনেদৰে তদন্তকাৰী সংস্থাৰ জালত পৰিছে। উল্লেখ্য যে সোমবাৰে এনফ'ৰ্চমেণ্ট বিভাগে গ্ৰেপ্তাৰ কৰা দিল্লীৰ স্বাস্থ্য মন্ত্ৰী সত্যেন্দৰ জৈন অহা ৯ জুনলৈকে তদন্তকাৰী সংস্থাটোৰ জিম্মাত কটাব লাগিব। ইয়াৰ পিছত ন্যায়ালয়ত হাজিৰ কৰি পৰৱৰ্তী পদক্ষেপ লোৱা হ'ব। প্ৰণিধানযোগ্য এয়ে যে আয়তকৈ অধিক সম্পত্তি আহৰণ কৰাৰ বিষয়ত চলোৱা তদন্ত ৪.৮১ কোটি টকা হাৱালা নেটৱৰ্ক পদ্ধতিৰে আহৰণ কৰা বুলি প্ৰমাণিত হৈছে। এই ধনৰাশি জৈনৰ কোম্পানীৰ




নামত জমা দিয়া হৈছিল। দিল্লীৰ স্বাস্থ্যমন্ত্ৰী হৈ থকা জৈনে বিভিন্ন প্ৰতিষ্ঠানৰ পৰা স্বাস্থ্য আৰু চিকিৎসা বিভাগৰ সামগ্ৰী যোগানৰ নামত কমিচন লৈ অহাৰ অভিযোগ আছে। এই কমিচনসমূহ নগদ ধনৰ পৰিৱৰ্তে হাৱালা পদ্ধতিৰে নিজৰ কোম্পানীৰ বেংকৰ একাউণ্টত জমা দিবলৈ নিৰ্দেশ দিয়া হয়। সেইমতেই কমিচন গ্ৰহণ কৰি থকা বিষয়টো এনফ'ৰ্চমেণ্টৰ দৃষ্টিগোচৰ হয়। এইক্ষেত্ৰত চিবিআইৰ দ্বাৰাও অন্য এটা গোচৰ পঞ্জীয়ন হৈছে আৰু দিল্লীৰ স্বাস্থ্য মন্ত্ৰীজনৰ লগতে আম আদমী চৰকাৰৰ কোন কোন লোক কমিচনৰ সৈতে জড়িত আছে, সেই কথা অচিৰেই পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## সহ-অভিনেত্ৰীৰ অভিযোগৰ পিছত জামিন লাভ কৰিলে মালয়ালম অভিনেতা বিজয় বাবুৱে

**তিৰুৱনন্তপুৰম, ৩১ মে'ঃ** কেৰালা উচ্চ ন্যায়ালয়ে শুকুৰবাৰে জামিন মঞ্জুৰ কৰে মালয়ালম ছবিৰ



অভিনেতা বিজয় বাবুৰ কাৰণে। এগৰাকী সহ অভিনেত্ৰীয়ে অভিনয়ৰ সময়ত যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ আনিছিল বিজয় বাবুৰ বিৰুদ্ধে। কিন্তু অভিনেতাজনেও ব্লেক মেইল কৰা বুলি সহ অভিনেত্ৰী গৰাকীৰ বিৰুদ্ধে ফেচবুকত অভিযোগ কৰিছিল। সেয়েহে ন্যায়াধীশ বেছু কোৰিয়ান থমাছৰ আদালতে তেওঁক জামিন প্ৰদান কৰিছে। এই গোচৰৰ পৰৱৰ্তী শুনানি অহা দুই জুন তাৰিখে ধাৰ্য কৰা হৈছে। বিষয়টোৱে ৰাজ্যখনত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা দেখা গৈছে।



তামিলনাডুৰ ৰামেশ্বৰম আৰু ধানুস্কুৰী সংযোগী ৰে'ল দলং ১৯৬৪ চনতে ছুনামিয়ে তচনচ কৰাৰ পিছত নতুনকৈ পামবান ব্ৰীজ এনেদৰে নিৰ্মাণ কৰি থকা পৰিলক্ষিত হৈছে। এই প্ৰকল্পৰ বাবে ৭০০ কোটি টকা ব্যয় হৈছে

## কৰ্ণাটকত হিন্দু দেৱতাৰ প্ৰতিমূৰ্তি ভাঙিলে দুৰ্বৃত্তইঃ আৰক্ষীৰ গোচৰ



**তিৰুপতি, ৩১ মে'ঃ** কৰ্ণাটকৰ মালেকালু তিৰুপতি মন্দিৰ সংগ্ৰহালয়ত থকা হিন্দু দেৱ-দেৱীৰ কমেও দহটা প্ৰতিমূৰ্তি ভাঙি পেলোৱা হ'ল। দৰ্শনাৰ্থীৰ ভাও ধৰি অহা দুৰ্বৃত্তই যোৱা সোমবাৰে প্ৰতিমূৰ্তিকেইটা এনেদৰে ক্ষতিগ্ৰস্ত কৰে বুলি প্ৰকাশ পাইছে। লোহাৰ ৰড, কাঠৰ টুকুৰা আদিৰে কোবাই কোবাই এই প্ৰতিমূৰ্তি কেইটা ভাঙি পেলোৱা বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ইয়াৰে কেইটামান প্ৰতিমূৰ্তি নিৰ্মাণ সম্পূৰ্ণ কৰি সংস্থাপনৰ বাবে সাজু কৰি তোলা হৈছিল। অন্য কেইটামান অৰ্ধনিৰ্মিত অৱস্থাতে আছে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে জিলা আৰক্ষী অধীক্ষক শ্ৰীনিবাস গৌড়াই ঘটনাস্থলী পৰিদৰ্শন কৰে। তেওঁ কয় যে এই প্ৰতিমূৰ্তিকেইটা এটা ব্যক্তিগত সংগ্ৰহালয়ত নিৰ্মাণ কৰি থকা হৈছিল। মন্দিৰৰ সংগ্ৰহালয়ত এই প্ৰতিমূৰ্তিকেইটা সংস্থাপিত কৰা হোৱা নাছিল বুলি আৰক্ষী অধীক্ষকজনে প্ৰকাশ কৰিছে। ইতিমধ্যে এটা গোচৰ ৰুজু কৰি অনুসন্ধান অব্যাহত ৰখা বুলি কোৱা হৈছে। কি কাৰণত নিৰ্মীয়মান অৱস্থাতে হিন্দু দেৱ-দেৱীৰ দহটা প্ৰতিমূৰ্তি ভাঙি পেলোৱা হ'ল, সেয়া অনুসন্ধানৰ পিছতহে প্ৰকাশ পাব বুলি কোৱা হৈছে। আনহাতে এই ঘটনাৰ সৈতে কোন পক্ষ জড়িত, ধৰ্মীয় সংঘাত সৃষ্টিৰ বাবে এনে কাৰ্য কৰা হৈছে নেকি, এই বিষয়বোৰ তদন্তৰ জৰিয়তে স্পষ্ট হ'ব। আৰক্ষীয়ে দুস্কৃতিকাৰীৰ সন্ধানত ড'গ স্কোৱাড ব্যৱহাৰ কৰিছে। লগতে চিচি টিভি ফুটেজ আদি পৰীক্ষা কৰি দুস্কৃতিকাৰী চিনাক্তকৰণৰ পদক্ষেপ লোৱা বুলি কোৱা হৈছে।



কাৰ্তিক আৰিয়ান অভিনীত 'ভুলভুলায়ে' হিন্দী চলচিত্ৰখনে নিউজীলেণ্ডত বক্স অফিচ গৰম কৰা বুলি বাতৰিত প্ৰকাশ

## কংগ্ৰেছত্যাগী হাৰ্ডিক পেটেল অচিৰেই সোমাব বিজেপিত

**আহমেদাবাদ, ৩১ মে'ঃ** তিনি বছৰে কংগ্ৰেছ দলে 'ধুই' পেলালে বুলি স্বীকাৰোক্তি দিয়া হাৰ্ডিক পেটেল অৱশেষত বিজেপি দলত যোগদান কৰিব বুলি একপ্ৰকাৰ নিশ্চিত তথ্য আহিছে। সেই অনুসৰি জুন মাহৰ প্ৰথম সপ্তাহৰ ভিতৰতে গুজৰাটৰ পাটিদাৰ আন্দোলনৰ নেতাজনে গেৰুৱা বসন পৰিধান কৰিব বুলি প্ৰকাশ পাইছে। চলিত বৰ্ষৰ শেষৰফালে গুজৰাট বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যিক কংগ্ৰেছৰ কাৰ্যকৰী সভাপতিৰ দায়িত্বত অধিষ্ঠিত হাৰ্ডিক পেটেলে আচম্বিতে দল ত্যাগ কৰাৰ পিছত কংগ্ৰেছৰ মাজত সেই স্থান পূৰাবলৈ নেতাৰ অভাৱ পৰিলক্ষিত হৈছে। অৱশ্যে সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে অযোধ্যা বিষয়তো আৰু সংবিধানৰ ৩৭০ ধাৰা বিলুপ্তি কৰাৰ প্ৰসংগত কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰে তেওঁৰ মনোমালিন্য হৈছিল। আগন্তুক সময়ত যিটো দলতেই যোগদান নকৰক কিয়, গুজৰাটৰ ৰাইজৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ তেওঁ পূৰ্বৰ দৰে দৃঢ় হৈ থাকিব। আনহাতে গুজৰাট ৰাজ্যিক বিজেপিয়ে ইংগিত দিয়া অনুসৰি অহা দুই জুনত যুৱ নেতাজনে বিজেপিত যোগদান কৰিব। প্ৰণিধানযোগ্য এয়ে যে ২৮ বছৰীয়া পেটেলে ২০১৯ চনত কংগ্ৰেছত যোগদান



কৰিছিল। কিন্তু ১৮মে' তাৰিখে পদত্যাগ কৰি প্ৰেৰণ কৰা পত্ৰখন সম্বোধন কৰিছিল ছোনিয়া গান্ধীলৈ। এই পত্ৰত ৰাহুল গান্ধীক সমালোচনা কৰা হৈছিল। সভাসমূহত ৰাইজৰ বিষয়ে আলোচনা কৰাতকৈ চিকেন-চেণ্ডুইচৰ সোৱাদ ল'বলৈ নেতাসকল অধিক ব্যস্ত হৈ পৰা বুলিও নিন্দা কৰিছিল এইজন যুৱ নেতাই।

## পিলিঙা টাইদৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৱামুখ, ৩১ মে' ঃ** বোকাখাত মহকুমাৰ মহুৱামুখৰ বংকোৱাল বৰালিমৰা লাইনৰ নিবাসী পিলিঙা টাইদ (৮০) ৰ বাৰ্ধক্যজনিত কাৰণত দেওবাৰে সন্ধিয়া ৭ বজাত নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত টাইদে দুজন পুত্ৰ, দুগৰাকী বোৱাৰীৰ লগতে এগৰাকী জী, জোঁৱাই, নাতি-নাতিনী আৰু বহুতো আত্মীয় গুণমুগ্ধক ইহ-সংসাৰত এৰি যায়। তেখেতৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে।

## কাঁহিকুছিত কাছ-নাছৰ সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৩১ মে' ঃ** অসমৰ পূৰ্বণি কৃষক সংগঠন কাছ-নাছৰ কেন্দ্ৰীয় সমিতিৰ ২৯ মে'ত সাধাৰণ সভাখনি কাঁহিকুছি উদ্যান আৰু গবেষণা কেন্দ্ৰত অনুষ্ঠিত হয়। সংগঠনটোৱে প্ৰতিষ্ঠাকালৰ পৰাই প্ৰকৃত কৃষকক উৎপাদনী কামত জড়িত কৰি আহিছে। ডিমা হাছাও, কাৰ্বি আংলং আদি পাহাৰীয়া জিলাকে ধৰি অসমৰ প্ৰতিখন জিলাৰ প্ৰকৃত কৃষকক ধান মৰা, পানী যোগান ধৰা মেচিন যোগান ধৰিও আহিছে। এই উপলক্ষে ফিলিপাইনচৰ পৰা ইৰীৰ যোগেদি অহা নানা কৃষকৰ যন্ত্ৰ সঁজুলি বিকল হলে কেনেকৈ সুচল কৰিব পাৰি তাৰ ওপৰত প্ৰশিক্ষণ দিয়াৰ সন্দৰ্ভতো প্ৰশিক্ষণ দিয়া হয়। লকডাউনৰ পিছত ৰাজ্যৰ বিভিন্ন জিলাত কৃষকৰ অৱস্থা শোচনীয় হৈ পৰিছিল। এই কৃষকক বিভিন্ন দিশত উপকৃত কৰাৰ উদ্দেশ্যে সভাখন অনুষ্ঠিত কৰা হয়। বিভিন্ন জিলাৰ পৰা অহা কেন্দ্ৰীয় প্ৰতিনিধি, এই সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ সদস্য, প্ৰধান সম্পাদক কৃষ্ণমোহন তালুকদাৰ, সভাপতি ভুলেন হাজৰিকা, প্ৰতিষ্ঠাপক মুখ্য উপদেষ্টা লোহিত গগৈ, কৃষি বিজ্ঞানী তথা কৃষক বন্ধু ড° ধীৰেন্দ্ৰ নাথ কলিতা, সেউজ ৰত্ন বিজ্ঞানী ড° কমল মল্ল বৰুৱাকে ধৰি কেইবাগৰাকী বিজ্ঞানীয়ে অংশগ্ৰহণ কৰি কৃষক উপকৃত হোৱাৰ লগতে কৃষি কাৰ্য ৰোপণৰ ওপৰত ভাষণ আগবঢ়ায়। এই অনুষ্ঠানত বিশেষভাৱে সহায় কৰে কৃষক অধিকাৰ সুৰক্ষা সমিতি নাছৰ দক্ষিণ কামৰূপৰ সভানেত্ৰী বৰ্ণালী তালুকদাৰসহ সংগঠনটোৰ সদস্যসকলে।




ডিমা হাচাওৰ বান পীড়িতৰ সাহাৰ্যাৰ্থে বাদ্যযন্ত্ৰী শিল্পী মঞ্চ, মঙলদৈৰ বস্ত্ৰদান

### নগৰবেৰাত পেট্ৰ'ল-ডিজেলৰ বাবে গ্ৰাহকৰ হাহাকাৰ

## মাহটোৰ সৰহ কাল বন্ধ হৈ থাকে পেট্ৰ'ল পাম্প

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৩১ মে' ঃ** নগৰবেৰা অঞ্চলত সম্প্ৰতি হাহাকাৰ লাগিছে পেট্ৰ'ল-ডিজেলৰ। বৃহত্তৰ অঞ্চলটোৰ ক্ৰমে নগৰবেৰাস্থ ভাৰত পেট্ৰ'লিয়ামৰ বংশীগোপাল তেল ডিপ' আৰু জামলাইস্থিত 'বাদুচা' দুটাকৈ তেল ডিপ' থকা সত্ত্বেও গ্ৰাহক সকলে পেট্ৰ'ল-ডিজেল বিচাৰি হাহাকাৰ হ'বলগীয়া হৈছে। আনহাতে নগৰবেৰাৰ বংশীগোপাল পেট্ৰ'ল পাম্পটো মাহটোৰ সৰহভাগ সময় সন্মুখত হেঙাৰ বান্ধি পেট্ৰ'ল-ডিজেল নোহোৱা জাননী আঁৰি ৰখাৰ ফলত গ্ৰাহক সকল বিবুধিত পৰিছে। ডিপ'টোলৈ তেল গাড়ীৰে নমোৱাৰ পাছতে প্ৰতিবেশী চয়গাঁৱলৈ ভিন্ন স্থানলৈ নিতৌ হাজাৰ-হাজাৰ লিটাৰ বিভিন্ন বাহনেৰে কঢ়িওৱাৰ বাবেই এদিন বা দুদিনৰ পাছতেই বঞ্চিত হ'বলগীয়া হয় স্থানীয় গ্ৰাহক সকল। উপায়বিহীন হৈ অতিৰিক্ত দাম দি কম পৰিমাণৰ হ'লেও বজাৰৰ দোকানে-দোকানে বিক্ৰী কৰা বটলৰ তেল ভৰাবলৈ বাধ্য হৈছে স্থানীয় গ্ৰাহক। সেই দৃষ্টিকোণৰ পৰা চালে বটলৰ প্ৰতি লিটাৰ পেট্ৰ'লৰ বাবদ গ্ৰাহকে কালিও ১২০ টকা পৰ্যন্ত ভৰিব লগীয়া হোৱাত চকু কপালত উঠিছে সচেতন গ্ৰাহকৰ। পেট্ৰ'ল পাম্পৰ গ্ৰাহকৰ চাহিদা অনুসৰি পৰ্যাপ্ত ইন্ধনৰ যোগান ধৰি নিয়মীয়া গ্ৰাহকৰ তেলৰ আহুকাল আঁতৰাবলৈ ৰাইজে দাবী জনাইছে সংশ্লিষ্ট কৰ্তৃপক্ষৈলে।

## ডিব্ৰুগড়ত অনুষ্ঠিত হ'ব অসম লেখিকা সমাজৰ কেন্দ্ৰীয় অধিৱেশন আৰু প্ৰতিষ্ঠা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৩১ মে' ঃ** ডিব্ৰুগড় জিলা লেখিকা সমাজৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন। অসম লেখিকা সমাজৰ কেন্দ্ৰীয় অধিৱেশন হ'ব ডিব্ৰুগড়ত। অহা সাত নৱেম্বৰত সাহিত্য-সমাজ-সংস্কৃতি ভিত্তিক সংগঠন 'অসম লেখিকা সমাজ'ৰ প্ৰথম বাৰ্ষিক অধিৱেশন আৰু প্ৰতিষ্ঠা-দিৱস 'ডিব্ৰুগড় জিলা লেখিকা সমাজ' উদ্যোগত অনুষ্ঠিত হ'ব। ডিব্ৰুগড়ৰ 'বি.এল.বেৰিয়া সৰস্বতী বিদ্যা মন্দিৰ' বিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি অনুষ্ঠিত ডিব্ৰুগড় জিলা লেখিকা সমাজৰ সভাপতি মল্লিকা বেগমে সভাপতিত্ব কৰা আৰু সম্পাদক অনিতা গগৈয়ে আঁত ধৰা সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা লগতে সুকলমে অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি, অসমীয়া ভাষা-সাহিত্য-সমাজ বিষয়ক সাধাৰণ বক্তব্যৰে সভাৰ সৌষ্ঠৱ বৃদ্ধি আৰু সু-পৰামৰ্শ আগবঢ়ায় জিলা সমাজৰ উপদেষ্টা তথা অসম চৰকাৰৰ যোগান বিভাগৰ উচ্চপদস্থ অৱসৰপ্ৰাপ্ত বিষয়া, সু-লেখক ভৱত সন্দিকৈয়ে। উক্ত সভাতে 'ডিব্ৰুগড় জিলা লেখিকা সমাজ'ৰ পূৰ্বৰ সমিতিৰ কিছু পৰিবৰ্তনেৰে কাৰ্যকৰী সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয় বিশিষ্ট সমাজ হিতৈষী, সাহিত্য-সংস্কৃতি অনুৰাগী মধুমিতা দত্তক আৰু সহ-সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা সু-লেখিকা, শিক্ষয়িত্ৰী জোনটি বৰা গগৈক। 'অসম লেখিকা সমাজ'ৰ আগন্তুক প্ৰতিষ্ঠা দিৱস উদযাপন সন্দৰ্ভত গুৰুত্বপূৰ্ণ অভিমত আগবঢ়ায় সভাত উপস্থিত মামণি শৰ্মা, জিতা ডেকা হাজৰিকা, মীনাক্ষী দাস বৰুৱা, অদিতি কোঁৱৰ, সুস্মিতা চৌধুৰী, হিৰুমা শইকীয়া, বৰ্ণালী গোঁহাইকে ধৰি জিলা সমাজৰ বিষয়ববীয়া সকলে। উক্ত সভাৰ পিছতে, আন এখন সভাৰ জৰিয়তে গঠন কৰা হয় ডিব্ৰুগড় জিলা লেখিকা সমাজৰ ২য় খন আঞ্চলিক লেখিকা সমাজ 'ডিব্ৰুগড় আঞ্চলিক লেখিকা সমাজ'। বন্তি-প্ৰজ্বলন, উৰুলি-ধ্বনি দীপ-স্তোত্ৰ পৰিৱেশনৰ মাংগলিক আনুষ্ঠানিকতাৰে আয়োজিত উক্ত সভাত, ডিব্ৰুগড় আঞ্চলিক লেখিকা সমাজৰ সভাপতি হিচাপে এলিজা গোঁহাই, উপ-সভাপতি : মানসী দত্ত কলিতা, সম্পাদক: জোনটি বৰা গগৈ, সহ সম্পাদক: বৰষা দত্ত সহ এখন সমিতি গঠন কৰা হয়। অনাগত সময়ত অসমীয়া ভাষা সাহিত্য চৰ্চাৰে জাতীয় জীৱনৰ সৰ্বাঙ্গীণ উন্নতি সাধনাৰ্থে আত্মোৎসৰ্গ কৰিব বুলি অংগীকাৰবদ্ধ হয়।

## পশ্চিম গুৱাহাটীৰ অগপ নেতা পৰেশ বড়োৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৩১ মে' ঃ** পশ্চিম গুৱাহাটী সমষ্টিৰ অন্তৰ্গত কাঁহিকুছি আঞ্চলিক সমিতিৰ অসম গণ পৰিষদৰ উপ-সভাপতি, পাটগাঁও নিৱাসী পৰেশ বড়োৰ অসুখত ভুগি ২৯ মে'ত নিজ গৃহত মৃত্যু হয় । মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫১ বছৰ । মৃত্যুৰ সময়ত তেওঁ পত্নী, এজনী বিবাহিতা জীয়াৰী , জোঁৱাইকে ধৰি বহু সংখ্যক আত্মীয় - স্বজন এৰি থৈ যায় । আনহাতে এজন সমাজসেৱী হিচাপে পৰিচিত পৰেশ বড়োৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয় । পাছত অগপ দলৰ কেন্দ্ৰীয় কমিটীৰ সাধাৰণ সম্পাদক আৰু পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ নিৰ্দেশমৰ্মে অগপৰ পশ্চিম গুৱাহাটী বিধান পৰিষদৰ সাধাৰণ সম্পাদক ৰবীন দৈমাৰী, ৰাণী আঞ্চলিক পঞ্চায়তৰ সভাপতি পৰমেশ্বৰ বৰ্মন, কাঁহিকুছি গাঁও পঞ্চায়তৰ সভাপতি জগন্নাথ ঠাকুৰীয়াকে ধৰি অগপৰ কেবাজনো নেতা - কৰ্মী পৰেশ বড়োৰ ঘৰলৈ গৈ তেওঁৰ মৃতদেহত দলীয় পতাকাৰে শেষ শ্ৰদ্ধা নিবেদন কৰে । ইতিমধ্যে বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই পৰেশ বড়োৰ মৃত্যু দলৰ বাবে অপূৰণীয় ক্ষতি বুলি ব্যক্ত কৰে আৰু বিদেহী আত্মাৰ সদগতি কামনা কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে ।

## গৰাইমাৰীত লাইফ ১০০ৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ৩১ মে' ঃ** গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হৈছে সংবাদ মাধ্যম। তেনে এক মাধ্যম হৈছে লাইফ 100। সত্য, নিৰ্ভীক আৰু নিৰপেক্ষ বাতৰি প্ৰচাৰ কৰি ইতিমধ্যে ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে এই লাইফ100 চেনেল। কালি লাইফ 100 চেনেলৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠিত হৈ যায়। বঙাইগাঁও জিলাৰ গৰাইমাৰী অঞ্চলৰ D kitchen ধাবা নামৰ এক বিলাসী ৰেষ্টুৰেণ্টত কালি লাইভe100 চেনেলৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠানৰ সফল সামৰণি পৰে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সমাজ হিতৈষী সকলক সম্বৰ্ধনা জ্ঞাপন লাইভe100ৰ। বঙাইগাঁও জিলাৰ ভাণ্ডাৰাৰ পৰা সম্প্ৰচাৰিত হোৱা লাইভ 100 নামৰ জনপ্ৰিয় ৱেব পৰ্টেলটোৰ কালি চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠানৰ সফল সামৰণি পৰে। সমাজত বিয়পি থকা অন্ধ বিশ্বাস আৰু কু সংস্কৃতি দূৰ কৰিবলৈ তথা সমাজখনক সংস্কাৰ কৰাৰ উদ্দেশ্যে ২০১৮ চনৰ পৰাই ভাণ্ডাৰাৰ যুৱ সমাজসেৱক কালিজুল হক আৰু তেখেতৰ সহধৰ্মিণী আবিদা খাতুনৰ প্ৰচেষ্টাত কেইজনমান সমাজ সচেতন ব্যক্তিৰ দ্বাৰা নিউজ ডেইলী 24x7 নামৰ এটা পৰ্টেলৰ জন্ম হয়। তেতিয়াৰে পৰাই সত্য, নিৰ্ভিক আৰু নিৰপেক্ষ ভাৱে দেশ তথা সমাজৰ অতন্দ্ৰ প্ৰহৰীৰ দৰে গাঁও অঞ্চলৰ প্ৰতিটো সমস্যা, লুকাই থকা প্ৰতিভা, সমাজ তথা দেশৰ উন্নয়নৰ স্বাৰ্থত প্ৰতিটো মুহূৰ্তত বাতৰি সম্প্ৰচাৰ কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰি আহিছে আৰু ৰাইজেও আঁকোৱালি লৈছে। পৰৱৰ্তী সময়ত নিউজ ডেইলী 24x7টো লাইভ 100 নামেৰে নামকৰণ কৰা হয়। বঙাইগাঁও জিলাৰ গৰৈমাৰীত থকা হোটেল দি কিচেন নামৰ বিলাসী ৰেষ্টুৰেণ্টখনত পৰিচালক সঞ্চালক কালিজুল হক, মুখ্য সম্পাদক ৰফিক আলমৰ নেতৃত্বত আৰু হজৰত আলীৰ সভাপতিত্বত আয়োজন কৰা হয় অনুষ্ঠানটো। অনুষ্ঠানত উপস্থিত থাকে সাপ্তাহিক মুজাহিদ কাকতৰ সম্পাদক ছফিকুল ইছলাম, কমতাপুৰ ৰ ডেপুটি চেয়াৰম্যান শুকেন ৰায়, জ্যেষ্ঠ সাংবাদিক কুঞ্জমোহন ৰায়, সমাজ কৰ্মী অৰূপ নাথ, সাংবাদিক মাণিকপুৰ প্ৰেছ ক্লাবৰ সভাপতি আব্দুল ছোবাহান আলী, সাংবাদিক আব্দুল মালেক, আবু ইলিয়াছ, আব্দুল কৰিম বানিয়া, তোফাজ্জেল হুছেইন, শিক্ষক ছাইফুল ইসলাম, হাফিজুৰ ৰহমান, ছাইদুল ইছলাম,আনোৱাৰ হুছেইন। সভাত যুৱ সমাজ কৰ্মী, আদৰ্শ শিক্ষক, আদৰ্শ খেতিয়কৰ লগতে আন আন সমাজ হিতৈষী সকলক মান পত্ৰ, জাপি শৰাই আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। পৰিচালনা সম্পাদক কালিজুল হক আৰু তেখেতৰ সহধৰ্মিনী আবিদা খাতুনে বৰ্তমান সমাজত বিৰাজমান থকা ড্ৰাগছৰ ভয়াবহতা আৰু ইয়াৰ প্ৰতিকাৰ সম্পৰ্কে আলোচনা কৰাৰ লগতে নৱ প্ৰজন্মৰ যুৱক যুৱতীসকলক এইবোৰৰ পৰা ৰক্ষা কৰি এখন ড্ৰাগছমুক্ত সমাজ গঢ়াৰ বাবে সকলোকে আহ্বান জনায়। সদৌ শেষত কম দিনৰ ভিতৰতে ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা পৰ্টেল খন যাতে অনাগত দিনত আৰু আগুৱাই যাব পাৰে তাৰ বাবে সকলোৱে কামনা কৰে।

## চাওঁতালসকলৰ সমস্যা সমাধানৰ দাবীত বাইক ৰেলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাঁহচৰা, ৩১ মে' ঃ** সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ যোৰহাট জিলা সমিতি আৰু সদৌ অসম চাওঁতাল উন্নয়ন সন্থাৰ যোৰহাট জিলা সমিতিৰ উদ্যোগত চাওঁতাল সকলক জনজাতি কৰণ কৰা, খিলঞ্জীয়া চাওঁতাল সকলক চাহ জনগোষ্ঠীত অন্তৰ্ভুক্ত নকৰিব বাবে দাবী জনোৱাৰ লগতে এই দাবীসমূহ ৰাইজ তথা চৰকাৰৰ দৃষ্টিগোচৰৰ বাবে চাইকেল আৰু বাইক ৰেলী কৰে চাওঁতাল জনগোষ্ঠীৰ লোকসকলে। কালি দিনৰ ১১ বজাত যোৰহাট জিলাৰ টীয়কৰ পৰা এই ৰেলী আৰম্ভ কৰি নকছাৰি, মৰিয়নি, চিনামৰা, চেলেংহাটত এই ৰেলীৰ সামৰণি মৰা হয়। উক্ত ৰেলীত প্ৰায় ৪০০ চাওঁতাল লোক উপস্থিত থাকে। এই ৰেলীত সদৌ অসম চাওঁতাল উন্নয়ন সন্থা (আচডা), কেন্দ্ৰীয় সমিতিৰ সভাপতি দেবজিত মাঝি হাচদা, যোৰহাট জিলাৰ সভাপতি বাপুৰাম বেশ্ৰা, সদৌ চাঁওতাল ছাত্ৰ সন্থা (এছু), কেন্দ্ৰীয় সাংগঠনিক সম্পাদক দোলেশ্বৰ কিস্কু, যোৰহাট জিলা সমিতিৰ সভাপতি ডেভিদ টুডু, সাধাৰণ সম্পাদক ৰাজু কিস্কু, উপদেষ্টা হীৰেন মাৰ্ডি, মুহিৰাম কিস্কু, উপ-সভাপতি পিণ্টু কিস্কু, সহকাৰী সম্পাদক ৰাজেশ মুৰ্ম্মু, চেলেংহাট আঞ্চলিক সমিতিৰ সভাপতি কৰণ কিস্কু, সাধাৰণ সম্পাদক লবজিত মুৰ্ম্মু, চেলেংহাট আঞ্চলিক চাওঁতাল উন্নয়ন সন্থাৰ সভাপতি জীতেন কিস্কুকে ধৰি বহু নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## স্মৃতিগ্ৰন্থলৈ লেখাৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ৩১ মে' ঃ** নগাঁও জিলাৰ উত্তৰ পশ্চিমাঞ্চলৰ বিশিষ্ট শিক্ষাবিদ তথা ধিং কে বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট সমাজ সংগঠক, এগৰাকী সু-বক্তাৰ লগতে আধ্যাত্মিক দিশৰ মাৰ্গ দৰ্শক আৰু এগৰাকী সুদক্ষ ভাৱৰীয়া তুলসী ৰাম নাথৰ বিগত বৰ্ষৰ ৭ আগষ্টত পৰলোক প্ৰাপ্তি ঘটে । তদুপলক্ষে শিক্ষাবিদ গৰাকীৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে তেখেতৰ স্মৃতিত এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ উদ্দেশ্যে ইতিমধ্যে এখনি সম্পাদনা সমিতি গঠন কৰা হৈছে। প্ৰয়াত নাথ দেৱৰ বিভিন্ন সময়ত সান্নিধ্য লাভ কৰা অসমৰ বিভিন্ন প্ৰান্তত থকা ব্যক্তি তথা গুণমুগ্ধ আৰু বিদ্যাৰ্থী সকলৰ পৰা তেখেতৰ কৰ্মৰাজিৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে প্ৰকাশ কৰিব লোৱা স্মৃতিগ্ৰন্থ খনিলৈ লেখাৰ আহ্বান জনোৱা হৈছে। উক্ত লেখা সমূহ অহা ১ জুলাই/২২ তাৰিখৰ ভিতৰত পোৱাকৈ ডাকযোগে বেনহুৰ প্ৰেছ ধিং বজাৰ, ডাক-ধিং, জিলা- নগাঁও, ৭৮২১২৩ অথবা ই-মেল - monimugdha30@gmail.com যোগে পঠাবৰ বাবে স্মৃতিগ্ৰন্থৰ সভাপতি দীনেশ চন্দ্ৰ নাথ সম্পাদক গোবিন চন্দ্ৰ ভড়ালী অনুৰোধ জনাইছে। তদুপৰি ৭০৮৬৮-৪৪০৯৯/৯৮৬৪৯-৪৪৭৬৩ত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## তামুলপুৰত প্ৰধানমন্ত্ৰীৰ শিশু যত্ন আঁচনিৰ কাৰ্ড বিতৰণৰ অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৩১ মে' ঃ** কোভিডত আক্ৰান্ত হৈ যি সকল শিশুৱে নিজৰ পিতৃ-মাতৃ বা অভিভাৱকক হেৰুৱাইছে সেইসকলক শিশু বা কিশোৰৰ স্বাস্থ্য, শিক্ষা আৰু জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে যোৱা ২৯ মে'ত প্ৰধানমন্ত্ৰী শিশু যত্ন (কেয়াৰ) নামৰ এখন আঁচনি মুকলি কৰা হৈছে । এই আঁচনিৰ অধীনৰ হিতাধিকাৰীসকলক পাছ বুক আৰু স্বাস্থ্য কাৰ্ড বিতৰণৰ কালি শুভাৰম্ভ কৰা হয়। ডিজিটেল মাধ্যমত এই অনুষ্ঠান উপভোগ কৰাৰ বাবে তামুলপুৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়তো এক অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ দাস, অতিৰিক্ত উপায়ুক্ত ডাঃ বেদাঙ্গ তালুকদাৰ, আৰক্ষী অধীক্ষক পংকজ যাদৱ, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বিটিচিৰ মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভা আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উপস্থিত আটায়ে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণৰ লগতে আটাইবোৰ কাৰ্যসূচী ডিজিটেল মাধ্যমৰ যোগেদি উপভোগ কৰে।




গুৱাহাটীত যুৱ কংগ্ৰেছৰ প্ৰতিবাদ, মঙলবাৰে

## বিশিষ্ট লেখিকা, অৱসৰী অধ্যাপিকা অন্নদা শইকীয়াৰ মৃত্যুত গভীৰ শোক গোলাঘাট জিলা সাংবাদিক সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৱামুখ, ৩১ মে' ঃ** বিশিষ্ট লেখিকা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী, সদৌ চুতীয়া জাতি মহিলা সন্মিলনৰ প্ৰাক্তন সভানেত্ৰী, অৱসৰপ্ৰাপ্ত অধ্যাপিকা, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী তথা গোলাঘাট জিলাৰ বোকাখাতৰ নিৱাসী বিশিষ্ট সমাজকৰ্মী অন্নদা শইকীয়া নিশা ইহসংসাৰ ত্যাগ কৰিছে। জিলাখন শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰখনৰ অন্যতম কাণ্ডাৰী অন্নদা শইকীয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিছে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ গোলাঘাট জিলা সাংবাদিক সন্থাই। গোলাঘাট জিলা সাংবাদিক সন্থাৰ সভাপতি পৰাগ বৰুৱা আৰু সম্পাদক পৱন কামানে স্বাক্ষৰিত বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিৰ যোগেদি শোক প্ৰকাশ আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰি বিশিষ্ট লেখিকা শইকীয়াৰ মৃত্যু অসমৰ শৈক্ষিক তথা সামাজিক ক্ষেত্ৰখনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰে সন্থাৰ সম্পাদক পৱন কামানে। ইপিনে কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থা, মহুৱামুখ প্ৰেছক্লাবকে বহু দল-সংগঠনে শোক প্ৰকাশ কৰিছে বিশিষ্ট লেখিকা শইকীয়াৰ মৃত্যুত।

## অসমৰ শিপিনীৰ ১০দিনীয়া ডি জি বুনাই ছফ্‌টৱেৰ প্ৰশিক্ষণ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ৩১ মে' ঃ** ভাৰত চৰকাৰৰ স্কীল আৰু এণ্ট্ৰিপ্ৰেনিউৰশ্বিপ মন্ত্ৰণালয়ৰ অধীনৰ 'ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান' (গুৱাহাটী)ৰ দ্বাৰা বৰ্তমান অসমৰ শিপিনীসকলক 'ডি জি বুনাই ছফ্‌টৱেৰ'ৰ সহায়ত কাপোৰৰ বাবে চানেকি বনোৱা আৰু স্বয়ংচালিত যন্ত্ৰৰ সহায়ত কাৰ্ড কটাৰ এক প্ৰশিক্ষণ অলপতে সম্পন্ন হয়। 'তথ্য আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰণালয়'ৰ দ্বাৰা প্ৰযোজিত আৰু 'টেক্সটাইল চেক্টৰ স্কীল কাউন্সিল'ৰ দ্বাৰা পৰিচালিত এই কাৰ্যসূচীত প্ৰশিক্ষাৰ্থীসকলক আৱাসৰো ব্যৱস্থা কৰি দিয়ে । এই প্ৰশিক্ষণ কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ ৩০ গৰাকী পুৰুষ-মহিলা শিপিনীক এই প্ৰশিক্ষণ প্ৰদান কৰে । আই আই ইৰ প্ৰশিক্ষণ সঞ্চালক প্ৰশান্ত গোস্বামীয়ে জনায় যে যোৱা ১৮ মে'ৰ পৰা আৰম্ভ হৈ এই প্ৰশিক্ষণ ২৭ মে'ত সামৰণি পৰে। উল্লেখ্য যে শিপিনীসকলে মনৰ পচন্দ অনুযায়ী আঁকি লোৱা ছবি এখন কেনেকৈ 'ডি, জি, বুনাই' চফ্‌টৱেৰৰ জৰিয়তে কাপোৰৰ বাবে উপযুক্ত এটা সুন্দৰ চানেকি প্ৰস্তুত কৰিব পাৰি এই সকলোখিনি খৰচি মাৰি শিকায়। বনাই ওলিওৱা চানেকিখন স্বয়ংচালিত যন্ত্ৰৰ সহায়ত কাৰ্ড কাটি জেকাৰ্ডৰ জৰিয়তে কাপোৰত ফুল তোলা কামখিনিও শিপিনীসকলক প্ৰশিক্ষণ দিয়ে। ইয়াৰ পূৰ্বে শিপিনীসকলে চানেকি প্ৰস্তুত আৰু কাৰ্ডকটা দুয়োটা কামৰ বাবে যথেষ্ট কষ্ট, অৰ্থ আৰু সময় খৰচ কৰিব লগা হৈছিল। অসমৰ বিভিন্ন প্ৰান্তৰ শিপিনীসকলে এই প্ৰশিক্ষণত অংশ গ্ৰহণ কৰি যথেষ্ট উপকৃত হোৱা বুলি ডিব্ৰুগড়ৰ শিপিনী ভৰত গোঁওাইৰ পৰা জানিব পৰা গৈছে । প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থী সকলক পৰীক্ষা লৈ উপযুক্ত প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে ২৫০০ (পঁচিশ শ) টকাকৈ জল্পানীও প্ৰদান কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাবে ইলা দেৱীয়ে অংশগ্ৰহণ কৰে।

### জি আই পি এছৰ এন এছ এছ কোষৰ দ্বাৰা শিক্ষা, স্বাস্থ্যৰ ওপৰত সজাগতা

## প্ৰচাৰ তথা প্ৰসাৰৰ বাবে সাদিনীয়া কাৰ্যসূচী ৰূপায়ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৩১ মে' ঃ** গুৱাহাটীৰ আজাৰাস্থিত আগশাৰীৰ শিক্ষানুষ্ঠান গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অৱ ফাৰ্মাচিউটিকেল চায়েন্স (GIPS)ৰ উদ্যোগত আৰু অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় (ASTU)ৰ ৰাষ্ট্ৰীয় সেঁৱা আঁচনি (NSS)ৰ সৌজন্যত এক সপ্তাহব্যাপী শিক্ষা, স্বাস্থ্য, বিশুদ্ধ খোৱা পানী, কভিড টিকাকৰণ, চাফ-চিকুন সম্পৰ্কে এক কাৰ্যসূচী হিচাপে প্ৰতিষ্ঠানখনৰ সমীপৱৰ্তী গাঁও কেওটপাৰাত, আজাৰাত। উদ্বোধনী অনুষ্ঠানত জি আই পি এছৰ অধ্যক্ষ ড° গৌৰাংগ দাস, প্ৰতিষ্ঠানখনৰ এন এছ এছ কোষৰ কাৰ্যক্ৰম বিষয়া ড° তৃষ্ণা দাসৰ লগতে কেওটপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু জি আই পি এছৰ অন্য অধ্যাপক আৰু অধ্যাপিকা সকলৰ লগতে এন এছ এছ ৰ সমূহ স্বেচ্ছাসেৱক সকল উপস্থিত থাকে। বিশিষ্ট ব্যক্তিসকলৰ বক্তব্যৰ দ্বাৰা আৰম্ভণি কৰা অনুষ্ঠানটিত শিক্ষা সম্পৰ্কে মানুহক সজাগ কৰাৰ নিমিত্তে এক শোভাযাত্ৰা কৰা হয়। ঠিক তেনেদৰে দ্বিতীয় দিনাৰ কাৰ্যসূচী হিচাপে বিশুদ্ধ খোৱা পানীৰ কাৰণে কেওটপাৰা প্ৰাথমিক বিদ্যালয়ত ফিল্টাৰ যোগান ধৰা হয় লগতে বিশুদ্ধ খোৱা পানীৰ বিষয়ে সজাগতামূলক বক্তৃতা প্ৰদান কৰা হয়। বিনামূলীয়া স্বাস্থ্য পৰীক্ষাৰ কাৰ্যসূচীত অভিজ্ঞ চিকিৎসকলৰ দ্বাৰা স্বাস্থ্য পৰীক্ষা কৰা হয়। ইয়াৰ উপৰিও জন্ম নিয়ন্ত্ৰণ তথা বিজ্ঞানসন্মত ভাৱে পৰিয়াল পৰিকল্পনা সফল কৰাৰ বাবে NSS কোষৰ পৰা এখন বাটৰ নাট পৰিৱেশন কৰা হয়। ২৯ মে'ৰ দিনা অন্তিম কাৰ্যসূচী হিচাপে স্বচ্ছতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি NSS কোষৰ ফালৰ পৰা কেওটপাৰা প্ৰাথমিক বিদ্যালয়ৰ চৌপাশ চাফ চিকুন কৰা হয় আৰু লগতে ব্যৱহাৰ উপযোগী ডাষ্টবিনো যোগান ধৰা হয়। সামৰণি পৰ্ব সঞ্চালন কৰে কাৰ্যক্ৰম অধিকাৰী ড° তৃষ্ণা দাসে।



লখিমপুৰত গছপুলি ৰোপন, মঙলবাৰে

## মাজবাটত ৰাজহুৱা কৰম উৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ৩১ মে' ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা মাজবাট আঞ্চলিক সমিতিৰ উদ্যোগত আৰু মাজবাটবাসী ৰাইজৰ সহযোগত এইবেলি অনুষ্ঠিত হ'বলগীয়া ৰাজহুৱা কৰম উৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি প্ৰকাশ হ'বলগীয়া স্মৃতিগ্ৰন্থ ৰ বাবে স্ব-ৰচিত কবিতা গল্প , প্ৰবন্ধৰ লেখা বিচৰা হৈছে। লেখাসমূহ যিকোনো বয়সৰ ব্যক্তিয়ে পঠিয়াব পৰাৰ লগতে আগতে কোনো কাকত, আলোচনীত প্ৰকাশ পোৱা হ'ব নালাগিব। স্মৃতিগ্ৰন্থত প্ৰকাশৰ বাবে লেখাসমূহ ৪০০ মান শব্দৰ ভিতৰত হ'ব লাগিব। সম্পাদনা সমিতিৰ দ্বাৰা পৰীক্ষা কৰি উন্নত মানৰ লেখাহে প্ৰকাশৰ ব্যৱস্থা কৰা হ'ব। লেখাসমূহ ডি টি পি কৰি ৩০ জুনৰ ভিতৰত পোৱাকৈ WhatsApp নম্বৰ ৯৬৭৮৩-০৪১৬৫ আৰু ৭০০২৮-৯৩৪৬৫ ত পঠিয়াব লাগিব। আনহাতে হাতকপি সমূহ স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদক মুনীন্দ্ৰ কলিতা , পোঃ অঃ মাজবাট , জিলা ওদালগুৰি , পিন - ৭৮৪৫০৭ এই ঠিকনাত ডাকযোগে পঠিয়াব লাগিব। অধিক জানিবৰ বাবে উক্ত ম'বাইল নম্বৰ দুটাত যোগাযোগ কৰিব পাৰিব বুলি কৰম পৰৱ উৎযাপন সমিতিৰ প্ৰচাৰ সম্পাদক যতীন নাথে জনাইছে।

## মাজুলীৰ কৰতিপাৰ হাইস্কুলত আন্তঃৰাষ্ট্ৰীয় ঋতুস্ৰাৱ-স্বচ্ছতা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৩১ মে' ঃ** আন্তঃৰাষ্ট্ৰীয় ঋতুস্ৰাৱ-স্বচ্ছতা দিৱসৰ লগত সংগতি ৰাখি ২৮ মে'ত কৰতিপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত স্বেচ্ছাসেৱী অনুষ্ঠান আৰ ভি চিৰ এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। আৰ ভি চি'ৰ খণ্ড সমন্বয়ক ব্ৰজেন পেগুৱে আঁত ধৰা সজাগতা সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অলকেশ গগৈ, বিদ্যালয়ৰ প্ৰধান শিক্ষক জগন্নাথ পেগু প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি ঋতুস্ৰাৱৰ লগত জড়িত সমাজৰ ৰক্ষণশীলতা আৰু ছাত্ৰীসকলে এই বিষয়ত ল'ব লগা সচেতনতাৰ ওপৰত আলোকপাত কৰি বক্তব্য আগবঢ়োৱাৰ লগতে মহিলাৰ ঋতুস্ৰাৱজনিত বিভিন্ন সমস্যাৰ লগতে এইবোৰৰ সমাধানৰ বিভিন্ন স্বাস্থ্যবিধি সম্পৰ্কে বিস্তৃত ব্যাখ্যা দাঙি ধৰে। অনুষ্ঠানটিত উপস্থিত থাকি ছাত্ৰীসকলে ঋতুস্ৰাৱজনিত বিভিন্ন বিষয় আৰু ইয়াৰ লগত সম্পৰ্কিত অন্ধবিশ্বাসৰ বিষয়ে জ্ঞাত হোৱা বুলি ব্যক্ত কৰে। বিদ্যালয়ৰ অৰ্দ্ধ শতাধিক ছাত্ৰীয়ে অংশগ্ৰহণ কৰা সভাত ছাত্ৰীসকলে ঋতুস্ৰাৱজনিত বিভিন্ন সমস্যাৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত আৰ ভি চিৰ তৰফৰ পৰা নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰীৰ মাজত ছেনিটেৰী পেড বিতৰণ কৰা হয়।

## মাজুলী মহাবিদ্যালয়ৰ শিক্ষকৰ লেখা-সংগ্ৰহ 'অন্বীক্ষণ' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৩১ মে' ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ অগ্ৰণী অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ প্ৰকাশন বিভাগৰ পৃষ্ঠপোষকতাত প্ৰকাশিত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ গৱেষণাধৰ্মী লেখাৰে সমৃদ্ধ 'অন্বীক্ষণ' নামৰ এখনি গ্ৰন্থ উন্মোচন কৰা হয়। অধ্যাপক অপূৰ্বজ্যোতি হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত গ্ৰন্থখনি উন্মোচন কৰে মাজুলীৰ বিশিষ্ট শিক্ষাবিদ তথা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা বৰ্ষৰ ছাত্ৰ বদন চন্দ্ৰ দোলাকাষৰীয়াই। উল্লেখযোগ্য যে উন্মোচকগৰাকীৰ শাৰীৰিক অসুস্থতাৰ হেতু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ নেতৃত্বত মহাবিদ্যালয়ৰ ভালেসংখ্যক শিক্ষক-কৰ্মচাৰী গৈ দোলাকাষৰীয়াদেৱৰ গৃহতেই এক অনাড়ম্বৰ অনুষ্ঠান অনুষ্ঠিত কৰি গ্ৰন্থখনি উন্মোচনৰ দিহা কৰে। অধ্যাপক তুলসী ৰাজখোৱাই আঁত ধৰা সভাখনি উদ্বোধন কৰি অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই দীৰ্ঘকাল ধৰি বদন দোলাকাষৰীয়াই মহাবিদ্যালয়ৰ প্ৰতি প্ৰদৰ্শন কৰি অহা দায়িত্ববোধ তথা নৱপ্ৰজন্মৰ প্ৰতি যোগাই অহা উৎসাহৰ কথা শ্ৰদ্ধাৰে উল্লেখ কৰে। গ্ৰন্থখনি উন্মোচন কৰি বদন দোলাকাষৰীয়াই মহাবিদ্যালয়ৰ শিক্ষকসকলৰ দ্বাৰা প্ৰণীত এনে গ্ৰন্থই ভৱিষ্যৎ প্ৰজন্মক উদ্বুদ্ধ কৰিব বুলি আশা ব্যক্ত কৰাৰ লগতে মহাবিদ্যালয় পৰিয়ালে তেখেতৰ প্ৰতি প্ৰদৰ্শন কৰা মৰম আৰু শ্ৰদ্ধাৰ বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত মহাবিদ্যালয়ৰ অধ্যাপক অনিল চন্দ্ৰ হাজৰিকা, ডঃ ব্ৰজেন চন্দ্ৰ নেওগ, বিশিষ্ট সমাজকৰ্মী ললিত শইকীয়া, জগত হাজৰিকা, যুগল ভূএগ, ধীৰেন বৰা, প্ৰশান্ত দোলাকাষৰীয়া, ডঃ দেৱভূষণ বৰা প্ৰমুখ্যে বিভিন্নজনে বক্তব্য আগবঢ়াই দোলাকাষৰীয়াৰ বৰ্ণিল জীৱনৰ বিষয়ে আলোকপাত কৰে। সভাত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰী সমন্বিতে মাজুলীৰ বহুকেইজন সৰবৰহী ব্যক্তি তথা দোলাকাষৰীয়াৰ পৰিয়ালবৰ্গ উপস্থিত থাকি অনুষ্ঠানটি জীপাল কৰি তোলে। সভাৰ অন্তত প্ৰকাশন বিভাগৰ সমন্বয়ক অপূৰ্বজ্যোতি হাজৰিকাই সকলোকে শলাগ জ্ঞাপন কৰে।

## গুৱাহাটীত আন্তঃৰাষ্ট্ৰীয় ফিডে ৰেটিং দবা প্ৰতিযোগিতা

**গুৱাহাটী, ৩১ মে'ঃ** গুৱাহাটীৰ অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত অহা তিনি জুলাইৰ পৰা আঠ জুলাইলৈ দবা খেলুৱৈ অভিভাৱক সন্থাই এখন আন্তৰাষ্ট্ৰীয় ফিডে ৰেটিং দবা প্ৰতিযোগিতা আয়োজন কৰিছে। মুঠ দুই লাখ টকা প্ৰাইজমানি সম্বলিত প্ৰতিযোগিতাখনত প্ৰথম ৪২ টা স্থান অধিকাৰ কৰা খেলুৱৈ সকলক নগদ ধন আৰু ট্ৰফী প্ৰদান কৰা হ'ব। ইয়াৰ উপৰিও শ্ৰেষ্ঠ মহিলা, ভেটাৰেণ খেলুৱৈ আৰু বয়স ভিত্তিক বিভিন্ন শাখাৰ খেলুৱৈসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব। অসম আৰু গুৱাহাটীৰ খেলুৱৈৰ বাবে থাকিব বিশেষ পুৰস্কাৰ। প্ৰতিযোগিতা খনত অসম আৰু উত্তৰ-পূৰ্বাঞ্চলকে ধৰি সমগ্ৰ ভাৰতৰ পৰা প্ৰায় ২০০ জন খেলুৱৈয়ে অংশ গ্ৰহণ কৰিব বুলি আয়োজকে আশা কৰিছে। প্ৰতিযোগিতাখন ইতিমধ্যে ভাৰতীয় দবা মহাসংঘ আৰু বিশ্ব দবা মহাসংঘই স্বীকৃতি প্ৰদান কৰিছে। প্ৰতিযোগিতা খনত যোগদান কৰিবলৈ আৰু সবিশেষ জানিবলৈ ছুজা উল ইছলাম হাজৰিকা ৯৪৩৫০৪১৭৭৬ আৰু প্ৰণৱ কুমাৰ নাথৰ ৯৮৬৪৯১১৯৩৭ লগত যোগাযোগ কৰিব পাৰিব।

## আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতা

**গুৱাহাটী, ৩১ মে'ঃ** যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ খিতাপৰ যুজত আৰ্মি পাব্লিক স্কুল আৰু ডনবস্ক' হাইস্কুল বাঘচোঙৰ দল মুখামুখি হ'ব। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ডনবস্ক হাইস্কুল বাঘচোং দলে বৰভেটা হাইস্কুলক ৪-০ গলত পৰাভূত কৰি ফাইনেলত উপনীত হৈছে। ডনবস্কৰ হৈ বিভান দত্তই হেট্ৰিক কৰিবলৈ সক্ষম হয়। আনটো গল দিয়ে আনিচ শইকীয়াই। উক্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হোৱা বিভান দত্তক বঁটা প্ৰদান কৰে সাংবাদিক দিগন্ত বুঢ়াগোহাঁইয়ে। ৰাজীৱ শইকীয়াই পৰিচালনা কৰা খেলখনিত লাইনত সহায় কৰে অনন্ত বৰা আৰু কুশল মিলিয়ে। আনহাতে দ্বিতীয়খন খেলত আৰ্মি পাব্লিক স্কুলে বিগত বৰ্ষৰ চেম্পিয়ন খিতাপ অৰ্জন কৰা চিনামৰা হাইস্কুলক ৩-০ গলত পৰাভূত কৰি ফাইনেলত উপনীত হয়। উক্ত খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হোৱা আৰ্মি পাব্লিক স্কুলৰ বাস্তৱ বড়াক বঁটা প্ৰদান কৰে বিকাশ দত্তই। সুমন্ত দত্তই পৰিচালনা কৰা খেলখনিত লাইনত সহায় কৰে অনিল শইকীয়া আৰু ৰঞ্জিত দত্তই। অহা আঠ জুনত চূড়ান্ত খেলখন অনুষ্ঠিত হ'ব।

## প্ৰাইজমানী ভলীবল সমাপ্ত

**গুৱাহাটী, ৩১ মে'ঃ** বাগসাৰ শালবাৰীৰ ভাংগাৰপাৰ খেলপথাৰ প্ৰাংগনত পঞ্চম বাৰ্ষিক দিবা-নৈশ প্ৰাইজমানি ভলীবলত কৰ্দৈগুৰি ভলীবল দলে চেম্পিয়ন হয়। খেলখনৰ উদ্বোধন কৰে শালবাৰী মহকুমাৰ সহকাৰী আয়ুক্ত অনুস্মিতা দত্তই। মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাজেশ কুমাৰ জালান, মামুদ শ্বাহ ছেকান্দৰ আৰু আৰক্ষী বিষয়া জয়ন্ত কুমাৰ দাস আদি।সৰ্বমুঠ ১২ টা দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। বিজয়ী দল কৰ্দৈগুৰিয়ে দহ হাজাৰ টকাৰ লগতে ট্ৰফি লাভ কৰে। ইফালে, সাত হাজাৰ টকা আৰু ট্ৰফি লাভ কৰিবলৈ সক্ষম হয় ৰানাৰ্ছ আপ বাঁহবাৰী ৰেঞ্জ অফিচৰ দলে।শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে অসীম ৰয়ে।




*শ্বিলঙত অনুষ্ঠিত আন্তঃবিদ্যালয় এথলেটিকছ প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানৰ কেইটিমান মুহূৰ্ত, মঙলবাৰে*

### এছিয়া কাপ হকীৰ ফাইনেলত প্ৰৱেশত ব্যৰ্থ ভাৰত

# অন্তিম মেচত ৪-৪ত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ড্ৰ

**জাকাৰ্টা, ৩১ মে'ঃ** বিগত বৰ্ষৰ চেম্পিয়ন ভাৰতে চলিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰাত ব্যৰ্থ হৈছে। উল্লেখ্য যে আজি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলা ছেমিফাইনেল লীগৰ অন্তিম মেচখন দলৰ বাবে গুৰুত্বপূৰ্ণ আছিল খিতাপৰ যুঁজত স্থান নিশ্চিতৰ বাবে। কিন্তু ভাৰতে ৪-৪ গ'লত ড্ৰ' খেলি নিজৰ অভিযান সামৰে। দক্ষিণ কোৰিয়াই ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে আজিৰ আনএখন মেচত মালয়েছিয়াই ৫-০ গ'লৰ ব্যৱধানত জাপানক হৰুৱাই খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে ছুপাৰ ৪ ৰ দ্বিতীয়খন ভাৰতে ৩-৩ গ'লত ড্ৰ' খেলিছিল মালয়েছিয়াৰ বিৰুদ্ধে। মেচখনত ৰাজি ৰহিমে মালয়েছিয়াৰ হৈ (১২, ২১, ৫৬) তিনিটা পেনাল্টি কৰ্ণাৰ ৰূপান্তৰিত কৰি হেট্ৰিক কৰাৰ বিপৰীতে ভাৰতৰ হৈ বিষ্ণুকান্ত সিং (৩২), এছ ভি সুনীল (৫৩) আৰু নীলাম সঞ্জীপে (৫৫) জৰিয়তে গ'ল দিয়ে। ইয়াৰপূৰ্বে ছুপাৰ ৪ ৰ প্ৰথমখন খেলত ভাৰতে জাপানক ২-১ গ'লত পৰাস্ত কৰিছিল। ভাৰতৰ এই বিজয়ত তাৰকা হিচাপে পৰিগণিত হয় মনজিত সিং আৰু পৱন ৰাজভৰ। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ প্ৰথমখন মেচত পাকিস্তানেৰে ড্ৰ খেলাৰ পিছত দ্বিতীয়খন মেচত ২-৫ গ'লৰ ব্যৱধানত জাপানৰ বিৰুদ্ধে পৰাস্ত হৈছিল ভাৰতীয় পুৰুষ দলটো। কিন্তু গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় পুৰুষ হকী দলে ইণ্ডোনেছিয়াৰ বিৰুদ্ধে ১৬-০ গ'লত জয়ী হৈ চমক সৃষ্টিৰে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল।



### আই এছ এছ এফ শ্যুটিং বিশ্বকাপ

## ভাৰতৰ মহিলা দলৰ সোণ অৰ্জন

**পেৰিছ, ৩১ মে'ঃ** আজাৰবাইজানৰ বাকুত চলি থকা আই এছ এছ এফ শ্যুটিং বিশ্বকাপত ভাৰতে সোণ জয় কৰি অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে ১০ মিটাৰ এয়াৰ ৰাইফল দলৰ মহিলা প্ৰতিযোগিতাত ইলাভেনিল ৱালাৰিৱান, ৰমিতা আৰু শ্ৰেয়া আগৰৱালাৰ দ্বাৰা গঠিত ভাৰতীয় মহিলা দলে দেশক প্ৰথমটো সোণৰ পদক দিয়ে। আন্না নীলছন, এমা কোচ আৰু ৰিকে মেং ইবচেনে প্ৰতিনিধিত্ব কৰা ডেনমাৰ্কক ১৭-৫ ত পৰাস্ত কৰে ভাৰতীয় মহিলা দলে। এই ইভেণ্টত পোলেণ্ডে ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে সোমবাৰে দুটা ৰাউণ্ডৰ যোগ্যতা অৰ্জনৰ পিছতে স্বৰ্ণ পদকৰ যুঁজত প্ৰৱেশ কৰিছিল প্ৰাক্তন বিশ্বৰ এক নম্বৰ স্থানৰ এলাভেনিল, ৰমিতা আৰু শ্ৰেয়াই। ইফালে, পুৰুষৰ এয়াৰ ৰাইফল দলৰ প্ৰতিযোগিতাত ক্ৰ'ৱেচিয়াৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ মেচত ভাৰত পৰাস্ত হয়। ১২ জনীয়া ভাৰতীয় ৰাইফল দলটোৱে এতিয়া পদক হিচাপত পঞ্চম স্থান দখল কৰিছে আৰু ছাৰ্বিয়াই দুটা সোণ আৰু মুঠ চাৰিটা পদক লাভ কৰি খেলপথাৰত আগবাঢ়ি আছে।

### পাঁচ জুনত অসম খো-খো সন্থাৰ সাধাৰণ সভা

## সমাপ্ত হ'বনে সভাপতি-সম্পাদকৰ ব্যৰ্থতাৰ ২১ বছৰীয়া কাৰ্যকালৰ

**গুৱাহাটী, ৩১ মে'ঃ** অসম খো-খো সন্থাৰ বহু প্ৰত্যাশিত সাধাৰণ সভাখন অহা পাঁচ জুনত গুৱাহাটীত দিনৰ ১০-৩০ বজাত অনুষ্ঠিত হ'ব। উল্লেখ্য যে ২০০১ ত তামোলপুৰত হোৱা সন্থাৰ সাধাৰণ সভাত গুৱাহাটীৰ ৰাজীৱ প্ৰকাশ বৰুৱাক সভাপতি আৰু সোণাপুৰৰ আফতাব হুছেইনক সাধাৰণ সম্পাদক হিচাপে লৈ এখন নতুন সমিতি গঠন কৰা হৈছিল। তাৰ পাছত আৰু দুবাৰ সাধাৰণ সভা অনুষ্ঠিত হৈছিল যদিও সভাপতি আৰু সাধাৰণ সম্পাদকৰ পদত সুদীৰ্ঘ ২১ বছৰ ধৰি এই দুগৰাকী ব্যক্তিয়েই অধিষ্ঠিত হৈ থাকিল। এওঁলোকৰ ২১ বছৰীয়া কাৰ্যকালত অসমত খো-খো খেলৰ বিশেষ উত্তৰণ হোৱা দেখা নগ'ল। অসমৰ ছাব-জুনিয়ৰ, জুনিয়ৰ ল'ৰা-ছোৱালী, ছিনিয়ৰ পুৰুষ-মহিলা দলে সৰ্বভাৰতীয় পৰ্যায়ত উল্লেখনীয় প্ৰদৰ্শন কৰাত ধাৰাবাহিকভাৱে ব্যৰ্থ হয়। উল্লেখ্য যে, ৰাজ্যখনত খো-খো খেলৰ আন্তঃগাঠনি একেবাৰে দুখলগা ধৰণৰ। উন্নত প্ৰশিক্ষণৰো অভাৱ দেখা গৈছে। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহনৰ প্ৰাকমুহূৰ্তত মাত্ৰ তিনি-চাৰিদিন অনুশীলন কৰিয়েই দল প্ৰেৰণ কৰাটো নিয়মত পৰিনত হৈ আহিছে। যাৰ ফলত খেলুৱৈয়ে উন্নত ফলাফল দেখুৱাত অপাৰগ হৈছে। আনহাতে, অন্যান্য ৰাজ্যৰ তুলনাত অসমত প্ৰতিযোগিতাৰ সংখ্যা যথেষ্ট কম। আন্তঃজিলা পৰ্যায়ৰ খেল অনুষ্ঠিত হয় যদিও সেয়াও নিয়মিত নহয়। আন ৰাজ্যৰ দৰে সঘনাই বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ কথা অসম খো-খো সন্থাই ভাবিবই নোৱাৰে। কেৱল সৰ্বভাৰতীয় পৰ্যায়ত অসমৰ পঞ্জীয়ন বৰ্তাই ৰাখিবলৈহে যেন দলসমূহ প্ৰেৰণ কৰি থকা হৈছে বুলি খো-খো খেলত জড়িত হৈ থকা সচেতন ক্ৰীড়াপ্ৰেমীয়ে মন্তব্য কৰিছে। ইফালে, এইবাৰ সাধাৰণ সভাত সভাপতি-সাধাৰণ সম্পাদকৰ ২১ বছৰীয়া কাৰ্যকালৰ অৱসান ঘটিব বুলি এইসকল খো-খো সংগঠকে অনুমান কৰিছে। খো-খো ফেডাৰেচন অৱ ইণ্ডিয়াৰ সভাপতি তথা সাধাৰণ সম্পাদকে ইমান দীঘলীয়া সময় একেৰাহে একেটা দায়িত্বত অধিষ্ঠিত হৈ থকাৰ নজিৰ নাই। এই কাৰ্য সম্পূৰ্ণ ভাৱে নীতি বহিৰ্ভূত আৰু সংবিধান বিৰোধী বুলি চৰ্চিত হৈছে। অহা পাঁচ জুনত হ'বলগা সাধাৰণ সভাত কোন হ'ব নতুন সভাপতি আৰু সাধাৰণ সম্পাদক তাক লৈও এতিয়া গুণাগথা চলিছে।

## আজিৰে পৰা সৰুসজাইত প্ৰথম সংখ্যক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকছ প্ৰতিযোগিতা

**গুৱাহাটী, ৩১ মে'ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত অহা কাইলৈৰ পৰা দুদিনীয়াকৈ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব প্ৰথম সংখ্যক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকচ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলা উভয়ৰে ৩৫ বছৰ উৰ্দ্ধৰ পৰা ১০০ বছৰ উৰ্দ্ধৰ ১৪ টা শাখাত খেলুৱৈসকলৰ বাবে মুকলি থকা প্ৰতিযোগিতাখনত প্ৰায় তিনি শতাধীক খেলুৱৈয়ে ইতিমধ্যে অংশগ্ৰহন নিশ্চিত কৰা বুলি উদ্যোক্তাসকলে জনাইছে। এই ৰাজ্যিক প্ৰতিযোগিতাৰ পৰা বাছনি হোৱা খেলুৱৈসকলে অহা ১৬-১৯ জুনত গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকচ প্ৰতিযোগিতাত অংশগ্ৰহনৰ সুবিধা লাভ কৰিব। প্ৰতিযোগিতাত অংশগ্ৰহনকাৰী প্ৰতিযোগীসকলে বয়সৰ প্ৰমাণপত্ৰ হিচাপে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ এডমিট কাৰ্ড, জন্মৰ প্ৰমাণপত্ৰ, আধাৰ কাৰ্ড, পেন কাৰ্ড লগত আনিব লাগিব। লগতে এথলীটসকলে কভিড প্ৰতিৰোধী ভেকচিন গ্ৰহনৰ প্ৰমানপত্ৰও অংশগ্ৰহনৰ পূৰ্বে জমা দিব লাগিব। এগৰাকী প্ৰতিযোগিতায়ে ব্যক্তিগত শাখাৰ দুটাকৈ ইভেন্টত যোগদান কৰিব পৰা এই প্ৰতিযোগিতাত প্ৰায় ৪০০ তকৈও অধিক ইভেন্ট অনুষ্ঠিত হ'ব।

## কাবাডীৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ

**গুৱাহাটী, ৩১ মে'ঃ** নলবাৰী জিলাৰ দক্ষিণ পকোৱা অঞ্চলত অৱস্থিত নৱোদয় বালিকা বিদ্যালয়, কুমাৰীকাটাৰ উদ্যোগত আৰু নলবাৰী জিলা কাবাডী হেণ্ডবল সন্থাৰ সহযোগত আদিৰে পৰা ৩০ দিনীয়া কাবাডী প্ৰশিক্ষণ শিবিৰৰ আৰম্ভণি কৰা হয়। উক্ত শিবিৰটোৰ মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে সদৌ অসম কাবাডী সন্থাৰ ৰেফৰী অৰবিন্দ ৰাজবংশী,আৰু সহকাৰী হিচাপে উপস্থিত থাকে জিলা কাবাডী দলৰ অধিনায়ক জুবিন ডেকা আৰু সহ:অধিনায়ক অনুপম ডেকা। নৱোদয় বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক অঞ্জন ৰয় চৌধুৰীৰ উপস্থিতিত বিদ্যালয় চৌহদত আজি ৰাতিপুৱা এই শিৱিৰৰ শুভাৰম্ভ কৰা হয়।

### নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা

## বিশ্বনাথৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি শিলচৰৰ

**গুৱাহাটী, ৩১ মে'ঃ** এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত চলি থকা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে শিলচৰ দলে। উল্লেখ্য যে এইবাৰ ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপৰ যুঁজত শিলচৰ মুখামুখি হৈছে বিশ্বনাথ চাৰিআলিৰ। চাৰিদিনীয়া মেচখনৰ প্ৰথমদিনা পোনতে বেটিং কৰা বিশ্বনাথে ১২২ ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত, শিলচৰে প্ৰথমদিনা প্ৰথম ইনিংছত তিনি উইকেটত ৫৭ ৰাণ কৰাত বৰষুণৰ বাবে মেচ বন্ধ হৈছিল। আজি দলে পুনৰ ইনিংছ আৰম্ভ কৰি ২২৩ ৰাণত অলআউট হয়। ইফালে, দিনান্তত বিশ্বনাথে দ্বিতীয় ইনিংছ আৰম্ভ কৰি চাৰি উইকেটত ৯০ ৰাণ কৰিছে।

## ইণ্ডো-নেপাল আন্তঃৰাষ্ট্ৰীয় গেমছত ভাৰতে আঁজুৰি আনিলে সোণৰ পদক

দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়বৰ, ৩১ মে' : আন্ত:ৰাষ্ট্ৰীয় প্ৰেক্ষাপতত টাইকোৱাণ্ডোত সোণৰ পদক কঢ়িয়াই অসমলৈ গৌৰৱ কঢ়িয়ালে কলিয়াবৰ শিলঘাটৰ পৰশ জ্যোতি দাসে। ইণ্ডো-নেপাল আন্ত:ৰাষ্ট্ৰীয় গেমছ-২০২২ ত ভাৰতে আজুৰি আনিলে সোণৰ পদক। টাইকোৱাণ্ডোত সোণৰ পদক কঢ়িয়াই অসমলৈ গৌৰৱ কঢ়িয়ালে কলিয়াবৰ শিলঘাটৰ পৰশ জ্যোতি দাসে। ২৮ মেৰ পৰা নেপালৰ কাঠমাণ্ডুত তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছিল ইণ্ডো-নেপাল আন্ত:ৰাষ্ট্ৰীয় গেমছ-২০২২। প্ৰতিযোগিতাত কলিয়াবৰৰ পৰশ জ্যোতি দাসে সোণৰ পদক অৰ্জন কৰি গৌৰৱ কঢ়িয়াইছে ভাৰতলৈ। পৰশ জ্যোতি দাসে সমৰকলা বিভাগত ভাৰতক প্ৰতিনিধিত্ব কৰি অংশগ্ৰহণ কৰিছিল নেপালত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় গেমছত। সমৰকলাৰ জৰিয়তে এইগৰাকী প্ৰতিভাৱান খেলুৱৈয়ে কণ-কণ শিশুক বিগত চাৰি বছৰে প্ৰদান কৰি আহিছিল সমৰকলাৰ প্ৰশিক্ষণ।২০১৮ বৰ্ষত কলিয়াবৰ টাইকোৱাণ্ডো একাডেমী প্ৰতিষ্ঠা কৰি বহু ছাত্ৰ-ছাত্ৰীক সমৰকলাৰ প্ৰশিক্ষণ দি আহিছিল মাৰ্চেল খেলুৱৈ পৰশ জ্যোতি দাসে। পৰশ জ্যোতি দাসৰ নেতৃত্বত কলিয়াবৰ টাইকোৱাণ্ডো একাডেমীৰ পৰা বহু কণ-কণ শিশোৱে ইতিমধ্যে ৰাজ্যৰ ভিন্ন প্ৰান্তত অনুষ্ঠিত সমৰকলা খেলত অংশগ্ৰহণ কৰি সফলতা বুটলিবলৈ সক্ষম হৈছিল।

### গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেন

## মহিলাৰ একক শাখাৰ ছেমি ফাইনেলত কোকো-মাৰ্টিনা

**পেৰিছ, ৩১ মে'ঃ** কানাডাৰ লেইলা ফাৰ্নাণ্ডেজৰ বিৰুদ্ধে পোনপটিয়া ছেট জয় কৰি কেৰিয়াৰত প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেম টেনিছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে ইটালীৰ মাৰ্টিনা ট্ৰেভিছানে। উল্লেখ্য যে বিশ্বৰ ৫৯ নম্বৰ খেলুৱৈ ট্ৰেভিছানে ১৭ নং বাচনিৰ কানাডিয়ান খেলুৱৈগৰাকীক ৬-২, ৬-৩ ব্যৱধানত পৰাস্ত কৰে। এতিয়া ২৮ বছৰীয়া ৰিয়ানে ফাইনেলত স্থান লাভৰ বাবে মুখামুখি হ'ব কোকো গাউফৰ। আজি হোৱা আন এখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ কোকোই সতীৰ্থ স্লোৱেন ষ্টিফেন্সৰ বিৰুদ্ধে ৭-৫, ৬-২ ত জয়ী হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ইটালীৰ নৱাগত তাৰকা মাৰ্টিনা ট্ৰেভিছানে হেলাৰঙে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আলিয়াক্সান্দ্ৰা ছাছনোভিচৰ বিৰুদ্ধে ৭-৬, ৭-৫ ত জয়ী হৈ ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল মাৰ্টিনাই। উল্লেখ্য যে ২০১৯ ৰ পেৰিছত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা ট্ৰেভিছানে বেলাৰুছিয়ান তৰকা গৰাকীক পৰাস্ত কৰি নিজৰ বিজয়ী দৌৰ নখন মেচলৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। বিপৰীতে ইউ এছ অ'পেনৰ ফাইনেলিষ্ট লেইলা ফাৰ্নাণ্ডেজে আমেৰিকাৰ আমাণ্ডা এনিছিমোভাৰ বিৰুদ্ধে ৬-৩, ৪-৬, ৬-৩ ৰ ব্যৱধানত জয়লাভ কৰি প্ৰথমবাৰৰ বাবে ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰিছিল। উল্লেখ্য যে কানাডাৰ বাওঁহাতৰ খেলুৱৈগৰাকীয়ে গ্ৰেণ্ড শ্লেম ইউ এছ অ'পেনৰ ফাইনেলত ২০২১ ত সতীৰ্থ কিশোৰী এমা ৰাডুকানুৰ হাতত পৰাস্ত হৈছিল। ইফালে, আজি চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলতে যাত্ৰা সামৰিলে।





# বিহালীত শামুকযুক্ত বৰফ প্ৰস্তুত অঞ্জলি আইচ্ ক্ৰীম উদ্যোগৰ

## নীৰৱ-নিৰ্বিকাৰ জিলা প্ৰশাসন ঃ গাঁওৰক্ষী বাহিনীৰ সম্পাদকৰ ভূমিকা সন্দেহজনক

**প্ৰতিবেদন-১**



**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৩১ মে' ঃ** বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালীৰ বৰগাঁওৰ অঞ্জলি আইচ্ ক্ৰীম নামৰ উদ্যোগটোৰে প্ৰস্তুত কৰা বৰফৰ মাজত শামুক ওলোৱাক লৈ চাঞ্চল্য অব্যাহত আছে বিহালীত। অভিযোগ মতে ২৬ মেত বৰগাঁওৰ অঞ্জলি আইচ্ ক্ৰীম উদ্যোগটোৰ পৰা এজন খুচুৰা বৰফ বিক্ৰেতাই বৰফ কিনি বিহালীৰ টেলেঙনীয়া গাঁৱত বিক্ৰী কৰিবলৈ নিয়াৰ সময়ত গ্ৰাহকে বৰফ ক্ৰয় কৰি সেৱন কৰাৰ সময়ত বৰফৰ মাজত ওলাই শামুক। বৰফৰ মাজত শামুক ওলোৱাৰ লগে লগে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হয়। আনহাতে বৰফৰ মাজত শামুক ওলোৱাৰ খবৰটো বিয়পি পৰাৰ লগে-লগে অঞ্চলটোৰ সচেতন লোকে বৰফ বিক্ৰেতাক ঘেৰি ধৰাত বৰগাঁওস্থিত অঞ্জলি আইচ্ ক্ৰীম উদ্যোগৰ পৰা বৰফ ক্ৰয় কৰি নিয়া বুলি সদৰি কৰে বেপাৰীজনে। তাৰ কিছু ঘন্টাৰ পিছতেই অঞ্জলি আইচ্ ক্ৰীম উদ্যোগৰ স্বত্বাধিকাৰী সম্ভু পাৰমনী অঞ্চলটোলৈ গৈ সমস্ত ঘটনা গাঁপ দিবলৈ উঠি পৰি লগাৰ চাঞ্চল্যকৰ অভিযোগ উত্থাপন হৈছে। ইমানেই নহয়, ঘটনা সংঘটিত হোৱাৰ পিছদিনা বিহালী আৰক্ষী থানাৰ অন্তৰ্গত গাঁওৰক্ষী বাহিনীৰ এজন সম্পাদকৰ নেতৃত্বত এটা সঁজাতী দল লৈ বিষয়টো প্ৰশাসনৰ দৃষ্টিগোচৰ কৰিবলৈ উঠিপৰি লাগিছিল যদিও পিছলৈ সম্পাদকজনে ৰহস্যজনক ভাৱে মৌনতা অৱলম্বন কৰিলে, যাৰ বাবে গাঁওৰক্ষী বাহিনীৰ সম্পাদক জনৰ ওপৰত স্থানীয় সচেতন লোকৰ সন্দেহ উপজিছে। বিহালীৰ সচেতন লোকৰ প্ৰশ্ন- বৰফৰ মাজত শামুক ওলোৱাৰ দৰে জনস্বাস্থ্য জড়িত বিষয়ত হঠাৎ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিও কি কাৰণত ৰহস্যজনকভাৱে নিশাটোৰ ভিতৰতে শুই পৰিল গাঁওৰক্ষী বাহিনীৰ সম্পাদকজন। তদুপৰি, বিহালীৰ বৰগাঁওস্থিত অঞ্জলি আইচ্ ক্ৰীম নামৰ বৰফ উদ্যোগটোৱে ভাৰত চৰকাৰৰ খাদ্য নিৰাপত্তা আৰু মানদণ্ড আইন-২০০৬ চূড়ান্তভাৱে উলংঘা কৰি অহাৰ তথ্য পোহৰলৈ অহাৰ পিছতো বিশ্বনাথ জিলা প্ৰশাসনে নিৰ্লিপ্ততা গ্ৰহণ কৰা কৰা দেখা গৈছে। উল্লেখ্য, বিহালীত জনস্বাস্থ্য ক্ষতিকাৰ বৰফ প্ৰস্তুতৰে ৰমৰমীয়া বেপাৰ চলাই অহা অঞ্জলি আইচ্ ক্ৰীম নামৰ উদ্যোগ ছীল কৰাৰ উপৰিও মানৱ জাতিৰ স্বাস্থ্যৰ স'তে ল'ৰা ধেমালী কৰা উদ্যোগটোৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে দৃষ্টান্তমূলক শাস্তিৰ দাবী তুলিছে বিহালীৰ বিভিন্ন দল সংগঠনে। জানিব পৰা মতে শীঘ্ৰে দল সংগঠনসমূহে এই বিষয়টো জিলা প্ৰশাসনক লিখিত অভিযোগ প্ৰদান কৰিব। এই ক্ষেত্ৰত আমি পৰৱৰ্তী প্ৰতিবেদন প্ৰকাশ কৰিম প্ৰশাসনে কি ভূমিকা গ্ৰহণ কৰে বৰফ ফেক্টৰীটোৰ বিৰুদ্ধে লগতে কোন এই গৰাকীৰ গাঁওৰক্ষী বাহিনী জৰিয়তে থকা অভিযোগ উত্থাপন হৈছে তাৰ সম্পূৰ্ণ তথ্য ভিত্তিত পৰৱৰ্তী সময়ত প্ৰকাশ কৰিবলৈ চেষ্টা কৰিম।




# বাঁও দলসমূহৰ আহ্বানত শিৱসাগৰত প্ৰতিবাদ

## ■ মুখ্যমন্ত্ৰীলৈ আঠদফীয়া দাবীপত্ৰ প্ৰেৰণ ■

### চৰকাৰৰ যোগান বিভাগৰ নিয়ন্ত্ৰণ বজাৰত নাইকিয়া হৈছে ঃ কনক গগৈ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩১ মে' ঃ** বাঁও দলসমূহৰ আহ্বানত সমগ্ৰ দেশৰ লগতে আজি শিৱসাগৰতো এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ন কৰা হয়। বিগত ২৫ মে'ৰ পৰা আজি ৩১ মে লৈকে দেশজুৰি চি. পি. আই. চি. পি. আই. (এম.), আৰ. চি. পি. আই. আৰু চি. পি. আই. (এম. এল.) এ দেশজুৰি বিজেপি চৰকাৰৰ দিনত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, ঔষধ, ইন্ধনজাত সামগ্ৰী, নিৰ্মাণ কাৰ্যত ব্যৱহৃত সামগ্ৰী আদিৰ আকাশলংঘী মূল্য বৃদ্ধিৰ প্ৰতিবাদত আহ্বান জনোৱা প্ৰতিবাদী কাৰ্যসূচীৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলাতো চি. পি. আই. আৰু চি. পি. আই. (এম.) এ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা-বিক্ষোভ প্ৰদৰ্শন কৰি কেইবাটাও দাবী পূৰণাৰ্থে চৰকাৰক আহ্বান জনায়। ধৰ্ণাস্থলীত অনুষ্ঠিত হোৱা প্ৰতিবাদী সভাত অংশগ্ৰহণ কৰি চিপিআই নেতা কনক গগৈয়ে কয় যে- প্ৰতিদিনে বজাৰত নিত্য প্ৰয়োজনীয় খাদ্য-সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। বজাৰত নিৰ্মাণ সামগ্ৰীকে ধৰি সকলো প্ৰয়োজনীয় সামগ্ৰী, জীৱন দায়িনী ঔষধৰ দাম বৃদ্ধিয়ে জনজীৱন অচল কৰি তুলিছে। ১৯৫৫ চনৰ নিত্য প্ৰয়োজনীয় সামগ্ৰী আইন প্ৰত্যাহাৰ কৰাৰ পিছত মজুতকাৰী, মুনাফাখোৰ, ফটকাবাজবোৰৰ দৌৰাত্ম্য বাঢ়িছে। সাধাৰণ মানুহৰ আখলত জুই নুমোৱাৰ অৱস্থা হৈছে। চৰকাৰৰ যোগান বিভাগৰ নিয়ন্ত্ৰণ বজাৰত নাইকিয়া হৈছে। অত্যধিক কৰৰ বোজা কেন্দ্ৰীয় চৰকাৰে জাপি দি পেট্ৰ'ল-ডিজেলৰ ১০৯.০০ টকা পৰ্যন্ত আৰু ৰন্ধন গেছৰ প্ৰতি চিলিণ্ডাৰৰ মূল্য ১০০০.০০ টকাৰ অধিক হৈছেগৈ। চৰকাৰে মূল্যবৃদ্ধি হ'বই বুলি হাত সাৱটি বহি আছে বুলি নেতা গৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ লগতে তেওঁ চৰকাৰক উদ্দেশি কৰি কয় যে, পেট্ৰ'লজাত সামগ্ৰীৰ ওপৰত থকা সকলো উপ-কৰ প্ৰত্যাহাৰ কৰক চৰকাৰে। ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী কৰি চাউলৰ উপৰিও দাইল, আটা, মিঠাতেল, চেনী, নিমখ আদি অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰক আৰু কোচিন তেলৰ সস্তা দৰ নিৰ্ধাৰণ কৰক। আয়কৰৰ আওতাত নপৰা পৰিয়ালক নগদ ধন মাহিলী ৭,৫০০.০০ টকাকৈ প্ৰদান কৰক। এম. জি. এনৰেগা আঁচনিৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ বৃদ্ধি কৰক চৰকাৰে। নিবনুৱা ভাট্টা সম্পৰ্কীয় এক কেন্দ্ৰীয় আঁচনি ৰূপায়নৰ বাবে আইন প্ৰণয়ন কৰক। চহৰ অঞ্চলত কৰ্ম সংস্থাপনৰ নিশ্চয়তা প্ৰদানৰ বাবে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰাৰ পদক্ষেপ চৰকাৰে গ্ৰহণ কৰক। সকলো বিভাগৰ খালী হৈ থকা পদসমূহ অতিশীঘ্ৰে পূৰণ কৰক আৰু বানপানীত ক্ষতিগ্ৰস্ত সকলোকে পৰ্যাপ্ত সাহায্য প্ৰদান আৰু ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী উত্থান কৰে গগৈয়ে। আজিৰ এই প্ৰতিবাদস্থলীৰ পৰা শিৱসাগৰ জিলা উপায়ুক্তৰ যোগেদি ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীলৈ বাঁও দল সমূহে আঠ দফীয়া দাবী সম্বলিত এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে। আজিৰ এই কাৰ্যসূচীত চি পি আই এমৰ জিলা সম্পাদক দেৱেন গোঁওাই, এ আই টি ইউ চি জিলা সম্পাদক মদন বৰুৱা আৰু চি পি আইৰ জিলা সহ সম্পাদক মণি বুঢ়াগোঁওাইয়ে অংশগ্ৰহণ কৰি চৰকাৰৰ জনবিৰোধী কাম-কাজক চোকা ভাষাৰে সমালোচনা কৰে।

# গোসাইগাঁৱৰ আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত ধঁপাতবিৰোধী দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ৩১ মে' ঃ** গোসাইগাঁও মহকুমাৰ হাছৰাওবাৰীস্থিত আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষক, শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে আজি বিশ্ব ধঁপাত বিৰোধী দিৱস পালন কৰে। তদুপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে স্কুলৰ পৰা এখন চাইকেল সমদল উলিয়াই হাতে হাতে ধঁপাত বিৰোধী ফেষ্টুন, প্লেকাৰ্ড প্ৰদৰ্শন কৰি তামাকু হটাও, জিন্দেগী বচাও, ধঁপাত বৰ্জন কৰক, ধঁপাত সেৱন বন্ধ কৰক আদি শ্লোগানেৰে সকলো শ্ৰেণীৰ ৰাইজৰ মাজত দৃষ্টি আকৰ্ষণ কৰাৰ প্ৰয়াস চলায়। লগতে ধঁপাত সেৱনে মানৱ জীৱনৰ ক্ষতিকাৰক দিশ সমূহৰ দৃষ্টিপাত কৰাই সজাগতা অনাৰ বাবে ছাত্ৰ -ছাত্ৰী সকলে প্ৰচেষ্টা চলায়। উদ্দেশ্য বিশ্ব ধঁপাত বিৰোধী দিৱস বিশ্ব স্বাস্থ্য সংস্থাৰ এক প্ৰচেষ্টা আৰু প্ৰতি বছৰে ৩১ মে'ত পালন কৰা হয়। এই অভিযানৰ উদ্দেশ্য হৈছে ধঁপাতৰ বিপদ আৰু স্বাস্থ্যৰ ওপৰত ইয়াৰ নেতিবাচক প্ৰভাৱৰ বিষয়ে ৰাইজৰ মাজত সজাগতা কৰা। ইয়াৰ মূল লক্ষ্য হৈছে ধঁপাত সেৱনৰ ফলত হোৱা ৰোগ আৰু মৃত্যু হ্ৰাস কৰা বুলি কয় আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ আনোৱাৰ হোসেনে। আজমল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা উলিওৱা চাইকেল ৰেলী কৰি মহকুমাৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি গোসাইগাঁও মহকুমাধিপতিৰ কৰ্যালয়ৰ সন্মুখত উপস্থিত হৈ ধঁপাত বিৰোধী শ্লোগানেৰে খোজ কাঢ়ি সমদল কৰাৰ লগতে ছাত্ৰ ছাত্ৰী সকলে ধঁপাতৰ ওপৰত নাটক প্ৰদৰ্শন কৰি দেখুৱাই দিয়ে।



হোজাইত বিশ্ব ধঁপাতবিৰোধী দিৱস উপলক্ষে উলিওৱা শোভাযাত্ৰা

# বিশ্বনাথ জিলাৰ ইটাখোলাত প্ৰশাসনৰ উচ্ছেদ অভিযান

**দৈনমদিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৩১ মে' ঃ** বিশ্বনাথ জিলাৰ ইটাখোলা উপ-আৰক্ষী চকীস্থিত ইটাখোলাৰ ব্যৱসায়ী প্ৰতিষ্ঠান আজি প্ৰশাসনে উচ্চেদ অভিযান চলাই। পুৱা ভাগৰ পৰাই বিশ্বনাথ প্ৰশাসনে জে চি বি লগাই এফালৰ পৰা পকী গৃহসমূহ ভাঙি উচ্ছেদ অভিযান চলাই। জানিব পৰা মতে ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা ইটাখোলা সংযোগী পথৰ পৰা অৰুণাচলৰ চিজুছালৈ যোৱা পথৰ কাষত এচাম লোকে অবৈধ দখলেৰে ব্যৱসায় প্ৰতিষ্ঠানৰ লগতে আৱাস গৃহ নিৰ্মাণ কৰিছিল। ফল স্বৰূপে পথছোৱা ক্ৰমান্বয়ে ঠেক হৈ যান-যটৰ সৃষ্টি কৰাৰ লগতে ইটাখোলা ব্যৱসায় কেন্দ্ৰৰ গাতে লাগি থকা দিকৰাই সম্পাহিক বজাৰৰ ভূমি সংকুচিত হৈ অহাৰ অভিযোগ উত্থাপন হৈ আহিছিল। ইপিনে ইটাখোলা অঞ্চলত দীৰ্ঘদিনে চৰকাৰী ভূমি অবৈধ দখল উচ্ছেদৰ দাবী উত্থাপন কৰি আহিছিল বিভিন্ন দল সংগঠনে। চতিয়া ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত ইটাখোলা ব্যৱসায়ী কেন্দ্ৰৰ কেইবাটাও ব্যৱসায়ী কেন্দ্ৰ জে চি বিৰে ভাঙি পেলায়। ইয়াৰোপৰি ইটাখোলা সাপ্তাহিক বজাৰৰ আশে পাশে থকা অবৈধ গৃহ সমূহো আজি জিলা প্ৰশাসনে উচ্ছেদ চলাই যদি বাকি ৰৈযোৱা অবৈধ ব্যৱসায় প্ৰতিষ্ঠানসমূহো অনতিপলমে উচ্ছেদ কৰা হ'ব বুলি প্ৰশাসনে জানিব দিয়ে। উল্লেখ্য যে ইটাখোলা ব্যৱসায়ী অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে ইটাখোলা অঞ্চলৰ বিভিন্ন প্ৰান্তত চৰকাৰী ভূমি অবৈধ দখল উচ্ছেদৰ বিষয়টি চৰ্চিত হৈ আহিছিল আৰু যোৱা কালি নদুৱাৰ ৰাজ চক্ৰৰ জাননী অনুসৰি আজি প্ৰশাসনে উচ্ছেদ অভিযান চলায়। হ'ব বুলি চক্ৰ বিষয়াই জানিব দিয়ে।

# ডিব্ৰুগড়ৰ মানকটা খেলপথাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ভাৰ্চুৱেল মত বিনিময় অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৩১ মে' ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ শুভক্ষণত দেশত 'আজাদী কা অমৃত মহোৎসৱ'ৰ উপলক্ষ্যত "আজাদী কা অমৃত মহোৎসৱ' ৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে ভাৰত চৰকাৰৰ ৯টা বিভাগৰ দ্বাৰা ৰূপায়িত প্ৰায় ১৫ খন আঁচনিৰ অধীনৰ হিতাধিকাৰীসকলৰ সৈতে অনলাইন যোগে আজি চিমলাৰ পৰা মত বিনিময় কৰে।প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ আৰু চহৰাঞ্চল), প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি,প্ৰধানমন্ত্ৰী উজ্জ্বলা আঁচনি, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা,স্বচ্ছ ভাৰত অভিযান (গ্ৰামীণ আৰু চহৰাঞ্চল), জল জীৱন মিছন আৰু অটল মিছন ফৰ ৰিজুভেনেচন এণ্ড আৰ্বান ট্ৰেন্সফৰ্মেচন (AMRUT), প্ৰধানমন্ত্ৰী স্বনিধি আঁচনি, এক ৰাষ্ট্ৰ, এক ৰেচন কাৰ্ড), প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনা, আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আচৰি সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে অনলাইন যোগে মত বিনিময় কৰিব।উক্ত আঁচনিসমূহে আৰ্থিকভাৱে দুৰ্বল আৰু দৰিদ্ৰ জনসাধাৰণক সাঙুৰি লয়। সেয়েহে, প্ৰধানমন্ত্ৰী এই অনুষ্ঠানটোৰ নাম দিয়া হৈছে 'গৰিব কল্যাণ সন্মিলন'। এই মত বিনিময়ৰ মুখ্য উদ্দেশ্য কেৱল মাত্ৰ এই আঁচনি সমূহে নাগৰিক সকলৰ জীৱন ধাৰণ কেনেদৰে সহজ কৰি তুলিছে সেয়া উপলব্ধি কৰাই নহয়, প্ৰধানমন্ত্ৰীয়ে হিতাধিকাৰী সকলৰ সৈতে কৰা মত বিনিময়ৰ জৰিয়তে ইয়াৰ একত্ৰীকৰণ আৰু সংপৃক্ততাৰ সম্ভাৱনাও অন্বেষণ কৰিব আৰু এই অনুষ্ঠানে ভাৰতৰ প্ৰতিগৰাকী হিতাধিকাৰীৰ আকাংক্ষা মূল্যায়ণ কৰাৰো সুযোগ প্ৰদান কৰে। ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত মানকটা খেলপথাৰত পুৱা ৯ বজাৰ পৰা আৰম্ভ লগীয়া এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে অংশগ্ৰহণ কৰি থকা সময়তে পিছফালে মঞ্চত হিতাধিকাৰী সলনি খালি চকী। জিলাখনৰ সাতটা সমষ্টিৰ পৰা কেইবাটাও উন্নয়ন খণ্ডৰ হিতাধিকাৰীসকলক গাড়ীয়ে অনুষ্ঠানলৈ আনিছিল যদিও ৯ বজাত আহি অনুষ্ঠানত উপস্থিত থকা ৰাইজে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ভাৰ্চুৱেল যোগে মত-বিনিময় আৰু ভাষণ শুনিবলৈ ধৰ্য্য নাইকিয়া হ'ল। তেওঁলোকে কেন্দ্ৰীয় পেট্ৰলিয়াম, প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ ভাষন শুনাৰ পাছত মঞ্চৰ পৰা যাবলৈ ধৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ভাৰ্চুৱেল মত-বিনিময় সময়ত বিশাল মঞ্চখন খালি পৰে হিতাধিকাৰী আৰু জনসাধাৰণ।প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেল যোগে চিমলা পৰা ভাষণ দি থকা সময়ত ডিব্ৰুগড় মানকটা খেলপথাৰ বিশাল মঞ্চ খালি চকীহে থিয় থাকিল।আজি ডিব্ৰুগড়ৰ এই অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াই জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে প্ৰধান মন্ত্ৰী আবাস যোজনা আঁচনিৰ যোগেদি আবাস গৃহ লাভ কৰা হিতাধিকাৰীক দালালৰ পৰা সাৱধান হ'বলৈ আহ্বান জনায়। এই গৃহৰ ধন কোনো দালালে কিঞ্চিত হ'লেও আত্মসাৎ কৰিলে শাস্তি পাব বুলি কয়। অনুষ্ঠানত ডিব্ৰুগড় সমষ্টি বিধায়ক প্ৰশান্ত ফুকন, লাহোৱাল সমষ্টি বিধায়ক বিনোদ হাজৰিকা, মৰাণ সমষ্টি বিধায়ক চক্ৰধৰ গগৈ, চাবুৱা সমষ্টি বিধায়ক পোনাকণ বৰুৱাই লগতে স্বায়ত্ত শাসিত পৰিষদৰ কেবাজনো সদস্য লগতে বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

**স্বচ্ছ ভাৰত মিছনৰ উদ্যোগত সজাগতা সভা**

# গহপুৰত গোটা আৱৰ্জনা নিষ্কাষণ আৰু কেঁচুসাৰ প্ৰকল্পৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তা সেৱা, ডুবিয়া, ৩১ মে' ঃ** বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ ডুবিয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত জাৰণী গাঁৱৰ সম্ভাৱনা ভৱনত ভাৰত চৰকাৰৰ এক অভিলাষী আঁচনি স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ খণ্ড-২) ৰ অধীনত গোটা আবৰ্জনা নিস্কাষণ সম্পৰ্কে এক সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই সজাগতা সভাত গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা, ডুবিয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী স্নিগ্ধা গোস্বামী, বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী লাৱণ্য চাৰিঙিয়া, জনস্বাস্থ কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্য্যবাহী তাভিযন্তা প্ৰবীণ কুমাৰ সন্দিকৈ, বিশ্বনাথ জিলাৰ গোটা আৰু জুলীয়া আৱৰ্জনা নিস্কাষণ প্ৰকল্পৰ পৰামৰ্শক শৰৎ বৰাকে আদি কৰি গাঁও পঞ্চায়তখনৰ সচিব, অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন ব'ৰ্ডৰ সভাপতি নোমল বৰুৱা, গাঁও পঞ্চায়তৰ কৰ্মকৰ্তা সকল আৰু স্হানীয় ৰাইজ উপস্হিত থাকে। সজাগতা সভাৰ আৰম্ভণিতে পঞ্চায়তখনৰ সভানেত্ৰীগৰাকীয়ে সভাৰ উদ্দেশ্য বাখ্যা কৰাৰ লগতে ডুবিয়া গাঁও পঞ্চায়তখনত ইতিমধ্যে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা বৰ্জনীয় সামগ্ৰী সংগ্ৰহ কেন্দ্ৰত পঞ্চায়তখনত উৎপন্ন হোৱা গোটা আবৰ্জনা নিস্কাষণ কৰিবলৈ ৰাইজৰ সহায় সহযোগিতা কামনা কৰে। সভাত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থকা গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাই গোটা আৱৰ্জনা নিস্কাষণৰ ক্ষেত্ৰত আমাৰ ৰাজ্যৰ বাহিৰৰ কেইবাখনো ৰাজ্যত গোটা আবৰ্জনা নিস্কাষণ সম্পৰ্কে পোৱা সফল অভিজ্ঞতা বিষয়ে ব্যক্ত কৰে । বিধায়কগৰাকীয়ে নাতিদীৰ্ঘ ভাষণত প্ৰত্যেকে ঘৰৰ পৰা উৎপন্ন হোৱা গোটা আৱৰ্জনাসমূহ উৎসতে জৈৱিক আৰু অজৈৱিক আৱৰ্জনা হিচাপে পৃথকীকৰণ কৰি এই আৱৰ্জনাসমূহ তিনিচকীয়া বাহনৰ যোগেদি মুখ্য আৱৰ্জনা সংগ্ৰহ কেন্দ্ৰলৈ নি জৈৱিক আৱৰ্জনাসমূহ কেঁচুসাৰ প্ৰকল্পৰ যোগেদি জৈৱিক সাৰলৈ ৰূপান্তৰিত কৰাৰ বাবে আহ্বান জনায় । জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী কাৰ্য্যবাহী অভিযন্তা প্ৰবীণ কুমাৰ সন্দিকৈয়ে যোৱা ফেব্ৰুৱাৰী মাহত বিশ্বনাথ কৃষি মহাবিদ্যালয়ত বিশ্বনাথ জিলা পানী আৰু অনাময় সমিতিয়ে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ সহযোগত কেঁচুসাৰ প্ৰকল্প স্থাপন কৰাৰ সম্পৰ্কে আয়োজন কৰা প্ৰশিক্ষণত উপস্হিত থকা পঞ্চায়তৰ কৰ্ম কৰ্তা সকলক নিজ নিজ পঞ্চায়ত স্বচ্ছ ভাৰত মিছন আঁচনিৰ অধীনত কেঁচুসাৰ প্ৰকল্প স্বপন কৰিবলৈ আহ্বান জনায় । তেওঁ কেঁচুসাৰ প্ৰকল্প স্থাপনৰ যোগেদি নিৱনুৱা যুৱক-যুৱতী, মহিলাসকলক স্বাৱলম্বী হবলৈও আহ্বান জনায়। জিলাৰ গোটা আৰু জুলীয়া আবৰ্জনা নিস্কাষণ প্ৰকল্পৰ পৰামৰ্শক শৰৎ বৰাই জিলাখনত চলিত বৰ্ষত ২৫ টা গাঁও পঞ্চায়তৰ আৱৰ্জনা সংগ্ৰহ কেন্দ্ৰসমূহৰ কাম সম্পূৰ্ণ কৰি কেঁচুসাৰ প্ৰকল্প স্থাপন কৰিবলৈ আহ্বান জনায়।পৰামৰ্শক বৰাই পঞ্চায়তখনত উৎপন্ন হোৱা আৱৰ্জনাৰ পৰিমাণ আৱৰ্জনাৰ চৰিত্ৰ, বৰ্তমান আৱৰ্জনা নিস্কাষণৰ ব্যৱস্থা সম্পৰ্কে জানিবলৈ এক সুশৃংখল ব্যৱস্থাৰ জৰিয়তে জৰীপ কৰাৰ সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়। যোৱা ২৭ মে' তাৰিখে অনুষ্ঠিত হোৱা এই অনুষ্ঠানৰ অন্তত স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ) আঁচনিৰ অধীনত ডুবিয়া গাঁও পঞ্চায়তৰ সভানেত্ৰীগৰাকীৰ বাসগৃহৰ চৌহদত নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা আদৰ্শ কেঁচুসাৰ প্ৰকল্পত বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ পৰা অনা উন্নত প্ৰজাতিৰ কেঁচু আনুষ্ঠানিকভাৱে এৰি দিয়ে গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাই। এই প্ৰকল্পৰ পৰা উন্নত মানৰ কেঁচুসাৰ উৎপাদন হ'ব বুলিও বিধায়ক গৰাকীয়ে আশা প্ৰকাশ কৰে।



# ৩১ বছৰীয়া বৰ্ণিল অধ্যাপনা জীৱনৰ অন্ত

**অৱসৰ ল'লে ডবকা হাজী আনফৰ আলী কলেজৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ফখৰ উদ্দিনে**



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৩১ মে' ঃ** ডবকাস্থিত হাজী আনফৰ আলী কলেজৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক ফখৰ উদ্দিনে আজি সুদীৰ্ঘ ৩১ বছৰীয়া অধ্যাপনা জীৱনৰ সফল সামৰণিৰে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। সেই উপলক্ষে আজি হাজী আনফৰ আলী কলেজ প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন সভাৰ জৰিয়তে তেওঁলৈ বিদায় সম্ভাষণ যচা হয়। ১ মে'ৰ ১৯৬২ চনত মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত আমবাৰী (মাটিখোলা) গাঁৱত তেওঁৰ জন্ম হয়। পিতৃ প্ৰয়াত আব্দুৰ ৰহমান আৰু মাতৃ মায়াৰুন বিবিৰ পুত্ৰ ফখৰ উদ্দিনে স্থানীয় দক্ষিণ নোৱাবিল এল পি স্কুলৰ পৰা প্ৰাথমিক শিক্ষা অৰ্জন কৰি মোৰাঝাৰ হাইস্কুল আৰু ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণ কৰি ঐতিহ্যমণ্ডিত কটন কলেজত নাম ভৰ্তি কৰে। তাৰ পৰাই ১৯৮৫ চনত স্নাতক আৰু ১৯৮৯ চনত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি ঘৰলৈ উভতি আহে। হাজী আনফৰ আলী কলেজত অধ্যাপক ৰূপে নিযুক্তি পোৱাৰ পূৰ্বে তেখেতে ১৯৯২-১৯৯৮ চনলৈ নীলবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল। ১৯৯৮ চনত হাজী আনফৰ আলী কলেজত অৰ্থনীতি বিভাগৰ অধ্যাপক ৰূপে নিযুক্তি লাভ কৰা ফখৰ উদ্দিনে সুদীৰ্ঘ ৩১ বছৰ কাল কলেজখনৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক ৰূপে সেৱা আগবঢ়াই আজি চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। আজি কলেজ প্ৰেক্ষাগৃহত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে অধ্যক্ষ ডঃ মামুন আজম বৰভূঞাই। সভাখনত অৱসৰী অধ্যাপক ফখৰ উদ্দিনৰ কৰ্ম জীৱনৰ ওপৰত আলোকপাত কৰে জ্যেষ্ঠ অধ্যাপক ক্ৰমে আতাউৰ ৰহমান, ডঃ মাজহাৰুল ইছলাম, ডঃ হাছিনুচ চুলতান আদিয়ে। হাজী আনফৰ আলী কলেজৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক ফখৰ উদ্দিনৰ অৱসৰ সম্পৰ্কে ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ডঃ হাছিনুচ চুলতানে কয়- কলেজখনৰ জ্যেষ্ঠ শিক্ষক ফখৰ উদ্দিন ছাৰে ৩১ বছৰীয়া চাকৰি জীৱনৰ সফল সামৰণিৰে অৱসৰ গ্ৰহণ কৰে। কৃতী শিক্ষক ফখৰ উদ্দিন ছাৰৰ সৰলতা, কৰ্মস্পৃহা, অধ্যৱসায় আৰু আদৰ্শ আমাৰ বাবে হৈ ৰ'ব আজীৱন অনুপ্ৰেৰণাৰ উৎস বুলি মন্তব্য কৰে ডঃ চুলতানে। বিদায়ী সভাত অৱসৰী অধ্যাপক গৰাকীক ফুলাম গামোচা, শৰাই, জাপিৰ লগতে মানপত্ৰৰে বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। কলেজৰ ছাত্ৰ একতা সভায়ো কৃতী শিক্ষকগৰাকীক সম্বৰ্ধনা জনায়।

**প্ৰধানমন্ত্ৰীৰ গৰীৱ কল্যাণ সন্মিলন**

# ক্ষেত্ৰীত বিভিন্ন চৰকাৰী আঁচনিৰ হিতাধিকাৰীৰ জনসমাগম

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৩১ মে' ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ শুভক্ষণত সমগ্ৰ দেশত আজাদী কা অমৃত মহোৎসৱ উদ্যাপন কৰি থকা হৈছে। আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত চৰকাৰৰ ৯ টা বিভাগৰ দ্বাৰা ৰূপায়িত প্ৰায় ১৬ খন আঁচনিৰ অধীনৰ হিতাধিকাৰীৰ সৈতে আজি চিমলাৰ পৰা মত-বিনিময় কৰে। প্ৰধানমন্ত্ৰী আৱাস যোজনা, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, এক ৰাষ্ট্ৰ এক ৰেচন কাৰ্ড, জলজীৱন মিচন, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা, প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা আদি আঁচনিৰ ওপৰত প্ৰধানমন্ত্ৰী গৰাকীয়ে মত বিনিময় কৰা এই অনুষ্ঠান দেশৰ অন্যান্য প্ৰান্তৰ লগতে ক্ষেত্ৰী গাঁও পঞ্চায়তৰ পৰা সম্প্ৰচাৰ তথা সংযোজনৰ ব্যৱস্থা কৰা হয়। দৰিদ্ৰ জনসাধাৰণৰ সাঙুৰি লোৱা আঁচনিৰ হিতাধিকাৰীৰ সৈতে মত-বিনিময় কৰিব বাবে প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠানৰ নাম দিয়া হৈছে-গৰিৱ কল্যাণ সন্মিলন। লোকসভাৰ সাংসদ প্ৰদান বৰুৱা, পূব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য ক্ষেত্ৰীৰ এই অনুষ্ঠানত উপস্থিত থাকি হিতাধিকাৰীসকলৰ লগত মত-বিনিময় কৰে। অতিৰিক্ত উপায়ুক্ত গৌৰীশংকৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দৰথি সুচিয়াংগ, জিলা পৰিষদৰ সভানেত্ৰী শিৰোমণি কোঁৱৰৰ উপৰি বহু সংখ্যক বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত উপস্থিত থাকে।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি